# কটনিয়ান

৭৮ তম সংখ্যা

কটন মহাবিদ্যালয়ৰ
বাৰ্ষিক মুখপত্ৰ
শিক্ষাবৰ্ষ ঃ ২০০৩-২০০৪

সম্পাদক ঃ হৰ্ষজিৎ চৌধুৰী

**কটনিয়ান** ঃ কটন মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ
কটন মহাবিদ্যালয় ছাত্ৰ একতা সভা, গুৱাহাটী - ১ ৰ দ্বাৰা প্ৰকাশিত
আৰু সৰ্বস্বত্ব সংৰক্ষিত

---

# এই সংখ্যাৰ সম্পাদনাৰ নেপথ্যত

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | অধ্যক্ষ উদয়াদিত্য ভৰালী |
| তত্বাৱধায়ক | ঃ | অধ্যাপক সুৰেশ কুমাৰ নাথ |
| শিক্ষক সদস্য | ঃ | অধ্যাপক ড° ভবেন কলিতা<br>অধ্যাপক ভগবান গোস্বামী<br>অধ্যাপিকা নন্দিতা ভট্টাচাৰ্য গোস্বামী<br>অধ্যাপিকা লুটফা হানুম চেলিমা বেগম |
| সম্পাদক | ঃ | হৰ্ষজিৎ চৌধুৰী |
| ছাত্ৰ সদস্য | ঃ | হেৰম্ব কুমাৰ দাস<br>লক্ষ্যধৰ তালুকদাৰ<br>প্ৰকাশ ছেত্ৰী<br>নয়নজ্যোতি চৌধুৰী<br>অনুপল বৰা |
| বেটুপাতৰ শিল্পী | ঃ | হৰ্ষজিৎ চৌধুৰী |
| অংগসজ্জা, অলংকৰণ, আৰু সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| কম্পিউটাৰ ৰেখাংকন | ঃ | যাদৱ শৰ্মা, পবিত্ৰ শৰ্মা |
| মুদ্ৰণ | ঃ | ডাউন টাউন কম্পিউটাৰ<br>অৰুনোদই পথ, শুইচ গেট, ভৰলুমুখ<br>গুৱাহাটী - ৯<br>দূৰভাষ ঃ ২৬০৪৫৮৯ |

# উৎসর্গ

যাৰ দুচকুত উদ্ভাসিত হৈ উঠে আৰু
সততে তিৰ্‌বিৰাই থাকে
**নতুন সৃষ্টিৰ সম্ভাৱনা**
সেইসকল সুন্দৰৰ পূজাৰীৰ হাতত

# শ্ৰদ্ধাঞ্জলি

কোনো মৃত্যু উৰি যোৱা পজা চিলনীৰ
সৰি পৰা পাখি
কোনো মৃত্যু হিমালয় পৰ্বতকৈয়ো গধুৰ.....
আমি অনুভৱ কৰিছোঁ..... কৰি যাম ..... আপোনালোকৰ শূন্যতা

---

| | | |
|---|---|---|
| অসমীয়া সাহিত্যত কবি-সৰস্বতী বুলি বিভূষিতা | : | ড° নিৰ্মলপ্ৰভা বৰদলৈ |
| অসমৰ নিয়োগ আৰু কাৰিকৰী শিক্ষাদপ্তৰৰ মন্ত্ৰী | : | ৰূপম কুৰ্মী |
| আৰক্ষী বিষয়া তথা বিশিষ্ট লিখক | : | খবিৰ আহমেদ |
| বুৰঞ্জীবিদ, লোক-সংস্কৃতিৰ গৱেষক | : | হেম বুঢ়াগোহাঞি |
| অনাতাঁৰ শিল্পী, নাট্যকাৰ, অভিনেতা | : | দিলীপ শৰ্মা |
| চলচ্চিত্ৰ তথা অসমীয়া নাট্যজগতৰ অন্যতম কাণ্ডাৰী | : | গিৰীশ চৌধুৰী |
| অসমৰ বিশিষ্ট চিন্তাবিদ | : | ফণী বৰা |
| নিৰ্ভীক সাংবাদিক | : | চাৰু মহন্ত |
| নাট্যকাৰ | : | ভবেন বৰুৱা |
| সুদক্ষ চিত্ৰগ্ৰহণকাৰীদ্বয় | : | অজান বৰুৱা আৰু মৃণাল কান্তি দাস |
| প্ৰখ্যাত নাট্য-সাহিত্যিক | : | মুনিন ভূঞা |
| বিশ্ববিখ্যাত নিউক্লিয়াৰ বিজ্ঞানী | : | ৰাজা ৰামান্না |
| হিন্দী তথা আঞ্চলিক ভাষাৰ কেবাখনি ছবিত | | |
| অভিনয় কৰা মোহময়ী অভিনেত্ৰী | : | নিৰুপমা ৰয় |
| ওডিচি নৃত্যৰ আজীৱন সাধক | : | গুৰু কেলুচৰণ মহাপাত্ৰ |
| নিজ প্ৰতিভাৰে উচ্চৰুচিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাণ কৰা | : | বি, আৰ, চোপ্ৰা |
| যাৰ যাদুকৰী কণ্ঠই সকলোৰে মন পৰশিছিল | : | এম, এছ, শুভলক্ষ্মী |
| প্ৰাক্তন প্ৰধান মন্ত্ৰী, বৰ্ষীয়ান ৰাজনীতিবিদ | : | পি, ভি, নৰসিংহ ৰাও |
| যাৰ অভিনয় আৰু সুদক্ষ পৰিচালনাত বলিউডে | | |
| এক নতুন মাত্ৰা লাভ কৰিছিল | : | বিজয় আনন্দ |
| চিনেমাৰ পৰ্দাত সকলোকে সদায় হঁহুৱাই অৱশেষত | | |
| যিজনে আমাক কন্দুৱাই থৈ গ'ল | : | মেহমুদ |
| ডি, এন, এ-ৰ আৱিষ্কাৰক | : | ফ্ৰান্সিচ ক্ৰিক |
| মধ্য-প্ৰাচ্যৰ শান্তিদূত | : | য়াচেৰ আৰাফট |
| আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা অভিনেতা | : | ৰোনাল্ড ৰেগান |

এই বছৰ মৃত্যুৰ কোলাত আশ্ৰয় লোৱা এইসকল পৰলোকগামী ব্যক্তিলৈ সমূহ কটনিয়ানে শ্ৰদ্ধাঞ্জলি জনাইছোঁ লগতে
কুম্ভকোনামৰ এখন বিদ্যালয়ত অগ্নিসংযোগ ঘটি অকালতে মৃত্যুক সাৱটি লোৱা পঁয়সত্তৰজন নিষ্পাপ শিশুলৈ,
স্বাধীনতা দিৱসৰ দিনা ধেমাজিত সংঘটিত বোমাবিস্ফোৰণত নিহত প্ৰতিজন শিশুলৈ,
অসমৰ অভূতপূৰ্ব বানপানীত নিহত প্ৰতিজন দুৰ্ভগীয়ালৈ,
আমেৰিকান সৈন্যৰ আক্ৰমণত ইৰাকত নিহত প্ৰায় পঞ্চাশ হাজাৰ নিৰীহ ব্যক্তিলৈ,
প্ৰলয়ংকৰী ছুনামী ভূমিকম্পত অকালতে প্ৰাণ হেৰুওৱা প্ৰায় নব্বৈ হাজাৰ লোকলৈ আৰু
আমাৰ জ্ঞাতে-অজ্ঞাতে বৈ যোৱা যোৱাবছৰত অপ্ৰত্যাশিতভাৱে মৃত্যুক সাৱটি লোৱা সহস্ৰজনলৈয়ো আমি জনাইছো সশ্ৰদ্ধ প্ৰণিপাত ...

# অধ্যক্ষৰ কলম



২০০৩ চনৰ ১ চেপ্টেম্বৰত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সবাতোকৈ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান কটন কলেজৰ অধ্যক্ষৰ দায়িত্ব মই গ্ৰহণ কৰিছিলো। যোৱা বছৰটো আছিল এই ঐতিহ্যমণ্ডিত কলেজখনৰ বাবে অতি গুৰুত্বপূৰ্ণ সময়, কাৰণ ২০০৪ চনৰ ৮, ৯ আৰু ১০ জানুৱাৰী তাৰিখে কলেজখনত প্ৰথমবাৰৰ বাবে NAAC-ৰ পৰিদৰ্শন হৈছিল আৰু তাৰ ফলাফল ঘোষিত হৈছিল ফেব্ৰুৱাৰী মাহৰ ১৬ তাৰিখে। NAAC-ৰ মূল্যায়নত কটন কলেজে লাভ কৰিছিল A grade। এতিয়ালৈকে কটন কলেজে অসমত NAAC-ৰ মূল্যায়নত A grade লাভ কৰা একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। এই সন্মান লাভ কৰাত যোৱা ১০২ বছৰত কটন কলেজৰ যি মহান ঐতিহ্য, সেই ঐতিহ্য সৃষ্টিকাৰীসকলৰ অতি মূল্যবান অৰিহণা, বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আশা-শুধীয়া প্ৰচেষ্টা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল কৃতি তথা আন্তৰিক সহযোগে অতি গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। আশা কৰিছোঁ, অহা পাঁচ বছৰত এই ঐতিহ্য অধিক উজ্জ্বল হ'ব আৰু পৰৱৰ্তী মূল্যায়নত কটন কলেজে অধিক উন্নত স্তৰ লাভ কৰিবলৈ সক্ষম হ'ব। কটন কলেজৰ এই অৰ্হতাক স্বীকৃতি দি NAAC-এ তেওঁলোকৰ দশম বছৰ পূৰ্তিৰ যি উৎসৱ যোৱাবছৰটোত সমগ্ৰ দেশৰ দহখন উচ্চ শিক্ষাৰ অনুষ্ঠানত পালন কৰিছিল তাৰে এটি অনুষ্ঠানৰ বাবে নিৰ্বাচন কৰিছিল কটন কলেজক। ২০০৪ চনৰ ২৮ আগষ্টত কটন কলেজত অনুষ্ঠিত এই উৎসৱত মূল বক্তৃতা প্ৰদান কৰিছিল আন্তৰ্জাতিক খ্যাতিসম্পন্ন বুদ্ধিজীৱী তথা নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড' প্ৰভাত পাটনায়কে।

এই বছৰটোতে কেবাবছৰৰো মূৰত কটন কলেজৰ প্ৰতিটো বিভাগতে খালি হৈ থকা সকলো শিক্ষকৰ পদবোৰ চৰকাৰে পূৰণ কৰিছিল। এই বছৰটোতেই প্ৰখ্যাত বিজ্ঞানী অধ্যাপক যশপাল আৰু প্ৰখ্যাত সমাজবিজ্ঞানী অধ্যাপক মনোৰঞ্জন মহান্তি, জ্ঞানপীঠ বঁটা বিজয়ী ড' মামনি ৰয়চম গোস্বামীয়ে কলেজখনলৈ আহি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ভাব-বিনিময় কৰিছিল। এই বছৰটোতে চিপ্‌কো আন্দোলন খ্যাত সুন্দৰলাল বহুগুণা কলেজখনলৈ আহিছিল আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰঙ্গ আলাপত মিলিত হৈছিল। এই বছৰটোতেই স্নাতক মহলাৰ Environmental Science আৰু উচ্চতৰ মাধ্যমিকৰ Computer Science ৰ পাঠদান কলেজখনত আৰম্ভ হৈছিল। এই বৰ্ষত কলেজখনৰ 'উদ্যোগশীলতা বিকাশ কেন্দ্ৰ'ই কেবাটাও আত্মনিয়োগ কেন্দ্ৰিক পাঠ্যক্ৰমৰ চাৰ্টিফিকেট ক'ৰ্চৰ ব্যৱস্থা কৰিছিল। GIS & REMOTESENSING-ৰ একাধিক চাৰ্টিফিকেট ক'ৰ্চ এই বছৰটোত আৰম্ভ হোৱাৰ লগতে কলেজখনৰ Department of Computer Science-ৰ উদ্যোগত কেবাটাও চাৰ্টিফিকেট ক'ৰ্চৰ প্ৰচলনৰ আৰম্ভণি হৈছিল। এই বছৰটোত বুৰঞ্জী বিভাগ, অৰ্থনীতি বিভাগ, শিক্ষা বিভাগ আৰু পদাৰ্থ বিজ্ঞান বিভাগে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিদ্যায়তনিক আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল। আন বছৰৰ দৰেই এই বছৰতো কটনিয়ানসকলে বিভিন্ন চূড়ান্ত পৰীক্ষাত কলেজখনৰ পূৰ্বৰ সুনাম অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছিল।

এই বৰ্ষৰ 'কটনিয়ান' সৰ্বাঙ্গসুন্দৰ হ'ব বুলি আশা কৰিলোঁ।

(উদয়াদিত্য ভৰালী)
অধ্যক্ষ, কটন কলেজ

সম্পাদকীয়

# সম্ভাৱনা নতুন সৃষ্টিৰ

পৃথিৱীৰ সবাতোঁকৈ বুদ্ধিদীপ্ত, কল্পনা প্ৰৱণ, ভাৱপ্ৰৱণ আৰু আবেগপ্ৰৱণ প্ৰাণী হিচাপে মানুহে নিজেই নিজকে স্বীকৃতি দিছে। মানুহে এই ধাৰণা মনত যুগ যুগ ধৰি লালন কৰি আহিছে। নিৰন্তৰ চলি অহা ক্ৰমবিৱৰ্তনৰ সুদীঘল পৰিক্ৰমাৰ স্তৰে স্তৰে মানুহে এৰি আহিছে আদিম বন্যতাৰ সাঁজজোৰৰ এডাল এডাল আঁহ। হয়তো তাৰ মাজত হেৰাই গৈছে অতি মূল্যবান জ্ঞানৰ দলিল। হয়তো তাৰ মাজৰেই কোনোবাখিনিত লুকাই আছিল সেই মোক্ষ জ্ঞান, সেই আলাদিনৰ চাকি যাৰ সন্ধানত চলিব লাগিছে সভ্যতাৰ এই অবিৰত যাত্ৰা। কোনে জানে? কোনে ক'ব পাৰে? কিন্তু মানুহে নিজকে জীৱশ্ৰেষ্ঠ বুলি দাবী কৰাৰ অধিকাৰ কিমানদূৰ যুক্তিসংগত? কোনে ক'ব সেইসকলক জীৱশ্ৰেষ্ঠ বুলি যিসকলে সহস্ৰজনৰ ভাত কাঢ়ি গঢ়িছে নিজৰ সুখৰ দালান? কোনে ক'ব সেইসকলক জীৱশ্ৰেষ্ঠ বুলি যিসকলে খেলে তেজেৰে লুকাভাকু? আৰু সেইসকলক যিসকলে বিদেশী সুৰাৰ বটল খুলি খুলি চায় তেৰবছৰীয়া বন কৰা ছোৱালীৰ অবৈধ গৰ্ভপাতৰ দৃশ্য, যি সকলৰ নষ্টবীৰ্য্যত জন্ম লয় অলিয়ে গলিয়ে ঘূৰি ফুৰা অনাথ শিশুবোৰ, পলিটিক্স কৰে যিবোৰে জাতিৰ; মন্দিৰ ভাঙি মছজিদ গঢ়িব খোজে আৰু মছজিদ ভাঙি মন্দিৰ? মুঠৰ ওপৰত এখন অবৰ্ণনীয় বেলভাচ। কেঁচা তেজে কৰাল বান্ধিছে যিখনৰ ওপৰত সেই বেলভাচখনৰেই হৈছো আমিবোৰ একো একোটা বিন্দু। এইদৰেই চলিব লাগিছে আজিৰ বিশ্ব। য'ত শান্তিৰ কপৌযুৰিৰ সলনি দেখা যায় বাৰুদৰ ধোঁৱা। চৰাইৰ মাতৰ সলনি ভাঁহি আহে কোনো ধৰ্ষিতা নাৰীৰ চিংকাৰ। চাকৰি নাপাই আত্মহত্যা কৰে যুৱকে, খেতিয়কে গামাক্সিনেৰে অনিষ্টকাৰী কীট-পতংগবোৰ নামাৰে, নিজকে মাৰে। এতিয়া ক'তো শান্তি নাই, ক'তো সুখ নাই। সুখ শান্তি যেন দুটা বহুমূলীয়া পাথৰ! পাৰিলে সোণৰ চেইনত বান্ধি ওলোমাই ল'ম। আচলতে অকল সুখ শান্তিয়েই নহয়, মানুহে ক্ৰমে ক্ৰমে হেৰুৱাই আছে আত্মনিৰাপত্তাবো।

সকলো ঘটনাৰ ইমানতে অন্ত পৰা হ'লে বৰ ভাল আছিল। বৰ ভাল আছিল ইয়াতেই যদি স্থবিৰ হৈ পৰিলহেঁতেন মানুহৰ অধঃপতনৰ এই দুৰন্ত গতি। কিন্তু সময় বৰ নিষ্ঠুৰ। আচলতে সময়েই সকলো পৰিৱৰ্তন নিয়ন্ত্ৰণ কৰে। সময়ে গানক কান্দোন বনায় আৰু কান্দোনক গান, সময়ে শিলক মাটি বনায় আৰু মাটিক শিল। সময়ে এতিয়া আমাক ঠেলি ঠেলি লৈ গৈ আছে আৰু আমিবোৰ মাটিৰ পুতলা হৈ গৈ আছো সময়ৰ লগত। আমি পাহৰি পেলাইছো আমাৰ প্ৰকৃত গন্তব্যস্থান। য'লৈ যোৱা আমি উচিত আছিল তালৈ আমি যাব পৰা নাই। আমিবোৰ যেন লক্ষ্যভ্ৰষ্ট নাৱৰ যাত্ৰী। আমি অনন্ত কালৰ লক্ষ্যহীন একো একোজন যাত্ৰী। কিন্তু সকলো জানো সময়ৰ দোষ? সময়ক বাৰে বাৰে দোষ দি নিজকে নিৰ্লজ্জভাৱে আত্মপ্ৰতাৰণা কৰা হোৱা নাইনে? আচলতে এই সকলোৰে মূল হৈছে আত্মতুষ্টি আৰু আত্ম প্ৰশংসা। আত্মতুষ্টি আৰু আত্মপ্ৰশংসাৰ দাবানলে মানুহক শেষ কৰি পেলাইছে। মানুহে পাহৰি পেলাইছে নিজৰ অতীত, বৰ্তমান আৰু সন্দিহান হৈ

# সম্পাদকীয়

পৰিছে নিজৰ ভৱিষ্যতক লৈ। খোৱা-কামোৰাত মত্ত মানৱ সমাজে ক্ৰমাৎ হেৰুৱাই পেলাব লৈছে নিজকে জীৱ শ্ৰেষ্ঠ বুলি ক'ব পৰাৰ নৈতিক অধিকাৰ। নে ইতিমধ্যে আমি হেৰুৱাই পেলালোৱেই ?

আজিৰ পৰা কেইবছৰমান আগতে বাতৰি কাকতত খবৰ এটা প্ৰকাশিত হৈছিল। বৰ চাঞ্চল্যকৰ আছিল সেই খবৰটো। মুম্বাইত এটা শিশু উদ্ধাৰ হৈছে। যিটো শিশু লালিত পালিত হৈছিল এজাক কুকুৰৰ দ্বাৰা। শিশুটোৱে সেই কুকুৰ জাকৰ গাখীৰ খায়েই প্ৰাণ ধাৰণ কৰিছিল। কোনে জানে কাৰ নষ্ট বীৰ্য্যৰ স্বাক্ষৰ আছিল সেয়া। যিয়েই নহওঁক অতি ভয়ঙ্কৰ অথচ আশ্চৰ্যজনক বিষয় আছিল সেয়া। সন্তান মানুহৰ আৰু আশ্ৰয় দিয়ে পশুৱে! তেনেহ'লে কিয় আমি সেই শ্ৰেণীটোক পশুৰ লগত তুলনা কৰো কিয় ? কিয় ?? আচলতে কোন বেছি নিম্নস্তৰৰ ? নিশ্চয়েই ই এক অৱধাৰিত প্ৰশ্ন। আজি আমাৰ চাৰিওফালে যি কলুষিত কদৰ্য্যময় পৰিৱেশ তাৰ বাবে আমিয়েই দায়ী ইয়াক অকুণ্ঠচিত্তে স্বীকাৰ কৰি লোৱাৰ দায়িত্বও আমাৰেই। কিন্তু ইয়াৰ লগে লগে আমাৰ সমস্ত কৰ্মৰ পৰিসমাপ্তি নঘটে। আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰয়োজনীয় পৰিৱেশ সৃষ্টি কৰাৰ গুৰু দায়িত্বও আমাৰ কান্ধতেই ন্যস্ত আছে। যাক আমি আমাৰ প্ৰজন্মৰ কালছোৱাতেই যুগ যুগান্তৰলৈ পৰিবহন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰি দিব লাগিব। নিশ্চয়েই ই হ'ব সমগ্ৰ মানৱ জাতিৰ বাবে এক আত্ম সংশোধনৰ প্ৰচেষ্টা। আমাৰ ভৱিষ্যত প্ৰজন্মই পাব লাগিব সেই পৰিৱেশ, সেই নীলা আকাশ, সেই সেউজীয়া পৰ্বত পাহাৰ, সেই সমাহিত নৈ সাগৰ, যাৰ আশে-পাশে, তলে-তলে, গিৰিয়ে-কন্দৰে, টোৱে টোৱে গজি উঠিব নতুন সৃষ্টিৰ সম্ভাৱনাৰ বীজ।

সুন্দৰৰ সাধনাৰ লগত নিশ্চয়েই মানৱ জাতিৰ এক নাতিদীৰ্ঘ (?) সম্পৰ্ক প্ৰতিষ্ঠাপিত হৈছে। ইতিহাসৰ আদিতম দলিলখনৰ প্ৰথমটো স্তৰৰ পৰা সাম্প্ৰতিক সময়লৈকে এই হেজাৰ হেজাৰ বছৰত অৱধাৰিতভাৱেই স্বাক্ষৰিত হৈছে সুন্দৰৰ সাধনাৰ চিন। মিছৰীয় সভ্যতা, ইউফ্ৰেটিছ-টাইগ্ৰিছ নৈ পৰীয়া সভ্যতা, মায়া সভ্যতা, সিন্ধু নৈ পাৰৰ সভ্যতা সকলোতে আৰম্ভ হৈ গৈছিল সুন্দৰৰ সাধনাৰ প্ৰচেষ্টা। আৰু মানুহে যি যি সময়তেই নিজকে বুজি পাব বিচাৰিছিল তেতিয়াই সৃষ্টি হৈছিল নতুনৰ। সেই পিৰামিড বনোৱাৰ সু-নিপুণ কৌশলৰ পৰা আৰম্ভ কৰি, য'ৰ ভিতৰত অমৰ হৈ থাকিব বিচাৰিছিল ইজিপ্তিয়ান মহাৰজাই; চাহজাহানৰ তাজমহললৈকে। কিন্তু যদি আজি এই সমস্ত কৰ্মৰাজি বিমূৰ্ত দৃষ্টিৰে অৱগাহন কৰিবৰ চেষ্টা কৰোঁ, দেখিম, সৃষ্টিৰ প্ৰক্ৰিয়া ক্ৰমান্বয়ে স্থবিৰ হৈ আহিব লাগিছে। মানুহৰ মনত ইতিমধ্যে এই ভাৱধাৰাই খোপনি পুতি পেলাইছে, 'খোৱা, খোৱা আৰু খোৱা, লোৱা, লোৱা আৰু লোৱা'। আজি বিজ্ঞানৰ জয়যাত্ৰাৰ কথা সদম্ভে ঘোষণা কৰা হৈছে। চন্দ্ৰৰ বুকুত খোজ দিয়েই হতাহ পলুওৱা নাই মানুহৰ। সৌৰজগতৰ যেন কোনো এটা গ্ৰহ উপগ্ৰহই বাদ পৰি নাযাব। অবিৰামভাৱে উৰিব লাগিছে ৰকেট, মহাকাশযান। নিত্য নতুন অভিযান, নিত্য নতুন লক্ষ্য। যেন এতিয়া আৰু পৃথিৱীখনৰ কথা ভাবিবৰ সময় কাৰোৱেই নাই। খাৰুৱা তেলৰ ভাণ্ডাৰ, কয়লাৰ ভাণ্ডাৰ শেষ কৰি পেলোৱা হ'ল। পৰ্বতবোৰ মৰুভূমি কৰি পেলোৱা হ'ল আৰু মৰুভূমিবোৰ মৰিশালী। সাগৰ মহাসাগৰবোৰ ক্ৰমে ক্ৰমে ৰূপান্তৰিত কৰা হ'ল আৱৰ্জনাৰ ভাণ্ডাৰলৈ। মানুহে এই কথা স্পষ্টকৈ মনত ৰখা উচিত যে এই গতিত আত্মধ্বংস চলি থাকিলে অদূৰ ভৱিষ্যতে সমগ্ৰ মানৱ জাতিয়েই দুৰ্যোৰ সংকটৰ গৰাহত পৰিব। ইয়াৰ উপায় হিচাপে এতিয়া মানুহে অবিৰাম গতিত চলাই নিব লাগিব আত্ম সংশোধনৰ প্ৰক্ৰিয়া। এজনৰ ক্ষেত্ৰত ইয়াৰ সু-প্ৰয়োগ সম্ভৱ হ'লেও সমগ্ৰ মানৱ জাতিৰ ক্ষেত্ৰত ই হ'ব অত্যন্ত দুৰূহ। কিয়নো আমাৰ ভুলবোৰ আমিয়েই প্ৰত্যক্ষ কৰিব লাগিব। অৱশ্যে সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদি বিভিন্ন ক্ষেত্ৰবোৰত ব্যাপক সংশোধন ঘটালে তথা উন্নয়নৰ গতি ত্বৰান্বিত কৰিলে ই নিশ্চয় সম্ভৱপৰ হ'ব। ইয়াৰ বাবে আমি আমাৰ জীৱন দৰ্শনৰ পৰিৱৰ্তন কৰিব লাগিব। কিন্তু ইয়াক আমি কেনেকৈ আৰম্ভ কৰিম ? ইয়াৰ বাবে আমাক কি কি সমলৰ প্ৰয়োজন হ'ব। ই এক সমূহীয়া বিচাৰ্য্যৰ বিষয়।

# সম্পাদকীয়

সকলো বস্তুৰেই দুটা দিশ আছে। যিদৰে এটা মুদ্ৰাৰ দুটা পিঠি। এই কথাষাৰৰ প্ৰাসংগিকতা এইখিনিতে যে আমাৰ সংস্কৃতিৰো দুটা দিশ আছে। তাৰে এটা হ'ল ভাল দিশ আৰু আনটো বেয়া দিশ। কিন্তু বেয়া শব্দটোৰ ব্যাপকতা সময় সাপেক্ষ আৰু কাল সাপেক্ষহে। আমাৰ দৃষ্টিত যিটো বেয়া বা সৰ্বজনগ্ৰাহ্য নহয় সেই একেটা বস্তুৱেই বা একেটা ঘটনাই হয়তো অইন সমাজৰ দৃষ্টিত আদৰণীয় বা অনুকৰণীয়। তাত আমাৰ আপত্তি কৰিব লগীয়া নিশ্চয় একো নাথাকে। কিন্তু আমাৰ ভাৰতীয় যুব সমাজৰ নৈতিক স্খলনৰ ক্ষেত্ৰত সাম্প্ৰতিক কালত কথাই প্ৰতি আমি পশ্চিমীয়া সংস্কৃতিৰ দোহাই দি আহিছো। কথাই প্ৰতি আমি কৈ আহিছো, পশ্চিমীয়া সংস্কৃতিৰ কুপ্ৰভাৱত আমাৰ ভাৰতীয় সংস্কৃতি বিনষ্ট হ'ল। আমাৰ মাজত সপৰিয়ালে টিভিৰ সন্মুখত বহি যৌন-সৰ্বস্ব নৃত্য উপভোগ কৰাৰ যি ধুম প্ৰচলিত হৈ গ'ল, কঁকালত, বুকুত নামমাত্ৰ কাপোৰ মেৰিয়াই লৈ নগ্ন নৃত্যৰ প্ৰচলনেৰে নিজকে আলট্ৰা মডাৰ্ণ, মেগা মডাৰ্ণ বুলি কৈ বান্দৰামি কৰাৰ যি জঘন্য প্ৰৱণতা গা কৰি উঠিল তাৰ বাবে যেন পশ্চিমীয়া সংস্কৃতিয়ে দায়ী। কিন্তু আমি এবাৰ হ'লেও নিৰ্মোহভাৱে বিশ্লেষণ কৰি চাইচোনে যে যাক আমি সততে পশ্চিমীয়া সংস্কৃতি বুলি কৈ আহিছো সেই সমাজৰ সামাজিক অৱস্থা? সেই সমাজৰ ৰাজনৈতিক অৱস্থা অথবা অৰ্থনৈতিক অৱস্থা? আমাৰ সেই সুজ্ঞানৰ উদয় হ'ব কেতিয়া? প্ৰকৃততে দোষটো পশ্চিমীয়া সংস্কৃতিৰ বুলি কৈ আমি আচলতে আত্মপ্ৰতাৰণাহে কৰিছো। আত্মপ্ৰতাৰণাৰ ই হ'ল এক জ্বলন্ত উদাহৰণ। আচলতে দোষ আমাৰ অনুকৰণতহে। আমি অকল পশ্চিমীয়া সংস্কৃতিৰ ক্ষেত্ৰতেই নহয় অন্যান্য দিশৰ সংস্কৃতিৰ ক্ষেত্ৰতো প্ৰয়োজনীয়খিনি অনুকৰণ কৰিব পৰা নাই। এই কথা নিতান্তই সঠিক যে ভাৰতীয় সমাজ ব্যৱস্থাটোৰ লগত পাশ্চাত্যৰ ভালেখিনি তফাৎ আছে আৰু সেই বাবেই বাধিতভাৱেই আহি পৰিছে সাংস্কৃতিক ভিন্নতা। আমি এই কথা মনত ৰখা উচিত যে পৰিৱেশেহে সংস্কৃতিৰ গঢ় দিয়ে। যদি আমি এই কথা অৱজ্ঞা কৰি আধুনিকতাৰ নামত হাতত বিদেশী সুৰাৰ বটল তুলি লৈ ব্যভিচাৰ আৰম্ভ কৰি দিওঁ তেন্তে আমাৰ স্বকীয়তা কিমানদিনলৈ বজাই ৰাখিব পাৰিম সেইটো সঁচাকৈয়ে গভীৰভাৱে চিন্তনীয়। এই কথা আগত ৰাখিয়েই নিশ্চয় এতিয়া আগবাঢ়ি যোৱাৰ সময়।

বৰ্তমান সময়ত সকলোতে বিশেষকৈ সাহিত্যিক ক্ষেত্ৰখনত দৈন্যতা পৰিলক্ষিত হৈছে। ভাৰতীয় সাহিত্যজগতখনত বিশেষকৈ আঞ্চলিক ভাষাবোৰৰ কথাই এই ক্ষেত্ৰত উনুকিয়াব পাৰি। অতীজত চহকী সাহিত্য সম্ভাৰ থকা স্বত্বেও কিহৰ বাবে আজি বিভিন্ন আঞ্চলিক উপভাষাবোৰ মৃতপ্ৰায় হ'ল ? কিহৰ বাবে ভাষা উদ্ধাৰৰ অজুহাত আগত ৰাখি হাতত বন্দুক তুলি ল'ব লগা হ'ল? বন্ধৰ দাবীত ৰাজপথ উত্তাল কৰি তোলা হ'ল? সঠিক সময়তে নিৰ্দিষ্ট দিশত মনোযোগ দিলে এনেকুৱা দৈন্যতা নিশ্চয় নঘটিলহেঁতেন। তেনেহ'লে ইয়াৰ বাবে আমি কাক দোষ দিম? নে ইয়াকে আকৌ অইন এটা অজুহাত বনাই লৈ এইবাৰ হাতে হাতে ৰকেট তুলি ল'ম? ৰবীন্দ্ৰনাথ ঠাকুৰৰ পিছত ইমানবছৰ কিয় এজনো ভাৰতীয় সাহিত্যিক ওলোৱা নাই যাৰ লেখনীয়ে নবেল বঁটাৰ বিচাৰকসকলৰ মন জিনিব পাৰে? এই ক্ষেত্ৰত চাৰ বিদ্যাধৰ সুৰজ প্ৰসাদ নাইপলক ভাৰতীয় বুলি যিসকলে অন্তৰ্ভুক্ত কৰিছে, তেওঁলোক আচলতে আত্মতুষ্টিৰ দ্বাৰা আক্ৰান্ত। অকল নাইপলেই নহয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতিপ্ৰাপ্ত বেচিভাগেই ইতিমধ্যে ৰাজনৈতিকভাৱে ভাৰতীয় নাগৰিক হৈ থকা নাই বা নাছিল। কিহৰ তাগিদাত তেওঁলোকে ভাৰতীয়ত্ব বৰ্জন কৰিলে? এইদৰেই শ শ কিয়ই আমাক আজি ব্যতিব্যস্ত কৰি তোলাই নহয় আত্মদহনত দহাইছে। আচলতে এই আত্মদহনৰ জুইকুৰাও আমিয়েই আমাৰ অজ্ঞাতে জ্বলাই তুলিছো। অকল সাহিত্যৰ ক্ষেত্ৰতেই নহয়, ভাৰতীয়সকল ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰটো লেখত লবলগীয়া ধৰণে আগবাঢ়ি যাব পৰা নাই। ভাৰতীয়সকলে এতিয়াও তাজমহলটোক লৈয়ে গৰ্ব কৰি আছে। বিদেশী পৰ্যটকৰ বাবে এতিয়াও সমানে আকৰ্ষণৰ বস্তু কুটুবমিনাৰ, লালকিল্লা, মিনাক্ষীমন্দিৰ, জগন্নাথ মন্দিৰ।

# সম্পাদকীয়

যোৱা শ শ বছৰত কিয় ভাৰতবাসীয়ে নতুন একো সৃষ্টি কৰিব পৰা নাই যি হ'ব পাৰে অষ্টম আশ্চৰ্য্য? এই স্থবিৰতাৰ কাৰণ কি? আমি অতীতক দোহাই দি, অতীতৰ গুণ-গৰিমা বখানি আৰু কিমান দিন তিষ্ঠি থাকিব পাৰিম? অতীতক সুঁৱৰি অথবা অতীতৰ ঢাকঢোল বজাই বৰ্তমানৰ শূন্যতা কিমান দিনলৈ ঢাকি ৰাখিব পাৰিম? এটা সমীক্ষা অনুসৰি ভাৰতৰ ৰাজনৈতিক দলবোৰ পৃথিৱীৰ ভিতৰতে সবাতোকৈ দুৰ্নীতিগ্ৰস্ত দলৰূপে স্বীকৃতি পাইছে। ভাৰতীয় সকলৰ বাবে ইয়াতকৈ লাজৰ আৰু অপমানৰ কথা কি থাকিব পাৰে? আমাৰ ৰাজনৈতিক জগত আজি মুখাপিন্ধা নেতাৰ পয়োভৰেৰে উঁদুলি-মুদুলি। যাৰ পিছে পিছে দৌৰে সুদৃশ্য গাড়ীৰ মিছিল। যাৰ এবাৰৰ ডিনাৰ পাৰ্টীৰ খৰচেৰে প্ৰাণ বচাব পৰা গ'লহেঁতেন কেবাশ অনাহাৰীৰ। প্ৰতিশ্ৰুতিৰ বাহিৰে কোনোটো ৰাজনৈতিক দলেই দেশ বাসীক একো দিব পৰা নাই। ইতিমধ্যে ভাঙি পৰা পুৰণি দলঙখনকেই নতুনকৈ বনাই দেশৰ পুৰণি বাটপথ বোৰকেই নতুনকৈ বন্ধাই প্ৰগতিৰ জয়ঢোল বজোৱা হৈছে। দেশবাসীয়েও যেন বিনাদ্বিধাই স্বীকাৰ কৰি লৈছে প্ৰগতিৰ এই নতুন ফৰ্মূলা। আচলতে আমাৰ অভাৱ হৈছে কিহৰ? আদৰ্শবান, বিবেকবান, যোগ্য আৰু দক্ষ নেতাৰ নে এনেকুৱা সুগুণসম্পন্ন নেতা নিৰ্বাচিত কৰিব পৰা মানসিক শক্তি সম্পন্ন সুস্থ ভোটদানকাৰীৰ? আতংকবাদ, সন্ত্ৰাসবাদৰ দপদপনিত ওলাব নোৱাৰা ব্যৱস্থা। কোন মুহূৰ্তত কাৰ গুলীত প্ৰাণবায়ু ওলাই যায় ঠিকনা নাই। সেনাবেশী ৰাক্ষসৰ নৃশংসতাৰ চিকাৰ হয় অবলা নাৰী। মুঠতে সমগ্ৰ বিশ্বৰ লগতে ভাৰততো এক কদৰ্য্যময় পৰিৱেশ বৰ্তমান। য'ত স্থবিৰ হৈ পৰিছে সৃষ্টিৰ প্ৰক্ৰিয়া।

আমাৰ শিক্ষা ব্যৱস্থাৰো একেই দশা। আজি ভাৰতত শিক্ষিত নিবনুৱাৰ সমস্যাই ব্যাপক ৰূপ ধাৰণ দিছে। মুৰে-কপালে হাত দি বহি থাকিব লগা হৈছে শ শ শিক্ষিত যুৱকে। আকৌ এফালে তথাকথিত আধুনিক শিক্ষা প্ৰদানৰ নামত এচামে বৰ্বৰভাৱে আদায় কৰি গৈছে অৰ্থনৈতিক মুনাফা। আচলতে বৰ্তমান আমাক বাস্তৱমুখী শিক্ষাৰ নিতান্তই প্ৰয়োজন হৈছে। প্ৰচলিত শিক্ষা ধাৰাৰ আমূল সংস্কাৰ ঘটাই গোটেই শিক্ষা ব্যৱস্থাটোৰ সামগ্ৰিক পৰিৱৰ্তন ঘটাইহে আমি নিবনুৱা সমস্যাৰ পৰা হাত সাৰিব পাৰিম। নহ'লে আমাৰ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়বোৰ যুগ যুগ ধৰি পৰি ৰ'ব নিবনুৱা গঢ়াৰ অমোঘ শালৰ ৰূপত।

মুঠৰ ওপৰত সমগ্ৰ দিশতে এতিয়া প্ৰয়োজন ব্যাপক পৰিসংশোধনৰ। বৰ্তমানত স্থবিৰ হৈ পৰা সকলোবোৰ ক্ষেত্ৰকে পুনৰ উজ্জীৱিত কৰাৰ সময় এতিয়া আহি পৰিছে। সময় আহি পৰিছে ভৱিষ্যত প্ৰজন্মৰ খাতিৰতেই অথবা নিজকে জীৱশ্ৰেষ্ঠ বুলি দাবী কৰাৰ খাতিৰতেই আমিবোৰে নিজকে শুদ্ধ কৰাৰ। সময় আহি পৰিছে নিজকে ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, নৈতিক আৰু অৰ্থনৈতিকভাৱে সবল কৰি তুলি এনে এখন পৃথিৱী নিৰ্মাণৰ সৈনিক হিচাপে গঢ়ি তোলাৰ যাৰ চাৰিওফালে কেৱল দেখা যাব নতুন সৃষ্টিৰ সম্ভাৱনা, কেৱল সম্ভাৱনা নতুন সৃষ্টিৰ। শেষত আকৌ স্মৰণ কৰিব পাৰি ৰূপকোঁৱৰৰ সেই কবিতাফাঁকি—

"সুন্দৰে যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।"

হৰজিৎ চৌধুৰী



# সূচীপত্ৰ

## চিন্তাশিল্প

বৰ্তমান অসমীয়া সংস্কৃতিৰ গৰাখহনীয়াত জ্যোতিপ্ৰসাদ আগৰৱালাৰ কলা-সংস্কৃতিৰ প্ৰাসংগিকতা ❑ ড° যমুনা শৰ্মা চৌধুৰী /১১ বৰদোৱা সত্ৰৰ গীত-মাত আৰু ইয়াৰ ভৱিষ্যৎ ❑ লক্ষ্যধৰ তালুকদাৰ /১৫ অসমীয়া চুটি গল্পত প্ৰগতিশীল চিন্তাৰ উন্মেষ ❑ ড° মহেশ্বৰ কলিতা /১৮ অসমৰ দৌলোৎসৱ আৰু হোলীগীত ❑ হেৰম্ব কুমাৰ দাস /২৩ প্ৰাকৃত সাহিত্যত 'গাহাসত্তসঈ'ৰ স্থান ❑ ড° বিনীতা বৰুৱা /২৭ শংকৰদেৱৰ ধৰ্মত সাম্যবাদী আদৰ্শ সন্ধান ❑ কমল কিশোৰ হাজৰিকা /২৯ আমাৰ শিক্ষা ব্যৱস্থা আৰু আমাৰ কৰ্তব্য ❑ অৰুণিমা দেৱী /৩৩ আধুনিকতা আৰু আজিৰ নাৰী ❑ দীপশিখা নাথ /৩৫ জীৱন, সাহিত্য আৰু নিঃসংগতা ❑ তনয় জ্যোতি দুৱৰা /৩৭ প্ৰাক-স্বাধীনতা কালৰ সংবাদপত্ৰত জাতীয়তাবোধ ❑ গকুল কুমাৰ দাস /৪০ ধৰ্মনিৰপেক্ষতা আৰু ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা ❑ ত্ৰিদিৱ নয়ন বশিষ্ঠ /৪৪

## কথাশিল্প

কুকুহা ❑ অনুপল বৰা /৪৯ শূন্যতাৰ পিছত ... ❑ নয়নী বৰুৱা /৫৩ দুঃসময়ৰ সপোন ❑ চিনু বৰপাত্ৰগোঁহাই /৫৫ তোৰে সমান হ'ব কোন ❑ তুলিকা চাংমাই /৫৭ আলোকবিহীন জীৱন ❑ ইন্দ্ৰ কমল বনিয়া /৬০ ছাঁ ❑ প্ৰাৰ্থনা শইকীয়া /৬৩ বলুকাত বিয়লি বেলা ❑ বিপুল কুমাৰ দাস /৬৫ সূৰ্য্যাস্ত ❑ কুলদীপ বৰ্মণ /৬৭ সংশয় ❑ পলাশ কুমাৰ খাউণ্ড /৬৯ পুৰাতন ❑ ধৰণী লাহন /৭১ বজ্ৰপাত ❑ বিপুল কুমাৰ দাস /৭৪ *উপন্যাসিকা ঃ* জীৱনৰ সেউজীয়া বসন্তৰ গান ❑ মিছ জয়শ্ৰী চহৰীয়া /৬৭

## শব্দশিল্প

মানুহ ❑ ভগৱান গোস্বামী /৮৭ চিকাৰ ❑ হীৰা মায়া দাস /৮৭ বিষয় ঃ জীৱন ❑ মুকুন্দ মাধৱ নাথ /৮৮ সমাধি ❑ উপাসনা দেৱী /৮৮ এজাক বৰষুণৰ পাছত ❑ প্ৰণৱজ্যোতি শইকীয়া /৮৯ আপোনাৰ দৰে কোনোবা এজনলৈ ❑ অনিৰ্বাণ বৰা /৮৯ অনুভৱৰ তিনিটা স্তৱক ❑ অচ্যুত কুমাৰ বড়া /৯০ আকাশ ❑ চন্দন শৰ্মা /৯০ ক্ৰমশঃ ❑ মুনমী বৰা /৯১ মোক ভালপোৱা লুধিয়ানাৰ সেই ছোৱালীজনী ❑ মানসজ্যোতি শৰ্মা /৯১ শান্তি ❑ শৈলেন কলিতা /৯২ জীৱন ❑ সংগীতা দেৱী /৯২ দিগ্‌বলয় ❑ গায়ত্ৰী দাস /৯৩ আঘোণৰ পথাৰত মোৰ আই ❑ তৰুণ গোপাল গগৈ /৯৩ ভগৱান শ্ৰীকৃষ্ণ ❑ হোমেন ৰাজবংশী /৯৪ বন্ধু, তোমালৈ একাঁজলি প্ৰাণৰ ভাষা ❑ অনুশ্ৰী অধিকাৰী /৯৫ কটন কলেজ ❑ অংশুমালা পাটগিৰি /৯৫ তুমি ❑ হৰ্ষজিৎ চৌধুৰী /৯৬ *অতিথি কবিৰ কলম* কবিতা ❑ সৃষ্টিভৰৰা দাস /৯৭ কটন কলেজ ❑ প্ৰণয়শংকৰ নাথ /৯৭ *লিমাৰিক* পবিত্ৰ ধৰণী মেধি /৯৮ *লিমাৰিক* ❑ ৰমেন বৰুৱা /৯৮ *লিমাৰিক* ❑ গুণীন শইকীয়া /৯৮

## ভিন্নশিল্প

নৈ বৈ যায় আৰু বৈ যায় বিষণ্ণতা ❑ বন্দনা তালুকদাৰ /১০১ নিঃসংগতা ❑ গীতালি বৰা /১০৩ অনুভূতিৰ জলঙাইদি প্ৰেম আৰু বন্ধুত্বলৈ এভুমুকি ❑ জয়শ্ৰী চহৰীয়া /১০



*গ্ৰন্থ সমালোচনা ঃ* মানৱতাৰ অৱমাননাৰ বিৰুদ্ধে সংস্কৃতিবান মনৰ স্বতঃস্ফূৰ্ত প্ৰতিবাদ ঃ 'কল্লোলিনী' ❑ গুণীন শইকীয়া /১০৬ অগ্নিৰ ডেউকা ড° এ পি জে আব্দুল কালাম (সহযোগী লেখক ঃ অৰুণ তেৱাৰী, অনুবাদ ঃ সুৰেশ শৰ্মা) ❑ পাৰ্থ কমল কাকতি /১০৭ সৃষ্টি প্ৰতিভাৰ সোণালী স্বাক্ষৰ ঃ এজন অসামাজিক কবিৰ বায়'গ্ৰাফী ❑ মহান বৰা /১০৯ *হোষ্টেলীয়া সাহিত্য সুবাসৰ আঁত ধৰি...* ❑ যুগুতালে ঃ সম্পাদনা সমিতিয়ে /১১১ *ৰস ৰচনা ঃ* শুৱনি আমাৰ বিহুখনি অতি ❑ অৱন্তিকা পৰাশৰ /১১৩ *অনূদিত প্ৰবন্ধঃ* ও. হেনৰী (মূল হিন্দী ঃ হৰিশংকৰ পৰসাই) অসমীয়া অনুবাদ ❑ ড° ভূষণ চন্দ্ৰ পাঠক /১১৫ *অনূদিত কবিতা ঃ* অনাৱশ্যক কবিতা (মূল ঃ ফালগুণী ৰায়) অনুবাদ ❑ বক্তিম ঠাকুৰীয়া /১১৮ দলিত কিয় জন্মে (মূল ঃ অৰুণ চবকাৰ) অনুবাদ ❑ নিতা চক্ৰবৰ্তী /১১৯

## ভাষাশিল্প

*বাংলা প্ৰবন্ধ ঃ* রবীন্দ্রনাথ ও কালিদাসের 'মেঘদূত' ❑ ডঃ শিপ্রা গুহ নিয়োগী /১২৩ একুশের চলোর্মিতে নারী- কবিরা ❑ বনানী রায় /১২৬ राष्ट्र-निर्माण में साहित्य की भुमिका ❑ नन्दिता महन्त /১২৯ *সংস্কৃত কবিতা ঃ* वन्दे संस्कृतम ❑ সিদ্ধাৰ্থ শৰ্মা /১৩১ *নেপালী কবিতা ঃ* मोनाबारीमा आउनु तिमी (मोनाबारी एउटा शोणितपुर जिल्लाको चिया बगान) ❑ चेवन शर्मा /১৩২ *মিচিং কবিতা ঃ* "Me:tom"- Yumde'ng Ayirdok Dagdung Ko:ne b'i ❑ Kulo Ram Mili /১৩৩ *কাৰ্বি কবিতা ঃ* SAMI NANGPHAN ❑ Ronjit Ronghang /১৩৪ *হিন্দী কবিতা ঃ* मिठा सा दर्द..... ❑ प्रियंका गोगोई /১৩৫ *আৰবী কবিতা ঃ* হে মোৰ প্ৰিয়তমা ❑ মহঃ নজৰুল ইছলাম /১৩৬ *পাৰ্চী কবিতা* গজল ঃ আমিৰ খশ্রু ❑ মহঃ চাজিজুল আলী /১৩৬

## English section

The Library of Congress at Washington D.C. ❑ Dr. Arup Kumar Hazarika /১৩৯ On Cotton College ❑ Arunima Chakrabarty /১৪১ Of Art, Science and Man ❑ Nayanjyoti Choudhury /১৪৩ Popular Views of Abnormal Behaviour in Recent Times ❑ Aiyushman Dutta /১৪৫ Ajanta - The Rich Treasure of Indian Paintings ❑ Pompy Chakravarty /১৪৬ Aims and Objectives of Scouts & Guides Movement ❑ Dr. Nirupama Devi /১৪৮ WTO and India Issues and Negotiating Strategies A Report on The National Seminar ❑ Amiya Choudhury /১৪৯ Changing Sex Ratio- The Dark Horizon ❑ Smita Sarmah /১৫০ Divine Dessert ❑ Saujanya Acharya /১৫১ Learnig to Measure Love ❑ Islary Jacob /১৫২ Two Travelers ❑ Manas Jyoti Deka /১৫৩ Cotton College ❑ Sangeeta Gogoi /১৫৬ The Hero ❑ Mit Chowdhury /১৫৬ A Prayer ❑ Sangwaiso Terongpi /১৫৭ Divinity ❑ Sangeeta Saikia /১৫৭ Who Am I? ❑ Shaheen Salma Ahmed /১৫৮ Moonlight, Midnight And A Tubelight ❑ Mriganka Saikia /১৫৮ The Essence Of Motion ❑ Anirban Kapil Baishya /১৫৯ Undestined Expedition ❑ Ashmita Bharali /১৫৯ About My Life ... ❑ Meghali Rabha /১৬০ Running After a Mirage ❑ Himadri Basumatary /১৬০

২০০৩-২০০৪ বৰ্ষৰ কাৰ্যকালৰ খটিয়ান /১৬৯ *সম্পাদকৰ বাচনি ঃ* ড° ভূপেন হাজৰিকাই ৰচনা কৰা কটন মহাবিদ্যালয়ৰ শতবাৰ্ষিকী গীত /১৭৬

# চিন্তাশিল্প



# বৰ্তমান অসমীয়া সংস্কৃতিৰ গৰাখহনীয়াত জ্যোতিপ্ৰসাদ আগৰৱালাৰ কলা-সংস্কৃতিৰ প্ৰাসংগিকতা

ড° যমুনা শৰ্মা চৌধুৰী

সংস্কৃতি কাক বোলে এই বিষয়ে এটা নিৰ্দিষ্ট সংজ্ঞা দিয়াটো বৰ সহজ কথা নহয়। বহুজনে বহুপ্ৰকাৰে সংস্কৃতিৰ সূত্ৰ দিবলৈ প্ৰয়াস কৰিছে। সেই সংজ্ঞাবোৰে সংস্কৃতিৰ বিষয়ে জানিবলৈ আমাক সহায় কৰে। অসমীয়া সংস্কৃতিৰ পৰিধি ইমান বহল যে শব্দটিয়ে সমাজ জীৱনৰ কিমানখিনি ঠাই আগুৰিব পাৰে তাৰ ধাৰণা হয়তো আমাৰ বহুতৰে নাই। আমাৰ বহুতৰে ধাৰণা অসমীয়া সংস্কৃতি হৈছে বিয়া-সবাহে মেখেলা চাদৰ পৰিধান কৰাটো। (ঘৰত থকা অৱস্থাত বা আন যি কোনো পৰিবেশত আপুনি মেখেলা চাদৰৰ বাহিৰে ইংৰাজী, পাঞ্জাৱী যি কোনো সাজ পিন্ধক সংস্কৃতিয়ে তাত আপত্তি নকৰে!) কিছুমানৰ মতে সভা-সমিতিত বিশিষ্ট ব্যক্তিক নিমন্ত্ৰণ জনাই গামোচা, শৰাইৰে সম্বৰ্দ্ধনা জনোৱাটোয়ে অসমীয়া সংস্কৃতি! (লাগিলে মাদ্ৰাজৰ কাপোৰৰ মেচিনত অনায়াসে উৎপাদন হোৱা দুয়োমূৰে দুই বেগেতমান ৰঙা ফুলবছা গামোচাই হওঁক কথা নাই!) আজিকালি আকৌ ফুল দিয়াটোও সংস্কৃতিৰ ভিতৰুৱা হৈ পৰিছে। (অসমীয়া কালচাৰ্!) বহাগ বিহুৰ সময়ত চহৰৰ মঞ্চত বিহুনৃত্য গীতৰ নামত চলা বাৰে বৰণীয়া সংস্কৃতিক অনুষ্ঠানবোৰে অসমীয়া জাতিৰ সংস্কৃতিক জীয়াই ৰাখিছে বুলি বহুতে ভাবে। (বিহু নৃত্য গীত পৰিবেশন কৰা যুৱতীসকলৰ "অঙ্গে অঙ্গে শোভা" সৌন্দৰ্যবোৰেহে যেন অসমীয়া লোকউৎসৱ সমূহক জীপাল কৰি ৰাখিছে)। প্ৰকৃততে কম বেছি পৰিমাণে এইসকলোবোৰৰ মাজত সংস্কৃতিৰ এটা এটা অংশ নিহিত হৈ আছে। (তিলৰ মাজতে তেল সোমাই থকাৰ দৰে।) আমি হয়তো ৰুচি সন্মত ভাবে তাক গ্ৰহণ কৰিব জনা নাই বা সুস্থ ৰূপত সেইবোৰক পৰিবেশন কৰিব পৰা নাই। দোষ আমাৰ। সেইবাবে অসমীয়া সংস্কৃতি আজি অধঃপতনৰ গৰাখহনীয়াত পৰি নিঃচিহ্ন হৈ যোৱাৰ উপক্ৰম হৈছে। ইয়াৰ উদাহৰণ উনৈশ শতিকাত যিদৰে আছিল আজিও তেনেদৰেই আছে। (লক্ষীনাথ বেজবৰুৱাৰ 'মলখ গুইন্ গুইন্' আদি ব্যঙ্গাত্মক গল্প সমূহ, হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী'; 'কানীয়াৰ কীৰ্ত্তন', আদি গ্ৰন্থ সমূহ, আৰু আজিৰ যুগত সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেকট্ৰন', 'গোলাম' আদি গল্পই উদাহৰণ বাবে যথেষ্ঠ।)



'সংস্কৃতি' হৈছে "মন, আচাৰ আৰু ৰুচিৰ পৰিস্মিতি আৰু পৰিশুদ্ধি।"[১] প্ৰকৃততে সংস্কাৰ যাৰ আছে সেয়ে সংস্কৃতি। সংস্কৃতি হৈছে সামাজিক বস্তু। ই মনৰ সৌন্দৰ্য। মানুহৰ চিন্তা বুদ্ধিৰ উত্তৰণ। আন কথাত ক'বলৈ গলে মানুহৰ নৈতিক, সামাজিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই হৈছে সংস্কৃতি। ই যুগ যুগ ধৰি চলি আহিছে। যুগধৰ্মই হয়তো ইয়াৰ ওপৰত পৰিবৰ্তনৰ প্ৰলেপ সানিছে। কিন্তু ই নিঃশেষ হৈ যাব নোৱাৰে। কিন্তু সংস্কৃতি এনেকুৱা এটা বস্তু নহয় যে যুগৰ পিছত যুগ ধৰি লৰচৰ কৰিব নোৱৰাকৈ ইয়াক গছৰ গাত নিকপ্‌কপীয়াকৈ বান্ধি থব পাৰি। সময়ৰ সতে বুলনিত অসমীয়া সংস্কৃতিও ইয়াৰ পূৰ্বৰ ৰং ৰূপৰ পৰা আঁতৰি আহিছে। এই বিষয়ত হয়তো কাৰো আপত্তি নাথাকে। কিন্তু আমাৰ সংস্কাৰ, আমাৰ ঐতিহ্য পৰম্পৰাক একেবাৰে দেৱী দুৰ্গাক দশমীৰ বিসৰ্জন দিয়াৰ দৰে লুইতৰ পানীত ঠেলি হেঁচুকি পেলাব নোৱাৰো। কিন্তু ধৰি ৰাখিব কোনে? যুগপুৰুষ জ্যোতিপ্ৰসাদ আগৰৱালাই তেনে

*এটা জাতি সামাজিক আৰু বৌদ্ধিকভাবে সংস্কৃতিবান হ'লেহে দেশ আৰু জাতি ঐশ্বৰ্যশালী হৈ উঠে। শিক্ষাগত দিশত অসম পিচপৰা দেশ নহয়। কিন্তু আমাৰ বৌদ্ধিক উত্তৰণ জানো হৈছে? পশ্চিমীয়া শিক্ষা, ভাষা সংস্কৃতিৰ প্ৰতি থকা অন্ধ আকৰ্ষণে আমাক আজি নৈতিক ভাবে দুৰ্বল কৰি তুলিছে। আমি পাহৰি গৈছো আমাৰ পূৰ্ব পুৰুষ সকলৰ কষ্ট আৰু পৰিশ্ৰমৰ কথা, পাহৰি গৈছো শংকৰ মাধৱে প্ৰতিষ্ঠা কৰি যোৱা সংস্কৃতিৰ সম্পদবোৰৰ কথা।*

এটি আদৰ্শ দাঙি ধৰিছিল। অসমীয়া সংস্কৃতিৰ ঘোৰ অমানিশাৰ সময়ত এগছি বন্তি হৈ পোহৰ বিলাইছিল— জ্যোতিপ্ৰসাদে এছাটি মলয়া বতাহ হৈ অসমীয়া সংস্কৃতিৰ উত্তপ্ত পৰিবেশত শীতলতা প্ৰদান কৰিছিল।

অসমৰ সংস্কৃতিৰ পথাৰখন বৰ ৰঙচঙীয়া আৰু বহল। ইয়াৰ নিদৰ্শন আমি পাওঁ আহোম যুগৰ পৰা। "ছশ বছৰ ধৰি আহোম ৰাজশক্তি অব্যাহত হৈ ৰ'ল। বহল লুইতৰ পাৰৰ পলসুৱা মাটিত গাঁও পাতিলে, সাতৰাজ মাৰি একৰাজ কৰিলে... সেন্দুৰী ইটাৰে দ'ল আৰু সেন্দূৰী আলি বান্ধিলে, শিল্পাকুটিৰ হাতৰ পৰশত শিলে সাৰ পালে, সাঁচিপাতত হেঙুল-হাইতাল লাগি শিল্পীৰ সপোন বাস্তৱৰূপে ৰূপায়িত কৰিলে ... ৰংঘৰত ৰঙৰ উছৱ পাতিলে, সংস্কৃতিৰ সোণ-সঁফুৰা উপচাই তুলিলে।"[১] ইয়াৰ পিছত আহিল ১৮২৬ চন। ইয়াণ্ডাবু সন্ধি। অসমত ইংৰাজৰ শাসন। ইংৰাজী স্কুল স্থাপন। নতুন ভাষা এটা শিকাত আমাৰ বহুতৰে আপত্তি নাছিল। আপত্তি উঠিল তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্যত। কাৰণ তেওঁলোকে আমি ভবাৰ দৰে উদাৰ মনোভাবেৰে সেই স্কুল স্থাপন কৰা নাছিল। ইউৰোপীয় শিক্ষা, সংস্কৃতি লগতে বঙলুৱা আদব কায়দাৰে এক শ্ৰেণী অসমীয়া মানুহ গপতে ওফন্দি 'নাঙলুচন্দ্ৰ', 'ভোকেন্দ্ৰ বৰুৱা'। 'ভোমকেৰোলা' হৈ উঠিল। আনহাতে আৰু এক শ্ৰেণী অসমীয়া মানুহে প্ৰাচীন সংস্কাৰ, অন্ধবিশ্বাস আদিক সাবটি ধৰি ৰাখি এখোজো আগবাঢ়িব নুখুজিলে। সময়ৰ এই দোমোজাত আহি উপস্থিত হ'ল সুদূৰ ৰাজস্থানৰ এক আগৰৱালা পৰিয়াল। অসমীয়া সমাজ সংস্কৃতিৰ এই সন্ধিস্থলত জ্যোতিপ্ৰসাদ আগৰৱালাৰ উদ্ভৱ। অসমীয়া ভাষা সাহিত্য, নৃত্যগীত, বাদ্যযন্ত্ৰ সকলোতে থলুৱা সুৰৰ প্ৰলেপ দি তেওঁ অসমৰ সাংস্কৃতিক জগতলৈ নতুনত্বৰ সৃষ্টি কৰিলে।

এটা জাতি সামাজিক আৰু বৌদ্ধিকভাবে সংস্কৃতিবান হ'লেহে দেশ আৰু জাতি ঐশ্বৰ্যশালী হৈ উঠে। শিক্ষাগত দিশত অসম পিচপৰা দেশ নহয়। কিন্তু আমাৰ বৌদ্ধিক উত্তৰণ জানো হৈছে? পশ্চিমীয়া শিক্ষা, ভাষা সংস্কৃতিৰ প্ৰতি থকা অন্ধ আকৰ্ষণে আমাক আজি নৈতিকভাবে দুৰ্বল কৰি তুলিছে। আমি পাহৰি গৈছো আমাৰ পূৰ্ব পুৰুষসকলৰ কষ্ট আৰু পৰিশ্ৰমৰ কথা, পাহৰি গৈছো শংকৰ মাধৱে প্ৰতিষ্ঠা কৰি যোৱা সংস্কৃতিৰ মৈটমৰা সম্পদবোৰৰ কথা। আমি পাহৰি গ'লো 'আমি অসমীয়া নহওঁ দুখীয়া' বুলি দঢ়াই দঢ়াই কৈ যোৱা বেজবৰুৱাৰ অমিয়া সুৰ। অসমৰ কি নাছিল! মহাভাৰতত থকা বিৱৰণৰ পৰা জানিব পাৰি যে প্ৰাচীন প্ৰাগজ্যোতিষ ৰাজ্যৰ সীমা দক্ষিণে বঙ্গোপসাগৰ আৰু পশ্চিমে কৰতোৱা নদীলৈকে বিস্তৃত আছিল। 'যোগিনীতন্ত্ৰ'ৰ একাদশ অধ্যায়ত কামৰূপ ৰাজ্যৰ সীমাৰ কথা এনেদৰে উল্লেখ আছে।

"নেপালস্য কাঞ্চনাদ্ৰিং ব্ৰহ্মপুত্ৰস্য সঙ্গমম্।
কৰতোয়া সমাৰভ্য যাবদ দিক্কৰবাসিনীং।।

অৰ্থাৎ উত্তৰে নেপালৰ কাঞ্চন পৰ্বত আৰু কঞ্জগিৰি, দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু লাক্ষানদীৰ সংগমস্থলী, পূৰ্বে তীৰ্থ শ্ৰেষ্ঠা দিক (দিখৌ) নদী, পশ্চিমে কৰতোৱা নদীৰে আগুৰি থকা মাজৰ ৰাজ্য খণ্ড কামৰূপ নামে জনাজাত আছিল। এৱা আছিল কামৰূপ, বৰ্তমান অসমৰ এক বিশাল ভৌগোলিক সীমা। ইয়াত নৰকাসুৰ, ভগদত্ত, কুমাৰ ভাস্কৰবৰ্মন, প্ৰতাপসিংহৰ দৰে প্ৰতাপশালী ৰজা মহাৰজাই ৰাজত্ব কৰিছিল। একেৰাতিৰ ভিতৰতে শিলৰ খটখটী বান্ধি কামাখ্যা দেৱীক বিয়া কৰাবৰ দুঃসাহস নৰকাসুৰে কৰিব পাৰিছিল। কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱৰ ফলীয়া হৈ যুদ্ধ কৰাৰ দৃষ্টান্ত দাঙি ধৰিছিল প্ৰাগজ্যোতিষাধিপতি ৰজা ভগদত্তই। ভগদত্তই তেওঁৰ কন্যাক ৰজা দুৰ্যোধনলৈ বিয়া দি সৰ্বভাৰতীয় সাংস্কৃতিক সমন্বয়ৰ সেতু বান্ধিছিল। উষাৰ সখীয়েক চিত্ৰলেখাই মায়াবিদ্যাৰে দ্বাৰকাৰ পৰা ভগবান শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধক পলুৱাই আনি শোনিতপুৰৰ অগ্নিগড়ত আনি সোমাইছিল। এইখন দেশৰ শিপিনীয়ে হাঁতে শুকোৱা মুঠিতে লুকুৱা কাপোৰ বৈ মহাত্মা গান্ধীক চমকৃত কৰিছিল। সোৱণশিৰিৰ সোণবৰণীয়া বালিৰ চিক্‌মিকনিৰ পৰা উদ্ধাৰ হৈছিল মূল্যবান ৰত্ন। ৰংঘৰৰ বাকৰিত আহোম ৰজাই ম'হযুজ শেনযুজ পাতি ৰঙালী বিহুৰ উছৱ ৰঙচঙীয়া কৰি তুলিছিল। অথচ সেই ৰংঘৰত আগৰ সেই ৰং নাই, উছৱৰ কোনো উচ্ছাস নাই। কাৰেংঘৰ, তলাতল-ঘৰত বন গজি এৰাবাৰী সদৃশ হৈ পৰিছে। অসমীয়া সংস্কৃতিৰ এই দ্ৰুত অধঃপতনৰ কাৰণ কি? আমি আকৌ নিজলৈ নাচাই ইজনে সিজনৰ গাত দোষ দিওঁ। এয়াও কিন্তু সংস্কৃতি (!) অথচ এটা সময়ত অসমীয়া মানুহ, অসমীয়া জাতি আতিথ্যপৰায়নতাৰ বাবে বিখ্যাত আছিল। কিন্তু আজিকালি? যন্ত্ৰ যুগত মানুহবোৰ যান্ত্ৰিক হৈ পৰিছে। আজিকালি সময়ৰ বৰ নাটনি। স্বামী স্ত্ৰী উভয়েই চাকৰিৰ বাবে বাহিৰলৈ যাবলগীয়া হয়। কাম কৰা মানুহৰ অভাৱ। স্কুললৈ নোযোৱা সৰু

ল'ৰা ছোৱালী কেইটাক ক্ৰেচ'ত থৈ পিতৃ-মাতৃ দিনটোৰ বাবে নিশ্চিন্ত হৈ থাকে। অতিথিক শুশ্ৰূষা কৰাৰ সময় আৰু ক'ত? এয়া কিন্তু বাস্তৱ। ইয়াৰ মাজত জাতিৰ গুণগ্ৰাহিতাৰ নিদৰ্শন দেখুওৱাৰ সুযোগ ক'ত?

এইখন দেশত মূল্য গাভৰুৱে বিধৃতি গাৰে থকা বাবে স্বামীক কৱচ কাপোৰ বৈ দিব পৰা নাছিল। এইখন দেশতে আইদেউ সন্দিকৈৰ দৰে ৰক্ষণশীল পৰিয়ালৰ ছোৱালীয়ে অভিনয়ত গদাপানীক 'বঙহৰদেউ' বুলি সম্বোধন কৰাৰ অপৰাধত আজীৱন অবিবাহিতা হৈ থকাৰ কঠোৰ শাস্তি পাবলগীয়া হৈছিল। এইবোৰ হৈছে সংস্কাৰ। কিন্তু এনে সংস্কাৰৰ পৰিৱৰ্তন লাগে। সংস্কৃতি হৈছে মানুহৰ বৌদ্ধিক বিকাশৰ এটা স্তৰ। এইস্তৰত মানুহে প্ৰাচীন সংস্কাৰ, বন্ধনৰ পৰা নিজকে মুক্ত কৰিলেহে জাতি তথা দেশৰ উন্নতি সম্ভৱপৰ। এই পৰিৱৰ্তনৰ নিচাত উদবাউল হৈ আজি আমি নিজকে পাহৰি গৈছোঁ। আমাৰ সংস্কৃতিৰ অধঃপতনৰ বাবে বহুতে ইংৰাজে স্থাপন কৰি যোৱা ইংৰাজী মাধ্যমৰ স্কুলখনৰ কথাকে দোহাৰে। কিন্তু সেইটো এটা কাৰণ হ'ব নোৱাৰে। তেতিয়া মাত্ৰ এখন স্কুলহে স্থাপন হৈছিল। ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱাই আমি গৌৰৱবোধ কৰো। আমি আজি খাৰ টেঙাৰ জুতি পাহৰিছো। বিলাতীব্যঞ্জনে আমাৰ মুখৰ সোৱাদ সলনি কৰিছে। জাতীয় উৎসৱ বিহু নগৰৰ মঞ্চতহে বৰ্ত্তি আছে। অংগ প্ৰদৰ্শন আৰু নিতম্ব সঞ্চালনাৰ মাজতে ই আবদ্ধ হৈ থাকিল। বিয়াত বিয়ানাম নুশুনা হ'লো। দৈ-চিৰাৰ ঠাইত মাংস পোলাও, আইচক্ৰিম, কফি আহিল। জীয়ৰী, বোৱাৰীৰ সাজপাৰ সলনি হ'ল। যুক্তি দেখুওৱা হ'ল এইদৰে মেখেলা চাদৰতকৈ এইবোৰ সস্তা, বাছত উঠানমা, বৰষুণ বতৰত এইবোৰ পিন্ধিলে সুবিধা হয়। এই সুবিধাৰ বাবেই আজিকালি জীয়ৰীৰ কথা বাদেই বোৱাৰী সকলেও মেখেলা চাদৰ, শাড়ী এৰিলে। শিৰৰ সেন্দুৰকনো লাহে লাহে নোহোৱা হৈ আহিল। ইয়াৰ বাবেও বৈজ্ঞানিক যুক্তি নথকা নহয়। এই পৰিৱৰ্তন সমূহ কিমানদূৰ গ্ৰহণযোগ্য সেয়াও ভাবিলগীয়া কথা।

পৰিৱৰ্তন জ্যোতিপ্ৰসাদেও বিচাৰিছিল। 'ৰূপান্তৰেহে মাথো জগৎ ধুনীয়া কৰে, সেয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।" সংগীত, নৃত্য, স্থাপত্য, ভাষ্কৰ্য, সকলো ক্ষেত্ৰতে তেওঁ নতুনত্ব বিচাৰিছিল। যুগৰ প্ৰভাৱ সাহিত্য সংস্কৃতিৰ ওপৰত পৰাটো স্বাভাবিক। ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'মিলিবে' আৰু 'মিলাবে' সংস্কৃতিক জ্যোতিপ্ৰসাদেও বিশ্বাস কৰিছিল। জ্যোতিপ্ৰসাদৰ নাটকত ইবছেন, বাৰ্ণাডশ্ব'- এলিয়ট, মেছফিল্ড, মেটাৰলিংকে প্ৰভৃতি বিদেশী নাট্যকাৰ সকলৰ প্ৰভাৱ দেখা যায়। সেইবুলি তেওঁৰ সাহিত্য 'বিদেশী' হৈ যোৱা নাই।

'শোণিতকুঁৱৰী' নাটৰ বিষয়বস্তু পৌৰাণিক। কাহিনী পৌৰাণিক হলেও নাটকত প্ৰয়োগ কৰা গীত মাত সম্পূৰ্ণৰূপে থলুৱা। নাটখনৰ মুখ্য নাৰী চৰিত্ৰ কেইটি উষা, চিত্ৰলেখা, মধুমতীক খাটি অসমীয়া নাৰীৰ বৈশিষ্ট্যৰে সজাই পৰাই তুলিছে। ইয়াৰ সংলাপ সমূহো খাটি অসমীয়া। শোণিত কুঁৱৰীৰ গীতসমূহৰ সুৰৰ ভিত্তি হ'ল আমাৰ আইনাম, বিয়ানাম আদি লোকগীতৰ চিনাকি সুবাস। তেওঁৰ নাটৰ আংগিকগত বিশেষত্বৰ ক্ষেত্ৰত পাশ্চাত্যৰ নৃত্যৰীতিৰ প্ৰভাৱ দেখাগলেও নাটৰ অন্তৰংগ বিশেষত্ব নৃত্য গীতসমূহ সম্পূৰ্ণৰূপে লৌকিক। তেওঁ অসমৰ 'গাঁৱতে সোমাই নৃত্যৰ চানেকি চাই' তাৰ ভিত্তিত নাটৰ নৃত্য পৰিচালনা কৰাত গুৰুত্ব দিছিল। নৃত্যৰ পৰিপুষ্টিৰ কাৰণে তেওঁ অসমীয়া ছোৱালী, ল'ৰাৰ বিহুনাচ, অসমীয়া মানুহৰ সাধাৰণ নৃত্য, মিৰিয়নীৰ নাচ, ঘৰখীয়া ল'ৰাৰ নাচ, ভাওনাৰ নাচ, পুৰণি অসমীয়া পুথিৰ ছবিৰ নৃত্য ভংগী, পুৰণি শিলত কটা মূৰ্তিৰ নৃত্যভংগী আৰু গ্ৰীছীয়, ইটালীয়, বাৰ্মিজ"[৩] আদি জাতিৰ নৃত্য ভংগী আমাৰ অসমীয়া নাচৰ সৈতে খাপ খোৱাই এক নতুন নৃত্যভংগী প্ৰস্তুত কৰিছিল। ইয়াৰ ফলত সৃষ্টি হৈছিল শোণিতকুঁৱৰীৰ চিত্ৰলেখাৰ 'পদুমকলি নাচ', 'জয়মতী কথাছবিৰ জাপি নাচ' সেইদৰে হ'বচেনীয় নাট্য কৌশলৰ দ্বাৰা প্ৰভাৱিত 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম, আৰু 'নিমাতী কন্যা'ৰ গীতবোৰৰ আঁৰত আছে অসমীয়া লোকগীতৰ সুৰ।

"গছে গছে পাতি দিলে ফুলৰে শৰাই। (ৰাম ৰাম)
বলিয়া ভোমোৰা গুঞ্জৰি আহে গোন্ধতে ধিয়াই (ৰাম ৰাম)
(শোণিত কুঁৱৰী, বিয়া নাম)

কাঁহীত নাখাওঁ বাটিত নাখাওঁ
নাখাওঁ সফুৰাত গুৱা।
মনৰ জোখাই নাপাও মানে
দেহাকো নকৰো চুৱা।"
(কাৰেঙৰ লিগিৰী, বিহু গীত)

আধুনিকতাৰ নামত গঢ় লৈ উঠা পাতল মনৰ মানুহক জ্যোতিপ্ৰসাদে দৃঢ়তাৰে কৈছিল "মোৰ যদি নতুন অসমীয়া সুৰীয়া গানবোৰ নাগায় তেন্তে মোৰ নাটকো কৰিবলৈ নিদিওঁ।" এই দৃঢ়তা, এই আত্মপ্ৰত্যয় হৈছে তেওঁৰ সফলতাৰ চাবিকাঠি। তেওঁৰ প্ৰতিটো গীতেই পূৰ্ব পৰম্পৰাৰ পথ আঁতৰি অহা ; প্ৰাচীন ঐতিহ্য আৰু আধুনিকতাৰ সমন্বয়ে এইবোৰক নতুন কৰি তুলিলেও অসমৰ মাটি পানী বায়ুৰ গোন্ধ এইবোৰত মিহলি হৈ আছিল।

এই সমন্বয় আজিৰ অসমীয়াই ৰাখিব পৰা নাই, সেয়ে অসমীয়া সংস্কৃতি আজি পদে পদে উজুটি খাইছে। জয়মতী কথাছবিত জয়মতীৰ অভিনয় কৰিবলৈ জ্যোতিপ্ৰসাদে আইদেউ সন্দিকৈক নিৰ্বচন কৰি অসমীয়া সমাজৰে পৰম্পৰা সংস্কাৰ ভংগ কৰিছিল। ৰূপান্তৰৰ আদৰ্শত বিশ্বাস ৰখা জ্যোতিপ্ৰসাদে আইদেউ সন্দিকৈৰ যোগেৰে অসমীয়া কথাছবিৰ জগতত পৰিৱৰ্তনৰ সূচনা কৰিছিল। এই পৰিৱৰ্তনক সেই সময়ৰ অসমীয়া সমাজে বৰ মুকলিভাৱে গ্ৰহণ কৰা নাছিল। অভিনয়ত গদাপানিক বঙহৰদেউ বুলি কোৱাৰ শাস্তি জয়মতীয়ে আজীৱন ভোগ কৰি গ'ল। আজি অসমীয়া কথাছবিত অভিনয় কৰিবলৈ ভদ্ৰ ঘৰৰ, শিক্ষিতা নাৰী সকল আগবাঢ়ি আহিছে। এয়া অসমীয়া কথাছবিৰ বাবে অতি শুভ লক্ষণ। কিন্তু আজিৰ কথাছবিত নাৰীক যিধৰণে প্ৰস্তুত কৰে তালৈ চাই এই পৰিৱৰ্তন যে শুভ আৰু আনন্দদায়ক হৈ পৰিছে সেয়া

কিন্তু ক'ব নোৱাৰি। হিন্দী কথাছবিৰ দৰ্শকৰ সস্তীয়া ৰুচি আৰু মনোৰঞ্জনৰ প্ৰতি লক্ষ্য ৰাখি আজিৰ অসমীয়া কথাছবি নিৰ্মাণ হোৱা দেখা যায়। জ্যোতিপ্ৰসাদে অসমীয়া কথাছবিৰ এনে ভৱিষ্যতৰ কথা ভাবি 'জয়মতী'ৰ দৰে কথাছবি নিৰ্মাণ কৰা নাছিল। জাতীয় জীৱনৰ এক সঁচা আৰু বাস্তৱ কাহিনী তেওঁ মানুহক দেখুৱাব আৰু শুনাব বিচাৰিছিল। অসমৰ ক্ষেত্ৰত আচুতীয়া বহিৰ্জগতৰ লগত সম্পৰ্কহীন এক ঠেক ভকাইচুকীয়া সংস্কৃতিৰ বিকাশ তেওঁ কোনো দিনে বিচৰা নাছিল। তেওঁ বিচাৰিছিল অসমীয়া সংস্কৃতিৰ এক বিশ্বমুখী প্ৰতিবিম্ব।

তেজপুৰ আছিল জ্যোতিপ্ৰসাদ সপোনৰ, কল্পনাৰ সংস্কৃতিৰ থলী। এই তেজপুৰতে জ্যোতিপ্ৰসাদে প্ৰাচ্য আৰু পাশ্চাত্য সংগীতৰ সমন্বয়ত এক নতুন সংগীতৰ সৃষ্টি কৰি বাদ্যযন্ত্ৰৰ জগতলৈ অভিনৱত্বৰ সূচনা কৰিছিল। আনকি খোলতালৰ দৰে থলুৱা বাদ্যযন্ত্ৰক আভিজাত্য প্ৰদান কৰিছিল। এই তেজপুৰৰ ভোলাগুৰি চাহবাগিচাত নিৰ্মাণ হৈছিল 'জয়মতী' কথাছবিৰ ভব্য ৰাজপ্ৰাসাদ, সতী জয়মতীৰ চকুপানী আৰু তেজেৰে ধূসৰিত হোৱা জেৰেঙাপথাৰৰ বিস্তীৰ্ণ ক্ষেত্ৰ। সেই তেজপুৰতে ফেশ্বন শ্ব'ৰ নামত কিছুবছৰৰ আগতে যুৱতীৰ নগ্ন দেহৰ প্ৰদৰ্শন হৈ গ'ল। আজিকালি ফেশ্বন শ্ব' পতাৰ এটা সংস্কৃতিয়ে গঢ় লৈ উঠিছে। হয়াৰ কবলৰ পৰা অসমীয়া সংস্কৃতি (!) মুক্ত হ'ব কেতিয়া? কেনেকুৱা হ'ব অসমীয়া সংস্কৃতিৰ এই নৱ-ৰূপ? যি কেৱল অসমৰ সীমিত ক্ষেত্ৰকে আধাৰ কৰি ৰূপায়িত হ'ব নেকি? আমাৰ এই প্ৰশ্নৰ উত্তৰ জ্যোতিপ্ৰসাদে দি গৈছে— "ওপজা মাটি কঠাতে স্থিতি লৈ তাতেই থিয় হৈ নিজৰ ভৰিৰ তলৰ মাটিৰে ই ৰস খাই আৰু সি যি জলবায়ুৰ মাজতে জন্ম লভিছে তাৰ পৰাই বিকাশৰ সমল আহৰণ কৰি আকাশমুৱা হৈ বিশ্বৰূপ" ধৰিব লাগিব।... আমি আমাৰ সভ্যতা সংস্কৃতি ৰক্ষা কৰিবলৈ যি চিন্তা আৰু কৰ্ম কৰিম সি সংকীৰ্ণ প্ৰাদেশিকতা হ'ব নোৱাৰে। কিন্তু আমি যদি আমাৰ সভ্যতা সংস্কৃতি এই সাৰ্বভৌম আদৰ্শৰ পৰা আঁতৰাই আমাৰ মনটোক কেৱল লুইতৰ বৰচাপৰিতেই এৰাল দি থওঁ তেন্তে আমাৰ মনটো অসমৰ গৰুৰ দৰেই টিলিকা হৈ থাকিব।"[৫]

সংস্কৃতিৰ সকলো দিশতে জ্যোতিপ্ৰসাদেও পৰিৱৰ্তন বিচাৰিছিল। স্থিৰ জলাশয়ৰ পানীৰ দৰে লেতেৰা অস্বাস্থ্যকৰ এটা পৰিস্থিতি তেওঁ কোনো দিনে বিচৰা নাছিল। পাশ্চাত্য শিক্ষা, আদৰ্শ আৰু সভ্যতাৰ বিষয়ে অধ্যয়ন কৰি সেই অধ্যয়নৰ ফলশ্ৰুতি বিচাৰিছিল অসমীয়া গীতমাত সাজপাৰ বাদ্যযন্ত্ৰৰ প্ৰয়োগৰ মাজেৰে। পশ্চিমীয়া সংস্কৃতিক অন্ধ ভাবে অনুকৰণ নকৰি অসমীয়া সমাজ আৰু সাংস্কৃতিক পৰম্পৰাৰ মাজতে তেওঁ এই অধ্যয়নৰ নৱৰূপ বিচাৰি লৈছিল।

যুগৰ লগত সংস্কৃতিৰ সম্পৰ্ক আছে। সমাজৰে দ্ৰুত পৰিৱৰ্তনৰ সোঁতত উটি ভঁাহি অসমীয়া সংস্কৃতি আজি এনে এক গৰাখহনীয়াত পৰিবৰ উপক্ৰম হৈছে, যি খহনীয়াৰ পৰা উদ্ধাৰৰ কোনো পথ নাই। অসমীয়া জাতি, অসমীয়া সংস্কৃতিক ৰক্ষা কৰিবলৈ আজি মহাপুৰুষ শঙ্কৰদেৱ নাই, জ্যোতিপ্ৰসাদো নাই। আছে সংস্কৃতিৰ ভৰাঁলত আজিও সঞ্চিত হৈ থকা মণি মুকুতাৰ সম্ভাৰ। আমি আশাবাদী। বিচাৰো এখন সুস্থ আৰু নিকা সমাজ। প্ৰদূষিত নোহোৱা মুক্ত বায়ু আমি সেৱন কৰিবলৈ বিচাৰো। কিন্তু তাৰ বাবে লাগিব এটা সুন্দৰ মন আৰু বহল হৃদয়। নতুনক আদৰি লোৱাৰ মানসিক প্ৰস্তুতি থাকিব লাগিব। কিন্তু নতুনক আদৰিবলৈ গৈ আমি পুৰণিক বিসৰ্জন দিব নোৱাৰোঁ। ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি আমি শ্ৰদ্ধাশীল হৈ আজীৱন থাকিব লাগিব। জ্যোতিপ্ৰসাদৰ মহামন্ত্ৰত নিহিত হৈ আছিল "পুৰণি পৃথিৱীক নকৈ চাই" লোৱাৰ হেপাহ। আমাৰ আশাবাদী মনে আজি বিচাৰে আৰু এজন জ্যোতিপ্ৰসাদ আগৰৱালাৰ নৱজন্ম।

১। নেওগ হৰিপ্ৰসাদ, (সম্পাদনা) অসমীয়া সংস্কৃতি, প্ৰবন্ধ গগৈ, লীলা, সংস্কৃতিৰ স্বৰূপ, পৃঃ ৩৫৭
২। নেওগ হৰিপ্ৰসাদ, গগৈ লীলা (সম্পাদনা) পূৰ্বোক্ত গ্ৰন্থ, প্ৰবন্ধ আহোম যুগৰ অসমীয়া সংস্কৃতি, পৃ. ৩০৫
লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যংগাত্মক গল্পৰ নাম।
৩। শইকীয়া, চন্দ্ৰ প্ৰসাদ (সম্পাদক) গৰীয়সী, প্ৰবন্ধ জ্যোতিপ্ৰসাদ আৰু তেওঁৰ বহুমুখী ব্যক্তিত্ব. পৃ ১৯ (অষ্টম বছৰ, চতুৰ্থ সংখ্যা, জানুৱাৰী ২০০১)
৫। শইকীয়া, চন্দ্ৰ প্ৰসাদ (সম্পাদক) পূৰ্বোক্ত আলোচনী, প্ৰবন্ধ পূৰ্বোক্ত পৃঃ ১৮।
বীণবৰাগী, লক্ষ্মীনাথ বেজবৰুৱা।

*লেখিকা, অসমীয়া বিভাগৰ জেষ্ঠা প্ৰৱক্তা*

# বৰদোৱা সত্ৰৰ গীত-মাত আৰু ইয়াৰ ভৱিষ্যৎ



লক্ষ্যধৰ তালুকদাৰ

"জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়।
সেহিস্থানে নিজগুৰু ভৈলন্ত উদয়।।
..................................................
মধ্যে পদশিলা দক্ষিণে নামঘৰ।
মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ।।

পুৰুষোত্তম ঠাকুৰ

ঐতিহ্যমণ্ডিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান দ্বিতীয় বৈকুণ্ঠ বৰদোৱা। এই 'বৰদোৱা' নামটোৰ সৈতে যে বিভিন্ন কাহিনী, অলৌকিক ঘটনা, কিম্বদন্তী জড়িত হৈ আছে, সেই কথা চৰিত পুথিসমূহত পোৱা যায়। বৰদোৱা, আলিপুখুৰী আৰু বটদ্ৰবা প্ৰকৃততে একেখন ঠাইৰে তিনিটা বিভিন্ন সময়ত হোৱা নাম। প্ৰথম অৱস্থাত 'বৰদোৱা' ঠাইখন বৰ 'দ' আৰু অটব্য হাবি জংঘল আছিল, সেয়ে ইয়াৰ নাম ৰখা হৈছিল বৰদোৱা। শংকৰদেৱে ভাগৱতৰ দশম স্কন্ধত নিজৰ বংশ পৰিচয় দি বৰদোৱাৰ বিষয়ে লিখিছে —

"বৰদোৱা নামে গ্ৰাম শস্যে মৎসে অনুপাম
লোহিতৰ আতি অনুকুল।
সেহি মহা গ্ৰামেশ্বৰ আছিলন্ত ৰাজধৰ
কায়স্থ কুলত পদ্ম ফুল।।"

আকৌ শংঙ্কৰদেৱৰ পুৰ্ব পুৰুষ ভূঞা সকলে ডাঙৰ ডাঙৰ পুখুৰী খান্দি আলি বান্ধি বসবাস কৰাৰ বাবে বৰদোৱাকে আলিপুখুৰীও বোলা হৈছিল। অৱশ্যে আলিপুখুৰী নামটো শংকৰদেৱে নিজে লিখা শাস্ত্ৰ সমূহৰ ভনীতাবোৰত ব্যৱহাৰ কৰা নাই, 'বৰদোৱা' নামটোহে বেছিকৈ ব্যৱহাৰ কৰিছে। আন এক কাহিনীৰ মতে বৰদোৱা থানৰ উত্তৰ ফালে এজোপা বটবৃক্ষ আছিল। ভকত সকলৰ পানীৰ অভাৱ দূৰ কৰিবৰ কাৰণে গুৰুজনে আকাশৰ পৰা গঙ্গা নমাই আনিলে। আকাশী গঙ্গা

আহি পূৰ্বৰ সেই বটগছ জোপাৰ ওপৰত পৰিল আৰু বটগছ জোপা দ্ৰাবিত হৈ যোৱাৰ কাৰণে ইয়াৰ নাম বটদ্ৰৱা হ'ল। পুৰুষোত্তম ঠাকুৰে বৰদোৱা থান বৰ্ণন গীতত লিখিছে —

"উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ।
মধ্যবাতি নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ।।
দক্ষিণে যাত্ৰাৰ দৌল শংকৰে নিৰ্মিলা।
সাতো বৈকুণ্ঠৰ চিহ্ন আকিয়া দেখাইলা।।"

যিখন বৰদোৱা সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে চিহ্ন যাত্ৰাৰ ভাওনাৰে আজিৰ পৰা পাঁচশ বছৰৰ আগতে এক সাংস্কৃতিক নাট্য আন্দোলন গঢ়ি তুলিছিল, যত নেকি তাল-খোল, গীত-মাত, নাট-ভাওনাৰ সৃষ্টি হৈ ছিল সেইখন বৰদোৱা সত্ৰৰ পৰা আজি যেন গুৰুজনাৰ গীত-মাত সমূহ উপযুক্ত সংৰক্ষণ, প্ৰচাৰ আৰু চৰ্চাৰ অভাৱত ক্ৰমে হেৰাই যাব ধৰিছে। এটা কথা *অতিৰঞ্জিত কৰি কোৱা নহব যে যদি বৰদোৱা সত্ৰৰ আপুৰুগীয়া গীত-মাতসমূহ সংৰক্ষণ কৰা নহয় তেন্তে অসমীয়া জাতীয় জীৱনৰ এক অপুৰণীয় ক্ষতি হ'ব, কিয়নো শংকৰদেৱৰ সৃষ্ট বিভিন্ন গীত-মাত, নাট-ভাওনা আদিৰ প্ৰাচীন ৰূপটো একমাত্ৰ বৰদোৱা সত্ৰতহে ৰক্ষিত হৈছে।* অসমৰ অন্যান্য সত্ৰ সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে বৰপেটাই হওঁক বা মাজুলী, কলিয়াবৰ সত্ৰই হওঁক, সেই সত্ৰৰ গীত-মাত সমূহে সময়ৰ লগত খাপ খোৱাই মূলৰ পৰা বহুখিনি আঁতৰি আহি আধুনিকতাৰ ৰূপ ললে। কিন্তু বৰদোৱা সত্ৰই পৰম্পৰা আৰু আধুনিকতাৰ দোমোজাত পৰি পৰম্পৰাগত ভাৱে চলি অহা প্ৰাচীন গীত-মাত সমূহকে অবিকৃত আৰু অপৰিবৰ্তিত ৰূপত ধৰি ৰাখিলে। বৰদোৱা সত্ৰত এনেদৰে গুৰুজনাৰ গীত-মাত সমূহ অবিকল ৰূপত কিয় থাকিল, তাৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে বৰদোৱা সত্ৰৰ গায়ন বায়ন সকলৰ বেছি ভাগ লোকেই নিৰক্ষৰ আছিল। সেয়েহে এজন গায়ন বা বায়নে বৰগীত, খোল আদি শিকোতে মুখে মুখে বা শুনি শুনিহে শিকিব লগাত পৰিছিল। যাৰ ফলত এই সকল গায়ন বায়নে নৃত্য, গীত, নাট, ভাওনা আদিক নতুন ৰূপ দিব পৰা নাছিল। আনহাতে আকৌ মাজুলীৰ নৃত্য গীত সমূহক যেনেদৰে ডঃ মহেশ্বৰ নেওগ প্ৰমুখ্যে গৱেষক পণ্ডিত সকলে নতুন দৃষ্টি ভঙ্গীৰে চালি জাৰি চাই এটা বিজ্ঞান সম্মত ৰূপ দিলে বৰদোৱা থুলৰ নৃত্য-গীতৰ ক্ষেত্ৰত কিন্তু তেনেধৰণৰ গৱেষণা আজিলৈকে হোৱা নাই। তথাপিও বৰদোৱা সত্ৰৰ গীত -মাত সমূহে আজি পাঁচশ বছৰে স্বকীয় বৈশিষ্ট্য হেৰুৱা নাই।

*এটা কথা অতিৰঞ্জিত কৰি কোৱা নহব যে যদি বৰদোৱা সত্ৰৰ আপুৰুগীয়া গীত-মাত সমূহ সংৰক্ষণ কৰা নহয় তেন্তে অসমীয়া জাতীয় জীৱনৰ এক অপুৰণীয় ক্ষতি হ'ব, কিয়নো শংকৰদেৱৰ সৃষ্ট বিভিন্ন গীত-মাত, নাট-ভাওনা আদিৰ প্ৰাচীন ৰূপটো একমাত্ৰ বৰদোৱা সত্ৰতহে ৰক্ষিত হৈছে।*

বৰগীতৰ ক্ষেত্ৰত অসমত প্ৰধানকৈ তিনিটা ধাৰা দেখা যায়। সেয়া হ'ল বৰদোৱা, বৰপেটা আৰু মাজুলী থুলৰ ধাৰা। সাম্প্ৰতিক কালত বৰগীতৰ যি স্বৰলিপি সৃষ্টি হৈছে বৰদোৱা সত্ৰৰ গীত-মাতৰ ক্ষেত্ৰত কিন্তু তেনেধৰণৰ স্বৰলিপি হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হৈছে বৰদোৱা থুলৰ বৰগীত সমূহৰ সুৰ সঞ্চাৰ, ৰাগ আদি সম্পূৰ্ণ পৰম্পৰাগতভাৱে পুৰুষানুক্ৰমে অতীজৰে পৰা চলি অহা। সেয়ে অসমৰ অন্যান্য সত্ৰ সমূহৰ লগত বৰদোৱা থুলৰ বৰগীতৰ যথেষ্ট পাৰ্থক্য দেখা যায়। অৱশ্যে গীতৰ সুৰ-সঞ্চাৰ, ৰাগৰ ক্ষেত্ৰত মিল নাথাকিলেও কিন্তু তালৰ ক্ষেত্ৰত মিল থকা দেখা যায়। বৰদোৱা সত্ৰত সদায় চৈধ্য প্ৰসঙ্গ হয় যদিও ভাদমহীয়া আৰু তিনি-চাৰি প্ৰসঙ্গ বেছিকৈ হয়। চৈধ্য প্ৰসঙ্গ ৰক্ষা কৰাটো প্ৰত্যেক সত্ৰৰ কৰ্তব্য যদিও অসমৰ প্ৰায়বিলাক সত্ৰত কিন্তু পুৱা, দেৱপৰীয়া, বিয়লি আৰু সন্ধিয়া— এই চাৰি প্ৰসঙ্গ পালন কৰাহে দেখা যায়। বৰদোৱা সত্ৰত বছৰৰ বিভিন্ন সময়ত পালন কৰা তিথি মহোৎসৱৰ বাহিৰেও গীত-মাতৰ অতি আকৰ্ষণীয় অনুষ্ঠান বিলাক দেখা যায় প্ৰকৃততে ভাদ মাহতহে। ভাদমহীয়া খোল প্ৰসঙ্গত এটি গীত বিভিন্ন প্ৰাসত সম্পূৰ্ণ তাল ধৰি গালে এক ঘন্টাতকৈ বেছি সময় লাগে যিটো বৰদোৱাৰ বাহিৰে অসমৰ কোনো সত্ৰতে দেখা নাযায়। পুৱাৰ খোল প্ৰসঙ্গত গীত গাঁওতে বন্ধা কেইখনমান তালহে ব্যৱহাৰ হয়, কিন্তু বিয়লি বা সন্ধিয়া খোল প্ৰসঙ্গত বিভিন্ন কঠিন যুটীয়া তথা খেলনীয়া তাল সমূহ ব্যৱহাৰ কৰি অনুষ্ঠানটি আৰু অধিক আকৰ্ষণীয় কৰি তোলা হয়। ভাদমহীয়া হোৱা এনে ধৰণৰ খোল প্ৰসঙ্গত দক্ষ গায়ন বায়নে কেতিয়াবা তাল 'চুৰ' কৰি এজনে আনজনক নচুৱাবলৈ চেষ্টা কৰে। আজিকালি এনেধৰণৰ ৰসাল আৰু আমোদজনক দৃশ্য সততে দেখিবলৈ পোৱা নাযায়। পুৱা গীতৰ বন্ধা তাল সমূহ হৈছে পৰিতাল, দুমানী, জৌতি, জামান, বৰখেলা, একতালি, ৰূপক, বিষম, জুমুৰা খেলা ইত্যাদি। আনহাতে আকৌ বিয়লি বা সন্ধ্যা প্ৰসঙ্গত বন্ধা তাল নাথাকে। গায়নে নিজৰ ইচ্ছামতে ধৰমজৌতি, মাথজৌতি, ৰূপক, বৰবিষম, সৰুবিষম, আঠতলা, দহবাৰি, ৰূপগঞ্জল, সুতাগঞ্জল, পাতনিকা খেলা, জামানৰ ঠাক তাল, পৰিতালৰ ঠাক তাল আৰু পাতনিকা ঠেলাৰ ঠাক তাল আদি ব্যৱহাৰ কৰি গীত গায়। অসমৰ অন্য সত্ৰত নথকা বা থাকিলেও বৰ্তমানে অপ্ৰচলিত বেহাৰ গোৱা প্ৰথা বৰদোৱা সত্ৰত আজিও চলি আছে। বেহাৰত একেটি গীতকে বিভিন্ন প্ৰাস আৰু তালত গোৱা



হয়। ভাদমহীয়া বিশেষকৈ শংকৰদেৱৰ তিথি আৰু মাধৱদেৱৰ তিথিৰ আগ দিনা গন্ধ গোৱা হয় আৰু বিয়লিৰ বেহাৰত বালক নচুৱা হয়। বেহাৰৰ মুঠ ভঙ্গী চৌষষ্ঠিখন আছে।

বৰদোৱা সত্ৰৰ ভাওনা বা গাণিকাৰ যি অনুষ্ঠান সেয়া এৰুক আৰু অনন্য। আজি-কালি প্ৰায় বিলাক সত্ৰতে ভাওনাৰ যোৰা গাওঁতে গায়ন বায়নে চমুৱাই থৈ দিয়ে বা নজনা বাবে ভালদৰে গাব নোৱাৰে। কিন্তু বৰদোৱা সত্ৰত এতিয়াও সম্পূৰ্ণ মান দি ভাওনা গালে তিনি ঘন্টা সময় লাগে। বৰদোৱা সত্ৰৰ আন এক বৈশিষ্ট্য হৈছে দিন ভাওনা। এই দিন ভাওনা বৰ্ত্তমান অসমৰ আন আন সত্ৰত কৰা দেখা নাযায়। মাধৱদেৱৰ নাট কেইখনহে দিন ভাওনা কৰা হয়। দিন ভাওনা কৰিবলৈ কিছু জটিল কিয়নো এই ভাওনা কৰিবলৈ যেহাৰৰ ভঙ্গী নাচ বিলাক জানিব লাগে। দিন ভাওনাত ন ধেমালি বজোৱা হয়। ৰাতি ভাওনাত বৰধেমালি আৰু ঘোষা ধেমালিৰ লগতে দেৱ ধেমালি বজোৱা হয়। চো ধেমালি আৰু ৰামধেমালি বজোৱা হয় বিভিন্ন তিথিৰ গন্ধত। বৰদোৱা আৰ্হিৰ ভাওনাত দিয়া ভৰি আৰু হাত মানবোৰৰ নাম হ'ল এনেধৰণৰ—

**ভৰিমান ঃ** মান চলনা, এপৰ্কীয়া টিটিকা, দুপৰ্কীয়া টিটিকা, খোৰাযুতি, আদযুতি, বৰযুতি, ঢোলা ঘূৰোৱা, বগলী খুটিয়া, খুবলী পিচলা, ঢেৰাপাক, নুপুৰ চলোৱা, খোল ঘূৰোৱা ইত্যাদি।

**হাতমান ঃ** থাপনা, জয় জয় বা পৃথিৱী উদ্ধাৰ, সাগৰ, প্ৰণাম, ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ, সূৰ্য্য, বায়ু, অগ্নি, চন্দ্ৰ, নৃপতি, চক্ৰ, বৰতি, চাপৰি, হাত তালি, পাজি কটা, মুৰত খোল লোৱা বা নিৰ্মালি দিয়া।

বৰদোৱা সত্ৰৰ ঐশ্বৰ্যশালী গীত-মাতসমূহ বৰ্ত্তমান সংকটৰ গৰাহত। নতুন চামে এই গীত-মাত সমূহ শিকিবলৈ নহাটোয়ে, ইয়াৰ ভৱিষ্যৎ যে অন্ধকাৰ তাকেই সূচায়। অৱশ্যে নতুনকৈ এজন গায়ন- বায়ন, নামলগোৱা, পাঠক হ'বলৈ বা শিকিবলৈ কিয় নাহে তাৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে, সেই লোকসকলক সমাজে উচিত মূল্য বা সন্মান নিদিয়ে। বৰ্ত্তমান সমাজত এনে কিছুমান অসংস্কৃতিবান লোক আছে যি সকলে নিজৰ চাকৰি জীৱনত থানলৈ বা নামঘৰলৈ এখন্তেকৰ কাৰণে কেতিয়াও নাহে, কিন্তু চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত যেতিয়া অকলশৰীয়া হৈ পৰে তেতিয়া থানলৈ বা নামঘৰলৈ আহে এখন সমাজ বিচাৰি ধৰ্ম কৰিবলৈ। জীৱনৰ বেছিভাগ সময় ধন, টকা-পইচা, নিজৰ লৰা-ছোৱালী, তিৰোতাৰ লগত ব্যস্ত থকা এই লোক সকলে নামঘৰলৈ আহি কিন্তু ধৰ্ম চৰ্চা কৰাৰ বিপৰীতে ৰাজনীতিহে আৰম্ভ কৰে আৰু সমাজখনক ভাগ ভাগ কৰি বিভিন্ন পন্থা, খেলৰ সৃষ্টি কৰে। অসমৰ বেছি ভাগ সত্ৰ আৰু নামঘৰতেই এনেধৰণৰ সমস্যা দেখা যায়। গুৰুজনাৰ পাঁচশ বছৰীয়া গীত-মাত সমূহ বৰদোৱা থানত আজিও চৈধ্য প্ৰসঙ্গৰ মাজেৰে পৰম্পৰাগত ভাৱে চলি আছে। গতিকে সময় থাকোতেই যদি বটদ্ৰৱা থান পৰিচালনা সমিতি, চৰকাৰ তথা অসমৰ কলাসংস্কৃতিৰ গৱেষক পণ্ডিতসকলে ইয়াৰ বিজ্ঞান সম্মত ভাৱে সংৰক্ষণ, প্ৰচাৰ আৰু চৰ্চাৰ ব্যৱস্থা নকৰে তেন্তে অচিৰেই গুৰুজনাৰ প্ৰাচীন গীত-মাত সমূহসময়ৰ সোঁতত হেৰাই যাব। অন্যথা বৰদোৱা সত্ৰৰ গীত-মাতৰ ভৱিষ্যৎ অন্ধৰ হস্তী দৰ্শনৰ নিচিনা হ'ব।

*লেখক, স্নাতকোত্তৰ অসমীয়া বিভাগৰ ছাত্ৰ*

# অসমীয়া চুটি গল্পত প্ৰগতিশীল চিন্তাৰ উন্মেষ

ড° মহেশ্বৰ কলিতা

লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্মলাভ কৰা অসমীয়া চুটি গল্পই প্ৰধানতঃ ১৯২৯ চনত দীননাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশ পোৱা 'আৱাহন' আলোচনীৰ জৰিয়তে বিকাশ লাভ কৰে। প্ৰাক্ আৱাহন কালতে অৰ্থাৎ (১৮৮৯-১৯০৫) আৰু বাঁহীৰ (১৯০৯-৩৬) সময়তে লক্ষ্মীনাথ বেজবৰুৱাৰ উপৰিও শৰৎ চন্দ্ৰ গোস্বামী, দণ্ডিনাথ কলিতা, সূৰ্য্যকুমাৰ ভূঞা আদি গল্প লেখকৰ দ্বাৰা অসমীয়া চুটি গল্পৰ ভেটি সুদৃঢ় হৈ পৰে যদিও বিষয়বস্তুৰ ভিন্নতা অসমীয়া চুটি গল্পত তেতিয়া দেখা নগৈছিল। সামাজিক অবিচাৰ আৰু ৰোমাণ্টিক প্ৰণয় আছিল প্ৰধানকৈ গল্পৰ বিষয়বস্তু। প্ৰকাশ-ভংগীৰ ক্ষেত্ৰত ব্যংগ-বিদ্ৰূপেই আছিল প্ৰধান আহিলা। কিন্তু 'আৱাহন' যুগত গল্পৰ বিষয়বস্তুৰ ভিন্নতা আহি পৰে। নতুন লেখকসকলে ন-ন বিষয়বস্তুলৈ গল্প লিখিবলৈ ল'লে। এই লেখকসকলৰ ভিতৰত উল্লেখযোগ্য আছিল নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, নকুল চন্দ্ৰ ভূঞা, হলীৰাম ডেকা, লক্ষ্মীধৰ শৰ্মা, মহীচন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন, বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ত্ৰৈলোক্য নাথ গোস্বামী। সামাজিক অবিচাৰ আৰু প্ৰেম-প্ৰীতিৰ উপৰিও নাৰী স্বাধীনতা, সাম্প্ৰদায়িক সম্ভাৱ, মানৱীয় প্ৰমূল্যৰ জয়গান আদি বিভিন্ন বিষয়ৰ গল্প এই লেখকসকলে ৰচনা কৰে। চৰিত্ৰৰ বহিৰ্দ্বন্দ্বৰ উপৰিও অন্তৰ্দ্বন্দ্বক্ৰমে তীব্ৰ ৰূপত প্ৰকাশ পাবলৈ ধৰে। ব্যংগ-বিদ্ৰূপৰ উপৰিও বলিষ্ঠ আৰু কাব্যিক ভাষাৰে চৰিত্ৰ সৃষ্টিৰ প্ৰচেষ্টা দেখা গ'ল। অৱশ্যে, বেজবৰুৱাৰ সময়ৰ দৰে আৱাহনৰ লেখকসকলেও মানুহৰ জীৱন আৰু সমাজক পৰম্পৰাগত মূল্যবোধৰ (যেন— গভীৰ ঈশ্বৰ বিশ্বাস, ভাল কামৰ ভাল ফল) ওপৰত ভিত্তি কৰি নীৰিক্ষণ কৰিছিল। তেওঁলোকে ৰাজনৈতিক বিপ্লৱ আদিৰ চিত্ৰ তেনেকৈ অংকন কৰা নাছিল।

১৯৩৯ চনৰ পৰা আৰম্ভ হোৱা দ্বিতীয় মহাযুদ্ধই প্ৰচলিত মূল্যবোধৰ ওপৰতো প্ৰচণ্ড আঘাত হানে। নিষ্ঠুৰ বাস্তৱৰ সংঘাত চল্লিছৰ কবিতাত প্ৰকাশিত হোৱাত অসমীয়া কবিতাৰ নতুন যুগ আৰম্ভ হ'ল। চল্লিছৰ কেইজনমান তৰুণ গল্প লেখকে অসমীয়া গল্পলৈও তেনে পৰিৱৰ্তন আনিবলৈ প্ৰচেষ্টা চলালে যদিও তেওঁলোক সফল নহ'ল। অৱশ্যে তেওঁলোকৰ সেই প্ৰচেষ্টাই অসমীয়া গল্পলৈ কিছু পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। এই প্ৰবন্ধত সেই 'প্ৰচেষ্টা' আৰু 'পৰিৱৰ্তন' সম্পৰ্কে আলোচনা কৰিব বিচৰা হৈছে।

লক্ষ্মীধৰ শৰ্মাৰ বাহিৰে আৱাহন যুগৰ অন্য গল্প লেখকৰ গল্পত সামাজিক বাস্তৱতাৰ বস্তুবাদী চিত্ৰ তেনেকৈ পোৱা নাযায়। তাহানি জোনাকী কাকতত চন্দ্ৰ কুমাৰ আগৰৱালাই 'ৰাজনীতি আমাৰ ৰাজ্যৰ বাহিৰ'' বুলি কৰা ঘোষণাই যেন আৱাহনৰ সময়লৈকে আমাৰ সৰহভাগ লেখককে বাট দেখুৱাই আছিল। কিন্তু চল্লিছৰ তৰুণ গল্প লেখকসকলে, বিশেষকৈ জয়ন্তী (১৯৪৩-৪৬) আৰু পছোৱা (১৯৪৮-৪৯)ৰ কেইজনমান লেখকে বুজিলে যে ৰাজনীতি সমাজৰ উত্থান-পতনৰ অন্যতম চালিকা শক্তি। সেইবাবে ৰাজনৈতিক দৰ্শনে বিশেষকৈ মাৰ্ক্সবাদী আৰু সমাজবাদী দৰ্শনে তেওঁলোকক আকৰ্ষিত কৰিছিল। চল্লিছৰ সেই 'কেইজনমান' গল্প লেখকৰ ভিতৰত উল্লেখযোগ্য হ'ল— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চৈয়দ আব্দুল মালিক, চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু সৌৰভ কুমাৰ চলিহা। প্ৰগতিশীল জয়ন্তীৰ পাতত চক্ৰেশ্বৰ ভট্টাচাৰ্যই ৰোমাণ্টিকতাৰ বিৰোধিতা কৰি কবিতাৰ উপৰি গল্পও লিখিছিল। দেৱানাংপ্ৰিয়, উৎপল চৌধুৰী আৰু অলকা চৌধুৰী ছদ্মনামত আলোচনীৰ পাতত লিখা গল্প লিখা চক্ৰেশ্বৰৰ গল্পবোৰ ৰিক্সাৱালা নামৰ পকেট চাইজ সংকলনখনত সংকলিত হৈ প্ৰকাশ পায় ১৯৪৮ চনত। যেতিয়া মনে নুবুজে, ৰণভূমিৰ একোণত, অলক্ৰিয়েৰ, ৰঙিয়া জংচন, গ্ৰহৰ ফেৰ, কামাখ্যাৰ মানৎ, কলীয়া গোঁসাইৰ থান, যাদুবত্তি আৰু ৰিক্সাৱালা— এই নটি গল্প গ্ৰন্থখনত সংকলিত হৈছে। গ্ৰহৰ ফেৰ শীৰ্ষক গল্পটিৰ বাহিৰে বাকীবোৰ 'ভাল' গল্প নহয় যদিও অসমীয়া চুটি গল্পৰ যুগ পৰিৱৰ্তনৰ সোঁত চিনাক্ত কৰাৰ ক্ষেত্ৰত সিবোৰৰো মূল্য আছে। প্ৰগতিশীল জয়ন্তী (১৯৪৩-৪৬)ৰ অন্যতম সম্পাদক চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু তেওঁৰ সহযোগীসকলে অকল অসমীয়া কবিতাক ৰোমাণ্টিকতাৰ পৰা মুক্ত কৰি সময় উপযোগী বাস্তৱবাদী ৰূপ দিব বিচাৰিছিল— এনে নহয়, অসমীয়া সাহিত্যৰ আন আন শাখা— বিশেষকৈ চুটি গল্পৰো পৰিৱৰ্তন ঘটাব বিচাৰিছিল। ভট্টাচাৰ্য আৰু জয়ন্তীৰ অন্য লেখকসকলৰ গল্প পঢ়িলে এই কথা বুজা যায়।

অৱশ্যে, সাধনা গভীৰ নোহোৱা বাবে ভট্টাচাৰ্যৰ গল্পত বিশেষ কৃতিত্ব ফুটি নুঠিল। এই কথা জয়ন্তীৰ সকলো গল্প লেখকৰ ক্ষেত্ৰত প্ৰযোজ্য। গতিকে আলোচনীখনে কবিতাৰ ক্ষেত্ৰত যিদৰে সফল হ'ল, গল্পৰ ক্ষেত্ৰত সফল নহ'ল। তথাপি, এই আলোচনীত প্ৰকাশ পোৱা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সিও এখন জগতৰে কথা, পঁজাৰ জীৱন, ভিতৰৰ

স্বৰূপ, অজ্ঞাত জাপানী সৈনিক, সৌৰভ কুমাৰ চলিহাৰ বিজ্ঞান, দীনবাবু আৰু ৩ লাখ বনুৱা আদি গল্পত নতুনত্বৰ প্ৰকাশ লক্ষ্য কৰা যায়।

এইখিনিতে এটা কথা উল্লেখ কৰিবলগীয়া যে ত্ৰৈলোক্য নাথ গোস্বামী, ৰমা দাশ আদি প্ৰবীণ লেখকে চল্লিছৰ দশকত লিখা গল্প ফুটি উঠিছে তীব্ৰ সমাজ চেতনা। ত্ৰৈলোক্য নাথ গোস্বামীৰ গল্প-সংকলন মৰীচিকাত (১৯৪৮) অন্তৰ্ভুক্ত গল্পবোৰ সংঘৰ্ষমুখৰ চল্লিছৰ পটভূমিত লিখা। দুটকীয়া নোট, পূজাৰ আয়োজন, প্ৰতিধ্বনি, কন্ট্ৰোলৰ চেনি আদি গল্পত যুদ্ধ-বিধ্বস্ত অসমৰ পৰিৱৰ্তনমুখী মানুহৰ দুৰ্নীতি, ভণ্ডামি আৰু অমানবীয় ৰূপ সুন্দৰ ৰূপত প্ৰকাশ পাইছে।

মধ্যযুগীয়া বিশ্বাস-পৰম্পৰাৰ পৰা মুক্ত হৈ আধুনিক যুগত পদাৰ্পণ কৰিব বিচৰা চল্লিছৰ অসমীয়া সমাজৰ এটি চিত্ৰ অংকিত হৈছে দুটকীয়া নোটত। গল্পটিৰ নায়ক গোঁসাইয়ে শিষ্যৰ ঘৰলৈ ওলাল আলধৰা ভদীয়াক লগতলৈ। তেওঁৰ সেই যাত্ৰাৰ উদ্দেশ্য হ'ল— শিষ্যসকলৰ পৰা দান-দক্ষিণা সংগ্ৰহ কৰা। তেওঁ দুদিন ধৰি শিষ্যৰ ঘৰে ঘৰে ফুৰি মাত্ৰ দুটকাহে পালে। দিন-কাল সলনি হৈছে। শিষ্যসকলৰ গুৰুৰ প্ৰতি থকা শ্ৰদ্ধা কমি আহিছে। গুৰুগিৰি কৰি খোৱাৰ দিন উকলিছে। এই কথা উপলব্ধি কৰি গোঁসাইয়ে সেই দুটকীয়া নোটখন ভদীয়াক দিব বিচৰাত ভদীয়াই ক'লে, "আপোনালৈও এটকা ৰাখক জগন্নাথ, আটাইখিনি নিলে মোক পাপে চুব।" তেতিয়া গোঁসায়ে যিবাৰ কথা ক'লে, তাত পৰিৱৰ্তনমুখী চল্লিছৰ অসমীয়া সমাজখনৰ ছবিয়ে ফুটি উঠিছেঃ

> "কিহৰ পাপ অ' ভদীয়া? অনাচাৰ-অবিচাৰত পাপ নাই; অথচ তোৰ ন্যায্য দাবীত পাপ! তোৰ থাকিবলৈ খাবলৈ অধিকাৰ আছে। লৈ যা মুৰ্খ। সমাজৰ ওপৰত ভুঁইকঁপৰ জোকাৰণি পৰিছে। ময়ো তাৰ ওপৰেদি ধুমুহা বোৱাই দিম। অন্নহীন গুৰু, অন্নহীন শিষ্য— দুয়োৰো একে স্বাৰ্থ। দুয়ো খাবই লাগিব। জীয়াই থাকিবৰ উপাই পাবই লাগিব।"[৩]

গোস্বামী এগৰাকী সমাজ সচেতন লেখক। সম-সাময়িক সমাজৰ হা-হুতাশ, সুখ-দুখৰ চিত্ৰ তেওঁৰ গল্পত সৰল ৰচনা ভংগীৰে অংকিত হৈছে।

হোমেন বৰগোহাঞিয়ে চল্লিছৰ দশকত প্ৰতিষ্ঠা লাভ কৰা একমাত্ৰ অসমীয়া গল্প লেখক বুলি অভিহিত কৰিছে চৈয়দ আব্দুল মালিকক।[৪] ১৯৪৬ চনত প্ৰকাশ পোৱা গল্প-পুথি পৰশমণিয়ে মালিকক জনপ্ৰিয়তাৰ উচ্চ শিখৰত স্থাপিত কৰে বুলি কৈ বৰগোহাঞিয়ে লিখিছেঃ

> "১৯৪৬ চনত প্ৰকাশ পোৱা মালিকৰ 'পৰশমণি' নামৰ গ্ৰন্থখনৰ গল্পকেইটাই তেওঁক অসামান্য জনপ্ৰিয়তাৰ উচ্চ শিখৰত প্ৰতিষ্ঠিত কৰিছিল আৰু সেই জনপ্ৰিয়তাৰ এটা প্ৰধান কাৰণ আছিল কোমল, লেহুকা, সাৱলীল ভাবাত মানুহৰ আনুভূতিক জীৱনৰ ৰূপ-বৈচিত্ৰৰ প্ৰকাশ। মানুহৰ বিভিন্ন সহজাত প্ৰবৃত্তি আৰু তাড়নাত উদ্ভৱ হোৱা বিচিত্ৰ অনুভূতি— এয়েই হ'ল মালিকৰ বেছিভাগ জনপ্ৰিয় গল্পৰ প্ৰধান উপজীব্য।"[৫]

পৰশমণিৰ গল্পই মালিকক জনপ্ৰিয় কৰি তুলিলেও ইয়াৰ গল্পবোৰত বিশেষ নতুনত্ব ফুটি উঠা বুলি ক'ব পৰা নাযায়। আৱাহন যুগৰ গল্পকাৰ ৰমা দাসৰ দৰে মালিকেও আঁকিছে মানুহৰ যৌন-জীৱনৰ চিত্ৰ। পৰশমণি, কাঠফুলা, প্ৰাণ পোৱাৰ পাছত আদি গল্পত প্ৰকাশ পাইছে ভাব-প্ৰৱণ লেখকৰ ৰোমাণ্টিক চিন্তা-ভাবনা।

কিন্তু ১৯৪৪ চনৰ বাঁহীত (ভাদ-আহিন সংখ্যা) প্ৰকাশ পোৱা প্ৰতিশোধ শীৰ্ষক গল্পত ফুটি উঠিছে মহাযুদ্ধই সুবিধাবাদীত পৰিণত কৰা মানুহৰ চৰিত্ৰ। নিজৰ বাগানৰ চাহপাত চুৰ কৰাৰ অপৰাধত বাগিছাৰ মালিকে (গল্পৰ চৰিত্ৰ 'মই') শ্ৰমিক হৰি প্ৰসাদক খেদি দিয়ে। কিন্তু নিজৰ ব্যৱসায়ৰ স্বাৰ্থত সেই হৰিপ্ৰসাদৰ পৰাই তেওঁ চুৰি কৰা পেট্ৰল ক্ৰয় কৰে। মহাযুদ্ধৰ আৱহাৱাই সুবিধাবাদীত পৰিণত কৰা আদৰ্শহীন অসমীয়া মধ্যবিত্তৰ বিত্তশালী হোৱাৰ হেঁপাহ প্ৰকাশ পাইছে গল্পটিৰ নায়কৰ কাৰ্য-কলাপত ঃ

> "মনৰ মাজেদি নতুন কথা এটা খেলাই গ'ল। সি মোৰ ওপৰত প্ৰতিশোধ লোৱা নাইতো! এতিয়া সিতো মোকে চুৰ কৰাত লগাই দিলে, পইচা দিলেওতো চোৰাং পেট্ৰল! আৰু চুৰ কৰিছোঁ ময়ে! সি তেন্তে অৱশেষত মোক চোৰ কৰিহে এৰিলে। প্ৰতিশোধ!
>
> কিন্তু মোৰ কাৰবাৰ! আজিয়ে দুই লৰী পাত পঠাব লগা আছে। 'মহৰী?' 'চাৰ?'
>
> 'পইচা লওক বা নলওক বিমান পোৱা যায় পেট্ৰল তাৰ পৰা লৈ আহিবা। দেখিবা কোনোৱে যেন গম নেপায়।"[৬]

চল্লিছৰ দশকৰ শেষৰ পিনে ৰচিত হোৱা মালিকৰ গল্পবোৰত ৰোমাণ্টিক ভাবাবেগৰ মাত্ৰা কমে আৰু সামাজিক বাস্তৱতাৰ ছবি ফুটি উঠিবলৈ ধৰে। হেম বৰুৱা সম্পাদিত পছোৱাত (১৯৪৮-৪৯) প্ৰকাশ পোৱা তেওঁৰ গল্পকেইটা পঢ়িলে এই কথা বুজা যায়।

পছোৱাৰ প্ৰকাশ সংখ্যাতে প্ৰকাশ পায় মালিকৰ গল্প সিহঁতে নতুন পথ ৰচে। যুদ্ধোত্তৰ যুগৰ দুৰ্নীতি, অনাটন আৰু ব্যভিচাৰ, আৰু তাৰ বিৰুদ্ধে তৰুণ সমাজে চলোৱা সংগ্ৰামৰ ছবি এই গল্পত অংকিত হৈছে। গল্পৰ নায়ক ছাজ্জিদ নিস্বাৰ্থভাৱে সমাজৰ কাম কৰা শিক্ষিত ডেকা। যুৱক-যুৱতী কেইগৰাকীমানক লগতলৈ তেওঁ সকলো প্ৰকাৰৰ দুৰ্নীতি, অনীতিৰ বিৰুদ্ধে সংগ্ৰাম চলায়। নিজে অভাৱ-অনাটনৰ মাজত থাকিও শ্ৰমিকসকলৰ ন্যায্যপ্ৰাপ্তিৰ বাবে যুঁজ দিয়ে। আনকি তেওঁৰ ব্যৱসায়ী বন্ধু ৰফিৰ চোৰাং কাৰবাৰৰ সন্তেদ পাই তাৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰে। কিন্তু পুলিচৰ বড়যন্ত্ৰৰ বলি হৈ সংগীসহ জেলত বন্দী হয়। ৰফিৰ চোৰাং কাৰবাৰৰ বিৰুদ্ধে যাবলৈ সিদ্ধান্ত কৰি টোকা-বহীত ছাজ্জিদে লিখে ঃ

> "বন্ধুত্ব এটা মধ্যযুগীয়া কথা। ধনতান্ত্ৰিক সমাজত ধন হ'লে বন্ধুৰ অভাৱ নহয়।"

পছোৱাৰ ৪ৰ্থ সংখ্যাত প্ৰকাশ পোৱা মানুহ আৰু দেৱতা হ'ল চাৰিজন উদাৰ, যুক্তিবাদী মুছলমান যুৱকৰ কামাখ্যা মন্দিৰ দৰ্শনৰ কাহিনী। সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰচাৰধৰ্মী গুণ আৰোপ হোৱা কাৰণে ইয়াৰ

সাহিত্যিক সৌন্দর্য বিনাশ হৈছে। সিও মৰিল (পছোৱা, ৮ম সংখ্যা) পৰীক্ষামূলক শৈলীত লিখা গল্প। গল্পৰ নায়কে বিভিন্ন সময়ত পোৱা আৰু পঠোৱা চিঠিৰ টুকুৰা, আবেদন পত্ৰ, প্ৰেম-পত্ৰ আদিৰে গল্পৰ কাহিনী বিবৃত কৰিব বিচৰা হৈছে।

দৰিদ্ৰ পৰিয়ালৰ মেধাবী ছাত্ৰ- কবি দিগন্ত বৰুৱাই কবিতা লিখি সুনাম অৰ্জন কৰিছে। কিন্তু ইংৰাজী অনাৰ্চত প্ৰথম বিভাগৰ দ্বিতীয় স্থান পাই বি. এ. পাছ কৰাৰ পাছত কৰ্ম-সংস্থান বিচাৰি হাবাথুৰি খাইছে। এচিষ্টেণ্ট কমিচনাৰ, জুনিয়ৰ চিভিল চাৰ্ভিচ, চব্ ইন্সপেক্টৰ অব্ স্কুলচ্, চব্ ইন্সপেক্টৰ অব্ পুলিচ আদি পদৰ বাবে আবেদন কৰিও তেওঁ কোনো ফল নাপালে। উপায় নাপায় তেওঁ 'জীৱন ৰাম জয়চন্দ' দোকানত বেপাৰী কামত সোমাল। নিষ্ঠুৰ জীৱন-সংগ্ৰামৰ কাৰণে প্ৰেয়সী ৰেখাৰ পৰাও আঁতৰি যাবলগীয়া হ'ল। 'আজি-কালিৰ দিনত বিপ্লৱী কবিতা কোনেও নপঢ়ে' কাৰণে প্ৰকাশকেও তেওঁৰ কবিতা নছপায়। অৱশেষত অফলশৰীয়া মাকৰ হেঁচাত পৰি পৰিয়ালৰ পচন্দৰ ছোৱালী এজনী বিয়া কৰাবলৈ ওলাল। তেনে সময়তে প্ৰেয়সী ৰেখালৈ মনত পৰাত দীঘলীয়া চিঠি এখন লিখি নিজৰ নিষ্ঠুৰ জীৱন-সংগ্ৰামৰ কথা জনায়। এই চিঠিখনেৰে গল্পটিৰ সামৰণি মৰা হৈছে। চিঠিৰ সামৰণিত তেওঁ লিখে ঃ

"ভাবিছিলো মৰম শেষ হৈ গ'লে কবিতা থাকিব,
আৰু কবিতা শেষ হৈ গ'লে থাকিব চকুলো,
কিন্তু আজি দেখিছোঁ মৰম, কবিতা আৰু
চকুলো শেষ হৈ যোৱাৰ পিছত আছে
মোৰ বেদনাৰ হাঁহি।"

গল্পটিৰ নায়ক চৰিত্ৰটিয়ে পাঠকৰ মন আকৰ্ষণ কৰে। চৰিত্ৰটিৰ অন্তৰ্দ্বন্দ্ব গভীৰ যদিও সংগ্ৰামী চেতনাৰ অভাৱৰ কাৰণে কিছু পৰিমাণে নিস্তেজ হৈ পৰিছে।

আন দহজন প্ৰগতিশীল লেখকৰ দৰে চৈয়দ আব্দুল মালিককো দেশৰ নৱলব্ধ স্বাধীনতাই উৎফুল্লিত কৰিব পৰা নাছিল। তেওঁ এইটো অনুভৱ কৰিছিল যে সামাজিক কাঠামোৰ পৰিৱৰ্তন অবিহনে ৰাজনৈতিক স্বাধীনতাই দেশৰ মেহনতি জনতাক বিশেষ উপকাৰ সাধিব নোৱাৰিব। তেওঁৰ এই মনোভাব সেই সময়ত ৰচিত কবিতাৰ (বেদুইন, ১৯৪৮) উপৰিও গল্পতো প্ৰকাশ পাইছে।

অসমীয়া সাহিত্যত দায়বদ্ধ চুটি গল্পৰ (Short Stories of Commitnent) জন্মদাতা হ'ল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য।[5] এওঁৰ গল্পত প্ৰায়ে এটা নিৰ্দিষ্ট ৰাজনৈতিক দৰ্শনে ভুমুকি মাৰে। এই দৰ্শন হ'ল সমাজবাদী দৰ্শন। চল্লিছৰ দশকতে তেওঁ সমাজবাদৰ প্ৰতি আকৰ্ষিত হয়। সংঘৰ্ষমুখৰ চল্লিছৰ সমাজ সচেতন তৰুণ লেখক ভট্টাচাৰ্য দেশৰ দৰিদ্ৰ জনতাৰ প্ৰতি সহানুভূতিশীল। ভাৰতীয় সমাজৰ পৰা শ্ৰেণী বৈষম্য আঁতৰাই সমাজবাদ প্ৰতিষ্ঠা কৰাৰ সপোন তেওঁৰ গল্পত অংকিত হৈছে। অৱশ্যে তীব্ৰ সমাজ চেতনা আৰু আদৰ্শবাদিতাই তেওঁৰ কিছুমান গল্পৰ সৌন্দৰ্য লাঘব কৰিছে। উদাহৰণস্বৰূপে পঁজাৰ জীৱন (জয়ন্তী ৬ষ্ঠ বছৰ, ৯ম সংখ্যা) আৰু সৰু সৰু চাপৰ কিছুমান ঘৰ (পছোৱা, ১ম বছৰ, ৯ম সংখ্যা) গল্প দুটালৈ আঙুলিয়াব পাৰি।

পঁজাৰ জীৱনত দ্বিতীয় মহাযুদ্ধৰ সময়ৰ ছবি অংকন কৰা হৈছে। যুদ্ধৰ অস্থিৰতাৰ মাজতে সমাজৰ সুবিধাবাদী শ্ৰেণীয়ে অজস্ৰ সম্পত্তিৰ গৰাকী হৈ পৰিছে, আনহাতে দৰিদ্ৰসকলে এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি আছে— এয়া হ'ল গল্পটোৰ মূল কথা। গল্পটিৰ নায়ক চৰিত্ৰ পৱন ধনীৰ সন্তান যদিও নিবনুৱা। ৰাস্তাত টহল দি ফুৰোঁতে দৰিদ্ৰ পৰিয়াল এটি লগ পায়, যাৰ একমাত্ৰ চিন্তা হ'ল এমুঠি অন্ন যোগাৰ কৰা। অনুভূতিশীল পৱনে ভাবে যে এদিনত তেওঁ যিখিনি পইচা চিগাৰেটত খৰচ কৰে, সেইখিনিৰে এই দৰিদ্ৰ পৰিয়ালটিৰ দুসাজ ভাতৰ যোগাৰ হয়। পকেটত থকা অৱশিষ্ট চাৰিঅনা পইচা সিহঁতক দি তেওঁ ঘৰমুৱা হয় যদিও সেইখিনি পইচা যে পৰিয়ালটিৰ কাৰণে যথেষ্ট সহায় নহয়, তেওঁ বুজি পায় আৰু এসাজৰ চাউল দিবলৈ মন কৰি ঘৰৰ ভিতৰত সোমায়। কিন্তু ঘৰৰ মানুহে মোমায়েক পৰেশৰ লগত পৱনৰ এলেহুৱা নিবনুৱা জীৱন সম্পৰ্কে পতা কথা শুনি থমকি ৰয়।

**এইখিনিতে এটা কথা উল্লেখ কৰিবলগীয়া যে ত্ৰৈলোক্য নাথ গোস্বামী, ৰমা দাশ আদি প্ৰবীণ লেখকে চল্লিছৰ দশকত লিখা গল্পত ফুটি উঠিছে তীব্ৰ সমাজ চেতনা। ত্ৰৈলোক্য নাথ গোস্বামীৰ গল্প-সংকলন মৰীচিকাত (১৯৪৮) অন্তৰ্ভুক্ত গল্পবোৰ সংঘৰ্ষমুখৰ চল্লিছৰ পটভূমিত লিখা। দুটকীয়া নোট, পূজাৰ আয়োজন, প্ৰতিধ্বনি, কণ্ট্ৰোলৰ চেনি আদি গল্পত যুদ্ধ-বিধ্বস্ত অসমৰ পৰিৱৰ্তনমুখী মানুহৰ দুৰ্নীতি, ভণ্ডামি আৰু অমানৱীয় ৰূপ সুন্দৰ ৰূপত প্ৰকাশ পাইছে।**

**সাহিত্যিক সৌন্দৰ্যৰ বিচাৰত উক্ত লেখকসকলে উক্ত সময়ছোৱাত সৃষ্টি কৰা গল্পবোৰৰ সৰহভাগেই উৎকৃষ্ট সৃষ্টি নহয় যদিও পৰৱৰ্তীকালত উৎকৃষ্ট গল্প লিখিবলৈ তেওঁলোকক সমল আৰু প্ৰেৰণা যোগায় প্ৰধানকৈ সেই সময়ত লাভ কৰা অভিজ্ঞতা আৰু আদৰ্শই। সংঘৰ্ষ আৰু ক্ৰান্তিৰ যুগ চল্লিছে আমাৰ লেখকসকলক প্ৰদান কৰে বিচিত্ৰ অভিজ্ঞতা আৰু সমাজৰ প্ৰতি দায়বদ্ধ হোৱাৰ আদৰ্শ যাৰ ভেটি কৰিয়ে তেওঁলোকে ৰামধেনু যুগত (১৯৫১-৬৭) অসমীয়া চুটি গল্পৰ স্বৰ্ণযুগ সৃষ্টি কৰিবলৈ সক্ষম হয়।**

যুদ্ধই আনি দিয়া সুবিধা গ্ৰহণ কৰি পৰন তিনি মাহ পাছতে ট্ৰাকৰ মালিক হৈ পৰে। পুনৰ সেই দৰিদ্ৰ পৰিয়ালটিৰ মুখামুখি হৈ সি জানিব পাৰে ঃ

"সিহঁতৰ মাত্ৰ পঁজাটো পৰিপূৰ্ণ হৈছে। মানুহৰ শ্ৰমৰ বিভিন্নতা তাৰ চকুত পৰে। তিনি মাহত এজনে এখন ট্ৰাকৰ অধিকাৰী হ'ব পাৰে, আৰু আনজনে পঁজা এটা পৰিপূৰ্ণ কৰে।"[৮]

সৰু সৰু চাপৰ কিছুমান ঘৰ শীৰ্ষক গল্পটিত শ্ৰমিক আন্দোলনৰ ছবি অংকন কৰা হৈছে। এই গল্পত লেখকে পোনপটীয়াকৈ সমাজবাদী দল আৰু আদৰ্শৰ যশোগান গাইছে। আনহাতে, ভিতৰৰ স্বৰূপ আৰু ঢউৰ পৰশ নামৰ গল্প দুটিৰ চৰিত্ৰৰ মানসিক দ্বন্দ্ব মন কৰিবলগীয়া ঃ ক্ৰান্তিকালত সিহঁতে সমাজৰ মুক্তি-সংগ্ৰামত জপিয়াই পৰিব নে নীৰৱে প্ৰজ্ঞাৰ সাধনা কৰি নিজৰ জীৱন গঢ়িব? সন্দেহ নাই, এই সংঘাত ব্যক্তি হিচাপে লেখকৰে মানসিক সংঘাত। জয়ন্তীত প্ৰকাশিত সিও এখন জগতৰে কথা আৰু অজ্ঞাত জাপানী সৈনিক নামৰ গল্প দুটিও ভট্টাচাৰ্যই সংঘৰ্ষমুখৰ চল্লিছৰ পটভূমিতে ৰচনা কৰিছে। মহাযুদ্ধই সমাজলৈ অনা অস্থিৰতা, দৰিদ্ৰতা আৰু শ্ৰেণী-বৈষম্যৰ স্বৰূপ ইয়াত ফুটি উঠিছে। সেইদৰে, ১৯৪৭ চনৰ ৰঙালী বিহু সংখ্যা আৱাহনত প্ৰকাশ পোৱা যেতিয়া সিহঁতে নপঢ়ে শীৰ্ষক গল্পটিতো প্ৰকাশ পাইছে যুদ্ধজনিত অশান্তি আৰু নতুন সমাজ গঠন সম্পৰ্কত নতুন প্ৰজন্মৰ মানসিক দ্বন্দ্বৰ কথা।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই চল্লিছৰ দশকত ৰচনা কৰা গল্পবোৰৰ প্ৰকাশভংগী বলিষ্ঠ যদিও ইবোৰৰ মাজেৰে প্ৰকাশ পোৱা ৰাজনৈতিক আদৰ্শবাদৰ হেঁচাত সাহিত্য-কলা হিচাপে তাৰ সৌন্দৰ্য লাঘৱ হৈছে।

ত্ৰিশৰ দশকৰ শেষ ভাগৰ পৰা নতুন পৰীক্ষা-নিৰীক্ষাৰে অসমীয়া চুটি গল্পৰ বিকাশত বৰঙণি যোগোৱা অন্য এগৰাকী লেখক হ'ল উমাকান্ত শৰ্মা (১৯১৮)। শৰ্মাই ১৯৪৭ চনতে ঘূৰণীয়া পৃথিৱীৰ বেঁকা পথ নামৰ সংকলন এখন প্ৰকাশ কৰে। মনস্তাত্ত্বিক বিশ্লেষণেৰে চৰিত্ৰ সৃষ্টিত গুৰুত্ব দি লিখা তেওঁৰ ঘূৰণীয়া পৃথিৱীৰ বেঁকা পথ শীৰ্ষক গল্পটি এটি আকৰ্ষণীয় প্ৰেমৰ গল্প। মাধৱ চন্দ্ৰ বেজবৰুৱা সম্পাদিত বাঁহীত (১৯৩৯) প্ৰকাশিত এই গল্পটি সম্পৰ্কে বাঁহীৰ সম্পাদকে টোকাত লিখিছে ঃ

"অসমীয়া কথা সাহিত্যত চাইকলজিৰ নতুন আলোক সম্পাত। ঘূৰণীয়া পৃথিৱীৰ মানুহৰ মনৰ বাটবোৰো মাটিৰ বাটবোৰৰ দৰেই একা-বেঁকা।"[৯]

অৱশ্যে, শৰ্মাৰ সংকলনখনত আন যি সাতোটা গল্প আছে, সেইবোৰ উক্ত গল্পটিৰ দৰে আকৰ্ষণীয় নহয়। পখী, কোনে জানে কিহৰ ছাই, মানুহ জন্মাৰ পিছত, জিৰণিৰ কথা— এই চাৰিটাও প্ৰেমৰ গল্প। ইয়াৰে প্ৰথম দুটাৰ বৰ্ণনা সজীৱ যদিও বাকী দুটাত নতুনত্ব নাই। কিন্তু শৰ্মাৰ প্ৰেমৰ চিত্ৰ যৌন সৰ্বস্ব নহয়। মাৰ্জিত ভাষাৰে অংকন কৰা নায়ক-নায়িকাৰ প্ৰেমৰ ছবিৰ জৰিয়তে চৰিত্ৰবোৰৰ বিশেষত্ব পাঠকৰ আগত দাঙি ধৰিব বিচৰা হৈছে। গদাধৰ আৰু তাৰ ছবি নামৰ গল্পত শিল্পী গদাধৰৰ শিল্প-প্ৰীতিৰ কথা আছে, যিয়ে নিজৰ জীৱন দিও ঘৰপোৱা জুইৰ মাজৰ পৰা নিজৰ শিল্প-কৰ্ম বচাব বিচাৰে। সেইদৰে, জগতৰ কলেজখন নামৰ গল্পটিত প্ৰকাশিত হৈছে এজন সাধাৰণ মানুহৰ দায়িত্ববোধ আৰু আদৰ্শবাদৰ কথা। কলেজৰ 'চাপ্ৰাচী' জগত নিজৰ ঘৰ-সংসাৰতকৈ সি চাকৰি কৰা কলেজখনৰ প্ৰতি অধিক সচেতন। তেওঁ ভাবে, তেওঁ নাথাকিলে কলেজখন অচল হৈ পৰিব, কলেজৰ বয়-বস্তুবোৰ কোনে যত্ন কৰি ৰাখিব? গতিকে, অৱসৰ লোৱাৰ দিনা তেওঁৰ দুঃচিন্তাৰ অন্ত নাই। কিন্তু তেওঁৰ আনন্দ এইখিনিতে—

"............ছাত্ৰসকলৰ মাজত কি যেন এটা আন্দোলন চলিব লাগিছে। সকলোৰে মুখত যেন এটা উত্তেজিত ভাব। ................তাৰ কলেজৰ ল'ৰাবোৰে দেশৰ কাম কৰিব, অহংকাৰত তাৰ বুকু যেন ফুলি উঠে।"[১০]

চল্লিছৰ দশকত গল্প লিখা অন্য এগৰাকী লেখক হ'ল প্ৰফুল্ল দত্ত গোস্বামী। ৰঘুনাথ চৌধাৰী সম্পাদিত জয়ন্তীত প্ৰকাশ পোৱা (চেপ্তেম্বৰ, ১৯৪২) প্ৰাণৰ পৰিচয় দত্ত গোস্বামীৰ এটা ভাল গল্প। এই গল্পটিত লেখকে ৰাজনৈতিক দুৰ্যোগ (মহাযুদ্ধ) আৰু প্ৰাকৃতিক দুৰ্যোগ (বানপানী)ৰ চিত্ৰ সুন্দৰকৈ অংকন কৰিছে।

চল্লিছৰ দশকৰ শেষৰ পিনে পছোৱাৰ পাতত বহু সম্ভাৱনাৰে ভুমুকি মাৰে যোগেশ দাস আৰু চন্দ্ৰপ্ৰসাদ শইকীয়াই। আলোচনীখনৰ পঞ্চম সংখ্যাত (অক্টোবৰ, ১৯৪৮) প্ৰকাশ পায় যোগেশ দাসৰ বগা কুঁৱলী ক'লা পাপ। পৰৱৰ্তী কালত ডাৱৰ আৰু নাই উপন্যাস লিখি খ্যাতি অৰ্জা দাসৰ এই গল্পত উক্ত উপন্যাসৰ পাৰ্শ্ব ঘটনা এটিৰ আগতীয়া প্ৰকাশ ঘটিছে। মহাযুদ্ধৰ হুলস্থূলীয়া পৰিৱেশৰ মাজত চাহ বাগিছাৰ ছোৱালী আৰু আমেৰিকান মিলিটাৰীৰ যৌনাচাৰ আৰু স্থানীয় ডেকাৰ প্ৰতিশোধৰ চিত্ৰ গল্পটিত অংকিত হৈছে। মন কৰিবলগীয়া কথা হ'ল

যিটো সময়ত আমাৰ প্ৰায়বোৰ লেখক মহাত্মাৰ অহিংস বাণীৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল, সেই সময়তে ডেকা লেখক যোগেশ দাসৰ গল্পত ফুটি উঠিছিল প্ৰতিহিংসাৰ ছবি। আব্দুল মালিক আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দৰে যোগেশ দাসকো দেশৰ নৱলব্ধ ৰাজনৈতিক স্বাধীনতাই আশাবাদী কৰি তোলা নাছিল— ইয়াৰ প্ৰমাণ পোৱা যায় সুৰভিত প্ৰকাশিত (নৱেম্বৰ,১৯৪৯) ঐ মাহৰ পোন্ধৰ শীৰ্ষক গল্পটিত।

পছোৱাৰ ৮ম সংখ্যাত (জানুৱাৰী, ১৯৪৯) প্ৰকাশ পোৱা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ আধাগোৱা গান শীৰ্ষক গল্পটি স্বাধীনতা সংগ্ৰামৰ পটভূমিত লিখা আৰু ইয়াত অংকিত হৈছে সাম্প্ৰদায়িক সংঘৰ্ষৰ নিষ্ঠুৰ ছবি।

সৌৰভ কুমাৰ চলিহাৰ বিজ্ঞান, দীনবাবু আৰু ৩ লাখ বনুৱা আৰু কাৰ্লমাৰ্ক্স? এৰা! এই গল্প দুটা প্ৰকাশ পাইছিল ক্ৰমে জয়ন্তী (মাৰ্চ, ১৯৪৬) আৰু সাদিনীয়া বাঁহী (২ ডিচেম্বৰ, ১৯৪৫) পত্ৰিকাত। প্ৰথম গল্পটিত আধুনিক বৈজ্ঞানিক আৱিষ্কাৰৰ দ্বাৰা প্ৰতিপত্তিশালী হৈ পৰা আমেৰিকাৰ অসাম্য সামাজিক অৱস্থাৰ কথা আছে, য'ত নিজৰ ন্যায্যপ্ৰাপ্তিৰ বাবে তিনি লাখ বনুৱাই ধৰ্মঘট কৰিছে। আৰু আছে জ্ঞান-বিজ্ঞানত পিছপৰা ভাৰতীয় লোকৰ দুৰ্দশাৰ কথা, যিটো মদাহী দীনবাবু চৰিত্ৰৰ দ্বাৰা দেখুৱা হৈছে। দ্বিতীয়টো গল্পত ফুটি উঠিছে মাৰ্ক্সবাদী আন্দোলনৰ ভৱিষ্যতে সমাজ-ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ স্বপ্ন। এই গল্পটি সম্পৰ্কে হোমেন বৰগোহাঞিয়ে এটি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছেঃ

"কাৰ্লমাৰ্ক্স? এৰা! গল্পৰ সৰল আশাবাদী আৰু স্বপ্নাতুৰ কিশোৰ লেখক সৌৰভ কুমাৰ চলিহা পিছলৈ কেনেকৈ অশান্ত ইলেকট্ৰন গল্পৰ দ্বন্দ্ব-পীড়িত আৰু চিনিকেল যুৱক সৌৰভ কুমাৰ চলিহাত পৰিণত হ'ল, সি অসমীয়া চুটি গল্পৰ 'প্ৰত্যাশাৰ দশক'ৰ পৰা পঞ্চাশৰ 'জিজ্ঞাসু দশক'লৈ ৰূপান্তৰৰ ইতিহাস।"[১১]

নিৰুপমা তামুলী (বৰগোহাঞি)ৰ এনগ্ৰপলজীৰ সপোনৰ পিছত নামৰ গল্পটি প্ৰথমে প্ৰকাশিত হয় ১৯৪৯ চনত বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত ৰংঘৰত। নাৰীবাদী দৃষ্টিভংগীৰে এই গল্পত লেখিকাই গ্ৰাম্য নাৰীৰ সুখ-দুখৰ চিত্ৰ অংকন কৰিছে। বলিষ্ঠ আশাবাদৰ প্ৰকাশ গল্পটিৰ অন্যতম বৈশিষ্ট্য ঃ

"কেইখনমান দেশ আজি সকলো অন্যায় অবিচাৰৰ বিৰুদ্ধে
মূৰ দাঙি আমাৰ সপোনৰ সফলতাৰ পথত আগবাঢ়িছে।
আমাৰ ইয়াতো সেই নতুন দিনৰ ৰঙা বোলিৰ ৰেখা এডাল-
দুডালে আহি ভুমুকি মাৰিছে— তাৰ পোহৰ দেখিবি
সকলোতে, খবৰৰ কাগজৰ পৃষ্ঠাবোৰত।"[১২]

উক্ত গল্প লেখকসকলৰ উপৰিও আৰু কেইবাজনো লেখকে তেওঁলোকৰ গল্পত সামাজিক বাস্তৱতাৰ চিত্ৰ অংকন কৰি অসমীয়া চুটি গল্পক সময়োপযোগী প্ৰগতিশীল চিন্তাৰ পোহৰত উজ্জ্বল কৰি তুলিবলৈ চেষ্টা চলাইছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য হ'ল— ছগনলাল জৈন (উল্লেখযোগ্য গল্প-ব্ৰেক মাৰ্কেট/জয়ন্তী, ১২/১৯৪৪), হৰি বৰদলৈ (উ.গ.-গোড়ী/পছোৱা, ১১/১৯৪৮), গোৱিন শৰ্মা (উ.গ.-অতীতক যোৱাহে পাহৰি/পছোৱা, ১২/১৯৪৮) আৰু পজিৰউদ্দিন আহমদ (উ.গ-পতাকা যেতিয়া উৰে/পছোৱা, ৫/১৯৪৯)। এই তিনিওগৰাকী লেখকে তেওঁলোকৰ গল্পত ফুটাই তুলিছিল শ্ৰেণী-বৈষম্যৰ নিষ্ঠুৰ ছবি।

সাহিত্যিক সৌন্দৰ্যৰ বিচাৰত উক্ত লেখকসকলে উক্ত সময়ছোৱাত সৃষ্টি কৰা গল্পবোৰৰ সৰহভাগেই উৎকৃষ্ট সৃষ্টি নহয় যদিও পৰৱৰ্তীকালত উৎকৃষ্ট গল্প লিখিবলৈ তেওঁলোকক সমল আৰু প্ৰেৰণা যোগায় প্ৰধানকৈ সেই সময়ত লাভ কৰা অভিজ্ঞতা আৰু আদৰ্শই। সংঘৰ্ষ আৰু ক্ৰান্তিৰ যুগ চল্লিছে আমাৰ লেখকসকলক প্ৰদান কৰে বিচিত্ৰ অভিজ্ঞতা আৰু সমাজৰ প্ৰতি দায়বদ্ধ হোৱাৰ আদৰ্শ যাক ভেটি কৰিয়ে তেওঁলোকে ৰামধেনু যুগত (১৯৫১-৬৭) অসমীয়া চুটি গল্পৰ স্বৰ্ণযুগ সৃষ্টি কৰিবলৈ সক্ষম হয়।

সূত্ৰ ঃ


১. 'এই সমাজৰ ভেটি নতুনকৈ গঢ়িব লাগিব। এই ঘোৰ অসাম্যৰ ঠাইত সাম্যবাদৰ নতুন আসন স্থাপন কৰিব লাগিব।'— পৰাজয় শীৰ্ষক গল্প।
২. জোনাকীৰ প্ৰথম সম্পাদকীয় ঃ জোনাকীৰ আত্ম-কথা।
৩. দুটকীয়া নোট/মৰীচিকা (১৯৪৮).
৪. ৫. অসমীয়া গল্প সংকলন, দ্বিতীয় খণ্ডৰ পাতনি, (১৯৭৬).
৬. প্ৰতিশোধ, বাঁহী, ৩১শ বছৰ, ৪ৰ্থ-৫ম সংখ্যা, ১৯৪৪.
৭. হোমেন বৰগোহাঞি, প্ৰাগুক্ত প্ৰবন্ধ।
৮. পঁজাৰ জীৱন, জয়ন্তী, ৬ষ্ঠ বছৰ, ৯ম সংখ্যা, ১৯৪৪.
৯. বাঁহী, ২৬শ বছৰ, ১ম সংখ্যা, ১৯৩৯.
১০. ঘূৰণীয়া পৃথিৱীৰ বেঁকা পথ (সংকলন), ১৯৪৭.
১১. প্ৰাগুক্ত প্ৰবন্ধ।
১২ উদ্ধৃতিৰ উৎস ঃ লেখিকাৰ গল্প (১৯৮৯), সম্পা.- প্ৰীতি বৰুৱা।


*লেখক, অসমীয়া বিভাগৰ প্ৰৱক্তা*

# অসমৰ দৌলোৎসৱ আৰু হোলীগীত

হেৰম্ব কুমাৰ দাস

শীতকালৰ ঠেঁৰেঙা লগা জাৰৰ পিছতেই প্ৰকৃতিৰাজ্যত ঋতুৰাজ বসন্তৰ প্ৰৱেশ ঘটে। ফলস্বৰূপে প্ৰকৃতিয়ে ৰূপে, ৰসে ভৰপূৰ হৈ মানুহৰ মনত আনন্দৰ জোৱাৰ তোলে। গছ-বিৰিখৰ কুঁহিপাত মলয়াৰ পৰশত হালি-জালি উন্মাদ হয়, কুলি-কেতেকীৰ বিননি আৰু ভোমোৰাৰ গুণ-গুণনিত প্ৰাণ পাই উঠে সমগ্ৰ প্ৰকৃতিৰাজ্য। ফুলনিত নানাৰঙী ফুলে নিজ দেহৰ সুবাসেৰে আমোল-মোলাই তোলে ইয়াৰ চৌপাশ। প্ৰকৃতিৰ এনে লাস্যময়ী ৰূপৰ মাধুৰ্য পান কৰাৰ মধুময় সন্ধিক্ষণতেই পালন কৰা হয় ভগবান শ্ৰীকৃষ্ণৰ দৌলোৎসৱ বা ফল্গুৎসৱ।

ব্যুৎপত্তিগত দিশৰ পৰা 'ফল্গু' শব্দটোৰ মূল সংস্কৃত যদিও হিন্দীত ইয়াক 'ফাগ' আৰু বঙালীত 'ফাগুৱা' বুলি কোৱা হয়।

প্ৰাচীন কালৰ পৰাই এই বসন্ত ঋতুতেই ভাৰতবৰ্ষত হিন্দুসকলে মদন পূজাৰ আনুষংগিক পৰ্ব হিচাপে দৌল উৎসৱ উদ্‌যাপন কৰি আহিছে বুলি বিশেষজ্ঞ সকলে অনুমান কৰে। মহামুনি ব্যাসদেৱৰ 'মহাভাৰত'ৰ শেষাংশৰ হৰিবংশ অধ্যায়ত এই দোলাৰোহন উৎসৱ সম্পৰ্কে কিছু আভাস পোৱা যায়। সেই বৰ্ণনা অনুযায়ী বাৰিষা কালৰ আগমনৰ লগে লগে বলোৰাম আৰু শ্ৰীকৃষ্ণই ভাণ্ডীৰ বনলৈ গৈ শাখা সমৃদ্ধ ভাণ্ডীৰ বৃক্ষত 'সন্দেলিকা' বা দোলনা তৈয়াৰ কৰি তাত আৰোহন কৰি গোপ-বালক সকলৰ সৈতে নানা ধৰণৰ ক্ৰীড়া কৰিছিল। ইয়াৰ পৰাই দোলা আৰোহনকাৰী শ্ৰীকৃষ্ণৰ পূজা আৰম্ভ হ'ল বুলি গৱেষকসকলে মত প্ৰকাশ কৰে।

অন্য এক আখ্যান অনুসৰি এবাৰ শ্ৰীকৃষ্ণক দোলাত তুলি নৃত্য-গীত কৰি, ফাকু ছটিয়াই আনন্দ উৎসৱ কৰিছিল আৰু ব্ৰহ্মা, ইন্দ্ৰ, ৰুদ্ৰ আদি দেৱতাসকলে প্ৰাৰ্থনা কৰি এই উৎসৱ দেৱলোকলৈ লৈ আহিল। ইয়াক মানৱ সমাজলৈ আনিবলৈ নহুষ বংশৰ ৰজাসকলে দেৱতাসকলৰ লগত যুদ্ধ কৰিব লগাও হৈছিল। পাছৰ কালত ওৰেখা (উৰিষ্যা) তীৰ্থত ৰজা ইন্দ্ৰদ্যুম্নে যথোচিতভাৱে এই উৎসৱৰ পাতনি মেলিছিল।

অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে হৰি নাম ৰসৰ নিজৰা বোৱাই সকলো শ্ৰেণীৰ লোকৰ মাজত 'এক দেৱ এক সেৱ এক বিনে নাহি কেৱ' মত প্ৰচাৰৰ উদ্দেশ্যে আৰু ভক্তবৃন্দৰ মনত ভগৱৎভক্তি আৰু স্বৰ্গীয় আনন্দৰ ভাব প্ৰগাঢ় কৰাৰ স্বাৰ্থতেই নগাৰৰ বৰদোৱাত এই উৎসৱৰ পাতনি মেলে বুলি ৰামচৰণ ঠাকুৰৰ 'গুৰুচৰিত'ত উল্লেখ আছে।

গুৰুজনাই বৰদোৱাত দৌল সাজি তাত বৈকুণ্ঠৰ চিহ্ন অংকন কৰাৰ কথা পুৰুষোত্তম দেৱে লিখা চৰিতত এনেদৰে উল্লেখ আছে—

জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতৰ।
সেহি থানে নিজ গুৰু ভৈলন্ত উদৰ।।
দক্ষিণে যাত্ৰাৰ দৌল মহাপুৰুষে নিৰ্মিলা।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা।।

পৰৱৰ্তীকালত অসমৰ বিভিন্ন ঠাইত আৰু বিশেষকৈ সত্ৰ সমূহত দৌল উৎসৱৰ আৰম্ভণি হয়। তাৰ ভিতৰত বৰপেটা, সুন্দৰীদিয়া, গণককুছি, পাটবাউসী, হাজো আৰু দৰং জিলাৰ বিভিন্ন ঠাইত দৌলোৎসৱ পালন কৰা হয়। অৱশ্যে এই উৎসৱ পালনৰ ক্ষেত্ৰত ঠাই বিশেষে নীতি-নিয়মৰ ব্যাপক তাৰতম্য দেখা যায়।

উল্লেখযোগ্য যে বৰপেটা আৰু ইয়াৰ দাঁতি কাষৰীয়া সত্ৰ সমূহত দৌলোৎসৱ বিমান আড়ম্বৰেৰে পালন কৰা হয় অসমৰ কোনো ঠাইতেই ইমান বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা নহয়। সত্ৰীয়া ৰীতি-নীতি আৰু পৰম্পৰা ৰক্ষা কৰি আজি শ শ বছৰ ধৰি এই সত্ৰসমূহত ভক্তগণে এই উৎসৱ অতি উলহ মালহেৰে উদ্‌যাপন কৰি আহিছে। বিশেষকৈ বৰপেটা সত্ৰত উদ্‌যাপিত হৈ অহা দৌলোৎসৱৰ সজীৱ বৰ্ণনা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসত বিষদভাৱে পোৱা যায়। অসমৰ ইতিহাসৰ এক দুৰ্যোগপূৰ্ণ অধ্যায় মানৰ তৃতীয় আক্ৰমণৰ ঘটনাৰ আলম লৈ ৰচনা কৰা এই অনুপম উপন্যাসখনিত লিখকৰ সময়ত উদ্‌যাপিত হোৱা দৌল উৎসৱত সত্ৰখনত 'হাজাৰ হাজাৰ মানুহৰ সমাগম হোৱা'ৰ কথা উল্লেখ থকাৰ উপৰিও এশ বছৰ পূৰ্বৰে পৰা চলি অহা এই উৎসৱৰ গাম্ভীৰ্যতাৰ কথাও উল্লেখ আছে। গ্ৰন্থখনিৰ এঠাইত আইসকলে গাইছে—

"কোকিল কুহৰে বার তমালৰ গাছে।
বৃন্দাবনৰ মাঝে প্ৰভু! গোপী লৈয়া নাচে।।
বৃন্দাবনে খেলে খেড়ি নিকুঞ্জ বিহাৰী।
গোপীসব বেঢ়ি ধৰি মাৰে ফিচকাৰী।।

তিথি অনুসৰি বৰপেটা আৰু ইয়াৰ দাঁতিকাষৰীয়া সত্ৰসমূহৰ দৌল কোনোবা বছৰ তিনিদিনীয়া, কোনোবা বছৰ চাৰি বা পাঁচ দিনীয়াকৈও পালন কৰা হয়। দৌলৰ প্ৰথম দিনটোক গন্ধযাত্ৰা বোলা হয়। গন্ধোৎসৱ বা বহ্ন্যুৎসৱৰ দিনা কীৰ্তনঘৰৰ চোতালত ৰাইজে যোগান ধৰা নল-খাগৰি, কাঠ আদিৰে মেজি সাজি তাত জুই পুৰা হয়। মেজিৰ চাৰিওফালে উপাস্যদেৱতা দৌল গোবিন্দৰ বিগ্ৰহ কীৰ্তন ঘৰৰ বাহিৰলৈ উলিয়াই আনি সত্ৰীয়া নিয়মমতে খোল, তাল, মৃদংগ বজাই নামগুণ গাই সাত পাক ঘূৰোৱা হয়। সময়ত গায়ন-বায়নে খোল, তাল বজাই গোসাইক দৌলত স্থাপন কৰে। গন্ধযাত্ৰাৰ পিছদিনাৰ পৰাই আৰম্ভ হয় ভৰ দেউল। এই কেইদিন দৌলত থকা গোসাইক দৰ্শন কৰি ফাকুগুৰিৰে ফোট লৈ পাৰ্থিৱ কামনা-বাসনাৰ পৰা মুক্ত হৈ ভগৱানৰ চৰণ তলিত স্থান পাবলৈ হাবিয়াস কৰে অগনন ভক্তই। দৌলোৎসৱ চলি থকা আটাইকেইটা দিনতে সত্ৰ প্ৰাংগনত সত্ৰীয়া নিয়মানুসৰি কীৰ্তন, বৰগীত, ভটিমা আদি গোৱাৰ পৰম্পৰা আছে। আনহাতে যাত্ৰাভিনয়, ঢুলীয়া, চাৰ্কাছ, ভাওনা আদিও সমান্তৰালভাৱে অনুষ্ঠিত কৰি ভক্ত সকলৰ আমোদৰ ব্যৱস্থা কৰা হয়। ভৰদেউলৰ দিনটোত নক্ষত্ৰ অনুসৰি এক নিৰ্দিষ্ট সময়ত গোসাইক দৌলৰ পৰা নমাই যোগমোহন গৃহত ৰখা হয়। দৌলৰ শেষদিনা হ'ল সুঁৱেৰী বা সৌৰী। এই দিনটোকে প্ৰায়বিলাক সত্ৰই বিশেষ 'হোলী' হিচাপে পালন কৰি আহিছে।



হোলী উৎসৱৰ লগত লোকবিশ্বাস জড়িত কাহিনী হ'ল দৌলত থকা গোসাই আৰু লক্ষ্মী দেৱীৰ (ৰুক্মিনী) প্ৰণয়াভিমান। লোক বিশ্বাসৰ মতে এদিন লক্ষ্মীদেৱীয়ে স্বাভিমানত বিহ্বলা হৈ যুনুচাৰ গৃহৰ পৰা নিজ গৃহলৈ উভতি অহা কৃষ্ণক পদুলি মুখতে লগুৱাসকলৰ দ্বাৰা বাধা দিয়ে। কৃষ্ণভক্তিত ৰত ভক্তসকলেও সুঁৱেৰিৰ দিনা পৰম পুৰুষ কৃষ্ণৰ এই লীলা কাহিনীৰ পুনৰাবৃত্তি কৰে।

এই সত্ৰসমূহৰ উপৰিও অসমৰ বিভিন্ন ঠাইত ভিন ভিন প্ৰথাৰে লগতে কিছু সময়ৰ তাৰতম্য অনুসৰি দৌলোৎসৱ কৰাৰ নজিৰ আছে। হাজোৰ শ্ৰীশ্ৰীহয়গ্ৰীৱ মন্দিৰত থকা স্থায়ী দেউলত গোবিন্দ দৌল আৰু ৰজা দৌল নামেৰে দুটি দৌল উৎসৱ পালন কৰা হয়। মন্দিৰৰ সন্মুখত ভেলা ঘৰ সাজি আৰু পূজা-পাৰ্বণ কৰি মেষ দাহ কৰা হয়। গোসাঁইক পূজা কৰি দৌলত তিনিদিন ৰখা হয় আৰু শেষৰ দিনা ফাকুগুৰি আৰু ৰং ছটিয়াই ৰাইজে আনন্দ কৰে লগতে গোসাঁইক লৈ নগৰৰ চাৰিওফালে শোভাযাত্ৰা কৰে।

দৰং জিলাৰ বিভিন্ন অঞ্চলত আকৌ বহাগ মাহতহে দৌল উৎসৱ পালন কৰা হয়। দৰঙৰ দৌল উৎসৱৰ প্ৰতিষ্ঠাতা ধৰ্মদেৱ বিপ্ৰ বুলি কবি সুচন্দাই প্ৰণয়ন কৰা পুথি 'শিয়ালা বৈষ্ণৱ চৰিত'ত উল্লেখ আছে। বহাগ মাহৰ প্ৰতিটো দিনতেই বিভিন্ন ঠাইত ভিন ভিন নীতি নিয়মেৰে এই উৎসৱ পালিত হয়। এই উৎসৱৰ লগত সংগতি ৰাখি প্ৰত্যেক ঠাইতে একোখনকৈ আকৰ্ষণীয় মেলা বহে। এই মেলাবোৰে ভক্তসকলৰ আনন্দ দুগুণে বৃদ্ধি কৰে। সেই ধৰণে ১ বহাগত বৰদৌলগুৰিত, ২ বহাগত ছিপাঝাৰত এনেদৰে আৰম্ভ হৈ ৩১ বহাগত হাজৰিকাপাৰাত বুঢ়া গোসাইৰ দেউলৰ ৰূপত ইয়াৰ পৰিসমাপ্তি ঘটে।

অসমৰ চাহ-জনজাতি ভাই-ভনীসকলৰ মাজতো ফাকুৱা উৎসৱৰ প্ৰচলন আছে। ১৮৩৯ খ্ৰীষ্টাব্দত 'অসম কোম্পানী' আৰু ১৮৫৯ খ্ৰীষ্টাব্দত 'যোৰহাট টি কোম্পানী' নামৰ কোম্পানী দুটিয়ে অসমত চাহ বাগিছা আৰম্ভ কৰাৰ পিছত অসমলৈ ভাৰতবৰ্ষৰ ভিন ভিন প্ৰান্তৰ পৰা আদিবাসী লোকসকল বনুৱা ৰূপত আহিবলৈ ধৰে। এওঁলোকক কেন্দ্ৰ কৰিয়েই পৰৱৰ্তী সময়ত বহুতো উৎসৱ-পাৰ্বণ গঢ় লৈ উঠিল। তাৰ ভিতৰত চাহ জনগোষ্ঠীৰ অন্যতম উৎসৱ হ'ল হোলী। এই হোলীৰ বিশেষ আকৰ্ষণ হ'ল 'হোলিকা দাহ' উৎসৱ। এই উৎসৱ ফাগুণৰ পূৰ্ণিমা বা চ'ত মাহত পালন কৰা হয়। ইয়াৰ লগত 'কাঠি নৃত্য' প্ৰদৰ্শন কৰা হয়। চাওতাল সকলে মূৰত বগলী বা কুকুৰাৰ পাখিৰে তৈয়াৰী টুপী পিন্ধি নৃত্য-গীত গাই আনন্দ কৰে। তেওঁলোকে ফাগুৱা উপলক্ষে 'বাহ নৃত্য বা দেৱী নাচ' নাচে।

*অসমৰ চাহ-জনজাতি ভাই-ভনীসকলৰ মাজতো ফাকুৱা উৎসৱৰ প্ৰচলন আছে। ১৮৩৯ খ্ৰীষ্টাব্দত 'অসম কোম্পানী' আৰু ১৮৫৯ খ্ৰীষ্টাব্দত 'যোৰহাট টি কোম্পানী' নামৰ কোম্পানী দুটিয়ে অসমত চাহ বাগিছা আৰম্ভ কৰাৰ পিছত অসমলৈ ভাৰতবৰ্ষৰ ভিন ভিন প্ৰান্তৰ পৰা আদিবাসী লোকসকল বনুৱা ৰূপত আহিবলৈ ধৰে। এওঁলোকক কেন্দ্ৰ কৰিয়েই পৰৱৰ্তী সময়ত বহুতো উৎসৱ-পাৰ্বণ গঢ় লৈ উঠিল। তাৰ ভিতৰত চাহ জনগোষ্ঠীৰ অন্যতম উৎসৱ হ'ল হোলী। এই হোলীৰ বিশেষ আকৰ্ষণ হ'ল 'হোলিকা দাহ' উৎসৱ।*

হোলী গীত ঃ দৌলোৎসৱৰ সময়চোৱাত মানুহৰ মন যাতে আনন্দত আত্মহাৰা হৈ ভগবৎ প্ৰেমৰ প্ৰতি পিঠি নিদিয়ে, সেই উদ্দেশ্য আগত ৰাখি মহাপুৰুষ দুজনাই পৰমাত্মামুখী ভাৱধাৰাৰে সমৃদ্ধ ফাকুৱাৰ গীত-পদ ৰচনাৰ কামতো হাত দিছিল। মাত্ৰ এবৈশ বছৰ বয়সতে মহাপুৰুষ শংকৰদেৱে দৌলোৎসৱৰ কাৰণে প্ৰথম সাতটা গীত ৰচনা কৰিছিল বুলি উল্লেখ আছে।

"ৰঙ্গে ফাকু খেলে চৈতন্য বনমালী
দুহাতে ফল্গুৰ গুণ্ডা সিঞ্চন্ত মুৰাৰী।।"

পৰৱৰ্তী কালত গুৰুজনাৰ পদাংক অনুসৰণ কৰি তেৰাৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰীমাধৱদেৱেও তিনিটা বৰগীতত ফাকু খেলৰ কথা বৰ্ণনা কৰিছে —

"দোলায় গোবিন্দ পৰম আনন্দে
ৰতন সিংহাসনে বসি।
কনক বিৰচিত দৌলৰে মণ্ডপ
জ্বলয় যেন ৰবি শশী।।"

আৰু,

'ফাগু খেলে করুণাময় এ নন্দকুমাৰ।
দেৱৰ দুৰ্ল্লভ কেলি ফাগুৰ বিহাৰ।।'

'ভাই, দেখো কমলাপতি দৌলৰ উপৰে।
বৈকুণ্ঠৰ নাথ দৌল ৰসে কেলি কৰে।।'

কিন্তু কালক্ৰমত অসমত যেতিয়াৰ পৰা অসমীয়া ভাষাৰ পৰিৱৰ্তে বঙালী ভাষাৰ প্ৰচলন আৰম্ভ হ'ল অৰ্থাৎ যেতিয়াৰ পৰা অসমৰ থলুৱা গীত মাতসমূহত বঙালী ভাষাৰ প্ৰভাৱ পৰিবলৈ ধৰিলে, তেতিয়াৰ পৰা হোলী-গীতসমূহো বঙালী ভাষাৰ প্ৰভাৱৰ পৰা মুক্ত নহ'ল। তদুপৰি স্বাধীনতাৰ আগৰ পৰাই অসমত হিন্দী, ভোজপুৰী হোলী-গীতসমূহ অসমীয়াৰ মাজত বিপুলভাৱে সমাদৃত হৈ আছিল। প্ৰাদেশিক হোলী-গীতসমূহৰ জনপ্ৰিয়তা আজিও অসমৰ চুকে-কোণে পৰিলক্ষিত হয়। বঙলুৱা বা প্ৰাদেশিক সুৰ-তালৰ প্ৰভাৱৰ পৰা হোলী-গীতৰ শুদ্ধ ৰূপ ৰক্ষা কৰিবলৈ পোনপ্ৰথমবাৰৰ বাবে অসমীয়াত হোলী-গীত ৰচনা আৰু পৰিৱেশনৰ কাম হাতত লয় অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীয়ে। উল্লেখযোগ্য যে কীৰ্তন-ঘোষাৰ 'ওৰেবা বৰ্ণনা' আৰু ঘুনুচা আৰু মাধৱদেৱৰ দৌল সম্পৰ্কীয় বৰগীতসমূহত যি ভক্তিৰস আৰু প্ৰকৃতিৰ বন্দনা আছে তাৰ আলমতেই পৰৱৰ্তীকালত এই গীতবোৰ ৰচনা হ'বলৈ ধৰে। সেয়েহে অসমীয়া হোলী-গীতৰ ইতিহাস বেছি পুৰণি নহয় বুলিব পাৰি। স্বাধীনতাৰ দুই-চাৰি বছৰ পাছৰ পৰাহে এই গীত সমূহৰ ৰচনা আৰু পৰিবেশনাই প্ৰসাৰতা লাভ কৰে। এই গীতসমূহত ঘোষা-কীৰ্তন, বৰগীত আৰু ভাৰতৰ অন্যান্য ভাষাৰ হোলী-গীতৰ সুৰ-তালমানৰ প্ৰভাৱ স্পষ্ট যদিও থলুৱা কৃষ্টি, ভাৱভংগী আৰু স্বকীয় সুৰৰ মাধুৰ্য্যৰে এই গীতবোৰে এক সুকীয়া ৰস সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এই গীতসমূহৰ আগশাৰীৰ ৰচকসকল আছিল বিদ্ৰোহী কবি প্ৰসন্ন লাল চৌধুৰী, 'শ্ৰীময়ী অসমী' খ্যাত পুৰুযোত্তম দাস, ফণী তালুকদাৰ আদি। এইসকলৰ পিছৰ কালৰ উল্লেখযোগ্য গীতিকাৰসকল আছিল গিৰীশ দাস, খগেন্দ্ৰ দাস, কিৰণ দাস, গোকুল পাঠক, সুশীল দাস আদি স্বনামধন্য শিল্পীসকল। বিষয়বস্তুৰ ফালৰ পৰা এই গীতসমূহত মূলতঃ ভগবান শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন কৰা হয় যদিও অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ ছবিখনো স্পষ্টকৈ অঁকা হয়।

আবিৰ উৰাই, কৃষ্ণ কানাই
ঘেৰি ঘেৰি সব গোপী মিলি
(খগেন্দ্ৰ নাথ দাস)

সময়ৰ সোঁতত এই গীতসমূহৰ সুৰ আধুনিক গীতৰ ওচৰ চাপিছে যদিও প্ৰাচীন শব্দচয়নৰ ব্যৱহাৰ আৰু গতি ছন্দ মন কৰিবলগীয়া —

১। ফাগুণ পৰিছে ফাগুণ পৰিছে
পৰিছে ফাগুণ হোলীতে
আমাৰ পৰাণ পাগল কৰে সিহঁতে।।

২। গুঞ্জৰে মধুকৰে গুণু-গুণু কৰিছে।
গুণমণিৰ গুণ গাৱে কমল উপৰি।।

এই গীতবোৰৰ বিষয়বস্তু প্ৰকৃততে শ্ৰীকৃষ্ণ ভক্তি তত্বক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল যদিও বৰ্তমান এই গীতবোৰত ৰাধাৰ উপস্থিতিও লক্ষ্য কৰা যায়। হোলী-গীতত ৰাধাৰ উপস্থিতিক কেন্দ্ৰ কৰি বিগত দুটা দশকজুৰি শিল্পী-সুধীসকলৰ মাজত বিতৰ্কৰ সূত্ৰপাত হোৱা দেখা গৈছে।

জন্মলগ্নৰ পৰা এই গীতবোৰ মানুহৰ মুখ বাগৰি আহিছিল যদিও ষাঠিৰ দশকত কিতাপ আকাৰে 'হোলী-গীত'ৰ সংকলন এখন

প্ৰকাশ কৰে প্ৰণৱ কুমাৰ দাসে। তাৰ পিছত প্ৰসন্নলাল চৌধুৰীৰ সম্পাদনাত 'ৰঙ্গে ফাকু খেলে' শীৰ্ষক হোলী-গীতৰ পুথিখন ১৯৭৭ চনত প্ৰকাশ পায়।

হোলী-গীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত পূৰ্বৰ পৰম্পৰা মতে চলি অহা সুৰৰ সলনি আধুনিক বাদ্যযন্ত্ৰৰ ব্যৱহাৰ কৰি ইয়াক নতুন ৰূপত সজাই তুলিবলৈ চেষ্টা কৰা দেখা গৈছেনতুন শিল্পীসকলে। ইতিমধ্যে হোলী-গীতবোৰক শ্ৰব্য কেছেট আৰু দৃশ্য মাধ্যমত আবদ্ধ কৰি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে। সময়ৰ আহ্বানত গীতসমূহে কিছু নতুন ৰূপ পৰিগ্ৰহণ কৰিলেও ইয়াৰ স্বকীয়তা বিসৰ্জন হোৱা নাই। অসমৰ জাতীয় সম্পত্তি স্বৰূপ এই গীতবোৰক পৃথিৱীৰ সকলো প্ৰান্তলৈ লৈ গৈ এক বিশেষ মৰ্যাদা দিয়াৰ দায়িত্ব আজি নতুন প্ৰজন্মৰ হাতত আহি পৰিছে। আজিৰ এই বিশ্বায়নৰ যুগত এই হোলী-গীতসমূহক আমাৰ মাজতেই আবদ্ধ কৰি নাৰাখি ইয়াৰ যথোচিত সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে সকলোৱে আগবাঢ়ি অহা উচিত। আমি আশাকৰোঁ বিশ্বৰ দৰবাৰত অসমৰ হোলী-গীতে এক সুকীয়া স্থান লাভ কৰি অসমৰ কলা-সংস্কৃতিৰ ভৰাললৈ নতুন জোৱাৰ আনিবলৈ সক্ষম হ'ব। তাৰ কাৰণে প্ৰয়োজন হ'ব মাথো আমাৰ সকলোৰে সং প্ৰয়াস আৰু ঐকান্তিক প্ৰচেষ্টাৰ।

সহায়ক গ্ৰন্থপঞ্জী ঃ

*বৰপেটাৰ দৌলোৎসৱ* ঃ কিশোৰী মোহন পাঠক
*কৃষ্টি কথা কিছু* ঃ বত্ন ওজা।
অসমৰ লোক সংস্কৃতি ঃ ড' নিৰ্মল প্ৰভা বৰদলৈ
বৰপেটাৰ সাংস্কৃতিক বুৰঞ্জী ঃ ড' উদয় নাথ



*লেখক, স্নাতক ৩য় বৰ্ষ, ইংৰাজী বিভাগৰ ছাত্ৰ*

# প্ৰাকৃত সাহিত্যত ‘গাহাসত্তসঈ’ৰ স্থান

ড° বিনীতা বৰুৱা

গীতিকাব্য বা গীতিকবিতা বিষয়ত প্ৰাকৃত সাহিত্য যথেষ্ট সমৃদ্ধিশালী। ধৰ্ম-নিৰপেক্ষ বা বিশুদ্ধ সাহিত্য বুলি স্বীকৃত যিখিনি প্ৰাকৃত কাব্য, মহাকাব্য বা নাটক পোৱা গৈছে সেইখিনি সংস্কৃত সাহিত্যৰ আদৰ্শৰে সৃষ্টি হৈছিল যদিও গীতি-কাব্যসমূহ প্ৰাকৃতৰ নিজস্ব সম্পদ। এই গীতিকাব্যসমূহে সংস্কৃত সাহিত্যক গভীৰভাৱে প্ৰভাৱিত কৰিছিল আনহাতে প্ৰাকৃত সাহিত্যলৈও বিশেষ অবদান আগবঢ়াইছিল।

প্ৰাকৃত গীতি-কবিতাৰ সুপ্ৰাচীন নিদৰ্শন হৈছে খ্ৰীষ্টীয় দ্বিতীয় শতাব্দীৰ ভৰতৰ নাট্য সাহিত্যত উল্লেখিত ধ্ৰুৱা গীতসমূহ। নাটকৰ চৰিত্ৰসমূহৰ শৃংগাৰ, বীৰ, কৰুণ প্ৰভৃতি ৰস উদ্ৰেক কৰাৰ উদ্দেশ্যৰেই এই গীতসমূহ উল্লেখ কৰা হৈছিল।

প্ৰাকৃত গীতি-কাব্যৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন হৈছে সাতবাহন বংশৰ নৃপতি হালৰ দ্বাৰা সংগৃহীত ‘গাহাসত্তসঈ’। প্ৰাকৃত ভাষাত ৰচিত সাহিত্য-সম্ভাৰৰ ভিতৰত এই গীতি-কাব্যকোষখনি বিখ্যাত কাব্যকোষৰূপে পৰিগণিত হৈছে। প্ৰাকৃতত ৰচনা কৰা গাথাৰ মনোৰম সংকলন ৰূপেই নহয়, ভাৰতীয় লোক-সমাজ জীৱনৰ ওপৰত প্ৰতিষ্ঠিত এক সাৰ্থক প্ৰাচীন গীতিকাব্য সংগ্ৰহ বুলিও ইয়াক আখ্যা দিব পাৰি। লোক-জীৱনত স্পন্দিত হোৱা চিৰন্তন ভাব-অনুভূতি এনেদৰে থুপ কৰাৰ প্ৰচেষ্টা প্ৰাকৃত সাহিত্যত নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ। ‘শতক’, ‘সপ্তশতী’ আদি নামেৰে লৌকিক প্ৰেমৰ চিত্ৰ থকা ক্ষুদ্ৰ ক্ষুদ্ৰ কবিতাৰ যিবোৰ কোষকাব্য সংস্কৃত ভাষাত পোৱা যায় সেইবোৰ প্ৰাকৃত গাথাসংগ্ৰহ ‘গাহাসত্তসঈ’ৰ প্ৰভাৱৰ প্ৰত্যক্ষৰ ফল বুলিব পাৰি। বাণভট্ট, ৰাজশেখৰ আদি বিশিষ্ট কাব্যকাৰ সকলে হাল আৰু তেওঁৰ সংকলনৰ কথা উক্ত কাব্যকাৰসকলে তেওঁলোকৰ ৰচনাত উল্লেখ কৰি যোৱাৰ পৰা ‘গাহাসত্তসঈ’ৰ জনপ্ৰিয়তা আৰু প্ৰাকৃত সাহিত্যত ইয়াৰ গৌৰৱপূৰ্ণ স্থানৰ কথাকে সূচনা কৰে।

ভাৰতীয় লোক-জীৱনত অতি প্ৰাচীন কালৰ পৰা মুখে মুখে প্ৰচলিত হৈ থকা অসংখ্য গাথাৰ মাজৰ পৰা সাতশ গাথা বা কবিতা সংগ্ৰহ কৰি সাতটা শতকত বিভিক্ত কৰি সংকলন কৰিছিল কাৰণেই এই গাথা-সংকলনক ‘গাহাসত্তসঈ’ (গাথা সপ্তশতী) আখ্যা দিয়া হৈছে। এই গাথাসমূহ মাত্ৰ দুটা শাৰী বা চৰণতে সম্পূৰ্ণ হৈছে যদিও প্ৰতিশাৰী কবিতাই গীতিকবিতাৰ মাধুৰ্য্যৰে পৰিপূৰ্ণ।

‘গাহাসত্তসঈ’ মুখ্যতঃ প্ৰেমমূলক গাথাৰ সংকলন। এই গাথাসমূহৰ মূল সুৰ হ'ল প্ৰেম। লোক-জীৱনৰ প্ৰেম, প্ৰেমৰ মান-অভিমান, শংকা-ব্যাকুলতা, প্ৰিয়জনৰ সৈতে মিলনৰ আকাংক্ষা, প্ৰিয়জনক নোপোৱাৰ বেদনা আদি প্ৰেমৰ সাৰ্বজনীন ৰূপৰ বিচিত্ৰভাৱ ইয়াৰ অধিকাংশ কবিতাৰ মাজত ফুটি উঠিছে। লৌকিক প্ৰেমৰ অকৃত্ৰিম অনুভূতিৰ প্ৰকাশক হিচাপে ‘গাহাসত্তসঈ’ৰ কবিতাসমূহে সৰ্বকালৰ সকলো মানুহৰ হৃদয়ৰ অনুভূতিৰ চিৰন্তন সুৰ বহন কৰিছে প্ৰেমৰ এই চিৰন্তন বা শাশ্বত সুৰ সম্বলিত কাৰণেই ভাৰতীয় সাহিত্যত ‘গাহাসত্তসঈ’ৰ মূল্য অপৰিসীম।

গাথাসমূহৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে নাৰীহৃদয়ৰ স্বকীয় অনুভূতি প্ৰকাশ। নাৰীহৃদয়ৰ প্ৰেমৰ বিভিন্ন ভাৱ, অভিসাৰ, অভিলাস, উদ্বেগ, বিৰহ, মিলন, শংকা আদি মৰ্মস্পৰ্শীভাৱে প্ৰকাশিত হৈছে। কিছুমান উপদেশমূলক গাথাও ইয়াত আছে আৰু এইবোৰ গাথাও প্ৰেমক আধাৰ স্বৰূপে লৈয়ে বৰ্ণনা কৰা হৈছে। সম্ভ্ৰান্ত বংশৰ নাৰীসকলৰ ব্যৱহাৰ, চলন-ফুৰণ কেনে হোৱা উচিত, কুলবধূসকলৰ আচৰণ কেনে হোৱা উচিত সেয়া গাথাসমূহত বৰ্ণিত হৈছে। সমসাময়িক সমাজখন কেনে আছিল, ভাৰতীয় জীৱন প্ৰবাহৰ চিৰ-পৰিচিত গ্ৰাম্য পৰিবেশ কেনে আছিল — সেয়া গাথাসমূহৰ মাজেদি এক নিটোল ৰূপত ফুটি উঠিছে। উদাহৰণ স্বৰূপে ‘শালি ধানৰ পথাৰে কৃষকক পুত্ৰৰ দৰে মৰম কৰে’, ‘শৰত কালৰ বগা মেঘ সৈন্ধৱ লোণৰ পাহাৰৰ দৰে’, ‘গাঁৱৰ কোমল বোকাৰ বাটটো শিৰৰ সেওঁতা যেন’ হৈ থাকে আৰু এনে পৰিবেশত শাহু, বোৱাৰী, ননদ, মাহী, পেহী, মামী, সখী, দেওৰ আদি মিলিত হৈ পৰস্পৰে হৃদয়ৰ ব্যাকুলতা, দুখ বেদনা আদি প্ৰকাশ কৰে। ভাৰতীয় সমাজ জীৱনৰ গ্ৰাম্য আৰু যৌথ পৰিয়ালৰ আভাস এই গাথাসমূহত চিত্ৰিত হৈছে।

প্ৰকৃতিৰ ৰূপ-শোভা প্ৰেমৰ উদ্দীপন বিভাৱ হিচাপে ব্যৱহাৰ কৰিব পৰাটোও গাথাসমূহৰ অন্যতম বৈশিষ্ট্য। প্ৰকৃতিৰ বৰ্ণময় ৰূপ-চিত্ৰক কেতিয়াবা প্ৰেমৰ অৰ্থান্তৰৰ ব্যঞ্জনা আৰু কেতিয়াবা প্ৰতিচিত্ৰ ৰূপেও ব্যৱহাৰ কৰা হৈছে।

মহাৰাষ্ট্ৰী প্ৰাকৃত ভাষাত এই গাথা বা কাব্যসংকলনৰ কবিতাসমূহ ৰচিত হৈছে। অৱশ্যে লৌকিক কথ্যৰূপৰ উপাদানো ইয়াত লক্ষ্য কৰা যায়। প্ৰাচীন লোক-জীৱনত প্ৰচলিত অসংখ্য গীতৰ মাজৰ পৰা কিছুসংখ্যক, ৰজা হালৰ উদ্যোগত সংগৃহীত হৈ পৰিমাৰ্জিত ৰূপত পুনৰ লিখা হৈছিল। তাত প্ৰসিদ্ধ সমসাময়িক কবিসকলেও ৰূপদান কৰিছিল আৰু তেওঁলোকৰ নামো কবিতাত যুক্ত হৈ পৰিছিল। সেই কবিসকলৰ ভিতৰত মকৰন্দ, ক্ষুদ্ৰৌঘ, প্ৰবাবক, কুমাৰিল, মহেন্দ্ৰ, অলক, কুমাৰ, প্ৰণাম, কল্যাণ, অংগৰাজ, অনংগ, অমৃত, বল্লভ, মুগ্ধাধিপ, ঋতুৰাজ, কালদীপ, অনুৰাগ, ৰেবা, মাধবী, বাকপতিৰাজ আদিৰ নামোল্লেখ কৰিব পাৰি। কবিসকলৰ নামৰ পৰাই বুজিব পাৰি যে কবিসকলৰ অনেকেই আছিল পণ্ডিত ব্যক্তি।

সংগ্ৰহ কৰ্ত্তা হালৰ সময় লৈ যথেষ্ট মতবাদ আছে। তথাপি হালক সাতবাহন বংশীয় খ্ৰীষ্টীয় দ্বিতীয় শতাব্দীৰ ৰজা আছিল বুলি অনুমান কৰা হয়। হাল যে এগৰাকী কবি আছিল আৰু কাব্য সাধনাৰ এগৰাকী পৃষ্ঠপোষক আছিল সেই বিষয়ে কিছু জানিব পাৰি। দক্ষিণ ভাৰতৰ পশ্চিম অংশৰ কৃষ্ণা আৰু গোদাৱৰী নদীৰ অৱবাহিকা অঞ্চল 'প্ৰতিষ্ঠানপুৰ'ত এওঁ ৰাজত্ব কৰিছিল। প্ৰাকৃত প্ৰত্নলিপিৰ ভাষাৰ তুলনাত গাহাসত্তসঈৰ ভাষা অনেক অৰ্থবহ আৰু ব্যাকৰণসন্মত। প্ৰাচ্যবিদ A. B. Keithয়ে ইয়াৰ ভাষা খ্ৰীষ্টীয় পঞ্চম শতিকাৰ বুলি ক'ব খোজে। ষষ্ঠ শতাব্দীৰ প্ৰাকৃত কবি প্ৰবৰসেন আৰু বাকপতিৰাজৰ কবিতা থকালৈ চাই হাল নামাংকিত হ'লেও এই গ্ৰন্থৰ সংকলন কাৰ্য খ্ৰীষ্টীয় অষ্টম শতাব্দীৰ ভিতৰত সম্পন্ন হয় বুলি ক'ব পাৰি। উল্লেখযোগ্য যে 'শতক' বা 'সপ্তশতী' নামৰ সংস্কৃত কোষ কাব্য কেইখনো সপ্তম শতাব্দী বা তাৰ পৰৱৰ্তী কালৰহে। যি প্ৰাকৃতে জনসমাজত আদৰ লাভ কৰিছিল সেই প্ৰাকৃততে পৰিমাৰ্জিত ৰূপত পুনৰ লিপিবদ্ধ হৈ 'গাহাসত্তসঈ' নামেৰে খ্যাত হয়। যিহেতু ৰজা হাল প্ৰথম সংকলন কৰ্ত্তা সেয়েহে হালৰ স্মৃতিৰ বাবেই এই সংকলনত হালৰ নাম জড়িত কৰা হয়। তলত 'গাহাসত্তসঈ'ৰ গাথাসমূহৰ কেইটিমান নিদৰ্শন দাঙি ধৰা হ'ল ঃ

সত্তসআইং কই-বচ্ছলেন কোডীঅ মজঝআৰম্মি।
হালেন বিৰইআইং সালংকাৰাণং গাহানং।।
(অলংকৃত কোটি কোটি গাথাৰ মাজৰ পৰা সাত-শ গাথা কবিবৎসল হালৰ দ্বাৰা সংকলিত হৈছে।)

সৱভাৱ-ণেহ ভৰিএ ৰত্তে ৰজ্জিজ্জই ত্তি জুত্তমিণং।
অণহিঅএ উণ হিঅঅং জং দিজ্জই তং জনো হসই।।
(সৎভাৱ আৰু স্নেহ থকা অনুৰক্তজনৰ প্ৰতি অনুৰাগ হোৱাটো যুক্তিযুক্ত, কিন্তু হৃদয়হীন জনক যে তুমি হৃদয় দিছা — তাত মানুহে হাঁহিব।)

কিং কআসি গুণঅমুহী ধৱলাঅন্তেসু সালিসেত্তেসু।
হৰিআল মণ্ডিঅমুহী ণডিব্ব সনৱড়িআ জাআ।।
(শালিধাননি ডৰা ধৱলিত হোৱাত তুমি কিয় অৱনত মুখী হৈ ৰোদন কৰিছা? শণৰ বাৰীখন হাইতাল বৰণেৰে মণ্ডিত নটীৰ দৰে দেখা গৈছে।) ইত্যাদি।

'গাহাসত্তসঈ'ত সংগৃহীত কবিতাসমূহে সাধাৰণলোকৰ সুখ-দুখ, আনন্দবেদনা, সৌন্দৰ্যচেতনা, কল্পনা অনুভৱৰ সহজ চিত্ৰ প্ৰকাশ কৰিছে। বিশেষকৈ প্ৰাচীন গ্ৰাম্য জীৱন ধাৰাৰ স্বতঃস্ফূৰ্ত্ত চিত্ৰ পৰিপূৰ্ণ ৰূপত ফুটাই তোলাৰ কাৰণে 'গাহাসত্তসঈ'ৰ মূল্য ভাৰতীয় কাব্যৰ ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব।



*লেখিকা, অসমীয়া বিভাগৰ প্ৰবক্তা*

# শংকৰদেৱৰ ধৰ্মত সাম্যবাদী আদৰ্শ সন্ধান

কমল কিশোৰ হাজৰিকা



(১)

ধৰ্ম হ'ল মানুহৰ সাংসাৰিক যাতনাৰ পৰা পৰিত্ৰাণৰ উপায়। জাগতিক জীৱনৰ অপৰিসীম কষ্ট আৰু হতাশাৰ দ্বাৰা নিৰ্যাতিতসকলক মুক্তিৰ পথ দেখুৱাই ধৰ্মই। কিন্তু ধৰ্মৰ এই দিশৰ ওপৰত ইমান জোৰ দিয়া হৈছে যে ইয়াৰ অন্যান্য দিশবিলাকক ঢাকি পেলোৱা হৈছে। সাধাৰণ অৰ্থত ধৰ্ম হ'ব পাৰে সমাজ পৰিৱৰ্তনৰ আহিলা। কিন্তু প্ৰকৃততে ধৰ্মৰ এটা বৈপ্লৱিক আধাৰ আছে। এই কথা যুগে যুগে প্ৰমাণ হৈ আহিছে বা বিভিন্নজনে প্ৰমাণ কৰি আহিছে। অতীতৰ ধৰ্মগুৰুসকলৰ কাৰ্যতেই ইয়াৰ সত্যতা ওলাই পৰে। ধৰ্মই মানুহক বাস্তৱৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰেৰণা দিয়ে অৰ্থাৎ ধৰ্ম হ'ল বাস্তৱিক দুখৰ প্ৰতিবাদ স্বৰূপ। সেইবাবেই যীশুখ্ৰীষ্টক ক্ৰুছবিদ্ধ কৰি হত্যা কৰা হৈছিল; শংকৰদেৱে আহোম ৰজাৰ ৰোষত পৰি পলাই যাবলগা হৈছিল কোচবিহাৰলৈ; বুদ্ধদেৱ, চৈতন্যদেৱ আদি হ'বলগা হৈছিল গুহাবাসী সন্ন্যাসী। কাৰণ ক্ষমতাশালী লোকসকলে কেতিয়াও তেওঁলোকক সমৰ্থন কৰা নাছিল।

সমাজত দুই শ্ৰেণীৰ মানুহ থাকে মালিক আৰু শ্ৰমিক শ্ৰেণী। মালিক শ্ৰেণীটোৰ প্ৰধান কাম হ'ল শ্ৰমিক শ্ৰেণীক শোষণ কৰা। গতিকে দুখীয়া শ্ৰেণীৰ দুখ-দুদৰ্শা কুলাই পাচিয়ে নধৰা হয় আৰু বানপানীৰ পৰা মানুহৰ খেৰকুটাই আশ্ৰয় হোৱাৰ দৰে তেওঁলোক ধৰ্মৰ শৰণাপন্ন হয় পৰিত্ৰাণৰ উপায় বিচাৰি। এই শ্ৰেণীটোক পৰিত্ৰাণৰ উপায় দিবৰ বাবেই যুগে যুগে আৱিৰ্ভাৱ হৈছে বিভিন্ন ধৰ্মগুৰু আৰু ধৰ্মীয় মতবাদৰ। এনে মতবাদত উদ্বুদ্ধ হৈয়ে দুখীয়া শ্ৰেণীটোৱে তীব্ৰভাৱে প্ৰতিবাদ কৰিছে। অৰ্থাৎ ধৰ্মই মানুহক বাস্তৱ দুখৰ প্ৰতিবাদী কৰি তুলিব পাৰে। সমাজত দেখা দিয়া এনেবিলাক অন্যায়-অনীতিৰ প্ৰতিবাদৰ বাবে হজৰত মহম্মদ, যীশুখ্ৰীষ্ট, মহাবীৰ আদিৰ দৰে ধৰ্মীয় গুৰুৰ জন্ম আৰু মতবাদৰ সৃষ্টি হৈছে।

শংকৰদেৱো এই ধৰ্মগুৰু সকলৰ অন্যতম। শংকৰদেৱৰ সমসাময়িক সমাজখনত প্ৰচলিত কিছুমান অন্যায়-অনীতিয়ে বীতশ্ৰদ্ধ কৰিছিল আৰু সেইবোৰ দূৰ কৰিবলৈ তেখেতে হাতত তুলি লৈছিল "এক শৰণ নাম" ধৰ্মৰ দৰে ব্ৰহ্মাস্ত্ৰ। সৰ্বসাধাৰণৰ দুখ-দুদৰ্শা তথা ৰজাঘৰৰ শোষণৰ পৰা মুক্তিৰ সন্ধান দিছিল এই ধৰ্মৰ জৰিয়তে। আগতেই কোৱা হৈছে যে ধৰ্ম হ'ল সকলো দুখৰ নিৰাময়। যদিও তেখেতে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ ওপৰত গুৰুত্ব দিছিল তথাপি তেখেতৰ এই ধৰ্মীয় আন্দোলনটিৰ আঁৰত আমি দেখা পাওঁ সাম্যবাদী সমাজৰ অভিনৱ ৰূপ।

(২)

শংকৰদেৱৰ সাম্যবাদী দৰ্শনৰ ওপৰত আলোকপাত কৰাৰ আগতে তেওঁৰ যুগৰ সমাজখনত এভূমুকি মৰা যাওঁক। ড° মহেশ্বৰ নেওগ, অমলেন্দু গুহ আদি বৰেণ্য ব্যক্তিসকলে এই যুগৰ সমাজখনৰ বিষয়ে বিতং আলোচনা কৰিছে। ইয়াৰ পৰা গম পোৱা যায় যে এই যুগটো আছিল জনজাতীয়তাবাদৰ পৰা সামন্তবাদলৈ ক্ৰমোত্তৰণৰ যুগ। সেই সময়ত অসমত ভালেমান সৰু সৰু জনজাতীয় ৰাজ্য আছিল। উদাহৰণস্বৰূপে পূবত চুতীয়া ৰাজ্য, মাজত আহোম, কছাৰী আৰু ভূঞা ৰাজ্য; আৰু পশ্চিমত আছিল কোচ ৰাজ্য। এই ৰাজ্যসমূহৰ মাজত বিভিন্ন সময়ত ক্ষমতাৰ নামত দলাদলি হৈছিল। কালক্ৰমত চুতীয়া ৰাজ্য আহোমৰ কৰতলীয়া হৈছিল আৰু প্ৰায় একে সময়তে নৰনাৰায়ণ আৰু চিলাৰায়ৰ কোঁচ ৰাজ্যখন শক্তিশালী হিচাপে পৰিগণিত হৈছিল। পিছলৈ এই ৰাজ্য 'কোচ বেহাৰ' আৰু 'কোচ হাজো' নামেৰে দুটা ভাগত বিভক্ত হৈছিল। সেইদৰে ভূএগসকল আছিল উচ্চ বৰ্ণ হিন্দু আৰু তেওঁলোক বংশ মৰ্যাদাৰ দিশত অতি স্পৰ্শ কাতৰ। ভূএগ ৰাজ্যৰ মূৰব্বী গৰাকীৰ নাম আছিল 'শিৰোমণি ভূএগ'। উল্লেখযোগ্য যে শংকৰদেৱ এই 'শিৰোমণি ভূএগ' বংশৰ লোক আছিল।

জনজাতি ৰাজ্যসমূহ দুৰ্বলী হৈ পৰাৰ লগে লগে সেই সময়ৰ সমাজত সামন্তপ্ৰথাৰ সৃষ্টি হয়। আহোম ৰজাৰ দিনতেই কিছুমান সামন্তীয় বিষয়াৰ সৃষ্টি হৈছিল আৰু ফুকন, বৰুৱা, হাজৰিকা আদি সামন্তীয় বিষয়াৰ সৃষ্টিৰ জৰিয়তে কৰ আৰু দুৰ্নীতিৰে অবোধ ৰাইজক শোষণ কৰাৰ সুবিধা কৰি লৈছিল। যুদ্ধবন্দী বা যৌতুক হিচাপে পোৱা বহুতো জনজাতি লোকক এই বিষয়াসকলৰ ঘৰত দাস-দাসীৰ কাম কৰাইছিল। এইদৰে সূচনা হৈছিল দাস প্ৰথাৰ আৰু এই দাসবোৰৰ কিনা-বেচাও কৰা হৈছিল। এই দাসবিলাকে মালিকৰ পৰা কেনেকুৱা ব্যৱহাৰ পাইছিল তাৰ নিদৰ্শন গুৰু-চৰিত কথাত পোৱা যায় ঃ "তপাৰ বলোৰাম আতে পাঁচ টকাৰ বান্ধা আছিল এক গৃহস্থৰ; কেও কিছু নাই, দুখ দিয়ে বৰ ঃ চ'ত মাহ হাল মেলি লাঙ্গলতে পৰি ঘুমইচে। দেখি আতা সুধিলে বোলে দলিতে নাঙ্গল সিথানে সোৱ ঘৰে কিয় নাজা? বোলে সবে মাৰে ভাত নিদিএ, কাপৰ নাই, মাও বাপ কিছু নাই, কি সোধা আমাৰ দুখৰ বাৰ্তা?"

আতৈৰ দুখৰ কাহিনী শুনি ঠাকুৰ আতাই পাঁচ টকাত গৰাকীৰ পৰা মোকলাই আনিছিল। (গুৰু-চৰিত কথা, মহেশ্বৰ নেওগ, সম্পাঃ)

এয়া গ'ল বন্ধা-বহতীয়াৰ কথা। কৰ-কাটলৰ হেঁচাৰ আৰু সু-ব্যৱস্থাৰ অভাৱত 'স্বাধীন' প্ৰজাৰ অৱস্থাও আছিল শোচনীয়। পাইকবিলাক দেশৰ স্বাধীন মানুহ আছিল, কাৰণ নিজাকৈ খেতি-বাতি কৰাৰ অধিকাৰ তেওঁলোকৰ আছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত "এজন সাধাৰণ পাইকৰ অৱস্থা লগুৱাতকৈয়ো বেয়া আছিল। নতুন মাটি ভঙাৰ বিৰুদ্ধে কোনো আইন নথকা দিনত এফোজন পাঠকে নিয়ম মতে বেছি মাটিত খেতি কৰি চহকী হ'ব লাগিছিল; কিন্তু বছৰৰ এক তৃতীয়াংশ শ্ৰম কাল (labour time) তেওঁ ৰজাক দিবলগীয়া হোৱাত বেছি মাটিত খেতি কৰা তেওঁৰ পক্ষে সম্ভৱপৰ নাছিল। যুদ্ধৰ সময়ত দ্বিতীয়, আনকি তৃতীয়জন পাইককো কামত লগোৱা হৈছিল। তদুপৰি মাটি বিতৰণ প্ৰথা ক্ৰটিপূৰ্ণ হোৱা বাবে তেওঁৰ সম্পত্তিও খণ্ড-বিখণ্ডভাৱে আছিল। তেওঁৰ আৰ্দ্ৰ খেতিৰ মাটি বস্তি মাটিৰ ওচৰত নাছিল। তদুপৰি ততাতৈয়াকৈ গজি উঠা বননিবিলাকে আৰু নদীৰ সঘন গতি পৰিৱৰ্তনে তেওঁৰ শুকান মাটিৰ খেতিও ঘৰৰ পৰা কেইবা মাইলো নিলগাই পেলাইছিল। এনেবিলাক কাৰণত ধনী হোৱাৰ সুবিধা সত্ত্বেও তেওঁ কোনোমতে জীৱন-ধাৰণ কৰিব পাৰিছিল।" (নতুন পৃথিৱী, আগষ্ট, ১৯৭২, অমলেন্দু গুহ)

(৩)

ভূএগ ৰাজাৰ 'শিৰোমণি ভূএগ' বংশৰ শংকৰদেৱে সৰুৰে পৰাই এক ৰাজকীয় পৰিবেশ পাইছিল। তথাপি তেখেতৰ তীক্ষ্ণ সামাজিক চেতনাবোধে তেখেতক সেই ঠেক গণ্ডীৰ মাজৰ পৰা ওলাই আহি সাধাৰণ শ্ৰেণীৰ মংগলৰ হকে কাম কৰিবলৈ প্ৰেৰণা দিছিল। ইয়াতে সমাজৰ দৰ্শনৰ স্বৰূপ ওলাই পৰে। তেখেতে ভাগৱতত কৈছে ঃ

শুদ্ৰ সৱ অনেক কৈৱৰ্ত্ত আদি কৰি।
অন্ত্যজ পৰ্যন্ত ভজিবেক মহাহৰি।।
অপ্ৰয়াসে লভিব ঈশ্বৰ মহাজ্ঞান।
এতেকে কালিতে শুদ্ৰ কৈৱৰ্ত্ত প্ৰধান।।

(ভাগৱত ঃ ১২ দশ)



সমাজৰ তলৰ চাম অৰ্থাৎ 'অন্ত্য' জাতিসমূহৰ প্ৰতি তেখেতৰ আছিল বিশেষ অনুকম্পা। এইবাবেই তেখেতক বহুতে সমাজবাদী দাৰ্শনিক হিচাপে ব্যাখ্যা কৰে। কিন্তু সমাজবাদ, গণতন্ত্ৰ বা মাৰ্ক্সীয় ধাৰণাসমূহ সম্পূৰ্ণৰূপে আধুনিক। এইবিলাক ধাৰণা তেখেতৰ মনত কেতিয়াও উদ্ভৱ হোৱা নাছিল। তথাপি সাধাৰণ শ্ৰেণীৰ মাজত থকা অসমতা আৰু অনীতি দূৰ কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিছিল। তাৰবাবে জাতিভেদ প্ৰথাৰ বিলুপ্তিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ আৰু বৈশ্য— এই চাৰি জাতি প্ৰাচীন হিন্দু সমাজত বিদ্যমান আৰু নিজ নিজ কৰ্মৰ জৰিয়তে মানুহৰ মাজত এই শ্ৰেণীবিভাগ কৰা হৈছিল। ইয়াৰ ভিতৰত ব্ৰাহ্মণসকল আছিল সমাজৰ উচ্চ স্তৰৰ আৰু একেবাৰে তলৰ শাৰীত আছিল শূদ্ৰ আৰু বৈশ্যসকল। ক্ষত্ৰিয়সকলে মূলত ৰাজকাৰ্য আৰু যুদ্ধ-বিগ্ৰহত ব্যস্ত আছিল। সাধাৰণতে ব্ৰাহ্মণসকলক সমাজৰ গুণী-জ্ঞানী হিচাপে ভবা হৈছিল আৰু তেওঁলোক সকলোৰে পূজনীয় আছিল। একমাত্ৰ ব্ৰাহ্মণসকলেহে বেদ-উপনিষদ আদি অধ্যয়ন কৰাৰ অধিকাৰ আছিল আৰু সংস্কৃত তেওঁলোকৰ নিজা ভাষাৰ দৰে আছিল। ব্ৰাহ্মণসকলক সমাজত দেৱতাৰ দৰে জ্ঞান কৰিছিল। কিন্তু সমাজৰ একেবাৰে তলৰ খাপৰ বৈশ্য আৰু শূদ্ৰসকলৰ অৱস্থা আছিল অতি দুখলগা। তেওঁলোকে বহুৰৰ বেছিখিনি সময় ৰজাঘৰৰ বহুতীয়া হৈয়ে থাকিব লগা হৈছিল। ইয়াৰ উপৰিও ব্ৰাহ্মণসকলে তেওঁলোকক জুই, পানী নিষেধ কৰি এক অস্পৃশ্য জাতি হিচাপে অৱহেলা কৰিছিল। এইবিলাক কাৰণতে দুয়ো শ্ৰেণীৰ মানুহৰ মাজত সকলো দিশতে এটা ডাঙৰ ব্যৱধান আহি পৰিছিল।

আহোম যুগত এই ব্যৱধান আৰু বৃদ্ধি পাইছিল। বিশেষকৈ পাইক আৰু খেল ব্যৱস্থাৰ জৰিয়তে যি আৰ্থ-সামাজিক পদ্ধতিৰ সূচনা হ'ল তাত দাস-শ্ৰম, শোষণ-ব্যাপক, বাধ্যতামূলক আৰু সাৰ্বজনীন কৰি সংগঠিত কৰি পেলোৱা হ'ল। শংকৰদেৱে সমাজৰ এই ব্যৱস্থাৰ প্ৰতি জনসাধাৰণক সজাগ কৰিবৰ বাবে পাৰ্যমানে চেষ্টা কৰিছিল। সমাজত ব্ৰাহ্মণ, কোচ, কলিতা আদি জাতি প্ৰথাৰ বিলুপ্তিৰ জৰিয়তে সকলোকে এক নিৰ্দিষ্ট দিশত আগবঢ়াই নিবলৈ চেষ্টা কৰিছিল। শংকৰদেৱৰ আটাইতকৈ মৌলিক প্ৰতিভা হ'ল— তেওঁ সদায় দেশৰ জনগণৰ মাজৰ পৰাই তেওঁৰ কামৰ সমলবোৰ গোটাই লৈছিল আৰু তাৰ জৰিয়তে বিশ্বাসযোগ্যভাৱে জনগণৰ বাবে ভক্তিতত্ত্ব দৰ্শনৰ কথাবোৰ সহজসাধ্য আৰু বোধগম্য কৰি তুলিছিল। ফলত প্ৰজাসাধাৰণে লাহে লাহে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে, দাস শোষণৰ বিৰুদ্ধে বিক্ষোভ কৰিবলৈ আৰম্ভ কৰিছিল আৰু এই বিক্ষোভ শেষত মোৱামৰীয়া গণ-অভ্যুত্থানৰ আকাৰত ফাটি পৰিছিল। প্ৰজাসকলৰ প্ৰচণ্ড বিদ্ৰোহে এই কথাই প্ৰতিপন্ন কৰে যে তেওঁলোকে সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন বিচাৰিছিল। য'ত দাস-শ্ৰম, শোষণ আৰু আচাৰ-ব্যৱহাৰৰ স্বৈৰাচাৰৰ পৰা কৃষক তথা তলৰ খাপৰ লোকসকল মুক্ত হৈ অধিক স্বাধীনতা লাভ কৰে।

শংকৰদেৱে তেখেতৰ কথা আৰু কৰ্মৰ মাজেৰে এই কথাটো প্ৰতিপন্ন কৰাইছিল যে ঈশ্বৰৰ চকুত প্ৰত্যেক মানুহেই সমান। মানুহৰ মাজত জাত-পাত আদিৰে বিভেদ সৃষ্টি কৰা অনুচিত। শূদিয়ো বামুণৰ গুৰু হ'ব পাৰে। ব্ৰাহ্মণ্য ক্ৰিয়া-কৰ্ম, যাগ-যজ্ঞ, মূৰ্তি পূজা, পুৰোহিত ইত্যাদি অবিহনেও হৰিভকতে মুক্তি লভিব পাৰে। সকলোৱে কৃষ্ণ অনুগ্ৰহত পবিত্ৰ হ'ব। তেখেতে কৈছে ঃ

কিৰাত কছাৰী খাসি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক ৰজক তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পবিত্ৰ হয়।

(ভাগৱত ঃ ২য় স্কন্ধ)

মানুহ মানুহেই-তেখেত কিৰাত, কছাৰী, খাসি বা গাৰো যিয়েই নহওঁক লাগিলে সকলোৰে তাঁয়াই থকাৰ অধিকাৰ আছে। তেওঁলোকক ধৰ্ম বা জাতিভেদৰ দোহাই দি সমাজৰ পৰা পৃথক কৰাটো উচিত নহয়। সেইবাবে তেখেতে 'কৃষ্ণ সেৱক' হিচাপে সকলোকে একে শাৰীত ৰাখিছে। ইয়াৰ ফলত নিম্নখাপৰ মানুহখিনিয়ে সভ্যতাৰ দিশত ঢাপে ঢাপে আঁতৰাব পাৰিছে আৰু বুজিব পাৰিছে কেনেকৈ তেওঁলোক পদে পদে শোষণৰ বলি হৈছে। তেতিয়াই তেওঁলোকে নিজৰ অধিকাৰৰ বাবে সংগ্ৰাম আৰম্ভ কৰিছে।



(৪)

শংকৰদেৱৰ প্ৰগতিশীল চিন্তাৰ লক্ষ্য আছিল সামাজিক ঐক্য আৰু সংহতি; মানুহৰ কল্যাণ আৰু প্ৰগতি; আৰু এই কাম মহাপুৰুষজনাই ধৰ্মীয় ভিত্তিত কৰিবলৈ লৈছিল। শংকৰদেৱৰ আগতে অসমৰ বিভিন্ন জাতি আৰু জনজাতীয় সমাজবোৰ একত্ৰীকৰণ কৰিবলৈ কোনো উল্লেখযোগ্য প্ৰচেষ্টা হাতত লোৱা নাছিল। ব্ৰাহ্মণসকলে আৰ্যকৰণেৰে জনজাতিসকলৰ সংহতি অনাৰ চেষ্টা কৰিছিল যদিও সুদূৰপ্ৰসাৰী নাছিল। এই প্ৰচেষ্টা ঘাইকৈ শাসক শ্ৰেণীৰ মাজতে সীমাবদ্ধ আছিল। অন্যহাতে সমাজত ব্ৰাহ্মণসকলৰ শোষণ তথা অত্যাচাৰ আৰু তান্ত্ৰিক ধৰ্মৰ প্ৰভাৱ আৰু প্ৰতিপত্তিহে বৃদ্ধি পাইছিল। ইয়াৰ ফলত সমাজখন এক নৈতিক অধঃপতনৰ দিশত আগ বাঢ়িছিল।

এই নৈতিক অধঃপতনৰ সন্ধিক্ষণতে সমাজখনলৈ শংকৰদেৱে আনিছিল এক নতুন আদৰ্শ— এক শৰণ নাম ধৰ্ম; যি ধৰ্মত নাছিল বিভিন্ন দেৱ-দেৱীৰ আৰাধনা আৰু জটিল তান্ত্ৰিক পূজাৰ। বিষ্ণুতে বিভিন্ন ধৰ্মীয় গোটৰ উপাস্য সকলো দেৱ-দেৱী বিলীন হৈ গ'ল। সমূহীয়া নাম-কীৰ্তনৰ প্ৰচলনে সমাজত পুৰোহিতৰ কতৃৰ্ত্ব নাশ কৰিলে আৰু সমূহীয়া কৃতিত্বৰ মাজেদি এটা নতুন ধৰ্ম ব্যৱস্থা গঢ়ি উঠিল। শংকৰদেৱে এই ধৰ্ম সকলোৰে বাবে খোলা ৰাখিছিল। আচলতে শংকৰদেৱে তেখেতৰ আদৰ্শৰ দ্বাৰা সমাজখনক ব্যৱহাৰিকভাৱে পৰিৱৰ্তন কৰাতকৈ মনস্তাত্ত্বিকভাৱে সমাধান কৰিবলৈ চেষ্টা কৰিছিল। সেইবাবে তেখেতে দুখপূৰ্ণ পাৰ্থিৱ জগতখনক বাসযোগ্যভাৱে পৰিৱৰ্তন কৰাৰ সলনি মানুহক উপদেশ দিছিল দুখপূৰ্ণ বাস্তৱ জগতখনক মায়া বুলি ত্যাগ কৰিবলৈ। এইদৰে তেখেতে মানুহক পৰলোকৰ সপোন দেখুৱাইছিল যিবিলাকে ইহলোকত শান্তিৰ কোনো আশা দেখা নাছিল। মানুহক সমূহীয়াভাৱে বাস্তৱ দুখৰ পৰা হাতসাৰি থাকিবলৈ তেখেতে সমূহীয়া 'প্ৰাৰ্থনা গৃহ'ৰ ব্যৱস্থা কৰিছিল। এই 'প্ৰাৰ্থনা গৃহ'বোৰেই হ'ল সত্ৰ।

সত্ৰ বা কীৰ্তন ঘৰক অসমীয়া সংস্কৃতিৰ যাদুঘৰ আখ্যা দিয়া হয়। বহুতো পণ্ডিতে এই সত্ৰসমূহ বৌদ্ধসকলৰ 'বৌদ্ধ বিহাৰ'বিলাকৰ আৰ্হিত সৃষ্টি কৰা বুলি মত প্ৰকাশ কৰে। কনকলাল বৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, মহেশ্বৰ নেওগ আদিয়ে বৌদ্ধ সংঘৰ নীতি-নিয়মবিলাকৰ লগত সত্ৰৰ আচাৰ-নীতিৰ এক নিবিড় সামঞ্জস্যৰ কথা উল্লেখ কৰিছে। বুদ্ধই মানুহক 'পবজ্জা' আৰু 'উপ-সম্পদ'ৰ কথা কৈছিল যাৰ অৰ্থ হ'ল দুখময় সংসাৰৰ পৰা ওলাই অহা আৰু সংঘৰ আদৰ্শ জগতত প্ৰৱেশ কৰা। সেইদৰে শংকৰদেৱেও সত্ৰসমূহত শৰণ লোৱাই জ্বালা-যন্ত্ৰণাময় বাহিৰৰ জগতখনক পৰিহাৰ কৰি এখন সুন্দৰ পৃথিৱীৰ সোৱাদ দিছিল।

সত্ৰসমূহ হ'ল এক বিশিষ্ট সাম্যবাদী অনুষ্ঠান, য'ত জাতি-বৈষম্যৰ কথা পাহৰি গৈ কলিতা, কোচ, ব্ৰাহ্মণ আদিয়ে একেটা বাটিতে দৈ-চিৰা খায়। যি সময়ত সত্ৰৰ বাহিৰৰ পৰিৱেশত বলিছিল অসাম্যৰ দুৰ্যোগ বতাহ সেই সময়ত শংকৰ-মাধৱে অতি কষ্টেৰে সত্ৰৰ পৰিবেশ সুস্থিৰ কৰি ৰাখিছিল। সত্ৰসমূহত নাছিল কোনো উচ্চ-নীচ ভেদাভেদ; সত্ৰীয়া সমাজত সকলো ভকতৰে স্থান আছিল সমান। মুঠতে সত্ৰীয়া ইতিহাসৰ আদিস্তৰত গুৰুভকত সকলোৱে এক সহজ-সৰল, অনাড়ম্বৰ, সাম্যবাদী জীৱন-যাপন কৰিছিল। যাৰবাবে কাৰো মাজত অসন্তুষ্টিৰ বীজ সৃষ্টি হোৱা নাছিল। জতি-বৰ্ণ নিৰ্বিশেষে সকলোৱে পাইছিল একো টা পৰিৱেশ। কিন্তু এই কথা ঠিক যে সমাজৰ অৰ্থনৈতিক গাঁথনিত আঘাত কৰিব নোখোজাৰ পৰিণামত বুদ্ধৰ সংঘৰ দৰে শংকৰদেৱৰ সত্ৰবো আদৰ্শ সাম্যবাদী জীৱন-চৰ্চা কালৰ সোঁতত হেৰাই গ'ল আৰু তাত স্থান ল'লেহি বৈভৱপূৰ্ণ আৰু বিলাসী জীৱনে।

ওপৰৰ আলোচনাত সমাজ সংগঠক হিচাপে মহাপুৰুষ শংকৰদেৱৰ সাম্যবাদী দৰ্শনৰ এটি থুল-মূল আভাস দাঙি ধৰা হ'ল। আগতেই উল্লেখ কৰা হৈছে যে সমাজবাদ, সাম্যবাদ ইত্যাদি সম্পূৰ্ণ আধুনিক ধাৰণা। তথাপি তীক্ষ্ণ সমাজ সচেতক শংকৰদেৱে সমাসাময়িক সমাজখনৰ অন্যায়ৰ প্ৰতিবাদ স্বৰূপে যি ধৰ্মীয় আদৰ্শ প্ৰচাৰ কৰিছিল তাত বৰ্তমানৰ সামাবাদী আদৰ্শৰ ভালেখিনি স্বৰূপ পোৱা যায়। অশিক্ষিত, নিৰক্ষৰ অসমীয়া জাতিক স্বাধিকাৰ আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ তেখেতে যি প্ৰচেষ্টা হাতত লৈছিল সেয়া প্ৰশংসনীয়। সদৌ শেষত এটা কথা উল্লেখ কৰিব পাৰি যে তেখেত এই ক্ষেত্ৰত পূৰামাত্ৰাই সফল হৈছে কাৰণ মোৱামৰীয়া বিদ্ৰোহেই ইয়াৰ শক্তিশালী উদাহৰণ।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১. অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা; ড° হীৰেন গোঁহাই।

২. শংকৰদেৱৰ চিন্তাত প্ৰগতিশীলতা প্ৰকাশক ঃ প্ৰভাৱগোষ্ঠী; ডিব্ৰুগড়

৩. অমলেন্দু গুহ, সামন্তযুগীয় অসমৰ ভূমি ব্যৱস্থা আৰু সামাজিক শ্ৰেণী; নতুন পৃথিৱী, আগষ্ট, ১৯৭২।

৪. গুৰু-চৰিত কথা; সম্পাদক ঃ মহেশ্বৰ নেওগ।

৫. গৰিয়সী



*লেখক, স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ*

# আমাৰ শিক্ষা ব্যৱস্থা আৰু আমাৰ কৰ্তব্য



অৰুণিমা দেৱী

"Life is an abnormal business."

মানুহৰ জীৱনটো হৈছে এক সংগ্ৰাম। সংগ্ৰামৰ মাজেদি জীৱন যুদ্ধত জয়ী হ'ব পৰা মানুহে সফলতা লাভ কৰিব পাৰিছে। কবিৰ ভাষাত ক'বলৈ হ'লে—

'সংসাৰ যুঁজৰ ঠাই শুবৰ সকাম নাই
কাঁচি পাৰি যুঁজা সবে কৰি প্ৰাণপণ।'

আমাৰ জীৱনটো গোলাপৰ শয্যা নহয় আৰু সংসাৰখনো শীতল পাটি নহয়। জীৱনটো সুন্দৰ কৰিবলৈ জ্ঞানৰ প্ৰয়োজন। গীতাত ভগৱানৰ পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণই কৈছিল—

'নহি জ্ঞানেন সদৃশং পবিত্ৰম ইহ বিদ্যতে।'

অৰ্থাৎ জ্ঞানৰ সমান পবিত্ৰ বস্তু নাই। বিদ্যা অৰ্জন কৰাটো সাধনাৰ লগতে চৰ্চাৰ বস্তু। সেয়েহে কোৱা হৈছে— "The more you read, the more you learn." (যিমানেই পঢ়িবা, সিমানে শিকিবা।) ছাত্ৰ-ছাত্ৰীসকলে জানি-বুজি লৈ অনুভৱ কৰিব লাগিব যে পৃথিৱীত এটায়ে মাত্ৰ এনেকুৱা বস্তু আছে, যিটো দান কৰিলেও অকণো হ্ৰাস নহয়, বৰং বৃদ্ধিহে হয় আৰু সেই বস্তুটোৱেই হৈছে বিদ্যা। ছাত্ৰ জীৱনৰ শিক্ষা ভৱিষ্যত জীৱনৰ জীৱন্ত সংসাৰৰ শিক্ষা। গতিকে শিক্ষা অবিহনে সুন্দৰ জীৱন এটাৰ কল্পনা অলীক বুলি ক'ব পাৰি। সাঁতুৰিবলৈ যিদৰে শিকিবলৈ হ'লে পানীত নমাটো সম্ভৱ নহয়; ঠিক তেনেদৰে শিক্ষা আহৰণো নিষ্কৰ্মা অৰ্থাৎ দূৰৰ পৰা বহি ৰং চায়ে খেলিব পৰা এক ধৰণৰ খেল নহয়। শিক্ষাই নিষ্কৰ্মাজনকো কৰ্মঠ কৰি তুলিব, এয়াই ইয়াৰ উদ্দেশ্য।

মানুহৰ জীৱনৰ লক্ষ্য কি, কি কি কাম কৰিলে মানুহে সমাজত নিজকে মানুহ হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিব বা জীৱন সাৰ্থক হ'ব, সাংসাৰিক জীৱনত কি উপায়েৰে কাম কৰিলে কৃতকাৰ্যতা লাভ কৰিব পৰা যায়, কেনেদৰে সু-স্বাস্থ্যৰ গৰাকী হ'ব পাৰি, মুঠতে এনেবিলাক বিষয়ৰ জ্ঞানকে শিক্ষা বুলিব পাৰি আৰু ছাত্ৰ জীৱনত এইবিলাক কথাকেই শিকিব আৰু চৰ্চা কৰিব লাগিব।

'পঢ়ায় পঢ়ে, ৰোৱে পাণ,
এই তিনিয়ে নিচিন্তে আন।'

— এই নীতি বচনত 'পঢ়া' মানে ভাটোৰ দৰে দুটি কথা কিতাপৰ পৰা আওৰোৱাকে বুজোৱা নাই। ইয়াত 'পঢ়া' কথাই শিক্ষা লাভ কৰাটোক

আজিৰ শিক্ষাই অভিলেখ সংখ্যক ডাক্তৰ, ইঞ্জিনিয়াৰ, বিজ্ঞানী, বিশেষজ্ঞ, মন্ত্ৰী, বিষয়া, কেৰাণী, মহৰী, শিক্ষক, শ্ৰমিক গঢ়িছে; কিন্তু মানুহ গঢ়িব পৰা নাই। বৰ্তমান শিক্ষা ব্যৱস্থাৰ দোষ এইখিনিতেই। মানুহৰ অন্তৰত আজি সত্য, দয়া, মমতা, সততা, অহিংসা আদিৰ দৰে মহৎ মানৱীয় গুণসমূহৰ পৰিৱৰ্তে কাম-ক্ৰোধ, লোভ-মোহ, হিংসা আদি অমানৱীয় প্ৰবৃত্তিসমূহে ঠাই লৈছে।

বুজাইছে। শিক্ষাৰ্থীৰ অৰ্থাৎ ছাত্ৰৰ একাগ্ৰতা সঁচাকৈয়ে উন্নতিৰ মূল মন্ত্ৰ। এই অৱস্থাত মনৰ গতি একমুখী হ'ব লাগে, বহুমুখী হ'লে ছাত্ৰৰ অস্তিত্ব লোপ পাব খোজে।

কিন্তু সম্প্ৰতি বৰ্তমান শিক্ষাৰ মূল দেশৰ শিক্ষানুষ্ঠানসমূহৰ শৈক্ষিক পৰিবেশৰ অৱনতি এটা অতি গুৰুত্বপূৰ্ণ সমস্যা। শিক্ষানুষ্ঠানসমূহৰ সুস্থ শৈক্ষিক বাতাবৰণ ৰক্ষা কৰাত ছাত্ৰ সমাজ প্ৰায় ব্যৰ্থ হৈছে। বৰ্তমান আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত কিছুমান নিৰ্দিষ্ট তথ্য আদান-প্ৰদানৰ জৰিয়তে শিক্ষাৰ্থীক এখন প্ৰমাণ পত্ৰ দিয়াটোৱেই মূল লক্ষ্যত পৰিণত হৈছে। ফলত দেশৰ শিক্ষিত লোকৰ সংখ্যা বাঢ়িছে, কিন্তু সামাজিক সুস্থিৰতা বৃদ্ধি পোৱা নাই। তাৰ পৰিৱৰ্তে অন্যায়, অত্যাচাৰ, অবিচাৰ, হত্যা আদিৰ দৰে জঘন্য ঘটনাৰাজি নিত্য-নৈমিত্তিক কাৰ্যত পৰিণত হৈছে। আজিৰ শিক্ষাই অভিলেখ সংখ্যক ডাক্তৰ, ইঞ্জিনিয়াৰ, বিজ্ঞানী, বিশেষজ্ঞ, মন্ত্ৰী, বিষয়া, কেৰাণী, মহৰী, শিক্ষক, শ্ৰমিক গঢ়িছে; কিন্তু মানুহ গঢ়িব পৰা নাই। বৰ্তমান শিক্ষা ব্যৱস্থাৰ দোষ এইখিনিতেই। মানুহৰ অন্তৰত আজি সত্য, দয়া, মমতা, সততা, অহিংসা আদিৰ দৰে মহৎ মানৱীয় গুণসমূহৰ পৰিৱৰ্তে কাম-ক্ৰোধ, লোভ-মোহ, হিংসা আদি অমানৱীয় প্ৰবৃত্তিসমূহে ঠাই লৈছে।

ইয়াৰ উপৰি আমাৰ আন এটা প্ৰধান সমস্যা হৈছে শিক্ষা ব্যৱস্থা। বৰ্তমান প্ৰচলিত পাঠ্যক্ৰমৰ পুথিগত শিক্ষাই ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীলতা আৰু সন্তুষ্টি দিব পৰা নাই। এনে অৱস্থাতেই আকৌ বিভিন্ন কাৰণত এচাম ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীৰ নৈতিকতাৰ স্খলন, অনুশাসনহীনতা, সস্তীয়া চিন্তা-চৰ্চাৰ পোষকতা আৰু কাৰ্যই তেওঁলোকৰ মৌলিক আৰু বৌদ্ধিক প্ৰতিভা কৰি তুলিছে দুৰ্বল অথবা স্তব্ধ। এয়া কেতিয়াও আমাৰ কাম্য হোৱা উচিত নহয়। উপযুক্ত শিক্ষা আৰু অধ্যয়নেই হৈছে মানুহৰ সৰ্বতো প্ৰকাৰৰ বিকাশ আৰু উন্নতিৰ মূল মন্ত্ৰ। সেয়ে জীৱনত কৃতকাৰ্যতা বা সফলতা লাভ কৰিবলৈ হ'লে আমাক প্ৰয়োজন অসীম ধৈৰ্য, আগ্ৰহ, মনোযোগ আৰু গভীৰ আত্মবিশ্বাসৰ।

এশ এবুৰি সমস্যাৰে জৰ্জৰিত আমাৰ শিক্ষা আৰু শৈক্ষিক পৰিবেশ উন্নত কৰাত সকলোৰে মিলিত প্ৰচেষ্টাৰ প্ৰয়োজন। অতি পৰিতাপৰ কথা যে আজি ছাত্ৰ-শিক্ষক-অভিভাৱকৰ মাজৰ পাৰস্পৰিক সম্বন্ধ ছিন্নপ্ৰায়। দেখা গৈছে এই সম্বন্ধৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ কথা ভালদৰে উপলব্ধি নকৰি মাথোন পৰস্পৰে ইজনে সিজনক দোষ দিয়া বা সমালোচনা কৰাটো এটা নিয়মীয়া ঘটনাত পৰিণত হৈছে। অকল ইজনে সিজনক দোষ দি বা সমালোচনা কৰি থাকিলে এই সম্বন্ধৰ পৰা পাবলগীয়া উপকাৰখিনি পাব পৰা নাযাব— যদিহে আমি প্ৰত্যেকেই আমাৰ কৰণীয় কৰ্তব্য আৰু দায়িত্বখিনিৰ প্ৰতি সজাগ হৈ আগ নাবাঢ়ো। বিশেষকৈ আমি ছাত্ৰ-ছাত্ৰীসকলে এই বিষয়ত সজাগ হোৱা প্ৰয়োজন। তেতিয়াহে আমাৰ সজাগতাই শিক্ষাক উন্নত আৰু সংস্কাৰমুখী কৰিব পাৰিব আৰু আমাৰ ভৱিষ্যত সুন্দৰকৈ গঢ় দিব পাৰিব।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাৰে—

"নাজাগিলে এই ভাৰত ললনা
এ ভাৰত আৰ জাগেনা জাগেনা।"

*লেখিকা, স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগৰ ছাত্ৰী*

# আধুনিকতা আৰু আজিৰ নাৰী

দীপশিখা নাথ

নাৰী, ভগৱানৰ এক অনন্য সৃষ্টি। সৃষ্টিৰ চাবিকাঠি ভগৱানে যেন নাৰীৰ হাততেই অৰ্পণ কৰিছে। নাৰীক শক্তিৰ আধাৰ হিচাপে পূজা কৰা হয়। অনাদিকালৰে পৰা নাৰী দেৱী, মাতৃ ইত্যাদি বিভিন্ন ৰূপেৰে বন্দিত হৈ আহিছে। অতীতৰ বিদুষী নাৰী গাৰ্গী, মৈত্ৰেয়ী, কুন্তী, দ্ৰৌপদী আদিয়ে বুৰঞ্জীৰ পাতত এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। বৰ্তমান যুগতো নাৰীয়ে বিভিন্ন ক্ষেত্ৰত নিজৰ দক্ষতা দেখুৱাবলৈ সক্ষম হৈছে। বৰ্তমান সমাজত নাৰীৰ অৰিহণা অনস্বীকাৰ্য। আজিৰ নাৰীয়ে সকলো ক্ষেত্ৰতে পুৰুষৰ সমানেই আগবাঢ়িছে। কোনো কোনো ক্ষেত্ৰত হয়তো পুৰুষকো পিচ পেলাই গৈছে। আগৰ দিনত নাৰীৰ বাবে এনেকুৱা সময় আছিল যেতিয়া তেওঁলোকৰ ভাত ৰন্ধা আৰু ল'ৰা-ছোৱালী লালন-পালন কৰাৰ বাহিৰে আন কথা ভাবিবলৈ আহৰি নাছিল। ঘৰখনেই আছিল তেওঁলোকৰ বাবে পৃথিৱী। মুক্ত মনেৰে ঘূৰি ফুৰাতো আছিল তেওঁলোকৰ বাবে এক দুৰ্লভ সপোন। অতি কম সময়তেই মুক্ত আৰু স্বাধীন জীৱন জলাঞ্জলি দি তেওঁলোক হ'ব লাগিছিল দায়িত্বশীলা বোৱাৰী।

কিন্তু সাম্প্ৰতিক কালৰ নাৰী আৰু অতীতৰ নাৰীৰ মাজত এতিয়া আকাশ-পাতাল পাৰ্থক্য। আজিৰ নাৰীৰ জীৱন অকল ঘৰুৱা কাম-বনতেই সীমাবদ্ধ নহয়। তেওঁলোক আগৰ সেই সংকীৰ্ণ পৃথিৱীৰ পৰা ওলাই আহি ভৰি দিছে এই বহল পৃথিৱীত। ৰাজনীতি, বিজ্ঞান, খেলা-ধূলা, সামৰিক সেৱা আনকি মহাকাশতো বিচৰণ কৰিছে আজিৰ নাৰীয়ে। আগৰ দিনত এজনী যৌৱনপ্ৰাপ্ত ছোৱালীক ঘৰুৱা কাম-বন, নীতি-নিয়ম আদিৰ শিক্ষা দিয়া হৈছিল। কিন্তু বৰ্তমান সময়ত এজনী ছোৱালীক সেই শিক্ষা দিয়াৰ বিপৰীতে সপোন দেখুৱা হয় এজনী ডাক্তৰ, ইঞ্জিনিয়াৰ, এয়াৰ হোষ্টেজ অথবা অধ্যাপিকা হোৱাৰ। কিবা এটা কৰি দেখুৱাৰ হেঁপাহ প্ৰত্যেকজনী ছোৱালীৰ অন্তৰত সৰুৰে পৰা গঢ়ি উঠে আৰু সেই সপোন ফলৱতী কৰিবলৈ তেওঁলোকক দিয়া হয় সকলো ফালৰ পৰা উৎসাহ, প্ৰেৰণা। বৰ্তমান সময়ৰ নাৰীক স্বাধীন নাৰী আখ্যা দিয়া হয়। কিন্তু নাৰীৰ এই স্বাধীনতাৰ পৰিসীমা কিমান দূৰলৈ?

নাৰীয়ে সকলো ক্ষেত্ৰতে পুৰুষৰ সমানে আগবাঢ়ি যোৱাৰ পিচতো দেশত দিনে দিনে কিয় নাৰী ধৰ্ষিতা, লাঞ্চিতা হ'বলৈ ধৰিছে? দেৱীৰূপে পূজিত হৈ অহা পৰীৰ সন্মান বৰ্তমান পদে পদে হেয় হ'বলৈ ধৰিছে। ইয়াৰ বাবে দোষী কোন? অকল পুৰুষ সমাজেই নে? তাৰবাবে আমি নাৰীও জানো জগৰীয়া নহয়?

সাম্প্ৰতিক কালত আধুনিকতাৰ বতাহ চাৰিওফালে ব'বলৈ ধৰিছে। বৰ্তমান সময়ত দেশৰ নাগৰিকসকল আধুনিকতাৰ লগত এনেদৰে উটি-ভাহি গৈছে যে তেওঁলোকে নিজৰ সংস্কৃতি পাহৰি গৈছে। পাহৰি গৈছে নিজৰ পোচাক-পৰিচ্ছদ, নিজৰ ভাষা। তাৰ বিপৰীতে আঁকোৱালি লৈছে আনৰ সংস্কৃতি। ঠিক কাউৰীয়ে ম'ৰাৰ পাখি গুজি সুন্দৰ হোৱাৰ দৰে। আজিৰ নাৰীয়ে কথা-বতৰা, সাজ-পোচাকৰ জৰিয়তে নিজক আধুনিকা বুলি পৰিচয় দিবলৈ ভাল পায়। তেওঁলোকে ভাবে কম কাপোৰ বা গাত লিপিত খাই থকা কাপোৰ পিন্ধিলেহে তেওঁলোক আধুনিক হৈ পৰিব। আজি-কালিৰ আধুনিকা (?) নাৰীয়ে মেখেলা চাদৰ বা চেলোৱাৰ-কুৰ্তা পিন্ধাৰ পৰিৱৰ্তে গাত লিপিত খাই যোৱা বা শৰীৰৰ একাংশ ওলাই যোৱা পোচাক পৰিধান কৰি ভাল পায়। এইটোতেই তেওঁলোকে ইংৰাজীত কোৱাৰ দৰে comfortable feel কৰে। কিন্তু এই পোচাক পৰিচ্ছদৰ দ্বাৰা তেওঁলোক কিমান সুৰক্ষিত? এযোৰ বিকৃত সাজ পৰিধান কৰি ৰাজহুৱা স্থানত এজনী ছোৱালী যেতিয়া পদাৰ্পণ কৰে তেতিয়া সকলো মানুহৰেই অন্তৰত জানো ভাল প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়? তেওঁ হয়তো ধৰিব নোৱাৰে তেওঁৰ এই পৰিধানৰ বাবে কিমানে কটু মন্তব্য দিয়ে; কাৰণ তেওঁ আধুনিকতাৰ মোহত অন্ধ। কেতিয়াবা হয়তো তেওঁলোকৰ আচৰণৰ বাবে বয়োজ্যেষ্ঠ লোকসকলো লাজত পৰিব লগা হয়। এজনী ছোৱালীৰ এনে আচৰণে সমগ্ৰ নাৰী জাতিকেই অপমানিত কৰে।

নাৰীক অৰ্ধ আকাশ আখ্যা দিয়া হয়। এখন ঘৰ বা এটা পৰিয়াল চলাই নিয়াৰ গুৰিয়াল হ'ল নাৰীগৰাকীয়েই। নাৰীয়ে ইচ্ছা কৰিলে সৃষ্টি কৰিব পাৰে আৰু ইচ্ছা কৰিলেই ধ্বংস কৰিব পাৰে। শিশু এটিৰ প্ৰথম শিক্ষাগুৰু হ'ল মাতৃগৰাকীয়েই। এই মাতৃগৰাকীৰ হাততেই শিশু এটি গঢ় লয়। নাৰীৰ হাতত এক সুকীয়া ক্ষমতা থাকে। এই সুকীয়া ক্ষমতা হ'ল মৰম-চেনেহৰ। এই মৰম চেনেহৰ জৰিয়তে এজন বিপথে চলা পুৰুষকো নাৰীয়ে

সৎ পথলৈ আনিব পাৰে। পুৰুষে স্বীকাৰ নকৰিলেও নাৰীয়েই যে তেওঁলোকৰ সকলো কামৰ আঁৰত থাকে এইটো সত্য। কিন্তু বৰ্তমানৰ আধুনিকা নাৰীয়ে নাৰীৰ মৰ্যাদা আগৰ দৰেই অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছেনে ? বৰ্তমানৰ এই আধুনিকা নাৰীৰ আচৰণৰ জৰিয়তে নাৰীৰ মৰ্যাদা অলপ হ'লেও হ্ৰাস পাইছে আৰু তাৰ বাবেই সৃষ্টি হৈছে নানা ধৰণৰ অপ্ৰীতিকৰ ঘটনা। সাম্প্ৰতিক কালৰ এই কৃত্ৰিম আধুনিকতাই নাৰীক সমাজৰ প্ৰকৃত স্থানৰ পৰা অলপ হ'লেও তললৈ নমাই দিছে।

নগ্নতাই যদি নাৰীৰ প্ৰকৃত সৌন্দৰ্য হয় তেনেহ'লে ই মাদাৰ টেৰেছা, ফ্লোৰেন্স নাইটিংগল, এনি বেচান্ত, কস্তুৰবা গান্ধী আদি মহান নাৰীৰ আন্তৰিক সৌন্দৰ্যকো অপমানিত কৰিছে। নতুন নতুন অলংকাৰ বস্ত্ৰ আদি পিন্ধিলেই জানো আধুনিক হ'ব পাৰি ? আধুনিক হ'বলৈ মানুহৰ প্ৰয়োজন উচ্চখাপৰ চিন্তাধাৰাৰ। কিন্তু উচ্চখাপৰ চিন্তাধাৰাৰ পৰিবৰ্তে যদি নাৰীৰ ৰূপ-চৰ্চাৰ স্পৃহাহে অধিক হয় তেনেহ'লে সেই নাৰীয়ে নিজৰ কৰ্মক্ষেত্ৰত কিমান দক্ষতা দেখুৱাব পাৰিব ? শ্বেইক্সপীয়েৰৰ অমৰ সৃষ্টি হেমলেটে অফেলিয়াক কৈছিল, "মই তোমাৰ ৰঙৰ বাহাৰৰ কথা যথেষ্ট শুনিছো। ঈশ্বৰে তোমাক এখন মুখ দিছিল, তুমি ৰঙৰ প্ৰগাঢ় প্ৰলেপেৰে অন্য এখন মুখৰ সৃষ্টি কৰিছা।" হেমলেটৰ এইষাৰ কথাৰ সত্যতা আজিৰ আধুনিকা নাৰীৰ ক্ষেত্ৰত কোনোপধ্যেই নুই কৰিব নোৱাৰি।

আধুনিক হোৱাটো কোনো দোষৰ কথা নহয়। কিন্তু আধুনিকতাৰ বিকৃত ৰূপটো কাৰোবাবেই গ্ৰহণযোগ্য নহয়। আধুনিক হ'বলৈ আনৰ সংস্কৃতি আঁকোৱালি লোৱাৰ প্ৰয়োজন নাই। নিজৰ মাজতেই যিখিনি আছে তাক যদি ধৈৰ্য আৰু চেষ্টাৰ বলত নাৰীয়ে কৰ্মত ৰূপান্তৰিত কৰাত সফল হয় তেতিয়াই নাৰীৰ প্ৰকৃত সৌন্দৰ্য প্ৰকাশ পায় আৰু তেনেকুৱা নাৰীক নিজৰ সৌন্দৰ্য প্ৰকাশ কৰিবলৈ কৃত্ৰিম প্ৰলেপৰ প্ৰয়োজন নহয়। শেষত স্বামী বিবেকানন্দৰ ভাষাৰেই ক'ব পাৰি "Stand up, be bold and take the whole responsibility on your shoulders and know that you are creator of your our destiny. All the strength and success that you want are within yourself".



*লেখিকা, স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগৰ ছাত্ৰী*

# জীৱন, সাহিত্য আৰু নিঃসংগতা

তনয় জ্যোতি দুৱৰা

প্ৰখ্যাত দাৰ্শনিক জৰ্জ ছান্টায়ানাৰ মাকক এবাৰ সোধা হৈছিল— "আপুনি সময়বোৰ কেনেকৈ কটায় ?" উত্তৰত দাৰ্শনিকৰ মাকে কৈছিল— "মই জহৰ দিনত জাৰকালিৰ বাবে হামৰাও কাঢ়ি থাকোঁ আৰু জাৰৰ দিনত জহৰ দিনবোৰৰ বাবে হামৰাও কৰিবলৈ আৰম্ভ কৰোঁ।"— নিঃসংগতাৰ ইয়াত কৈ ভাল উদাহৰণ আৰু একো হ'ব নোৱাৰে। আধুনিক জীৱনৰ প্ৰতিজন মানুহেই জৰ্জ চান্টায়ানাৰ মাকৰ অনুৰূপ! নীৎছেই 'দাছ স্পেক জাৰাফুষ্ট্ৰ' গ্ৰন্থত 'Live dangerously' অৰ্থাৎ 'বিপদজনক ভাৱে জীয়াই থাকা' বুলি যি ঘোষণা কৰিছে তাৰ অন্তৰালত নিঃসংগতাই ভয়াবহভাৱে ক্ৰিয়া কৰি আছে। কোৱা বাহুল্য মাথোন এই নিঃসংগতাই সমগ্ৰ বিশ্বকে ছানি ধৰাৰ সম্ভাৱনা দেখা গৈছে।



আদিম আৰণ্যিক জীৱনযাত্ৰা আছিল সামূহিক আৰু দলবদ্ধ। মানুহ সংস্কৃত হোৱাৰ পিছত অৰণ্যিক জীৱনধাৰাৰ পৰা আঁতৰি আহি সংগবদ্ধভাৱে কৃষি কৰ্ম কৰিবলৈ ধৰাৰ লগে লগে প্ৰাত্যহিক জীৱনধাৰা বহু পৰিমাণে সলনি হ'ল। জীৱনৰ মৌলিক আৰু প্ৰাত্যহিক প্ৰয়োজনাৰ্থে ঘৰ সাজিলে, বংশ-পৰিয়াল মিতিৰ, কুটুম্ব, চুবুৰী ইত্যাদিৰ কেন্দ্ৰ কৰি মানুহে মিলিজুলি জীৱন-যাপন কৰিবলৈ ল'লে। পিছলৈ বিজ্ঞানৰ ন-ন আবিষ্কাৰে মানুহক যন্ত্ৰ নিৰ্ভৰ আৰু বস্তুবাদী হ'বলৈ শিকালে। সৰলতাৰ পৰা জটিলতালৈ অগ্ৰসৰ হোৱাৰ পথো প্ৰশস্ত হৈ পৰিল। বংশ পৰিয়ালত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হৈ মানুহৰ মাজত পাৰস্পৰিক সহযোগিতা কমি আহিবলৈ ধৰিলে। সমাজৰ মূল শক্তি পাৰস্পৰিক নিৰ্ভৰশীলতা নিক্ৰিয় হৈ পৰাত ক্ৰমাৎ নিঃসংগতাৰ সূচনা হ'ল। প্ৰাকৃতিক আৰু সংঘবদ্ধ জীৱনৰ পৰা বিচ্ছিন্ন হোৱাত এচাম সংবেদনশীল মানুহৰ মনত দুঃখবোধে ক্ৰিয়া কৰিলে। দাৰ্শনিক ৰুচোই আৰণ্যিক জীৱনলৈ প্ৰত্যাৱৰ্তনৰ সপোন দেখিলে। ওৱৰ্থছৰ্থ আৰু তেওঁৰ সমসাময়িক কবিসকলৰ চিন্তাধাৰাত প্ৰকৃতি আৰু মানৱাত্মাৰ সুৰ শুনা গ'ল। কিন্তু আদিম আৰণ্যিক যুগৰ সেই সুৰীয়া জীৱনৰ ছন্দ পুনৰ উভটি নাহিল। শিল্প বাণিজ্যৰ বিকাশৰ লগে লগে মানুহৰ মাজত প্ৰতিযোগিতা বাঢ়িল; অৰ্থলিপ্সা আৰু সম্পত্তিৰ নিৰাপত্তাৰ বাবে মানৱীয় প্ৰমূল্যৰ ওপৰত আঘাত সৃষ্টি হ'ল। সামাজিক কৰ্তব্যতকৈ ব্যক্তিস্বাৰ্থই প্ৰধান্য পালে। সমাজত সৃষ্টি হ'ল বিভিন্ন জটিল চৰিত্ৰৰ। এচামে অধিক আগুৱাই গৈ ঈশ্বৰৰ অস্তিত্বৰ ওপৰত প্ৰশ্ন তুলিলে। নীৎছেই 'God was dead' বুলি ঈশ্বৰৰ মৃত্যু ঘোষণা কৰিবলৈ কুণ্ঠিত নহ'ল। মানুহ কেৱল মানুহৰ পৰাই নহয়, ঈশ্বৰ ধাৰণাৰ পৰাও বিচ্ছিন্ন হৈ পৰিল। ক্ৰমান্বয়ে মানৱীয় প্ৰমূল্যৰ অৱক্ষয় ঘটিল আৰু ইয়ে ৰূপ

ল'লৈ ব্যক্তিগত নিঃসংগতা আৰু বিচ্ছিন্নতাবোধ। ব্ৰেখটৰ 'দা ককেচিয়ান চক চাৰ্কোল' নাটকত বিচ্ছিন্নতাবাদৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। নাটকৰ কাহিনীত ৰাজহাউলীত বিদ্ৰোহ হওঁতে গৱনৰৰ পৰিবাৰে পলাই যাওঁতে তেওঁৰ মূল্যবান আ-অলংকাৰ বয় বস্তু নিবলৈ পাহৰা নাই ; কিন্তু নিবলৈ পাহৰিছে নিজৰ নৱজাত সন্তানক। ইয়াত সন্তানৰ প্ৰতি মাতৃৰ মৰমৰ বিচ্ছিন্নতা দেখুওৱা হৈছে। সেইদৰে আজিৰ সমাজত মূল্যবোধৰো অতি দ্ৰুতগতিত পৰিবৰ্তন ঘটিছে। আগৰ সমাজত, মানুহৰ লক্ষ্য আছিল-পূণ্য লাভ ; বৰ্তমান টকাসৰ্বস্ব সংস্কৃতিয়ে মানুহক টকা ঘটা যন্ত্ৰলৈ পৰ্যবসিত কৰাত মানুহৰ লক্ষ্য হ'ল বিলাসবহুল জীৱন লাভ। 'ডাঙৰ মানুহ'ৰ সংজ্ঞা ক্ৰমান্বয়ে শিক্ষিত শ্ৰেণীৰ পৰা ধনৱন্ত আৰু ৰাজনৈতিক দালাললৈ পৰিবৰ্তিত হৈছে। নৈতিকতা পাপ-পূণ্যবোধ নাই কিয়া হৈ আত্মকেন্দ্ৰিকতা আৰু ক্ৰৰতাই বৰ্তমান সমাজ ব্যৱস্থাক কোঙা কৰি পেলাইছে। সাম্প্ৰতিক বিশ্বসাহিত্যৰ অন্যতম শ্ৰেষ্ঠ ঔপন্যাসিক গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজৰ সাহিত্য কৰ্মত নিঃসংগতাবোধৰ সৰ্বগ্ৰাসী আভাসেই নহয়, তাৰ লগতে আছে জীৱনৰ অৱশ্যম্ভাৱী পৰিণতিক সহজভাৱে আকোঁৱালি লোৱাৰ অভিনৱ দৰ্শন। মাৰ্কেজৰ 'ষ্ট্ৰেঞ্জ পিলগ্ৰীমছ্' সংকলনখনৰ প্ৰতিটো গল্পই মানুহৰ নিৰ্বাসিত জীৱনৰ অসহায়তা, বিষাদময়তাৰ লগতে নিঃসংগতাবোধেৰে সিক্ত।

বিংশ শতাব্দীত বিশ্বৰ সকলো জনজীৱন আৰু সাহিত্যতে ক্ৰিয়া কৰা নিঃসংগতাবোধে অসমীয়া জনজীৱন আৰু সাহিত্যতো প্ৰভাৱ বিস্তাৰ কৰিছে। প্ৰাশ্চাত্যৰ আৰ্হিত অসমতো নগৰায়ন হোৱাৰ ফলত ক্ৰমান্বয়ে ভোগবাদ আৰু আত্মকেন্দ্ৰিকতাই তীব্ৰ ৰূপ লৈছে। সমাজৰ এই পৰিবৰ্তনৰ দিশসমূহ সংবেদনশীল লেখক সমাজে তেওঁলোকৰ সাহিত্য শিল্পত তুলি ধৰিছে।

মননশীল সাহিত্যিক হোমেন বৰগোহাঞিৰ সাহিত্যকৰ্ম সমূহত নিঃসংগতাৰ মনঃস্তাত্বিক বিশ্লেষণ আগবঢ়োৱা হৈছে। বহুক্ষেত্ৰত আত্মহত্যাৰ প্ৰৱণতা আৰু মৃত্যুস্পৃহাৰ প্ৰাবল্যৰ কাৰণ ব্যক্তিগত নিঃসংগতা বুলি চিহ্নিত হৈছে। বৰগোহাঞিৰ 'এপিটাফ' গল্পৰ নায়ক গৌতম বৰুৱাই নিজকে 'সমাজ-বিচ্ছিন্ন, নিঃসংগ, চিনিক' হিচাপে কল্পনা কৰি ভাল পায়— "সচাঁকৈয়ে এই বিশাল জগতখনত কাৰো লগত মোৰ অকণো সম্বন্ধ নাই ; মই বিচ্ছিন্ন, একক নিঃসংগ", গল্পটিত নায়ক গৌতম বৰুৱাই পোহনীয়া কুকুৰ 'ডোৰা'ক হত্যা কৰা আৰু নিজে আত্মহত্যা কৰাৰ যি প্ৰত্যয়জনক বিশ্লেষণ আগবঢ়োৱা হৈছে সেই ফালৰ পৰা বৰগোহাঞিৰ 'এপিটাফ' অসমীয়া গল্প সাহিত্যত এক নতুন সংযোজন। তেওঁ 'অক্টোপাছ' আৰু 'চিকাৰ' গল্পতো আত্মহত্যাৰ প্ৰৱণতাৰ এক মনঃসমীক্ষা আগবঢ়াইছে। একেজন লেখকৰে 'অন্তৰাগ' উপন্যাসত বৃদ্ধ অৱস্থাৰ নিঃসংগতাৰ এক চূড়ান্ত ৰূপ দিয়া হৈছে। পুত্ৰই পিতৃৰ বাৰ্ধক্য আৰু নিঃসংগতা প্ৰতি মূহুৰ্ততে অনুভৱ কৰিছে যদিও জীৱিকাৰ তাড়না কিম্বা আধুনিক ব্যস্ততাপূৰ্ণ জীৱনযাত্ৰাৰ বাবে বৃদ্ধৰ সেই কাৰুণ্য লাঘৱ কৰিব পৰা নাই। বৰঞ্চ নগৰীয়া জীৱনযাত্ৰাৰ প্ৰতি বীতশ্ৰদ্ধ হৈ বৃদ্ধই মানসিক ভাৰসাম্যতা হেৰুৱাইছে আৰু চেনাইল ডিমেনছিয়াত ভূগিছে। জীৱনৰ শেষ মুহূৰ্ততো বৃদ্ধই নিঃসংগতা আৰু চহৰীয়া জীৱন মানি ল'ব পৰা নাই আৰু "দুল মই যবলৈ..." বুলি সেই স্থিতিকে পুনৰ প্ৰতিপন্ন কৰি মৃত্যুবৰণ কৰিছে। তেওঁৰ আন এখন উপন্যাস 'তান্ত্ৰিক'ত অৰুণ চক্ৰৱৰ্তী চৰিত্ৰটি নিঃসংগতাবোধৰ প্ৰতিভূ হিচাপে থিয় দিছে। অৰুণৰ দৰ্শনমতে আত্মহত্যা একো পাপ কাম নহয়। মানুহ জীয়াই থকাৰ যিদৰে অধিকাৰ আছে সেইদৰে আছে নিজৰ জীৱনক নিজে অন্ত পেলোৱাৰ অধিকাৰ। এনে বিশ্বাসতে অৰুণে কৈছে— "চিফিলিচ মোৰ হোৱা নাছিল সচাঁ, কিন্তু তাতকৈ বহুগুণে ভয়ংকৰ এটা ৰোগৰ বীজাণু জন্মতেই মোৰ জীৱনলৈ সংক্ৰমিত হৈছিল... এই ৰোগটো কি জানে? চৰম নিঃসংগতাবোধ। এই চৰম আৰু পৰম বিশ্বাস যে জীৱনটো সচাঁকৈয়ে অসাৰ আৰু অৰ্থহীন। যি যন্ত্ৰণাই জীৱনৰ একমাত্ৰ বিধিলিপি, যি যন্ত্ৰণা সম্পূৰ্ণ ৰূপে অৰ্থহীন, উদ্দেশ্যহীন আৰু অসাৰ্থক।... এই বিশ্বজগত আৰু মোৰ জীৱন দুয়োটা বস্তুৱেই সমানে অৰ্থহীন।"

আন এগৰাকী বিশিষ্ট কথাশিল্পী ভবেন্দ্ৰনাথ শইকীয়াৰ 'শতাব্দী' নাটকত আধুনিক জীৱনযাত্ৰাত কিদৰে যান্ত্ৰিকতা আৰু ব্যস্ততাই মানুহৰ হৃদয়বৃত্তি অচল আৰু পৰস্পৰ সম্পৰ্ক শূন্য কৰি তুলিছে তাক সুন্দৰকৈ দেখুৱাইছে। নিজৰ সতি-সন্ততিৰ পৰা আশানুৰূপ অন্তৰংগতা আৰু প্ৰাণৰ স্পৰ্শ নাপাই নাটকৰ নায়ক সনাতন অধিকাৰী জীৱন সম্পৰ্কে হতাশগ্ৰস্ত হৈ পৰিছে। তেওঁ অনুভৱ কৰিছে যে আধুনিক মানুহৰ বাবে বাধৰ্ক্য এটা কঢ়িয়াব নোৱাৰা বোজা। আপাহস্বৰূপে তেওঁ বাচি লৈছে আত্মহননৰ পথ। এই পথত তেওঁ সংগী কৰি লৈছে তেওঁৰ পত্নীকো। আত্মহত্যাৰ প্ৰৱণতাৰ মনঃসমীক্ষাৰ এক তাত্বিক সত্য স্বৰূপে নাটকখনত দক্ষতাৰে ধৰা দিছে নিঃসংগতাই। শইকীয়াই 'গহ্বৰ' আৰু 'গ্ৰহণ' গল্পৰ মাজেদি জীৱনৰ এক গভীৰ বাৰ্তা (Message of life) দিবলৈ সক্ষম হৈছে। গ্ৰহণ গল্পৰ কেন্দ্ৰীয় ভাব নিঃসংগ যাতনা আৰু কাৰুণ্যৰে ওপচা। গল্পটিত জীৱনৰ গভীৰ সত্যৰ উপলব্ধি আৰু উপলব্ধিজনিত কাৰুণ্যৰ পীড়া অতি গভীৰ। তদ্ৰূপ 'গহ্বৰ' গল্পটোতো মিঃ পিয়েনাৰ বিচ্ছিন্নতাবাদ আৰু ক্ৰমশঃ নিঃসংগতাৰ বলি। আধুনিক জীৱন যাত্ৰাই মানুহৰ হৃদয়বৃত্তি নিঃশেষ কৰি যন্ত্ৰলৈ পৰ্যবসিত কৰাৰ এক অনুভূতিক বিশ্লেষণ গল্পটোত আছে।

সৌৰভ কুমাৰ চলিহাৰ সাহিত্যও আধুনিক জীৱনৰ ভগ্ন হৃদৰ গভীৰ কাৰুণ্যৰে ভৰা। আধুনিক যন্ত্ৰযুগে মানুহক যিমান ব্যক্তিকেন্দ্ৰিক কৰি তুলিছে সিমানেই মানুহ বিচ্ছিন্ন হ'বলৈ বাধ্য হৈছে। চলিহাৰ 'অশান্ত ইলেকট্ৰন' শীৰ্ষক গল্পত মানুহৰ জীৱনৰ নিঃসংগতাৰ বৰ্ণনা মৰ্মস্তুদ ৰূপত ধৰা দিছে। যি পুত্ৰ কন্যাক লৈ এদিন পিতৃ-মাতৃয়ে সোণৰ সপোন ৰচে

সেই পুত্ৰ কন্যাই বাৰ্ধক্যজৰ্জৰ পিতৃমাতৃক সমস্যা ৰূপেহে জ্ঞান কৰিবলৈ লয়। এজন বৃদ্ধ পিতৃৰ প্ৰতি পুত্ৰ আৰু পুত্ৰবধুৰ হৃদয়হীন আচৰণৰ আভাস দিবলৈ গৈ চলিহাই লিখিছে— "কোনেও যেন ভালকৈ দুআষাৰ কথা পাতিব নোখোজে, সকলোৱে যেন বৃদ্ধক এৰাই চলিব খোজে, দুৰ্বল শৰীৰ, ক্ষীণ দৃষ্টিশক্তিক লৈ বৃদ্ধই খবৰ কাগজৰ পৰা পৃথিৱীৰ স্পন্দনটো অনুভৱ কৰিবলৈ চেষ্টা কৰে।" আধুনিক সভ্যতাই সৃষ্টি কৰা নিঃসংগ পীড়াৰ বৰ্ণনাই 'অশান্ত ইলেকট্ৰন' গল্পটোক কালজয়ীতা প্ৰদান কৰিছে।

একেটা ধাৰাৰে আন এজন সাহিত্যিক নগেন শইকীয়াৰ গল্পতো ৰুগ্ন মানসিকতাৰ মনস্তাত্বিক বিশ্লেষণ পোৱা যায়। অৱস্থিতিবাদী চিন্তাধাৰাৰে শইকীয়াৰ বহু গল্পত জীৱনৰ সত্তাৰ সন্ধান কৰা হৈছে আৰু জীৱনৰ পৰিবৰ্তনশীল ৰূপৰ নতুন ব্যাখ্যা দিয়া হৈছে।

কেৱল সাহিত্যতে নহয় বৰ্তমান বিচ্ছিন্নতাবাদী চিন্তাধাৰাই মানুহৰ অস্তিত্বৰ সংকট, জীৱনৰ প্ৰতি মানুহৰ মোহভংগ বা উদ্দেশ্যহীনতা আদিক সৱল কৰি তুলিছে। বৰ্তমান মানুহৰ প্ৰতিবেশীৰ লগত শাৰীৰিক সামীপ্য আছে যদিও মানসিক সামীপ্যৰ অভাৱ ঘটিছে। এনে পৰিস্থিতিত কোনেও কাৰো ওপৰত আস্থা ৰাখিব নোৱাৰা হৈছে। প্ৰত্যেকেই প্ৰত্যেকক শত্ৰু বা চোৰাংচোৱা বুলি ভাবিবলৈ লৈছে। ব্যক্তিকেন্দ্ৰিকতাই কোঙা কৰা সমাজৰ জটিলতাৰ পৰিপ্ৰেক্ষিতত কবি ইছমাইল হোছেইনে 'জীৱন আৰু মানুহ বিষয়ক' শীৰ্ষক কাব্য গ্ৰন্থত লিখিছে— "দীৰ্ঘদিন ধৰি মহানগৰীৰ অসুখ। সংক্ৰামক ৰোগৰ ভয়ত মানুহবোৰে হৃদপিণ্ডটো হাতত ৰাখিছে। কোনেও ক'ব নোৱাৰে কেতিয়া ক'ত এৰি যায় কাৰ বৰ্তমান পৰিচয় আৰু ঠিকনা। ভীষণ অভাৱত মানুহবোৰে দিন নিয়াইছে। বিশুদ্ধ পানী, বায়ু, খাদ্য আৰু পৰিবেশৰ অভাৱ। বিশুদ্ধ প্ৰশাসন, নিৰাপত্তা, শান্তি, বিশ্বাস, সমন্বয়, আন্তৰিকতা আৰু হৃদয়ৰ অভাৱ।"

এনে পৰিস্থিতিত এচাম মুষ্টিমেয় ব্যক্তিয়ে আনুভূতিক সংঘাতৰ লগত আপোচ কৰিব নোৱাৰি আত্মহননৰ পথ বাচি লৈছে। বিশ্বৰ বৰেণ্য সাহিত্যিক আৰ্ণেষ্ট টলাৰ, হেমিংৱে, উলফ আদিৰ নাম এই ক্ষেত্ৰত পোনচাটেই ল'ব লাগিব। অনস্বীকাৰ্য যে এনে জটিলতাৰ পৰিপ্ৰেক্ষিতত আত্মহত্যা আশু সমাধানৰ পথ হ'ব নোৱাৰে। নিঃসংগতাক আশ্ৰয় কৰি জীয়াই থকাই নহয়, সৃষ্টিও সম্ভৱ হয়। প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিয়ে নিঃসংগতাক সৃষ্টিশীলতা আৰু প্ৰজ্ঞাৰ আধাৰ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰি জীৱনৰ সাৰ্থকতা প্ৰতিপন্ন কৰিছে— "মই আন সকলোৱে কাৰণে বিচাৰিছিলো সুখ, আৰু মোৰ নিজৰ কাৰণে নিঃসংগতা আৰু শান্তি।" আমেৰিকাৰ মহিলা কবি এমিলি ডিকিনছনেও নিঃসংগতাক সমস্ত জীৱনৰ লগৰী হিচাপে গ্ৰহণ কৰিছিল। দুই এক চিন্তাবিদ বা মেধাসম্পন্ন ব্যক্তিয়ে নিঃসংগতাক সৃষ্টিশীলতালৈ ৰূপান্তৰিত কৰিছে যদিও মানৱিক সম্পৰ্কৰ এনে জটিলতাৰ পৰিপ্ৰেক্ষিতত বহুতেই নিঃসংগতা আৰু বিচ্ছিন্নতাৰ লগত আপোচ কৰিব পৰা নাই। জীৱনৰ প্ৰতি গভীৰ মোহ আৰু মানবীয় গুণৰ পুনৰুত্থানৰ অবিহনে আধুনিক যুগৰ নিঃসংগতাৰ অৱসান সম্ভৱ নহয়। প্ৰাশ্চাত্য আৰ্হিৰ বৃদ্ধাশ্ৰম ব্যৱস্থাই মানুহক আত্মীয়জনৰ পৰা বিচ্ছিন্ন কৰাৰ লগতে মানুহৰ নিঃসংগতাত ইন্ধনহে যোগায়। আত্মিক সম্পৰ্ক আৰু পাৰস্পৰিক সহযোগিতা আহিবনে অদূৰ ভৱিষ্যতে নিঃসংগতাই সকলোকে ছানি ধৰিব।

**সহায়ক গ্ৰন্থপঞ্জী**


১। অসমীয়া সাহিত্যৰ বুৰঞ্জী — ষষ্ঠ খণ্ড

২। সাহিত্য দৰ্পণ। পূৰ্ণানন্দ শইকীয়া

৩। কিতাপ আৰু সংলাপ — মুনীন বায়ন

৪। অসমীয়া চুটি গল্প অধ্যয়ন — প্ৰহ্লাদ কুমাৰ বৰুৱা

৫। চাৰিটা দশকৰ ফচল গল্প আৰু প্ৰবন্ধ — হোমেন বৰগোহাঞি।

৬। শতাব্দী — ভবেন্দ্ৰ নাথ শইকীয়া।

৭। অশান্ত ইলেকট্ৰন— সৌৰভ কুমাৰ চলিহা
লগতে হোমেন বৰগোহাঞিৰ বিভিন্ন ৰচনাৰাজি।



*লেখক, স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগৰ ছাত্ৰ*

# প্ৰাক-স্বাধীনতা কালৰ সংবাদপত্ৰত জাতীয়তাবোধ

গকুল কুমাৰ দাস

মানৰ অসম আগমনৰ আগতে অসমত সোণৰ ফুল ফুলিছিল। মানে সোণৰ অসমক মৰিশালিত পৰিণত কৰি থৈ যোৱাৰ পিছত ১৮২৬ খৃষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসমত থিতাপি লয়হি ইংৰাজসকলে। বৃটিছে পুঁজিবাদী অৰ্থনীতিৰ আক্ৰমণেৰে অসমৰ সামন্ত প্ৰভুসকলক ধ্বংস কৰিলে আৰু একেসময়তে বিস্তৰ ভূসম্পত্তি আৰু শিষ্য সম্পত্তিৰে সমৃদ্ধ অসমৰ মৰ্যাদাৰ কীৰ্ত্তিস্তম্ভ সত্ৰানুষ্ঠান সমূহক উপযুক্ত ৰক্ষণাবেক্ষণ দিবলৈ ধৰিলে। সত্ৰৰ জৰিয়তে অসমীয়া মানুহক তেওঁলোকৰ প্ৰতি আনুগত্যশীল কৰি তোলাই আছিল বৃটিছসকলৰ উদ্দেশ্য। তীৰ্থনাথ শৰ্মাৰ 'আউনীআটী সত্ৰৰ বুৰঞ্জী' শীৰ্ষক গ্ৰন্থত বৃটিছ চাহাবসকলৰ সত্ৰলৈ সঘন আহ-যাহৰ উল্লেখ আছে।

খৃষ্টান মিছনেৰীসকলে ১৮৪৬ খৃষ্টাব্দৰ জানুৱাৰী মাহত শিৱসাগৰৰ দিখৌ পাৰৰ বেপ্টিষ্ট মিছনেৰী প্ৰেছৰ পৰা 'অৰুণোদই' প্ৰকাশ কৰাৰ লগে লগে সমগ্ৰ অসমতে খলকনি লাগি পৰিল। 'অৰুণোদই'ৰ যোগেদি মিছনেৰীসকলে ধৰ্মপ্ৰচাৰৰ যি উদ্দেশ্য হাতত ল'লে তাকে দেখি অসমত হিন্দুধৰ্মৰ ৰখীয়াস্বৰূপ সত্ৰানুষ্ঠান সমূহৰ চকুত টোপনি নোহোৱা হ'ল, অস্তিত্ব বিলুপ্ত হোৱাৰ ভয়ত ত্ৰাহি মধুসূদন দেখিলে। ছপাযন্ত্ৰৰ লগত কাপ-মৈলাম আৰু সাঁচিপাতে ফেৰ মাৰিব নোৱাৰা হ'ল। গতিকে স্বাভাৱিকতে মিছনেৰীসকল আগবাঢ়ি গ'ল। মিছনেৰীসকলৰ আগ্ৰাসনত অতিশয় চিন্তিত হৈ আউনীআটী সত্ৰৰ অধিকাৰ দেৱদত্ত গোস্বামীয়ে শিৱসাগৰলৈ গৈ ছপাযন্ত্ৰৰ কায়দা শিকিবুজি ল'লেগৈ। ছপাযন্ত্ৰৰ কৌশল শিকি আহি ১৮৭১ খৃষ্টাব্দত দেৱদত্ত গোস্বামীৰ উদ্যোগতে অসমীয়া মালিকৰ প্ৰথম ছপাযন্ত্ৰ 'ধৰ্মপ্ৰকাশ' আউনীআটী সত্ৰতে প্ৰতিষ্ঠা কৰা হয় আৰু দেশহিতৈষী অসমীয়া মানুহৰ সম্পাদনাত 'আসাম বিলাসিনী' ছপা হৈ ওলায়। 'অৰুণোদই'ৰ প্ৰতিক্ৰিয়া স্বৰূপে জন্ম লাভ কৰা 'আসাম বিলাসিনী' অসমীয়া সাংবাদিকতা জগতখনৰ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। 'আসাম বিলাসিনী' অসমীয়া মানুহৰ দুঃসাহসিকতাৰ প্ৰতীক আৰু প্ৰগতিশীলতাৰ পৰিচায়ক। পাশ্চাত্য শিক্ষাৰে আগুৱা এটা বন্ধ কোঠাৰ পৰা ওলাই আহি পাশ্চাত্য সভ্যতাৰ মহত্তম অনুষ্ঠান ছপাযন্ত্ৰৰ প্ৰতিষ্ঠা কৰাটো নিতান্তই সেই যুগৰ দুৰন্ত প্ৰচেষ্টা। ১৮৮৩ খৃষ্টাব্দত 'আসাম বিলাসিনী'ৰ মৃত্যু হয়। ইয়াৰ উপৰিও সেই সত্ৰৰ পৰাই ১৮৭৬ চনত 'আসাম দীপক' আৰু ১৮৮৮ চনত 'আসাম তৰা' নামৰ দুখন অল্পদিনীয়া আলোচনী প্ৰকাশ হয়। আউনীআটী সত্ৰৰ পৰা অনুপ্ৰেৰণা লাভ কৰি নগাঁৱৰ দিহিং সত্ৰৰ পৰাও ১৮৭৬ চনত এখন ধৰ্মালোচনী প্ৰকাশ হৈ ওলায়।

বৃটিছসকল অসমলৈ অহাৰ পৰা পঞ্চাশ বছৰৰো অধিক সময়ৰ ধনতান্ত্ৰিক প্ৰশাসন, সত্ৰকে আদি কৰি ধৰ্মানুষ্ঠানসমূহৰ সংস্পৰ্শ আৰু পাশ্চাত্য শিক্ষাৰ প্ৰভাৱৰ লগতে বৃটিছ শাসনৰ কেন্দ্ৰস্থল কলিকতাৰ সঘনে যোগাযোগ হোৱাৰ ফলত অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক আৰু সামাজিক চেতনা জাগ্ৰত হৈ উঠিছিল। সেই সময়ত অসমীয়া মধ্যবিত্ত শ্ৰেণীটোক বৃটিছৰ চাহ ব্যৱসায়ৰ সাফল্যই প্ৰভাৱিত কৰিছিল আৰু এই শ্ৰেণীটোও চাহ-ব্যৱসায়ৰ প্ৰতি আগ্ৰহী হৈ উঠিছিল। চাহ খেতিক ব্যৱসায় হিচাপে লৈ মণিৰাম দেৱানে উত্তৰসূৰী অসমীয়াক

খৃষ্টান মিছনেৰীসকলে ১৮৪৬ খৃষ্টাব্দৰ জানুৱাৰী মাহত শিৱসাগৰৰ দিখৌ পাৰৰ বেপ্টিষ্ট মিছনেৰী প্ৰেছৰ পৰা 'অৰুণোদই' প্ৰকাশ কৰাৰ লগে লগে সমগ্ৰ অসমতে খলকনি লাগি পৰিল। 'অৰুণোদই'ৰ যোগেদি মিছনেৰীসকলে ধৰ্মপ্ৰচাৰৰ যি উদ্দেশ্য হাতত ল'লে তাকে দেখি অসমত হিন্দুধৰ্মৰ ৰখীয়াস্বৰূপ সত্ৰানুষ্ঠান সমূহৰ চকুত টোপনি নোহোৱা হ'ল, অস্তিত্ব বিলুপ্ত হোৱাৰ ভয়ত ত্ৰাহি মধুসূদন দেখিলে। ছপাযন্ত্ৰৰ যন্ত্ৰৰ লগত কাপ-মৈলাম আৰু সাঁচিপাতে ফেৰ মাৰিব নোৱাৰা হ'ল।

পথ প্ৰদৰ্শন কৰিছিল আৰু দেখুৱাই দিছিল যে অসমীয়াসকল বৃটিছতকৈ কোনোগুণে কম নহয়। দেৱানৰ পিছত বোযেশ্বৰ বৰুৱাইও অভূতপূৰ্ব সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছিল। পিছলৈ শিক্ষিত অসমীয়াসকলো এই ব্যৱসায়ৰ প্ৰতি আগ্ৰহী হৈ পৰিছিল। উজনি অসমৰ প্ৰথম স্নাতক ডিগ্ৰীধাৰী জগন্নাথ বৰুৱায়ো অশেষ কষ্ট, শ্ৰম আৰু চেষ্টাৰে চাহখেতিক এক উচ্চকাংক্ষী ব্যৱসায়ত পৰিণত কৰিবলৈ সক্ষম হৈছিল। জগন্নাথ বৰুৱাই দেখুৱাই যোৱা পথেৰে আগবাঢ়ি বিষ্ণুৰাম বৰুৱা আৰু ৰাধাকান্ত সন্দিকৈয়েও সফলতা অৰ্জন কৰিছিল। কিন্তু চাহৰ দাম, বজাৰ, পৰিবহণ পৰিবেশন, কেচাঁমাল আৰু যন্ত্ৰপাতি আদি বৃটিচৰ অধীনত থকাত চাহ ব্যৱসায় কৰা অসমীয়াসকল বৃটিছৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব পৰা নাছিল। এওঁসকলে সততে বৃটিছৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। সেয়েহে ব্যৱসায়ত সাফল্যমণ্ডিত কৰাৰ বাবে তেওঁ লোকে শিক্ষা, সাহিত্য আৰু জাতীয়তাবাদৰ প্ৰতি পৰ্যাপ্ত অগ্ৰহ দেখুৱাব পৰা নাছিল। বৃটিছ সাম্ৰাজ্যবাদী অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱা হেতুকেই অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে জাতীয় আন্দোলনৰ নেতৃত্ব বহন কৰিবলৈ অসমৰ্থ হৈছিল। পিছে মধ্যবিত্ত শ্ৰেণীটোৱে এচামে সাম্ৰাজ্যবাদী প্ৰভুসকলৰ পৰা লাভ কৰিছিল চৰম অৱজ্ঞা আৰু অপমান। ফলস্বৰূপেই শ্ৰেণীটোৰ জাত্যাভিমান জাগি উঠিছিল।

এই সময়চোৱাৰ অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে বাংলা সংস্কৃতিৰ সংস্পৰ্শ লাভ কৰি নিজৰ ধ্যান-ধাৰণা উন্নত কৰিবলৈ সক্ষম হৈছিল। শ্ৰেণীটোৱে নিজৰ পূৰ্বপৰিচয় আৰু আত্মপ্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম চলাইছিল। সেই সময়ত অসমত বাংলা ভাষাৰ আগ্ৰাসনে অসমীয়া মধ্যবিত্তচামৰ মনত নিজৰ ভাষা-সংস্কৃতিক নতুনকৈ প্ৰতিষ্ঠা কৰাৰ চিন্তা জগাই তুলিছিল। বাঙালীৰ স্বজাত্যাভিমানে অসমীয়াকো জত্যাভিমানৰ শিক্ষা দিলে। অস্তিত্ব জীয়াই ৰখাৰ স্বাৰ্থত, নিজকে শক্তিশালী আৰু সুপ্ৰতিষ্ঠিত কৰাৰ স্বাৰ্থত অসমীয়া মধ্যবিত্ত চামক বৃটিছ সাম্ৰাজ্যবাদৰ প্ৰতি ওচৰ চপাই লৈ গৈছিল। আমেৰিকান মিছনেৰীসকলে অসমীয়া ভাষাৰ লগতে অসমীয়া জাতিৰ বুৰঞ্জীৰ প্ৰতিও সীমাহীন 'মৰম' প্ৰদৰ্শন কৰিছিল। অসমীয়া মানুহে এই 'মৰম'ৰ মাজত কোনো কুটিলতা দেখিবলৈ পোৱা নাছিল। বঙালীভাষাই অসমীয়া ভাষাক গ্ৰাস কৰি পেলোৱাৰ ভয়ে সচেতন অসমীয়া চামৰ বুকুলৈকে শিপাইছিল। অসমক বঙলাৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰাৰ স্বাৰ্থতেই উনবিংশ শতিকাৰ অন্তিম দশক দুটাত অসমীয়া ভাষালৈ এক নতুন জোঁৱাৰ আহিল। অসমীয়া ভাষা আৰু সাহিত্যত সূচনা হোৱা এই নৱজাগৰণৰ ফলতেই এক শ্ৰেণীৰ কাকত-আলোচনীৰ লগতে এশ্ৰেণীৰ সাহিত্যিক-সমালোচকৰো উদ্ভৱ হ'ল।

১৮৮২ চনত পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত ফুকন-বৰুৱা ব্ৰাদাৰ্চৰ দ্বাৰা গুৱাহাটীৰ পৰা ইংৰাজী-অসমীয়া সাপ্তাহিক কাকত 'আসাম নিউজ' প্ৰকাশ হৈ ওলায়। হেমচন্দ্ৰ বৰুৱাই 'আসাম নিউজ'ত অসমীয়া ভাষাৰ শুদ্ধ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিছিল। এটা আখৰৰ সলনি কলিকতাৰ পৰা মগাই আনি অযথা পলম কৰাতকৈ অন্য এটা আখৰ (যেনে 'ৰ'ৰ ঠাইত ৰ বা ড়; 'ৱ'ৰ ঠাইত ব) ব্যৱহাৰ কৰাৰ মুঠেই পক্ষপাতী তেওঁ নাছিল। অশুদ্ধ আখৰৰ প্ৰবন্ধপাতি তেওঁ পোনচাটেই প্ৰত্যাখ্যান কৰিছিল। তাহানিতে প্ৰায় ন শ গ্ৰাহক পোৱা সত্বেও ১৮৮৫ চনৰ জুলাই মাহৰ পৰা 'আসাম নিউজ'ৰ প্ৰকাশ বন্ধ হয়। ১৮৮৫ চনত গুণাভিৰাম বৰুৱাৰ সম্পাদনাত কলিকতাৰ পৰা 'আসাম বন্ধু' প্ৰকাশ হৈ ওলায়। ১৮৮৬ চনত ইয়াৰ প্ৰকাশ বন্ধ হয়। ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত গুণাভিৰাম হেমচন্দ্ৰতকৈ কিছু নৰম আছিল। গুণাভিৰামে তেওঁৰ আগৰ চামৰ প্ৰভাৱশালী লিখক আনন্দৰাম ঢেকিয়াল ফুকনৰ জোখতে খোজ মিলাই আগবাঢ়ি গৈছিল। ঢেকিয়াল ফুকনৰ পথতে আগবাঢ়ি হেমচন্দ্ৰ আৰু গুণাভিৰামে স্ত্ৰীশিক্ষা আৰু স্ত্ৰী-স্বাধীনতাৰ অৰ্থে যুঁজ দিছিল। ১৮৮৬ চনত বলিনাৰায়ণ বৰা আৰু হৰিনাৰায়ণ বৰাৰ আপ্ৰাণ চেষ্টাত কলিকতাৰ ১০০ নং বহুবজাৰ ষ্ট্ৰীটৰ পৰা 'মৌ' আলোচনী প্ৰকাশ হয়। বলিনাৰায়ণ বৰা, গুণাভিৰাম বৰুৱাকে ধৰি এচাম প্ৰতিভাধৰ অসমীয়াই বঙ্গদেশৰ অভিজাত শ্ৰেণীটোৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিছিল। এইসকল অসমীয়াই বঙালীসকলক উচ্চজাত আৰু নিম্ন জাত বুলি দুটা ভাগত বিভক্ত কৰিছিল আৰু উচ্চজাতৰ বঙালীক ভাল আৰু নিম্ন জাতৰ বঙালীক বেয়া বুলি কৈছিল। 'আসাম বন্ধু'ৰ প্ৰথম বছৰ তৃতীয় সংখ্যাত এজন বঙালীবিদ্বেষী শিক্ষিত অসমীয়াই 'বঙালি'নামৰ প্ৰবন্ধ এটা লিখি তাতে সংস্কৃত কবিতাৰ পংক্তি এটা দি বঙালী বিদ্বেষী মনোভাৱৰ পৰিচয় দিছিল। এই গৰাকী অসমীয়াৰ মতে বঙালীসকল হেনো "দেশে সিংহসমা, বনে পশুসমা, দেশান্তৰে জম্বুকাঃ। আহাৰে বক-কাক-শুকৰসমাঃ ছাগোপমা মৈথুনে। ৰূপে মৰ্কটবৎ পিশাচ বদনাঃ ৰক্তাঃ খলা, দুৰ্জনাঃ। বাঙ্গলা যদি মানুষা হৰি হৰি, প্ৰেতস্তদা কীদৃশাঃ।"

১৮৮৯ চনৰ ৯ফ্ৰেব্ৰুৱাৰীত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ৰ সৌজন্যত কলিকতাত পঢ়িবলৈ যোৱা কেইজনমান অত্যুৎসাহী ডেকাৰ প্ৰচেষ্টাত 'জোনাকী' প্ৰকাশ পায়। মাহেকীয়াকৈ প্ৰকাশ পোৱা 'জোনাকী'য়ে এক নতুন যুগৰ সূচনা কৰে। 'জোনাকী'ৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী'ৰ 'আত্মকথা'ত নিজৰ উদ্দেশ্য ব্যাখ্যা কৰি লিখিলে— "এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সু মুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙ্গতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম।... আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য দেশৰ উন্নতি জোনাক।"

কিন্তু এনে সময়তে বিলনাৰায়ণ বৰাই 'মৌ' আলোচনীত বঙালী বিদ্বেষৰ বাবে অসমীয়াসকলক ক্ষুৰধাৰ সমালোচনা কৰিছিল যাৰ বাবে অসমীয়া মধ্যবিত্ত শ্ৰেণীটো বৰাৰ তীব্ৰ বিৰোধী হৈ উঠিছিল। মধ্যবিত্ত শ্ৰেণীৰ ৰোষৰ বলি হ'ব লগা হোৱা হেতুকেই 'মৌ' আলোচনী সৰহদিন নিটিকিল। মাত্ৰ চাৰিটা সংখ্যাতে 'মৌ'ৰ মৌ সমাপ্ত হ'ল। ১৮৮৬ চনত আউনীআটী সত্ৰৰ পৰা শ্ৰীধৰ বৰুৱাৰ সম্পাদনাত 'আসাম-তৰা' প্ৰকাশ হয় আৰু ১৮৯০ চনৰ চেপ্তেম্বৰ মাহত ইয়াৰ প্ৰকাশ বন্ধ হয়। গুণাভিৰাম বৰুৱাৰ বৰপুত্ৰ কৰুণাভিৰামে মাত্ৰ ষোল বছৰ বয়সতে ১৮৮৩ চনত প্ৰথম অসমীয়া শিশু উপযোগী আলোচনী 'ল'ৰাবন্ধু' প্ৰকাশ কৰি উলিয়ায়। পিছেই দুটা সংখ্যাতকৈ অধিক প্ৰকাশ নহ'ল।

১৮৮৯ চনৰ ৯ ফেব্ৰুৱাৰীত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ৰ সৌজন্যত কলিকতাত পঢ়িবলৈ যোৱা কেইজনমান অত্যুৎসাহী ডেকাৰ প্ৰচেষ্টাত 'জোনাকী' প্ৰকাশ পায়। মাহেকীয়াকৈ প্ৰকাশ পোৱা 'জোনাকী'য়ে এক নতুন যুগৰ সূচনা কৰে। 'জোনাকী'ৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী'ৰ 'আত্মকথা'ত নিজৰ উদ্দেশ্য ব্যাখ্যা কৰি লিখিলে— "এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যতৃৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম।... আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য দেশৰ উন্নতি জোনাক।" 'জোনাকী'য়ে প্ৰতিকূল শক্তিৰ বিৰুদ্ধে যুঁজি দেশলৈ জোনাকৰ আভা সুমুৱাবলৈ সক্ষম হ'ল! দ্বিতীয় বছৰত 'জোনাকী'ৰ সম্পাদনাৰ দায়িত্ব ল'লে হেমচন্দ্ৰ গোস্বামীয়ে। তৃতীয় বছৰত এই দায়িত্ব পৰিল লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। ইতিমধ্যে 'জোনাকী'য়ে অসমৰ চোতালত জোনাকৰ পৰিবৰ্তে ৰ'দৰ পোহৰেৰে জ্যোতিষ্মান কৰি তুলিবলৈ সক্ষম হ'ল। শিক্ষা সাং কৰি জোনাকী যুগৰ ত্ৰিমূৰ্তি কলিকতা এৰি অহাত 'জোনাকী'ৰ প্ৰকাশ বন্ধ হয়। ১৯০১ চনত সত্যনাথ বৰা আৰু কনকলাল বৰুৱাই বৰ যত্নেৰে গুৱাহাটীৰ পৰা পুনৰ কাকতখন প্ৰকাশ কৰে। দুবছৰমান পিছতে 'জোনাকী'ৰ জোনাক চিৰদিনৰ বাবে আন্ধাৰত বিলীন হয়। ১৮৯০ চনৰ শেষ ভাগত কৃষ্ণপ্ৰসাদ দুৱৰা, পদ্মনাথ গোহাঞিবৰুৱা আৰু বেণুধৰ ৰাজখোৱাৰ সম্পাদনাত 'জোনাকী'ৰ প্ৰতিদ্বন্দ্বীৰূপে 'বিজুলী' প্ৰকাশ হয়। উনবিংশ শতিকাৰ শেষৰ ফালে বহুকেইখন অল্পদিনীয়া কাকত প্ৰকাশ হয়। এনে কাকতবোৰৰ ভিতৰত ১৮৯৪ চনৰ চেপ্তেম্বৰ মাহত কালীৰাম বৰুৱাই সম্পাদনা কৰা ইংৰাজী অসমীয়া সাদিনীয়া 'আসাম -তৰা', বশম্বদ মিত্ৰ সম্পাদিত ১৯০২ চনত প্ৰকাশিত 'ইষ্টাৰ্ণ হেৰাল্ড', ১৯০৪ চনত কালিৰাম ৰায় সম্পাদিত 'ছিটিজেন', ১৯০৫ চনত কৃষ্ণ চন্দ্ৰ বৰুৱাৰ পৰিচালনাত প্ৰকাশিত 'আসাম ক্ৰনিক্‌ল', বেপ্‌টিষ্ট মিছনৰ 'দীপ্তি' আদিয়ে অসমৰ সাংবাদিকতাৰ জগতখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিলে। উনবিংশ শতিকাৰ শেষভাগ আৰু বিংশ শতিকাৰ প্ৰথম ভাগত প্ৰকাশ পোৱা দীৰ্ঘায়ু কাকত - আলোচনীবোৰত জাতীয়তাবাদৰ পূৰ্ণমাত্ৰাই স্ফুৰণ ঘটা দেখা গ'ল। ১৮৮৫ চনৰ জানুৱাৰী মাহত ডিব্ৰুগড়ৰ পৰা ৰাধানাথ চাংকাকতিৰ সম্পাদনাত প্ৰকাশ পোৱা সাদিনীয়া ইংৰাজী বাতৰি কাকত 'টাইম্‌ছ্ অব্ আসাম' ষাঠী বছৰৰো অধিককাল জীয়াই আছিল। তেজপুৰৰ আসাম চেন্ট্ৰেল প্ৰেছৰ পৰা ১৯০০ চনত ওলোৱা 'আসাম বন্তি' কাকতে মথুৰামোহন বৰুৱা, জয়দেৱ শৰ্মা আদিৰ পিছত পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত ত্ৰিশ বছৰৰো অধিককাল জাতিৰ সেৱা আগবঢ়ায়। 'আসাম বন্তি'ৰ নাম লওঁতেই কমলাকান্ত ভট্টাচাৰ্য্যৰ নাম পাহৰি যোৱা কোনো মতেই সম্ভৱ নহয়। কমলাকান্তৰ আপ্ৰাণ চেষ্টাৰ ফলতেই আসাম ছেন্ট্ৰেল প্ৰেছৰ প্ৰতিষ্ঠা সম্ভৱ হৈ উঠে। ১৯০৭ চনত তেজপুৰৰ পৰাই পদ্মনাথ গোহাঞিবৰুৱাৰে সম্পাদনাত 'উষা' নামেৰে এখন মাহেকীয়া আলোচনী প্ৰকাশ হয় আৰু ১৯১৬ চনত এই আলোচনীৰো প্ৰকাশ বন্ধ হয়। উনবিংশ শতিকাৰ প্ৰথম দশকত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'বাঁহী' আলোচনীয়ে এক নতুন বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হয়। ১৯০৯ চনৰ পৰা ১৯১৯ লৈ 'বাঁহী' কলিকতাৰ পৰা আৰু পিছত ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা 'বাঁহী' প্ৰকাশ হয়। বিংশ শতিকাৰ তৃতীয় দশকত এই আলোচনীৰ সম্পাদক সলনি হয়। ১৯৩৩ লৈ 'বাঁহী'ৰ সম্পাদনাৰ দায়িত্ব বহন কৰে বেজবৰুৱাই। ১৯৩৪ ৰ পৰা ১৯৩৬ লৈ অমিয় কুমাৰ দাসে আৰু ১৯৩৮ ৰ পৰা ১৯৪৫ লৈ এই আলোচনী মাধৱ চন্দ্ৰ বেজবৰুৱাই সম্পাদনা কৰে। বিংশ শতিকাৰ প্ৰথম ভাগতে 'বাঁহী'ৰ সমসাময়িক ভাৱে প্ৰসন্ন কুমাৰ বৰুৱা, নীলমণি ফুকন, দুৰ্গানাথ চাংকাকতি আদিৰ সম্পাদনাত 'আলোচনী' (১৯১০-১৭), অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'চেতনা' (১৯১৯-২৬), কমলাকান্ত ভট্টাচাৰ্য সম্পাদিত 'আসাম হিতৈষী', চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিষ্ঠিত 'অসমীয়া', ৰজনীকান্ত বৰদলৈ সম্পাদিত 'অসম-প্ৰদীপিকা', অসম ছাত্ৰ সন্মিলনৰ প্ৰথম মুখপত্ৰ 'জন্মভূমি', দ্বিতীয় মুখপত্ৰ 'মিলন', অসম মুছলমান ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'সাধনা', 'অসম সাহিত্য সভা পত্ৰিকা', দীননাথ শৰ্মা সম্পাদিত 'আৱাহন' আদিয়ে প্ৰাক

১৮৮৫ চনৰ জানুৱাৰী মাহত ডিব্ৰুগড়ৰ পৰা ৰাধানাথ চাংকাকতিৰ সম্পাদনাত প্ৰকাশ পোৱা সাদিনীয়া ইংৰাজী বাতৰি কাকত 'টাইম্‌ছ্ অব্ আসাম' ষাঠী বছৰৰো অধিককাল জীয়াই আছিল। তেজপুৰৰ আসাম চেন্ট্ৰেল প্ৰেছৰ পৰা ১৯০০ চনত ওলোৱা 'আসাম বন্তি' কাকতে মথুৰামোহন বৰুৱা, জয়দেৱ শৰ্মা আদিৰ পিছত পদ্মনাথ গোহাঞি বৰুৱাৰ সম্পাদনাত ত্ৰিশ বছৰৰো অধিককাল জাতিৰ সেৱা আগবঢ়ায়। 'আসাম বন্তি'ৰ নাম লওঁতেই কমলাকান্ত ভট্টাচাৰ্য্যৰ নাম পাহৰি যোৱা কোনো মতেই সম্ভৱ নহয়।

স্বাধীনতা কালত জাতীয়তাবাদৰ ধ্বজা বহন কৰি অসমীয়া মানুহক নতুন দিশত আগবঢ়াই নিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতে প্ৰকাশ পোৱা অল্পায়ু আৰু দীৰ্ঘায়ু প্ৰায় আটাইবোৰ আলোচনীয়ে সেই কালৰ অসমৰ ৰাজনৈতিক আৰু সামাজিক চেতনাৰ ইঙ্গিত বহন কৰে। অত্যাধুনিক আৰু সুসমৃদ্ধ ইংৰাজী সাহিত্যৰ লগত পৰিচয় ঘটাৰ পিছত ভাৰতৰ আটাইতকৈ প্ৰগতিশীল বাংলা সাহিত্যৰ সংস্পৰ্শ লাভ কৰি উচ্চ শিক্ষা লাভৰ বাবে কলিকতালৈ যোৱা জাতি-প্ৰেমী আৰু উচ্চাকাংক্ষী অসমীয়া ডেকা চামে বাংলাৰ অনুকৰণত অসমীয়া সাহিত্য সৃষ্টিত মনোনিবেশ কৰিলে আৰু জাতিটোৰ জাতীয় অস্তিত্ব ৰক্ষাৰ অৰ্থে দেহক পানী কৰি লাগি পৰিল। এই চাম ভৱিষ্যদ্ৰষ্টা অসমীয়া ডেকাৰ নেৰানেপেৰা যত্নৰ বলতে অসমীয়া জাতিটোৱে থিয় দিবলৈ শিকিলে। জাতিটোৰ সংহতিৰ বাট মুকলিও সম্ভৱ হ'ল এওঁলোকৰ বলতেই। ক্ৰমাৎ নিঃশেষ হ'বলৈ ধৰা, ক্ৰমাৎ বিশৃংখল হৈ পৰা অসমীয়া জাতিটো আকৌ ঠন ধৰি উঠিল। অসমীয়া জাতি, সংস্কৃতি আৰু সাহিত্যক নতুন ৰূপত গঢ়াৰ মনোবৃত্তিৰ ফলতেই জন্ম হ'ল 'জোনাকী', বিজুলী' আদি যুগজয়ী কাকত-আলোচনীৰ।

'জোনাকী' আৰু তাৰ সমসাময়িক কাকত আলোচনীবোৰত যিসকল উচ্চাকাংক্ষী অসমীয়াই আত্মনিয়োগ কৰিছিল সেইসকলৰ সৰহভাগেই মধ্যবিত্ত শ্ৰেণীৰ আছিল। সাম্ৰাজ্যবাদী বৃটিছ চৰকাৰৰ পৰা সুবিধা ভোগ কৰি এইচাম মধ্যবিত্ত অসমীয়াই মনত এক দৃঢ় ধাৰণা গঢ় দি লৈছিল যে অসমৰ ভৱিষ্যত উজ্বল হ'ব একমাত্ৰ বৃটিছ শাসনৰ তলতহে। এওঁলোকৰ অন্তৰত দেশাত্মবোধ আৰু জাতীয়তাবোধ আছিল যদিও ইয়াৰ অৰ্থ আছিল ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সেৱাৰে তাৰ বিকাশ সাধন কৰি অসমীয়াৰ জাতীয় অস্তিত্বৰ পৰিচয় দাঙি ধৰা। লক্ষ্মীনাথ বেজবৰুৱাই ইংৰাজৰ উপকাৰিতা স্বীকাৰ কৰি লিখিছিল— "ইংৰাজে ভাৰতৰ অনেক উপকাৰ কৰিছে আৰু ভাৰতবৰ্ষ ইংৰাজৰ ওচৰত অনেক প্ৰকাৰে ধৰুৱা। ইংৰাজ ভাৰতৰ গৰাকী হৈ থাকে এনে আশা ভাৰতে সদায় কৰে। বৰবৰুৱাৰ বেজাৰ লাগে এইবাবে যে ইংৰাজ যেনেকৈ আমাৰ উপকাৰী বন্ধু, আমিও তেওঁলোকৰ হিতকাৰী কুটুম। তেওঁলোকৰ অৰ্থাৎ আমাৰ বন্ধু কুটুমৰ অধোগতিত আৰু অমংগলত আমি বৰ বেজাৰ পাওঁ।" পদ্মনাথ গোহাঞি বৰুৱায়ো ইংৰাজৰ উপকাৰিতাৰ শলাগ ল'বলৈ কোনো সংকোচ বোধ কৰা নাছিল— "আমাৰ পূৰ্বৱস্থাৰে সৈতে যদি বৰ্তমান অৱস্থা তুলনা কৰি চোৱা যায়, তেন্তে আমি মুক্ত কণ্ঠে স্বীকাৰ কৰিব লগাত পৰোঁ যে সদাশয় ইংৰাজ গৱৰ্ণমেণ্টৰ তলত থাকি আমাৰ একোৰে অভাৱ নাই ; আৰু গৱৰ্ণমেণ্টৰ গুৰিত অসন্তোষ প্ৰকাশ কৰিবলৈকো একো কাৰণ নাই।"

বিজনলাল চৌধুৰীয়ে "জোনাকী যুগৰ অসমীয়া বুদ্ধিজীৱীৰ জাতীয়তাবাদ" শীৰ্ষক প্ৰবন্ধত বেজবৰুৱা, গোহাঞিবৰুৱা আদি বুদ্ধিজীৱীক তীক্ষ্ণভাৱে সমালোচনা কৰি লিখিছিল।— "তেওঁলোকৰ জাতি, ভাষা আৰু সাহিত্যপ্ৰেমৰ অন্তৰালত স্ব-বিৰোধিতা লুকাই আছিল সাম্ৰাজ্যবাদৰ কুটুম্বিতাৰ সম্পৰ্কৰ মাজত। কাৰণ সাম্ৰাজ্যবাদী শোষণ যিমানেই ব্যাপক আৰু মজবুত হৈছিল সিমানেই তেওঁলোকৰ সাহিত্য সংস্কৃতিৰ পূজা বৃদ্ধি পাইছিল ; কিন্তু সাম্ৰাজ্যবাদৰ যুঁৱলিৰ পৰা মুক্ত হোৱাৰ মন্ত্ৰ-জড়িত কোনো সাহিত্য সাধনা তেওঁলোকৰ বাবে সম্ভৱ নাছিল।"

কিন্তু পিছৰ কালৰ মধ্যবিত্ত অসমীয়া চামে 'জোনাকী' যুগৰ বুদ্ধিজীৱী জাতীয়তাবাদৰ ধাৰণাতে নিজকে গঢ় দিলে। লক্ষ্মীনাথ তামুলীয়ে লিখিছে "কেৱল 'জোনাকী' যুগতেই নহয়, জাতীয় মুক্তি আন্দোলনে প্ৰত্যক্ষভাৱে প্ৰেৰণা আহৰণ কৰিব পৰা কোনো শ্ৰেণীৰ সাহিত্য সৃষ্টি অসমীয়া মধ্যবিত্তই অসমীয়া সমাজৰ হাতত তুলি দিব নোৱাৰিছিল।" তথাপি প্ৰাক-স্বাধীনতা কালৰ সংবাদ পত্ৰসমূহে অসমীয়া মানুহৰ মনত জাতীয়তাবাদৰ ভাব সুমুৱাই দিবলৈ সক্ষম হৈছিল আৰু তাৰ ফলস্বৰূপেই এই সংবাদ পত্ৰ সমূহ উজলি উঠিবলৈ সক্ষম হৈছিল।




সহায়ক গ্ৰন্থপঞ্জী ঃ

১। নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী— ডিম্বেশ্বৰ নেওগ

২। 'আসাম বন্ধু'
সম্পাদনা - নগেন শইকীয়া

৩। 'বেজবৰুৱা গ্ৰন্থাৱলী'

৪। 'মোৰ সোঁৱৰণী' — পদ্মনাথ গোহাঞি বৰুৱা

৫। 'মৌ' — অসম প্ৰকাশন পৰিষদ

৬। "ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান — সংঘাত আৰু সহযোগিতাৰ ইতিহাস" — লক্ষ্মীনাথ তামুলী


*লেখক স্নাতক তৃতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰ*

# ধৰ্মনিৰপেক্ষতা আৰু ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা

ত্ৰিদিৱ নয়ন বশিষ্ঠ

**ধৰ্মনিৰপেক্ষতাৰ অৰ্থ ঃ** "Secular" শব্দটিৰ অসমীয়া প্ৰতিশব্দ হিচাপে "নিৰপেক্ষতা" বা নিৰপেক্ষ বুলিয়েই পোৱা যায়। অক্সফোৰ্ড অভিধান মতে ঃ Secularism is the view that morality and education should not be based on religion. It is wordly or material not religious or spiritual."

ভাৰতীয় দৰ্শন মতে ধৰ্মনিৰপেক্ষতাবাদ বুলিলে জীৱন দৰ্শন, জীৱন ধাৰা ইত্যাদি বুজায়।

ড° ৰাধাকৃষ্ণনৰ মত অনুসৰিঃ "Secularism means the religious, impartiality of the Indian state is not to be confused with secularism or atheism as here defined as in accordance with ancient religious tradition of India." ভেংকটাৰমনৰ মতে, A state is secular which is neither religious nor irreligious, nor antireligious but wholly detached from religious dogmas and thus neutral in religious matters.

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনামতে, ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰই ধৰ্ম বিৰোধী ৰাষ্ট্ৰক নুবুজায়; নাইবা ইয়াত কোনো ধৰ্মৰ প্ৰতি আগ্ৰহ আৰু কোনো ধৰ্মৰ প্ৰতি নিগ্ৰহ থকা নীতিকো নুবুজায়। ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰত কোনো ৰাজধৰ্ম নাথাকে। ধৰ্মৰ নামত মানুহৰ মাজত কোনো বৈষম্য সৃষ্টি কৰা নহয়।

নানা বৈচিত্ৰ্যৰে সমৃদ্ধ ভাৰতবৰ্ষ এখন অতি পুৰণি সভ্য দেশ। প্ৰাচ্যৰ সত্য বৈচিত্ৰ্যময়, সংস্কৃতিবান দেশ বুলিলে আজিৰ বিশ্বই পোনতে ভাৰতবৰ্ষক জানে। বাল্মিকী, ব্যাসৰ পৰা ধৰি কালিদাস-ভৱভূতিলৈকে মহান সংস্কৃতিবান লোকৰ সজ জ্ঞানৰ পৰশত সমৃদ্ধ ভাৰতৰ গৰিমাৰ কথা আজি আমি শ্ৰদ্ধাৰে স্মৰণ কৰাই নহয়, ইয়াক বিশ্ব সমাজলৈ লৈ যোৱাৰ প্ৰয়াসো অটুট আছে। ৰামায়ন, মহাভাৰতৰ উদাৰ দৰ্শন; ধৰ্ম সহিষ্ণুতাৰ পৰা ধৰি বৰ্তমানৰ লিখিত সংবিধান ধৰ্মনিৰপেক্ষতাৰ বহুল চৰ্চা আৰু বিকাশ হোৱা মুহূৰ্তলৈকে সমূহ ভাৰতীয়ৰ মূল পৰিচয় হ'ল সহনশীলতা, পৰস্পৰৰ ধৰ্মক শ্ৰদ্ধা বা মানৱীয়তা ইত্যাদি। ভাৰতবৰ্ষৰ মাটি, বায়ু, পানী যেনেদৰে উদাৰ, সহিষ্ণু ঠিক তেনেদৰে ইয়াৰে সৃষ্টি, লালিত-পালিত হোৱা জনগণো একেই আদৰ্শ, গুণেৰে সমৃদ্ধ বুলি দাবী কৰিব পাৰোঁ। এইদৰে ভাৰতত ধৰ্ম-নিৰপেক্ষতাৰ ঐতিহাসিক পটভূমি বিচাৰি পোৱা যায়।

আমাৰ ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ পটভূমি সিন্ধু সভ্যতাৰ লগত নিবিড়ভাৱে সাঙুৰ খাই আছে। ইয়াৰ পুৰণি ভাস্কৰ্য্য, শিল্পকলাই পৰস্পৰৰ ধৰ্মনীতি সাহিত্যৰ সৌহাৰ্দ সোঁৰৰাই দিয়াটো প্ৰাচীন ভাৰতীয় সমাজ জীৱনৰ অন্যতম বৈশিষ্ট্য। অৱশ্যে প্ৰাকবৈদিক যুগত ভাৰতবৰ্ষত ধৰ্মৰ সহনশীলতা আছিল কিন্তু পৰৱৰ্তী বৈদিক যুগত ব্ৰাহ্মন্যবাদ উত্থানত খৃঃপূঃ ৬ষ্ঠশতিকাত ধৰ্ম বিপ্লৱৰ সূচনা হৈছিল। ব্ৰাহ্মন্যবাদৰ কঠোৰতাৰ বাবে জৈন ধৰ্ম আৰু বৌদ্ধধৰ্ম প্ৰতিবাদী ধৰ্ম হিচাবে গঢ় লৈ উঠিছিল বুলি ঐতিহাসিক পণ্ডিতসকলে মতামত আগবঢ়াইছে। বুৰঞ্জী পণ্ডিতসকলৰ মতে ব্ৰাহ্মন্যবাদে লৈ অহা কঠোৰ ধৰ্মনীতি, জাতিভেদ, যাগযজ্ঞ, বলিবিধানে সৰ্বসাধাৰণৰ মাজত অনৈক্য, ভেদাভেদ, অস্পৃশ্যতাই গা কৰি উঠিছিল। সেয়েহে এনে বিসংগতি, অনৈক্য, কঠোৰতাৰ কবলৰ পৰা মুক্ত কৰি ভাৰতীয় ধৰ্মীয় সহনশীলতা, সহিষ্ণুতাৰ পৰম্পৰা পূৰ্ণ প্ৰতিষ্ঠাৰ বাবে সবলীকৰণ আৰু সংস্কাৰৰ মাধ্যমেদি ওলাই আহিছিল মহাবীৰ আৰু বুদ্ধৰ দৰে বৰেণ্য মহাপুৰুষসকল। অহিংসা, শান্তি, ভাতৃত্ববোধ আৰু মানৱ সেৱাৰ বাণী সমাজ জীৱনত প্ৰচাৰ কৰি ভাৰতীয় ধৰ্মীয় দৰ্শনৰ এক নতুন আন্দোলন বোৱাই আনিছিল। মহাবীৰ আৰু বুদ্ধই বলিবিধান, জাতিভেদ আঁতৰাই সকলো ধৰ্মৰ সহ-অৱস্থান আনিছিল। বৌদ্ধ ধৰ্মৰ অহিংসা নীতিত অনুপ্ৰাণিত হৈ এসময়ৰ কলিংগৰ মহাপ্ৰতাপী ৰজা অশোকে

হিংসাৰ পথ এৰি গোটেই জীৱনধাৰা পৰিৱৰ্তন কৰিছিল আৰু দেশৰ ভিতৰে-বাহিৰে বৌদ্ধৰ অহিংস বাণী প্ৰচাৰ কৰিছিল। এয়াও ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ অন্যতম পটভূমি। খৃঃ পূঃ সপ্তম শতিকাতো চীনা ভ্ৰমণকাৰী হিউৱেনচাঙে ভাৰতীয় হিন্দুধৰ্মৰ সহনশীলতা আৰু উদাৰতাৰ কথা স্বীকাৰ কৰি গৈছে।

ইয়াৰ পিছৰ পৰ্যায়ত ভাৰতৰ সম্পদৰাজীৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন দেশৰ পৰা মুছলমানসকলে ভাৰত আক্ৰমণ কৰি কেৱল লুট-পাতেই কৰা নাছিল বৰঞ্চ কঠোৰ ধৰ্মীয় নীতিৰে শাসন কৰিছিল যাৰ সাক্ষ্য দাৰ্শনিক আলবেৰুণী লিখিত টোকাৰ পৰা পোৱা যায়। ইয়াৰ পৰা এইটো স্পষ্ট হয় যে হিন্দু ধৰ্মৰ ওপৰত চলা উৎপীড়ন ইছলাম, ধৰ্মান্তৰকৰণ স্বত্বেও ভাৰতীয় হিন্দু ধৰ্মাৱলম্বীসকলে কোনো হিংসা, অসহিষ্ণুতাৰ আচৰণ কৰা নাছিল। এয়া এক ভাৰতীয় জীৱন দৰ্শনৰ উৎকৃষ্ট নিদৰ্শন বুলিব পাৰি।

১৪শ শতিকা কালছোৱাত যহবছৰ মুছলিমসকলৰ ৰাজত্বৰ পাছত হিন্দুসকলৰ লগত পাৰস্পৰিক বুজাবুজি বৃদ্ধি পাই চুলতানী গোষ্ঠীৰ লগত হিন্দুসকলৰ বৈবাহিক সম্বন্ধ গঢ়ি উঠে। হিন্দুৰ যোগদৰ্শন জ্যোতিষবিদ্যাই যেনেকৈ মুছলিমসকলক প্ৰভাৱান্বিত কৰিছিল তেনেদৰে ইছলামৰ পৰা একেশ্বৰবাদ; ভাতৃত্ববোধৰ প্ৰতি হিন্দুসকল অনুপ্ৰাণিত হৈ ধৰ্মীয় ঐক্যতান সুদৃঢ় হৈছিল। এই শতিকাৰ আন এটা উল্লেখনীয় দিশ হ'ল গুৰু নানক, শংকৰ-মাধৱদেৱৰ দৰে মনিষীসকলে ভক্তি আন্দোলনৰ যোগেদি ভাৰতীয় উদাৰ ধৰ্মীয় দৰ্শন আৰু অধিক বিকাশ আৰু সবলীকৰণ কৰিলে। আজান ফকিৰেও তেনে সহনশীলতাৰে বিশ্ব ভাতৃত্ববোধ জগাই বিশ্ব সমাজ গঢ়াৰ আহ্বান জনাইছিল।



ভাৰতভূমিৰ ধৰ্মনিৰপেক্ষতাৰ বৈশিষ্ট্যস্বৰূপে আন ধৰ্মৰ প্ৰতি শ্ৰদ্ধা সহনশীলতাৰ দৰে এক অভিনৱ অৱদান যোগাইছিল মোগল সম্ৰাট মহামতি আকবৰে। নিজে এজন গোড়া মুছলমান হৈও সাম্প্ৰদায়িক উদাৰতা, হিন্দুসকলৰ প্ৰতি গ্ৰহণ কৰা উদাৰ নীতিয়ে ভাৰতীয় সমাজ আৰু ৰাজনৈতিক জীৱনত প্ৰকাশ পাই অহা ধৰ্মনিৰপেক্ষতাৰে চানেকি নিশ্চয়। হিন্দু গ্ৰন্থসমূহ পাৰ্চী, আৰবিক ভাষাত অনুবাদ কৰি আকবৰে ধৰ্মৰ মাজত সমন্বয়ৰ সেতু বান্ধিছিল।

মোগল সাম্ৰাজ্য পতনৰ পাছত সপ্তদশ শতিকাৰ পৰা উপনিবেশিক শাসন চলোৱা ইংৰাজসকলে কিন্তু সংহতিৰে, সৌহাৰ্দৰে শাসন কৰা নাছিল। সম্পদ শোষণকাৰীৰ লগে লগে শিক্ষাৰ প্ৰচাৰৰ নামত ব্যাপকভাৱে খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰকৰণৰ বাবে উদগনি দিয়ে, ফলস্বৰূপে ভাৰতীয় লোকৰ মাজত তীব্ৰ অসন্তুষ্টিয়ে দেখা দিয়ে। তথাপি, ভাৰতীয় লোকে প্ৰাচীন সহনশীলতা আৰু উদাৰতাৰ পৰম্পৰাত বিশ্বাসীসকলে কোনো ধৰণৰ হিংসাত্মক আচৰণ কৰা নাছিল।

মেকডোনাল্ডৰ (সাম্প্ৰদায়িক ভাগ বটোৱাৰা) নীতিয়ে ধৰ্মীয় ঐক্য আৰু সংহতিত নেতিবাচক প্ৰভাৱ পেলায়। অৱশেষত ধৰ্মৰ ভিত্তিত ভাৰতবৰ্ষক দুভাগ কৰা হ'ল যিটো ভাৰতীয় লোকৰ সমধৰ্মীয় সদভাৱৰ বিপৰীত ঘটনা আছিল।

**ধৰ্মনিৰপেক্ষতা আৰু ভাৰতীয় সংবিধান ঃ** ইতিমধ্যে ধৰ্মৰ নামত ভাৰতবৰ্ষক দুভাগ কৰি সাৰ্বভৌম ক্ষমতা তুলিদি বৃটিছসকল নিজ দেশলৈ প্ৰত্যাৱৰ্তন কৰিলে। স্বাধীন ভাৰতবৰ্ষত এখন নতুন বিধিব্যৱস্থাৰ বাবে সংবিধান ৰচনাৰ কাম-কাজ আৰম্ভ হ'ল। সংবিধান প্ৰণেতাসকলে সংবিধানৰ তৃতীয় অধ্যায়ত ধৰ্মৰ অধিকাৰক মৌলিক অধিকাৰৰূপে

> **আমাৰ ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ পটভূমি সিন্ধু সভ্যতাৰ লগত নিবিড়ভাৱে সাঙুৰ খাই আছে। ইয়াৰ পুৰণি ভাস্কৰ্য্য, শিল্পকলাই পৰস্পৰৰ ধৰ্মনীতি সাহিত্যৰ সৌহাৰ্দ সোঁৰৰাই দিয়াটো প্ৰাচীন ভাৰতীয় সমাজ জীৱনৰ অন্যতম বৈশিষ্ট্য। অৱশ্যে প্ৰাকবৈদিক যুগত ভাৰতবৰ্ষত ধৰ্মৰ সহনশীলতা আছিল কিন্তু পৰৱৰ্তী বৈদিক যুগত ব্ৰাহ্মন্যবাদ উত্থানত খৃঃপৃঃ ৬ষ্ঠ শতিকাত ধৰ্ম বিপ্লৱৰ সূচনা হৈছিল।**

স্বীকৃতি দি ধৰ্মীয় সহঅৱস্থান, উদাৰতা, সহনশীলতাৰে এক ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ নিৰ্মাণৰ পোষকতা কৰিছিল। সকলো ধৰ্মক সমান মৰ্যাদা দি ইচ্ছানুসৰি ধৰ্মগ্ৰহণ, উপাসনা কৰা, ভাৱ প্ৰকাশ, মত প্ৰকাশ কৰাৰ অধিকাৰ সকলোকে প্ৰদান কৰা হ'ল। প্ৰাচীন ভাৰতীয় সমাজ আৰু ৰাজ্য ব্যৱস্থাৰ সহনশীল উদাৰতাৰ বুনিয়াদ গ্ৰহণ কৰি এক বৈচিত্ৰ্যৰ মাজত একতাৰ ভাৰতবৰ্ষ গঢ়াৰ শপত লোৱা হ'ল।

**সংবিধানৰ প্ৰস্তাৱনাত ধৰ্মনিৰপেক্ষতাৰ সংকল্প ঃ** সকলো ধৰ্মৰ সম মৰ্য্যাদা, মূল্যবোধক বুনিয়াদ হিচাপে লৈ আগুৱাই যোৱাৰ পাছত ১৯৭৬ চনত ৪৩ তম সংবিধান সংশোধন ঘটাই প্ৰস্তাৱনাত "ধৰ্মনিৰপেক্ষ" শব্দৰ সংযোজন ঘটোৱা হ'ল। ধৰ্ম-নিৰপেক্ষতাৰ দৃষ্টিভংগী আৰু আদৰ্শৰ বিকাশ ঘটাই এখন প্ৰকাশ্য ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ এক দৃঢ় ব্যৱস্থাপনাৰ নীতি লোৱা হ'ল। অৱশ্যে ১৯৩১ চনতে (কৰাচী কংগ্ৰেছ অধিবেশনত) ধৰ্মীয় স্বাধীনতা আৰু সংখ্যালঘুসকলৰ সুৰক্ষাৰ প্ৰতি দৃঢ় ভাৱে দাবী প্ৰস্তাৱিত হৈছিল।

ভাৰতীয় সংবিধানৰ ২৬,২৭,২৮ নং অনুচ্ছেদত ভাৰতত বাস কৰা প্ৰত্যেক ব্যক্তিকে নিজ অভিৰুচি মতে যি কোনো ধৰ্ম গ্ৰহণ, ধৰ্মচৰ্চা আৰু ধৰ্মপ্ৰচাৰৰ অধিকাৰ দিয়া হৈছে। অৱশ্যে আইন-শৃংখল, নৈতিকতা আৰু জনস্বাস্থ্যৰ কাৰণে ৰাষ্ট্ৰই এই অধিকাৰৰ ওপৰত নিয়ন্ত্ৰণ কৰিব পাৰে। কোনো ধৰ্মক ৰাজসাহায্য দিয়া, চৰকাৰী অৰ্থৰ দ্বাৰা শিক্ষা দিয়া বন্ধ কৰিছে। এইদৰে মৌলিক অধিকাৰৰ উপৰিও ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিমতেও সকলো পৌৰ আইন ধৰ্মৰ প্ৰতি আনুগত্য নাৰাখি কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা হৈছে। এইদৰে ধৰ্ম নিৰপেক্ষতাৰ বহল আৰু প্ৰকাশ্য ৰাখ্যাই আমাৰ সমাজ জীৱনৰ ৰাজনৈতিক জীৱনৰ এক সাৰ্বজনীন আৰু সবল উপলব্ধি আৰু অধিক শক্তিশালী কৰিছে।

**স্বাধীনোত্তৰ কালত ধৰ্মনিৰপেক্ষতাৰ উপলব্ধি ঃ** স্বাধীনতা লাভৰ ঠিক দোকমোকালিতে হিন্দু-মুছলমানৰ সংঘাত, ১৯৬১ চনৰ আলিগড় মুছলিম বিশ্ববিদ্যালয়ত সংঘটিত হিন্দু-মুছলমান ছাত্ৰৰ মাজত হোৱা সংঘৰ্ষ, ১৯৭০ চনৰ সাম্প্ৰদায়িক দাঙ্গা, ১৯৭৫-৭৭ চনত জৰুৰী অৱস্থাত হোৱা সাম্প্ৰদায়িক ধৰ্মীয় হাংগামা, ১৯৮৩ ৰ অসমৰ জাতীয় সংঘৰ্ষ ইত্যাদিৰ উপৰিও ধৰ্মীয় আৰু জাতি ভিত্তিত সৃষ্টি হোৱা ৰাজনৈতিক দল, উপদল ইত্যাদি ঘটনাৰাজিক জাতীয় চৰিত্ৰৰ "ট্ৰেজেদি" বুলিব পাৰি। এনে বিপদ শংকুল অৱস্থা আৰু নেতিবাচক পৰিস্থিতিতো সমূহ ভাৰতীয়লোকে সহনশীলতা, দৃঢ়তাৰে জাতীয় চৰিত্ৰ আৰু দৰ্শন অটুট ৰখাটো আমাৰেই ঐতিহ্য। অভিজ্ঞতাৰে ক'ব পাৰোঁ যে বহুতো ৰাজনৈতিক দল, স্বাৰ্থান্বেষী গোটবোৰে কেৱল সত্তাৰ লোলুপত জাতীয় ভূমিৰ ঐতিহ্য, স্বাৰ্থক আন্ধাৰত ঢাকি ধৰ্ম, জাতিক অস্ত্ৰ হিচাপে লোৱাটো কিমান ইতিবাচক অথবা নেতিবাচক সেয়া সহজে অনুমান কৰিব পাৰি। আজি কেতবোৰ ধৰ্মীয় গোষ্ঠীয়ে সমান্তৰালভাৱে স্বাৰ্থ লাভৰ বাবেই হওঁক বা নিজৰ প্ৰাধান্য প্ৰতিষ্ঠাৰ বাবেই হওঁক সম্প্ৰতি আমাৰ ধৰ্মনিৰপেক্ষতা, উদাৰতা, মানৱীয়তা, সহনশীলতাৰ বাবে জাতীয় চৰিত্ৰক এক ভয়াবহ গতিলৈ ঠেলি দিয়াটো কিমান নিৰাপদ সেয়া চিন্তাৰ বিষয়। আজি আমি এইবোৰ বিশ্লেষণ কৰি সমাধানৰ পথ বিচৰাটো আজিৰ সময়ৰ আহ্বান বুলিব পাৰি। চিন্তাবিদ, দাৰ্শনিকসকলৰ মতে ধৰ্মনিৰপেক্ষতা ই কেৱল নিৰ্দ্দিষ্ট ধাৰণা বা ভাৱাদৰ্শই নহয়, ই এটা জীৱনধাৰাও। গতিকে সমূহ ৰাজনীতিক, সাহিত্যিক, নাগৰিক, বুদ্ধিজীৱীক আটায়ে আমাৰ প্ৰাচীন ধৰ্মনিৰপেক্ষতা, সহনশীলতাৰ গৰিমাময় ব্যৱস্থা আৰু পৰম্পৰা যি কোনো প্ৰতিদানৰ বিনিময়ত অটুট ৰাখি এক মহান জাতি আৰু ৰাষ্ট্ৰৰূপে বিশ্ব সমাজত প্ৰতিষ্ঠা কৰাটোৱে হ'ব আজিৰ সময়ৰ আহ্বান।

*লেখক, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ*

# কথাশিল্প





# কুকুহা

অনুপল বৰা

মোৰ ককাদেউতাই যেতিয়া দক্ষিণ পাৰৰ পৰা উঠি আহি উত্তৰ পাৰে ঘৰ বান্ধিছিল, সেই সময়ত চৌপাশৰ এলেকাতো আজিৰ দৰে নাছিল। ককাই কোৱামতে গোটেই ঠাইখন গছ-বনেৰে ঠাহ খাই আছিল, নিভাঁজ অসমীয়াত কথা কোৱা মানুহ ককাহঁতেই আছিল প্ৰথম; বাকীবোৰে ভঙা-ভঙা অসমীয়াহে কৈছিল। এতিয়া আমাৰ ঠাইখনত অসমীয়া মানুহেই সৰহ। ৰবলুইত পাৰ হৈ উত্তৰ-দক্ষিণ দুয়োফালৰ পৰা প্ৰথম অৱস্থাত দুদিনমান মানুহৰ আহ-যাহ হৈছিল— লাহে লাহে তাৰ যাত্ৰা কমি আহিছিল আৰু এসময়ত গোটেই প্ৰক্ৰিয়াটোৱেই বন্ধ হৈ গৈছিল। আনকথাত, আমাৰ গাঁৱত আমাৰ নিজৰ বুলিবলৈ কোনো নাছিল। গতিকে, জন্মৰে পৰা আমি এইখন গাঁৱৰ মানুহবিলাকক আপোন বুলি সাবটি ল'লো।

হাতৰ পাঁচোটা আঙুলি যিদৰে এটাৰ সহায় নহলে আনটো নচলে, কাম কৰোঁতে আটাইকেইটাৰ সমিল মিলতহে হয় আমাৰ ঘৰখনৰ সৈতে ঘনশ্যাম বৰুৱাৰ ঘৰখন চন্দ্ৰধৰ বৰুৱাৰ ঘৰখন আৰু প্ৰমোদ বৰুৱাৰ ঘৰখনৰ একেটা সম্পৰ্ক। এই তিনিওঘৰ মানুহ আচলতে একেখন ঘৰৰে তিনিটা প্ৰজন্মহে। মোৰ ককাই এই গাঁৱত ঘৰ বনোৱাৰ দিনচেৰেক পিছতে ঘনশ্যাম বৰুৱাই ঘৰ জুৰিলেহি। ক'ব নোৱাৰাকৈয়ে দুয়োখন ঘৰৰ মাজত এটা আত্মিক সম্পৰ্ক গঢ়ি উঠিল, যিটো এতিয়ালৈকে বিদ্যমান আৰু বোধহয় সদায় থাকিব। ঘনশ্যাম ককাক দেউতাই তাঁৰে বুলি মাতিছিল, আমি ঘনশ্যাম বৰুৱাৰ ল'ৰাজনক চন্দ্ৰধৰ তাঁৰে বুলি মাতিছিলো। দেউতাই তেখেতক হৰিভকত আৰু তেখেতৰ পৰিবাৰক যাক আমি আমৈ বুলিছিলো, হৰিভকতনী বুলি মাতিছিল। আমি জনা-বুজা হোৱাৰে পৰা এই দুয়োখন ঘৰৰ মাজত এক গভীৰ আন্তৰিক সম্পৰ্ক থকাটো অনুভৱ কৰিব পাৰিছিলো, গাঁৱৰ অন্যান্য মানুহেও সেইটো অনুভৱ কৰিব পাৰে।

এতিয়া মোৰ ছোৱালী জুহীয়ে প্ৰমোদক তাঁৰে বুলি মাতে, প্ৰমোদৰ ঘৈণীয়েকক আমৈ বুলি মাতে। ঠিক সেইদৰে প্ৰমোদৰ ল'ৰা সুৰুযে মোক আৰু জুলীক তাঁৰে-আমৈ বুলি মাতে।

এই প্ৰমোদৰ ঘৰখন মোৰ বাবে আটাইতকৈ বিশ্বাসী ঘৰ। সিহঁতৰ ঘৰখন নথকা হ'লে মোৰ অস্তিত্বই হয়তো কোনো কোনো সময়ত নাইকিয়া হৈ গ'লহেঁতেন। মই ব্যৱসায় কৰা মানুহ। লাগ বুলিলেই কেতিয়াবা ৰাতিটোৰ ভিতৰতে দহ-বাৰ হাজাৰ টকাৰ প্ৰয়োজন আহি পৰে। তেতিয়া আৰু মই প্ৰমোদৰ ওচৰত হাত পতাৰ বাহিৰে অন্য কোনো পথ নাথাকে। জুলীয়ে কেতিয়াবা কয়,

ঃ হেৰা তুমিযে সদায় পইচা লাগ বুলিলেই প্ৰমোদৰ ওচৰলৈ দৌৰ মাৰা, সি কি ভাবিব কি নাভাবিব, ভালেই পাবনে বেয়াই পাব এবাৰলৈও যে নাভাবা! মই কওঁ

ঃ জুলী, তুমিও যে আৰু — আৰে প্ৰমোদ..., তাক যদি কওঁ, ভাই দে, মোক আজিয়েই লাখ টকা লাগে, সি ঘৰ বেচি হ'লেও সেইখিনি মোক আনি দিব।

ঃ আৰু ৰীতা!

ঃ ৰীতা..., আৰে মোৰ কাম প্ৰমোদৰ লগত, তাতে ৰীতা প্ৰমোদৰ পত্নী, অভিয়াচ্‌লি প্ৰমোদে বেয়া নাপালে ৰীতাই কিয় মোক বেয়া পাব!

অৱশ্যে কেতিয়াবা কেতিয়াবা মইও কথাটো নভবা নহয়। কিন্তু বেছিকৈ ভাবিলে মোৰেই বিপদ। তাতে ময়োতো প্ৰমোদক সহায় কৰি নিদিয়া নহয়। আনকি ৰীতাই এতিয়া কৰি থকা চাকৰিটোৰ ক্ষেত্ৰতো মোৰ অৰিহণা হয়তো প্ৰমোদতকৈ বেছি। মোৰ স্থানীয় বিধায়কৰ লগত ভাল। সেই সূত্ৰেই, প্ৰমোদে কৈছিল, "তই যি ভাল দেখা কৰ, তই থাকোতেনো মই এইবোৰ ভাবিব লাগেনে!"

মই তাক ভাবিবলৈ দিয়া নাছিলো। ৰীতাই মাথো আবেদন এখন দিছিল। গুৱাহাটী-লখিমপুৰ তাতবাটি কৰি বাকী চব্ কাম ময়েই কৰিছিলো। এতিয়া সেইজনী ৰীতাই যদি মোক বেয়া পায় — পাৱক।

আচলতে প্ৰমোদৰ ওচৰত কোনো কোনো সময়ত সহায় বিচাৰিব নোৱাৰিলে মোৰেই বিপদ। জীৱনত এতিয়ালৈকে যি দেখিলো, জীয়াই থকাটো বৰ সহজ নহয়। গাঁৱত আজিকালি সৰু সৰু কথাতে হাই-কাজিয়া লাগে, বাহিৰে ভাল দেখুৱাই থাকিলেও ভিতৰি ভিতৰি এঘৰে আনঘৰত সিন্ধি দিবলৈ চুপ লৈ থাকে, এঘৰে কিবা এটা কৰা দেখিলে ওচৰ চুবুৰীয়াৰ চকুত জুই জ্বলে। মোৰ চকুৰ আগতেই গাঁৱত নামঘৰৰ কেইবাটাও খেল হ'ল, একেটা খেলেই বাঢ়ি গৈ দুই তিনিটা খেল হ'ল। আগতে গাঁৱখনত নামঘৰ এটাই আছিল, এতিয়া এটা দুটাকৈ তিনিটা নামঘৰ হ'ল। আগতে বিহুমেলা পাতোতে গাঁৱৰ সকলোৱে মিলি-জুলি বৰ উলহ-মালহকৈ আয়োজন কৰিছিলো, আজিকালি এটা গোটে বহাগী মেলা পাতো বুলি অৰিহণা নিয়াৰ পিছত আন কেইটামানে চান্দা বিছাৰি ওলায়হি। কথাবোৰ এনেকুৱা হৈ পৰে, দিলেও বিপদ, নিদিলেও বিপদ, ভাল বুলি বুজাবলৈ যাবা ভেকাচামে কৰাইচ্ বুলি চাৰ্টিফিকেট দি দিব।

এই মুখা-পিন্ধা বোলা মানুহবোৰ সমাজৰ সকলোতে থাকে। যোৱা বছৰৰ কথা— ঘৰৰ কাষৰ ডাঙৰ পুখুৰীটোৰ মাছখিনি বেছো বুলি ভাবিলো। শাওন মাহ, পানী বাঢ়িলে বৰ ডাঙৰ কথা হ'ব। এনেও পুখুৰীটোৰ এটা পাৰ অলপ খহি গৈছিল, অলপ পানী বাঢ়িলেই পুখুৰীটো চপচপীয়া হৈ পৰিব। যোৱা বছৰৰ আগৰ বছৰতে দিয়া মাছ, গতিকে এতিয়া বেছিলে লোকচান নাই। "ৰাওনামুখৰ মথাউৰিটো এইবাৰ চিঙিব যেন পাইছো. সেইটো ছিগিলে গাওঁখনতো ডুব যাবই, ৰাস্তাতো চাং দিহে থাকিব লাগিব!"

গতিকে মই মাছখিনি বেছি দিয়াটোকে উত্তম বুলি ভাবিলো। জুলীয়েও ক'লে যে সেইটোৱে কৰা ভাল। প্ৰমোদকো কথাতো ক'লো। সি ক'লে যে, লোহিতহঁতৰ পাৰ্টিটোৱে কেইদিনমান আগতে শইকীয়াহঁতৰ ঘৰৰ পুখুৰীটো মাৰি গৈছে, তেতিয়াই সি সিহঁতৰটোও মাৰিবলৈ সোমবাৰে লোহিতহঁতক মাতিছে। গতিকে ভালেই হ'ল, একেদিনাই লোহিতহঁতে দুয়োটা পুখুৰী মাৰি থৈ যাব।

পিছে লোহিতহঁতে একেদিনাই দুয়োটা পুখুৰী মাৰিলে দেৰি হৈ যাব বুলি সেইদিনা আমাৰটো নামাৰিলে। কথাটো নোহোৱাও নহয়। সিহঁতো সাত-আঠ কিঃ মিঃ মান ওলাই গ'লেহে মাছৰ বজাৰখন পায়। তাতে যাব লাগে চাইকেলত। গতিকে হেকো-পেকোকে যাওঁতে এঘণ্টামানৰ বেছি লাগিলেও কম নালাগে। দুটা পুখুৰীত মাছ মাৰিলে সিহঁতৰ বাবে দেৰি হৈ যাব। ময়ো হ'ব বুলি ক'লো। লোহিতহঁতে জালখন সেইদিনা আমাৰ ঘৰতে থৈ গ'ল। পিছদিনা সোনকালে আহি সিহঁতে মাছ মৰাৰ কথা।

পিছ দিনাখন ৰাতিপুৱা মই মাছৰ দৰ-দাম কৰাত ব্যস্ত হৈ থাকিব লাগিছিল, জুলীয়ে ৰাতিপুৱাৰ সাজ বনাই ফাঁকতে আহি পুখুৰীত মাছ-মৰা চাবহি লাগিছিল, জুইহঁতেও মাজে মাজে ঔৎসুক্যতাৰে মাছ ধৰা দৃশ্যটো নীৰিক্ষণ কৰিব লাগিছিল, চুবুৰীয়া দত্তৰ ঘৰৰ কণমানিটোৱে আহি পিতিকি-পাতাকি, 'বৰ্তা বৰ্তা, এইটো কি মাছ কোৱানা বুলি মোক ব্যতিব্যস্ত কৰি তুলিব লাগিছিল, "এ মাছ বেছে নিকি, মোৰো বেছিব লগা আছিল" বুলি সচৰাচৰ হোৱাৰ দৰে দুই এজন চাইকেল আৰোহী হঠাৎ ব্ৰেক কৰি ৰৈ যাব লাগিছিল আৰু মাছ মৰি হ'লত সমস্ত জোখ-মাখ, দৰদাম কৰি জুলীয়ে দিয়া চাহকণ খাই লোহিতহঁত কোবাকুবিকৈ বজাৰলৈ বুলি উধাও হ'ব লাগিছিল।

কিন্তু তেনেকুৱা একো নহ'ল। ৰাতিপুৱা অলপ সোনকালে উঠি গাঁৱৰ বাটটোৰে অলপমান খোজকঢ়াৰ মোৰ পুৰণি অভ্যাস এটা আছে। মংগলবাৰৰ দিনা পুৱাই হাতত ব্ৰাহ্মাল লৈ ওলাই গ'লো। আমাৰ পুখুৰীটোৰ এটা পাৰ গাঁৱৰ বাটটোত লাগি থকা। তাৰ বিপৰীত ফালৰ পাৰটো অলপ ওখকৈ বন্ধা, কাৰণ সেইটো খহিলেই পথাৰৰ পানী আৰু পুখুৰীৰ পানী একাকাৰ হৈ পৰিব। আৰু দ পথাৰখনো এতিয়া কাবৰ নৈখনৰ সৈতে সমান হৈ আছে।

... একাকাৰ হৈ গ'ল! মই থৰ লাগি ৰ'লো। সোমবাৰৰ দিনা ৰাতি পুখুৰী আৰু পথাৰৰ পানী একাকাৰ হৈ গ'ল। লগতে জুলীৰ দুচকুত একাকাৰ হৈ গ'ল অলপ অশ্ৰুৰে। জুলীক সান্ত্বনা দিব পৰাকৈ ময়ো প্ৰকৃতিস্থ হৈ থকা নাছিলো। ঠিক বেয়া লাগিছিল নে দুখ লাগিছিল নাজানো। লোহিতহঁতক ক'লো, "তহঁতে বেয়া নেপাবি, এনেই কষ্ট হ'ল তহঁতৰ!"

দেউতাই সচৰাচৰ দিয়াৰ দৰে মই ভাগ্যক দোষ দিব নোৱাৰিলো। যোৱা বছৰ তাকৰীয়া লোন (Loan) এটা লৈ পুখুৰীৰ সেই পাৰটো বন্ধাইছিলো, এইবাৰ আৰু এটা পাৰ যেনেতেনে বন্ধোৱাৰ কথা আছিল। আৰু ভাগ্যক দোষ দিলোহেঁতেন ; যদিহে পাৰটো নিজে নিজে খহি পৰিলেহেঁতেন ; কোনোবাই কোৰ মাৰি পাৰটো খহাই পেলাব আৰু মই ভাগ্যক দোষ দি ৰাউচি জুৰিম, এনেকুৱা হবই নোৱাৰে! কোনে কি স্বাৰ্থত এনেকুৱা কৰিলে নাজানিলো। কিন্তু মৰ্মান্তিকভাৱে মই নিজে নজনাকৈয়ে গাঁৱৰ মানুহবোৰক সহজভাৱে ল'ব নোৱাৰা হ'লো, এনেকুৱা লাগিবলৈ ল'লে সকলোৱে যেন চিপৰাং মাৰিবলৈ সাজু হৈ আছে, সুযোগ সুবিধা ওলালেই হ'ল।

এই সকলোবোৰৰ মাজত প্ৰমোদহঁতৰ ঘৰখন আমাৰ লগত আছে। বোধহয় আমাৰ দুখৰৰ সনা-পিটিকা দেখি গাঁৱৰ ফুচফুচীয়া বিয়নী মেল বহে।

"আয়ে ককাইদেউ, সেই প্ৰমোদ যে, তাৰ ঘৈণীয়েকজনী কম নহয় দেই, কালি সিহঁতৰ ঘৰত চাউল জাৰি থাকোতে মই নিজ কাণেৰে আপোনাৰ বদনাম গিৰিয়েকৰ আগত গাই থকা শুনিছো।"

জুলীয়ে হাজাৰ হ'লেও এই বিলাক কথাত কাণ নিদিয়ে। জুলীয়েও জানে, চাউল জৰা বাইজনীৰ এইযাৰ নিজৰ কথা নহয়, আনৰ পেটৰ কথাতহে তাই মাত্ৰ ওঁঠ মিলাইছে।

'বাই অ', আপোনাক চাউল জাৰিবলৈ মাতিছো চাউল জাৰক, আৰু ঘৰৰ কথা তাৰ ঘৰত, তাৰ ঘৰৰ কথা আনৰ ঘৰত লগাই ৰং চাব নালাগে। আৰু যদি তেনেকুৱা কৰিব নোৱাৰে তেনেহ'লে আমাৰ ঘৰত চাউল জাৰিবলৈ নাহিব।"

মই কিবা কোৱাৰ আগতেই জুলীয়ে তেনেকৈ ক'লে বাইৰ থৰকাচুটি হেৰায়, লেউসেউ হৈ তাই সঁচা কথাবোৰ এফালৰ পৰা উগাৰি দিয়ে।

জুলীৰ এই গুণবোৰ মোৰ ভাল লাগে। কলেজীয়া দিনৰ দীৰ্ঘদিনীয়া অন্তৰংগতাৰ পিছত জুলী আৰু মোৰ বিয়া হৈছিল। মোৰ কেতিয়াবা কেতিয়াবা এইটো ভাবি গৰ্ব হয় যে মোৰ পচন্দই দেউতাহঁতক আপ্লুত কৰিব পাৰিছিল। অৱশ্যে মা-দেউতাইও জুলীক নিজৰ ছোৱালীৰ দৰেই মৰমেৰে ৰাখিছিল। জুলীয়েও সেইটো অস্বীকাৰ কৰিব নোৱাৰে। আনহাতে এই গোটেইবোৰ দেখি শুনি মই এক আত্মিক প্ৰশান্তি অনুভৱ কৰিছিলো। এই প্ৰশান্তি আজিও আছে। "তুমি সঁচকৈ বৰ অকণমানি হৈ আছা" বুলি জোকোৱা জুলীজনীয়ে অজানিতে কেনেকৈ মোৰ সমগ্ৰ সত্বা অধিকাৰ কৰি ল'লে, কেনেকৈ তাই তাইৰ কোমল কান্ধটিৰে সংসাৰৰ সকলো জঞ্জাল মূৰ পাতি ল'লে, কথাই কথাই অভিমান কৰা ছোৱালীজনীয়ে কি ধৰণে মোৰ গালি শপনিবোৰ সহ্য কৰাৰ গুণ আয়ত্ব কৰি ল'লে, কোনো কোনো মুহূৰ্তত নিজেই অকনমানি ছোৱালীৰ দৰে ওফোন্দ পতা জুলীয়ে কেনেকৈনো জুহীৰ ওফোন্দ ভাঙিবলৈ শিকিলে মই সেইবোৰ একো গমকে নাপালো।

আৰু এটা কথা ; প্ৰমোদ মোৰ বাল্যবন্ধু, কথা ক'বলৈ নিশিকা, টিকা চোচৰাই-চোচৰাই মাটিত ঘূৰিফুৰা দিনৰে পৰা আমি ইটো সিটোৰ আত্মিক সহযাত্ৰী। কিন্তু জুলী আৰু ৰীতায়ো আমাৰ এই বন্ধুত্বৰ আঁত ধৰি আমাৰ অলক্ষিতে ইমান নিবিড় সুহৃদ হৈ পৰিল, কথাটো প্ৰমোদ আৰু মই কেতিয়াবা ভাবি ৰোমাঞ্চিত হওঁ। আগৰে পৰা বিহুৰে সংক্ৰান্তিয়ে জুহীলৈ কাপোৰ কানি ল'লে, জুলীয়ে সুৰুযৰ কাৰণে কিবা এপদ নিকিনাকৈ ঘৰলৈ নুভটে। সেইদৰে জুহীয়ে তুলনী বিয়াৰ দিনাখন আটাইতকৈ দামী উপহাৰটো বোধহয় ৰীতাৰ পৰাই পাইছিল। অৱশ্যে মৰম-চেনেহ এইবোৰেৰে জোখা নাযায়। তথাপিও, জুলীয়ে সুৰুযলৈ কিবা এটা আনিলে মৰমতহে আনে, তাতকো কাৰোবাক কিবা দেখুৱাবলগীয়া একো নাই।

আজি কেইদিনমানৰে পৰা এটা কথা মই খুব সন্তৰ্পণে লক্ষ্য কৰিছো ; আজিকালি সুৰুয আৰু জুহীৰ মাজত এক বিশেষ অন্তৰংগতাই গঢ় লৈ উঠিছে। এয়া কিহৰ চিন সেয়া মই নুবুজা নহয়। জুলীয়ে পাকে-প্ৰকাৰে সেই কথাটো মোক বহুদিনৰে পৰা কৈ আহিছিল।

কথাটো লৈ মোৰ বা জুলীৰ জুহীৰ ওপৰত খং কৰিবলগীয়া বা টান কথা শুনাবলগীয়া একো নাই। অৱশ্যে শংকা কিছু নথকা নহয়। এই শংকাবোৰ থকাটো আৱশ্যকীয় নে অনুচিত সেইটোও একেবাৰে কৈ দিব পৰা কথা নহয়। মোক আৰু জুলীক লৈ মোৰ মা-দেউতাও বোধহয় একেটা সমস্যাত পৰিছিল। কি ঠিক কাইলৈ সুৰুয আৰু জুহীও সেইটো সমস্যাত পৰিব পাৰে। নতুন প্ৰজন্মৰ ধ্যান-ধাৰণাক মই সন্মান কৰো, জুলীও তাৰ ব্যতিক্ৰম নহয়। মোৰ মা-দেউতাইও এই ক্ষেত্ৰত আমাক কৰিব লাগে বাবে হকা-বাধা কৰা নাছিল। মায়েতো তেওঁৰ চেনেহৰ সেউজী ওৰণি আঁতৰাই মোক কিবা এটা কোৱাতো ভাবিবই পৰা নাছিল। আনহাতে দেউতাই মোক সকলোবোৰ কথা বন্ধুভাৱে বুজাইছিল। এইটো মোৰ জীৱনৰ এটা ফৰকাল দিশ আছিল যে মই মা-দেউতাৰ প্ৰচণ্ড শাসনৰ হেঁচাত পিষ্ট হ'বলগীয়া হোৱা নাছিল। বৰঞ্চ দেউতাৰ লগত মই খুব ভাল বন্ধু আছিলো। জুলীক প্ৰথমবাৰৰ বাবে দেউতাৰে চিনাকি কৰি দিয়াৰ দিনা মই লাজত দেউতাৰ চকুলৈ চাব নোৱাৰিছিলো।

ঃ হেৰা ই কি জগতত নোহোৱা কামটো কৰিলেহে, একেবাৰে লাজত দেখোন মূৰ তুলিবই নোৱাৰা হ'ল!

মাই তেতিয়া কৈছিল,

ঃ আপুনিও যে আৰু, যিমানেই নহওঁক, নিজৰ লৰাটোক এই বিলাক কথাত জোকাবলৈ লাজ লাগিব নাপায়নে বাৰু!

ইমানেই বন্ধুত্ব আছিল মোৰ দেউতাৰ সৈতে। আৰু এতিয়া ময়ো সুৰুয বা জুহীক কথাবোৰ বন্ধুত্বাপন্নভাৱে বুজোৱাৰ বাহিৰে অন্য পন্থা মনলৈ অহা নাই। প্ৰমোদৰ ঘৰখন মোৰ বন্ধুৰ ঘৰৰ লগতে এতিয়া মিতিৰো ঘৰ হ'লে তাত জুলী বা মোৰ আপত্তি কৰিবলগীয়া কি কথা থাকিব পাৰে! জুহী আমাৰ নহৈ প্ৰমোদহঁতৰ আৰু সুৰুয প্ৰমোদহঁতৰ নহৈ আমাৰ হোৱা হ'লে আমি বিদৰে জুহীক আথে-বেথে আকোৱালি ললোহেঁতেন — প্ৰমোদহঁতে যে এতিয়া তেনেকুৱা নকৰিব আৰু কোনো কাৰণ নাই। মুঠতে জুহী তাৰ সুৰুযৰ সম্পৰ্কটো স্বাভাৱিকভাৱে নোলোৱাটোহে জুলী আৰু মই অস্বাভাৱিক হ'ব বুলি ভাবিলো।

তথাপিতো জুলীক লগতে সুৰুযকো এই সম্পৰ্কে দুই এষাৰ নকলে বেয়া হ'ব। আমি কি ভাবো কি নাভাবো, প্ৰমোদহঁতে বা আমি সিহঁতৰ এই সম্পৰ্ক স্বীকাৰ কৰি লমনে নলম এই বিলাক বিষয়ত আৰু সিহঁতে মূৰ ঘমাই সময় খৰচ কৰাৰ দৰকাৰ নাই। কথাবিলাক খোলোচাকৈ পাতিলে সিহঁতো মুক্ত আৰু লগতে আমিও।...

*** *** ***

... জীৱনত বহুত মুহূৰ্ত আহিছে, কিবা এটা পাওঁ পাওঁ হওঁতেই হাতৰ পৰা ওলাই গৈছে। এনেকুৱা ঠেকা মই বহুবাৰ খাইছো। আৰু প্ৰত্যেকবাৰেই এইবোৰৰ মই বুকু ফিন্দাই মোকাবিলা কৰিছো। কিন্তু

এই বয়সত মোৰ বুকুৱে-পিঠিয়ে শাল মাৰি ধৰিব পৰা এনেকুৱা মাৰাত্মক ঠেকা এটা খাম বুলি মই জানো কল্পনাও কৰিছিলো !...

আজি মনটো অলপ ভাল লাগিব বুলি পিছফালৰ পথাৰদৰালৈ ওলাই গ'লো। পথাৰৰ বুকুত হাজাৰ বিজাৰ কুকুহা। অলপ শান্তি বিচাৰি পথাৰখনলৈ গৈছিলো। কিন্তু পথাৰত উৰি ফুৰা সেই কুকুহাবিলাকে মোক মাথো সোঁৱৰাই থৈ গ'ল মোৰ বুকুৰ ডিঙৰাই ডিঙৰাই উৰি ফুৰা অজস্ৰ কুকুহাৰ কথা। কি মৰ্মান্তিক ! হঠাৎ অনুভৱ হ'ল মই যেন বৰ বেয়াকৈ হাৰি গ'লো সময়ৰ ওচৰত। এতিয়া মোৰ জুহীৰ দুচকুলৈ চাবলৈ ভয় লাগে। তাইৰ শেতা, উখহা চকুযোৰ, মলিন হৈ পৰা মুখখন, জীৰ্ণ শীৰ্ণ দেহাটো দেখিলে মোৰ বুকুখন মোচৰ খাই উঠে। সেয়ে পাৰোমানে মই তাইৰ মুখামুখি নোহোৱাকৈ থকাৰ চেষ্টা কৰিছো।

আপুনি ক'ব পাৰে মই পলাইছো। বৰ লাজ লগা কথা। কওক, মোৰ আপত্তি নাই। মোৰ - ঠাইত আপুনি হোৱা হলে হয়তো আত্মগোপনেই কৰিলেহেঁতেন। অথচ মই দেখিছো জুলীহঁতোন মোতকৈ বহুত বেছি শক্তিশালী ! জুলী জুহীৰ লগত অহৰহ ছাঁটোৰ দৰে লাগি আছে। পাৰ্য্যমানে তাইৰ লগত কথা পাতিছে, তাইৰ খোৱা লোৱাৰ যতন লৈছে, তাইৰ মূৰত হাতফুৰাই তাইক সান্ত্বনা দিছে, পৰিৱেশটো সহজ কৰি তুলিবলৈ যিখিনি কৰিব লাগে পাৰ্য্যমানে কৰিবলৈ চেষ্টা কৰিছে।

জগাৰ দুই এদিন পিছতে পোৱালিটো টুকাই থাকিলে খীৰতী গাইজনীয়ে যেনেকৈ দিনৰ দিনটো হেম্বেলিয়াই থাকে, মোৰো তেনেকৈ হিয়া ঢাকুৰি কান্দিবৰ খুব মন গৈছে। অথচ কান্দিবও পৰা নাই। জুহীৰ অৱস্থাটো মই আৰু চাই থাকিব নোৱাৰা হৈছো।

আৰু প্ৰমোদহঁত, সিহঁতৰ ঘৰলৈ যাবলৈও মোৰ ভয় লাগিছে। সিহঁতৰ গোটেই ঘৰটোৱে যেন বিধৱাৰ নৈৰাশ্যতাৰে মোলৈ চাই কিচিঙা কিচিঙ কৰিছে। অসহ্য। দুদিনতে শুকাই মৰা ঠাৰি যেন হৈ পৰা ৰীতাই আউলী হৈ কান্দিয়েই আছে, কান্দিয়েই আছে। কোনো তাইক সান্ত্বনা দিব, কি বুলি সান্ত্বনা দিব ! কোনে সহ্য কৰিব পাৰে এই যন্ত্ৰনা ! আঃ মইতো উন্মাদ হৈ যাম ! প্ৰমোদ ! সি হয়তো লুকাই লুকাই কান্দিছে। বাহিৰত সকলো মানুহক সি ভালদৰেই মাতবোল কৰিছে। সকলোৱে তাক দুই এষাৰ কৈ সান্ত্বনা দিছে। হয়তো সেইবোৰৰ একোৱেই তাৰ কাণত সোমোৱা নাই। হয়তো অলপ সময়ৰ পিছতে সি উন্মাদ হৈ উঠিব। একালৰ পৰা এপদ দুপদকৈ সি বস্তুবোৰ দলিয়াই যাব, মানুহবোৰক গালি-গালাজ কৰিব, অলপমান সময় সি অকলে থাকিবলৈ বিচাৰিব। কিন্তু নাই, তেনেকুৱাচোন একো হোৱা নাই। সি স্থিতপ্ৰজ্ঞৰ দৰে আছে। মইহে কিবা-কিবি বোৰ ভাবিছো। সকলোবোৰ দেখোন লাহে লাহে সহজ হৈ আহিছে। আকাশৰ পৰা লাহে লাহে যেন ডাৱৰবোৰ আঁতৰি গৈছে।

নাই কথাতো বৰ বেয়া হৈছে। প্ৰমোদহঁতে মোক কি বুলি ভাবিব ! সেয়েহে আজি প্ৰমোদহঁতৰ ঘৰলৈ গ'লো। তাক ক'লো, কামবোৰ কৰিবৰ হ'ল, হাতত তিনিদিন সময় আছে, সৰুকৈ হ'লেও সুৰুযৰ কাজটো পাতি পেলাব লাগিব !



*গল্পকাৰ, স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগৰ ছাত্ৰ*

# শূন্যতাৰ পিছত ...

নয়নী বৰুৱা

তাই পুনৰ চিন্তাত আত্মবিভোৰ হৈ গ'ল। কেইবাদিনো হ'ল কিতাপখন আগত মেলি ল'ই কোনোৱা দিগন্তত ভ্ৰমি ফুৰা। চিন্তাৰ সাগৰত মনৰ পাল তৰা নাৱে যেন আগুৱাইছে পিছুৱাইছে, উটিছে ভাহিছে!!!! চিন্তাৰ সংঘাত, জটিলতা আৰু যন্ত্ৰণাৰ অৱসাদত দেহ মন স্থবিৰ হৈ পৰে। অনুভৱ হয় গভীৰ শূন্যতা, কেৱল শূন্য আৰু শূন্য, পাৰাপাৰহীন শূন্যতা। শূন্যৰ গভীৰতা যেন মহাকাশৰ কৃষ্ণগহ্বৰৰ গভীৰতাতকৈ অধিক, যি গভীৰ শূন্যৰ পৰা শূন্যও ওলাব নোৱাৰে!! অসম্ভৱ, চিন্তা কৰাও অসম্ভৱ! তথাপি সেই একেই মানসিক অন্তৰ্দ্বন্দ্ব, অস্থিৰতা, আকুলতা। পনিৰ গভীৰৰ পৰা গভীৰ যেন এটা মস্ত দ' গাঁত।

... ... ... ... ...

ৰাতিপুৱা শুই উঠিয়েই এইকেইদিন একেটা কথাতেই মনত উত্তৰ হয় তীব্ৰ সংঘাত। আজিও পৰা নাই তাই ভগৱানক প্ৰাৰ্থনা কৰিব। তাই মানি ল'ব পৰা নাই ভগৱানৰ অস্তিত্ব, ভগৱানৰ তথাকথিত ৰূপ। তাইৰ কণমানি হৃদয়ে ঢুকি পোৱা নাই ভগৱানৰ মাহাত্ম্য, সঁচাকৈয়ে আছিলনে শিৱ, সৰস্বতী, লক্ষ্মী, কৃষ্ণ ... বুলি কোনো জীৱন্ত চৰিত্ৰ, নে মনুহৰ মনেসজা কিছুমান পৰম্পৰা মাথোন। নাই, তাই পৰা নাই চিন্তা কৰিব, খাব শুব তাই একো কৰিব পৰা নাই। তাইৰ পোন্ধৰ বছৰীয়া জীৱনে বিষয়টোৰ ওপৰত চিন্তাৰ পাৰাপাৰ পোৱা নাই। বিফলতাই যেন তাইক ডিঙিলৈকে চুই পেলাইছে, উশাহবোৰে যেন তাইক দুৰৈৰ পৰা ৰিঙিয়াব ধৰিছে। তাই অনুভৱ কৰিলে চিন্তাৰ পৰিসৰে যেতিয়া সীমা অতিক্ৰম কৰিব নোৱাৰে তেতিয়া যেন পৃথিৱীৰ সমস্ত বেদনা, যন্ত্ৰণা, আকুলতা, আন্ধাৰবোৰ আহি ডিঙিত থুপ খায়হি, পৃথিৱীখন যেন পৰিণত হয় এটা বিৰাট শূন্যতালৈ!!! নাই তাইৰ শক্তি নাই, ভাষা নাই বুজাবলৈ তাইৰ অস্থিৰতা, আকুলতা, অনিশ্চয়তা...!!!! কিন্তু তাই ক'তো মন বহুৱাবও পৰা নাই, বিদিনাৰ পৰা তাই তথাকথিত ভগৱানৰ ফটোৰ ওচৰত দিনটোৰ মঙ্গলাৰ্থে এবাৰো প্ৰাৰ্থনা জনোৱা নাই।...

... বহু চিন্তা ভাৱনা কৰি শেষত তাই 'সময়'কেই পূজা কৰিবলৈ স্থিৰ কৰিছিল, যি শক্তিক কেন্দ্ৰ কৰি পৃথিৱীৰ সমস্ত সুখ দোষ, চিন্তা ভাৱনা ক্ৰিয়া কলাপ সংঘটিত হৈছে। এই পৃথিৱীতটো সময়েই একমাত্ৰ অদৃশ্য শক্তি, যাৰ আদি অন্ত, পৰিধি ওজন একোৱেই নাই!!!... কিন্তু পুনৰ তাই ব্যৰ্থ, চিৰন্তন সত্য সময়ক পূজা কৰিবলৈ গৈ তাই অনুভৱ কৰিলে জীৱনৰ চৰম সত্য শূন্যতা!!!... আকৌ এটা জীৱনৰ দ্বিতীয় "কিয়"ৰ দোমোজাত তাই অনুভৱ কৰিলে চৰম যন্ত্ৰণা, বিষন্নতা, অনিশ্চয়তা...!!!!! দুটা 'কিয়'"ই যেন তাইৰ সমস্ত দেহৰ শিৰা উপশিৰা পিষ্ট কৰি কৰি গুৰি বনাইছে !!! তাইৰ নিজৰ শৰীৰ, জীৱনৰ অস্তিত্বৰ ওপৰতো সন্দেহ জন্মিল, তাইওতো তাইৰ সমস্ত ব্যৰ্থ চিন্তাৰ কিছুমান শূন্যতাৰ সমষ্টি !!!!... তাইৰ ভাবিবলৈ ভয় লাগিল, প্ৰকৃততে তাই কোন, জীৱন কি, পৃথিৱী কি, শূন্যতা কি?????... তাই পাগল হোৱা নাইতো, পাগল মানুহেহে চাগৈ এনেদৰে আঁতিগুৰি নোহোৱা চিন্তা কৰে!!!!!!!! ... ... ... ...

হঠাৎ, মাক দেউতাকৰ ওপৰতেই তাইৰ সমস্ত ক্ষোভ জ্বলি উঠিল। ... তাই আজিও নাজানিলে তাইৰ জন্ম ৰহস্য!! সমগ্ৰ জীৱন সাধনা কৰিলেও কিজানি নাপাব ইয়াৰ সঠিক উত্তৰ!!! তাইৰ প্ৰকৃত দেউতাক কোন আছিল, কি পৰিস্থিতিত তাইৰ জন্ম, মাক দেউতাকৰ মাজৰ সম্পৰ্ক বা কেনেকুৱা আছিল??? নাই, তাই একো .... কে নাজানে এই বোৰ সম্পৰ্কে!!!... তাইৰ জীৱন ৰহস্য সম্পৰ্কে উত্তৰ দিবলৈতো এই পৃথিৱীত মাক দেউতাকে চিন মাত্ৰও কিবা এটা ৰাখি যোৱা নাই!!!!! তাইৰ জীৱনৰ এক ভয়ানক নিশাই মাথো জনাই থৈ গ'ল তাইৰ জন্ম ৰহস্যাবৃত !!! যেন তাই জীৱন্ত ডায়েৰিৰ এখিলা মৃত পাত!!! পৰিচয় বিহীন এক যাযাবৰী জীৱন!!!...

আহঃ কি পাৰাপাৰহীন যন্ত্ৰণা, অনিশ্চয়তা, অস্থিৰতা...!!!!! এটা সুন্দৰ শৰীৰৰ সৈতে সকল বাহ্যিক অস্তিত্ব আৰু পৰিচয়, মাউৰা ছোৱালী বুলি সমস্ত পৃথিৱীৰ সহানুভূতিৰে সৈতে সম্পদশালী তথা প্ৰচুৰ সম্ভাৱনাময়ী এজনী আদৰ্শ ছোৱালী!! কিন্তু আছে জানো তাইৰ কিবা আভ্যন্তৰীণ অস্তিত্ব!!!! অস্তিত্বৰ সোৱাদ বিচাৰি দেখোন বাৰেপতি উজুতি খায় শূন্যতাৰ অতল গহ্বৰত। কেৱল নিজেইতো নিজৰ ওচৰত নিজৰ ঠিকনা হ'ব নোৱাৰে!!!! আৰু পাৰেই যদি তাই কিয় মানি ল'ব পৰা নাই; কিয় সকলোৰে নিচিনা তথাকথিত ভগৱানক প্ৰাৰ্থনা জনাব পৰা নাই; অথবা, তাইৰ মাকেইবা কিয় দেউতাকক তাইৰ সঠিক পৰিচয় নিদিলে???????... কিয় তাইক সমাজে দিব পৰা নাই নিষ্পাপ দেহেৰে সৈতে জীৱনৰ নিশ্চয়তা?? সমগ্ৰ পৃথিৱীকে আপোন বুলি ভৰা তাইৰ নিষ্পাপ মনটোৱেতো কাৰোৰে পৰাও সঠিক মূল্য পোৱা নাই!!!! মাথোন প্ৰাক্ যৌৱনকালতেই সমাজে তাইক আৰু এটা অনিশ্চয়তা আৰু চৰম সত্যৰ লগতহে পৰিচয় কৰাই দিলে। কোনেও নাজানে সেই ৰূঢ় নিস্তব্ধ, বাস্তৱ আবেলিটোৰ পৰিচয়, কেৱল সাক্ষী আছিল আকাশ, প্ৰকৃতি আৰু গভীৰ শূন্যতাবোৰ...;

সিদিনাৰ পৰাই যেন শূন্যতাই পিষ্ট কৰি কৰি তাইৰ সামান্য বাহ্যিক অস্তিত্বও গ্ৰাস কৰিব খুজিছে!! সিদিনাৰ পৰাই যে তাই ছাঁটোতে লাগি থাকে তিনিআলিৰ ল'ৰাকেইটাৰ বেপেৰুৱা হাঁহি, অশ্লীল আকাংক্ষা ইত্যাদি; বিকেইটাৰ পৰা তাই যেন আশা কৰিছিল এক গভীৰ নিৰাপত্তা মাথোন!!! তাই সিহঁতৰ মাজতেইটো বিচাৰি পাইছিল সমগ্ৰ জগতখন, ভগৱানৰ মাহাত্ম্য, মৰমৰ এক গভীৰ তাড়না...।

সিহঁতৰ চকুত যেন জিলিকিছিল মাথো সহানুভূতিৰ সাগৰ ; কিন্তু কি আছিল সিহঁতৰ সেই সহানুভূতিশীল দৃষ্টিৰ আঁৰত ? নে, সিহঁতৰ সেই দৃষ্টিও সুযোগ-সন্ধানী আছিল ? তাই বুজি নাপালে, সেই সহানুভূতিও যে জীৱনৰ কিছুমান চৰম অনিশ্চয়তা !!!!! তথাপি..., তথাপি তাই শেষ হৈ যাব নোখোজে, সাহসেৰে যুঁজিব খোজে শূন্যতাৰ লগত, সমাজৰ বাহ্যিক মুখাৰ লগত !!! তাইক এটা সঠিক পৰিচয় লাগে, জীৱনৰ সঠিক ঠিকনা ; যি ঠিকনাৰ অস্তিত্ব যেন কেৱল নিজতেই বিচাৰি পায় !!! নালাগে তাইক সমাজৰ ঠিকনা, সামাজিক অস্তিত্ব-সহানুভূতি। তাইক স্বাধীন-মুক্ত জীৱন লাগে, য'ত কেৱল তাই নিজকেই অনুভৱ কৰিব পাৰে, নিজ হৃদয় আকাশৰ তলত সাজিব খোজে নিজৰেই পঁজাঘৰ, কণ কণ বহুতো পঁজাঘৰ, তাইৰ দৰে সঠিক পৰিচয়বিহীন সেই যাযাবৰীসকলৰ বাবে...।

কিছুদিনৰ আগলৈকে হয়তো এয়াই আছিল তাইৰ জীৱনৰ আশা, ইচ্ছা আৰু জীৱন আৰু জগতৰ প্ৰতি সামান্য মোহ !!!...!!!

কিন্তু, ... ... ...

শেষত, ভগৱানেও যেন তাইক এৰি দিব খোজা নাই !!! তাইৰ ওপৰতেই যেন পৃথিৱীৰ সমস্ত দোষ যন্ত্ৰণা, সাহস-ধৈৰ্যৰ পৰীক্ষা চলাব খুজিছে !!!!! তাই খৰচ কৰা প্ৰতিটো উশাহৰ মূল্যও যেন তাইৰ জীৱনৰ পৰাই পূৰাব খুজিছে !!... সিদিনাৰ ঘটনাটোৱে যেন তাইক ভগৱানৰ প্ৰতি থকা একান্ত ভক্তিৰ পৰাও বঞ্চিত কৰিলে !!! আপোন বুলিবলৈ একমাত্ৰ আশ্ৰয়দাতা ৰবদেউতাকৰ পৰা পালে নিষ্ঠুৰ... বিশ্বাসঘাতকতা। তাই হেৰুৱাই পেলাইছিল সমস্ত বিবেক বুদ্ধি, চিন্তা..., বন্ধ গাড়ীৰ আন্ধাৰবোৰ যেন আৰু গাঢ় হৈছিল, তথাপি টলমলাই উঠিছিল যেন মানুহবোৰৰ চকুৰ লালসা আৰু মনৰ ঠেক দুৰ্গন্ধবোৰ !!!! চিঞৰিব খুজিও তাই বৈ গৈছিল, সমগ্ৰ পৃথিৱীক জনাব খুজিও তাই বৈ গৈছিল; অবিশ্বাস, অনিশ্চয়তাৰ সাগৰত তাইৰ কাঙাল হৃদয়ে মাথো নিৰৱে গ্ৰহণ কৰিছিল পৰিস্থিতিৰ দাসত্ব। প্ৰচণ্ড মানসিক সংঘাত, অস্থিৰতাৰ কোলাহলত আৰম্ভ কৰিছিল হোষ্টেলীয়া জীৱন। চেষ্টা কৰিছিল সহজ হ'বলৈ, হজম কৰিবলৈ, সকলো ঘটনাক তুচ্ছ কৰি নিজৰ লক্ষ্যত উপনীত হবলৈ দৃঢ় হৈছিল। নিজকে বিলীন কৰি দিছিল অনিৰ্বচনীয় জগতত, সেউজীয়াৰ পৰা আৰু অধিক সেউজীয়া অনিৰ্বচনীয়তালৈ যোৱাৰ ইচ্ছা যেন প্ৰবল হৈ পৰিছিল !!!!

কিন্তু, তাই পৰা নাই, তাই যিমানেই আগুৱাবলৈ চেষ্টা কৰিছে সিমানেই যেন পিছুৱাইছেহে !! তাই সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে জীৱনৰ ঘটনাচক্ৰক মানি লব লৈ। হয়তো পাৰিলেহেঁতেন যদিহে তাই ভগৱানৰ ওচৰত বিচাৰি পালেহেঁতেন জীৱনৰ ঠিকনাৰ দৰে শৰীৰৰো ঠিকনা !! কিন্তু নিজৰ শৰীৰৰেই অস্তিত্ব নথকা কোনোবাই আন কাৰোবাৰ শৰীৰৰ মৰ্যাদা বুজি পাব জানো ?? যদি বুজিয়েই নাপায় তেন্তে ... তেন্তে তাইৰ কি হ'ব ? ক'ত বিচাৰি যাব তাইৰ শৰীৰৰ নিৰাপত্তা ? এই পৃথিৱীত ক'ৰবাত তাই পাব জানো শৰীৰৰ সঠিক মৰ্যাদা ! কোনে দিব ? কোনে দিব তাইক... ????? তাই পুনৰ অনুভৱ কৰিলে জীৱনৰ চৰম শূন্যতা, হৃদয়ৰ হাহাকাৰ, মৰ্যাদাৰে জীয়াই থকাৰ তীব্ৰ হেঁপাহ !!!!! তাই বাৰু পৰিবনে জীৱনৰ তীব্ৰ হেঁপাহঁবোৰক সন্মান জনাব, নে নিয়তিৰ হাতত জীৱন্তে কবৰ দিব লাগিব ??? তাইৰ হঠাতে অনুভৱ হ'ল, যেন তাই ভগৱানৰ শক্তিক পূজা কৰা নাই, পূজা কৰিছে কেৱল জীৱনৰ সমস্ত দুৰ্বলতাবোৰক !!!!! তাই ভাবি ভাবি উত্তৰ নাপালে ভগৱানৰ শক্তিৰ অস্তিত্বৰ বিষয়েও !!! তাই যেন মানি লব পৰা নাই এই বিশ্ব ব্ৰহ্মাণ্ডত সময় শক্তিৰ বাহিৰেও ভগৱানৰ শক্তিৰ অস্তিত্ব !! আছে জানো এই পৃথিৱীত আন কিবা, আছে জানো ?? যদি আছেই তেন্তে তাইৰ কিয় এই দুৰৱস্থা, মানসিক অন্তৰ্দ্বন্দ্ব, অস্থিৰতা... !!! হয়, নাই এই পৃথিৱীত আন একোৰেই অস্তিত্ব নাই, কেৱল সময়, সময়, চাৰিওফালে সময়েই, কেৱল সময় !! জীৱনৰ মায়া মোহ, ভগৱানৰ শক্তিৰ অস্তিত্বকে আদি কৰি আন সকলোৰেই মৰীচিকা, মাথো মৰুভূমিৰ মৰীচিকা !!!!! তাইৰ ওপৰতো সময়, তলতো সময়, উশাহতো লৈছে সময়, মুঠতে জীৱনৰ প্ৰতি খোজতে কেৱল সময় আৰু সময় শক্তিৰেই ভৰপূৰ !!!!!!



কিন্তু, কিন্তু, কি পালে তাই, সময় শক্তিক পূজা কৰি !! পুনৰ জীৱনৰ সেই চৰম শূন্যতা ; এই শূন্যতা যেন... ; নাই ভাষা নাই, বুজাবলৈ তাইৰ ভাষা নাই !!!! ব্যৰ্থ, ব্যৰ্থ সম্পূৰ্ণ ব্যৰ্থ !!! আসঃ কি চৰম যন্ত্ৰণা, অনিশ্চয়তা !!!!! সময়ক পূজা কৰিবলৈ গৈ যেন তাই এইকেইদিন বতাহত ভাঁহিহে আছিল !!!! যি অকণ ব্যাহ্যিক অস্তিত্ব তাই অনুভৱ কৰিছিল সেইকণও যেন মহাকাশৰ দূৰ দিগন্তহে উলমি আছে !!!!!!... যৰ নাই কোনো আকাৰ, সীমা, অস্তিত্ব নাই, একোৱেই নাই সময়ৰ, সময় মাথো চিৰন্তন সত্য ঘটনা !!!!

... ... ... ...

তথাপি তাই যেন কিবা এটা পালে সময়ক পূজা কৰি, এক অদ্ভুত কিবা এটা পালে তাই। জীৱন-জগতৰ সমস্ত শূন্যতাৰ মাজতো যেন তাই বিপুল মানসিক শক্তি অনুভৱ কৰিলে !!! সময়ে যেন তাইক জীৱনৰ শূন্যতাক মানি লৈ, সেই শূন্যতাৰ মাজত থকা বিশ্বাসক হৃদয়েৰে উপলব্ধি আৰু মানিবলৈ বাধ্য কৰালে !! সময় শক্তিৰ মাজতেই যেন তাই বিচাৰি পালে তথাকথিত ভগৱানৰ এক নিজস্ব ৰূপ ; যি ৰূপৰ মাজত তাই বিচাৰি পালে জীৱন জগতৰ চৰম শূন্যতাৰ অৰ্থ, আৰু সেই অৰ্থময় শূন্যতাতেই যেন নিহিত তাইৰ অস্তিত্ব, সম্পূৰ্ণ নিজস্ব অস্তিত্ব, তাইৰ ভাব-অনুভূতিৰ অস্তিত্ব, তাইৰ ভৱিষ্যত সপোনৰ অস্তিত্ব, কৰ্মৰ অস্তিত্ব, মানৱ জীৱনৰ অস্তিত্ব আৰু...!!!!

*গল্পকাৰ, স্নাতক দ্বিতীয় বৰ্ষ বুৰঞ্জী বিভাগৰ ছাত্ৰী*

# দুঃসময়ৰ সপোন

চিনু বৰপাত্ৰগোঁহাই

'খিৰিকিখন বন্ধ কৰি দিয়া মেঘা'। বাহিৰত ঝিনকিনিয়া বৰষুণ। বন্ধ কৰিবৰ বিশেষ প্ৰয়োজন নাছিল যদিও মেঘাই অনিৰ্বাণৰ কথা কেতিয়াও অগ্ৰাহ্য কৰিব নিবিচাৰে।

বাছখনে যোৰাবাটৰ অকোৱা-পকোৱা আলিত বাৰে বাৰে বাগৰ সলাইছে। আঠ ঘণ্টীয়া ৰাস্তা। ভাবিলেই মনত ক্লান্তি ভাব হয়।

আজি প্ৰায় বাৰটা মাহৰ পূৰ্বেই সিহঁতে এক নতুন জীৱনৰ পাতনি মেলিছিল। মেঘাক লৈ অনিৰ্বাণ নিশ্চিন্তভাৱেই সুখী আৰু মেঘা; তাইও অনিৰ্বাণৰ কাষত থাকি কাৰোৱেই অভাৱ অনুভৱ কৰা নাই। শান্ত, সৌম্য, কোমলমতীয়া মনৰ অনিৰ্বাণ।

আধা খোলা খিৰিকিৰ ফাঁকেৰে গুৱাহাটীৰ উঁৱলি যোৱা পাহাৰবোৰ মেঘাই যেন বাৰে বাৰে কবিতাত ধৰি ৰাখিব বিচাৰিছে। মেঘা যেন আকৌ ঘূৰি গৈছে ছয় বছৰৰ আগৰ হোষ্টেলৰ তাইৰ খিৰিকিৰ কাষলৈ। বাহিৰৰ এটলীয়া পাহাৰত তামোল গছবোৰ বতাহত হালি-জালি আছে। আগনিশাৰ কণ কণ বৰষুণৰ টোপালবোৰ এতিয়াও পাতৰ আগত ওলমি এই পৰো পৰোকৈ আছে। দূৰত পাৰাপাৰহীন নীলাভ আকাশ। হাতত কলম তুলিবৰে পৰা মেঘাই আকাশ ভাল পায়। ইমান বিশাল হৃদয় আকাশৰ। আকাশক সাক্ষী কৰিয়েই মেঘাই সদায় কবিতা লিখে আৰু সেই কবিতা প্ৰথমেই উপহাৰস্বৰূপে গৈছিল জিতৰ হাতলৈ। কিন্তু জিতে আজিকালি কবিতা ভাল পাবলৈ এৰি দিছে। এসময়ৰ কবিতা প্ৰেমিক এতিয়া বাৰুদ প্ৰেমিক। জিতে সদায়েই মেঘাক কয়—

"খিৰিকিৰ ফাঁকেৰে আকাশ চাই আৰু কবিতা লিখাৰ দিন নাই মেঘা। তুমি বাৰুদ ভাল পাবলৈ শিকা আৰু শুনিবাচোন বাৰুদৰ কি মধুৰ শব্দ। বাৰুদে শীতৰ সৰাপাতবোৰ জ্বলাই দি বসন্তৰ কুঁহিপাত আনে।"

"সেয়া তোমাৰ ভুল ধাৰণা জিত। বসন্তৰ কুঁহিপাতক তুমি কেৱল কলমেৰেহে ধৰি ৰাখিব পাৰিবা। কেৱল কবিতাত। নিজেই এবাৰ ভাবি চোৱাচোন। স্কুলৰ দিনৰ পৰা আজিলৈ কি কৰিব পাৰিছা! স্কুলৰ পাঠদান অনিয়মীয়া, কলেজত নামভৰ্তিৰ মাচুল বৃদ্ধি, নিবনুৱা সমস্যাবোৰতো আছেই। কিমান ধৰ্ণা দিবা! কিমানক হত্যা কৰিবা? কিবা জানো সুফল পাইছা! এইবোৰ সকলো ব্যৰ্থ প্ৰচেষ্টা মাথোন। জানা, সৰুতে আমিও মেটেকাৰ বন্দুক লৈ দৌৰি ফুৰিছিলো। কিন্তু এতিয়াযে কলমেই মোৰ



একমাত্ৰ সম্বল। কলমৰ পৰা মোক কেতিয়াও বিচ্ছিন্ন হ'বলৈ নক'বা জিত। এইয়া মোৰ শেষ কথা; আৰু মোক যদি কেতিয়াবা বিচৰা কেৱল কলমৰ মাজতেই বিচাৰি পাবা।"

প্ৰায় চাৰিটা বছৰৰ আগৰ কথাবোৰে মেঘাৰ মণিকোঠাত লুকাভাকু খেলিছে। লুকুৱাবৰ চেষ্টা কৰিও যেন তাক লুকুৱাব পৰা নাই।

বাছখন এতিয়াও দুৰ্বাৰ গতিত। কাষে কাষে এখন ক'লা ৰঙৰ গ্লাছ লগোৱা মাৰুতি ভান। বহুসময়ৰ পূৰ্বৰ পৰাই মেঘাই লক্ষ্য

কৰি আহিছিল। মেঘাৰ হাতত এতিয়াও কলম। খিৰিকিৰ সিপাৰে উঁৱলি যোৱা পাহাৰবোৰ, তাত ওলমি থকা ঘৰবোৰ আৰু বহুত কিবা-কিবি।

হঠাৎ বাছখন ৰৈ গ'ল; আৰু এটা পশুমানৰে দুৱাৰখনত থেলা দি, সমুখৰ সকলোকে দলিয়াই পোনেই আহিছে মেঘাৰ কাষলৈ। মেঘা হতবাক। সেয়া যে জিত! একালৰ হাতত কাগজৰ নুৰা লৈ ফুৰা জিতে আজি সেই হাতেৰেই লৈ আহিছে এপাত অস্ত্ৰ। মেঘাৰ ডিঙিটো যেন ক্ৰমে শুকাই আহিছে। ক'ব বিচৰা কথাকেইটাও শব্দ হৈ ওলাই অহা নাই।

"তুমি এতিয়াও তেজ ভাল পোৱা জিত।"

কিন্তু মেঘাৰ সেই শব্দকেইটা জিতৰ কাণত নোসোমাল। তাৰ সলনি সোমাল মেঘাৰ বুকুত, অস্ত্ৰপাত। মেঘাৰ ফুল যেন কোমল বুকুৰ তেজবোৰ চিটিকি চিটিকি দূৰত পৰিছেগৈ। এটা আৰ্তনাদ আৰু শৰীৰত থকা সমস্ত শক্তিৰে তাই বাকি দিছিল বুকুৰ আক্ষেপবোৰ, অভিযোগবোৰ।

"বন্দুক ধৰি কঠিন হোৱা হাতখনতকৈও তোমাৰ হৃদয়খন কঠিন হ'ব পাৰে বুলি মই ভবা নাছিলো জিত। তেজ দেখি মই ভয় খাও দেখি কেতিয়াও তেজ চাবলৈ ইচ্ছা কৰা নাছিলো। কিন্তু আজি মোৰ বুকুয়েদি বিৰিঙি পৰা তেজবোৰ মই দেখিছো। ইমান ৰঙা তেজৰ ৰং। তুমি দিয়া গোলাপৰ কলিতকৈও ৰঙা। তুমি মোক এদিন সুধিছিলা নহয়, মোৰ প্ৰিয় ৰং। মোৰ প্ৰিয় ৰং ৰঙা। কিন্তু সি তেজৰ নহয়। সি গোলাপৰ ৰং।"

"তুমি মোক ক্ষমা কৰিবা মেঘা। তোমাৰ আৰু মোৰ পচন্দ বেলেগ। তোমাৰ প্ৰিয় বস্তু ফুল আৰু মোৰ প্ৰিয় বস্তু তেজ। একেই বৰণ, অথচ ভিন্ন সোৱাদ। সময় বহুত সলনি হৈছে মেঘা। তুমি সময়ৰ লগত খোজ মিলাই আগবাঢ়িব পৰা নাই। আৰু সেয়া তোমাৰ ভুল হ'ল। মেঘা, এইয়া তোমালৈ মোৰ শেষ উপহাৰ।"

জিতৰ কথাকেইষাৰ শুনিব পৰাকৈ মেঘাৰ শৰীৰৰ শক্তি নাছিল। তাইৰ শৰীৰটো লাহে লাহে ঢলি পৰিল অনিৰ্বাণৰ কোলাত।

"মেঘা; তোমাৰ হাতত এতিয়াও কলম। অথচ উকা হৈ আছে তোমাৰ ডায়েৰি।"

অনিৰ্বাণৰ মাততহে মেঘাৰ তন্ময়তা ভাগিল। তাই যেন সৰগ ঢুকি পালে। সাৰ পাই পোনেই চাইছে হাতখনলৈ। এতিয়াও কলমটো টান কৰি ধৰি আছে। ৰক্ষা! কলমৰ সলনি যে অস্ত্ৰপাত হাতত নাই আৰু কাষত জিতৰ সলনি এইয়া অনিৰ্বাণ।

"আমি জখলাবন্ধা পাইছোহি মেঘা। তোমাৰ কলমটো থোৱা। বাস্তৱকেই মানি ল'বলৈ চেষ্টা কৰা; আৰু যি দেখিছা সেয়া সত্য। কবিতাৰ জগতত ঘূৰি ফুৰি একো নোপোৱা।"

শান্ত, সৌম্য একেই হাঁহি অনিৰ্বাণৰ। তাৰ হাতত চিপচ্‌ৰ পেকেটটো মেঘালৈ আগবঢ়াই দিছে।

আলিৰ কাষে কাষে সেউজীয়া বননি। বতাহত ঝাওবনবোৰ হাউলি হাউলি বাগৰি পৰিছে। বাহিৰৰ মুক্ত বিশাল আকাশেও যেন মেঘালৈহে চাই আছে। এই আকাশক সাক্ষী কৰিয়েই তাই বহুদিনৰ পৰা মৌনতাৰে সকলো সহ্য কৰি আহিছে আৰু সহ্য কৰি থাকিব। আকাশ থকালৈকে, বতাহ থকালৈকে, থকালৈকে পৃথিৱীৰ মানুহৰ হৃদয়।



*গল্পকাৰ, স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগৰ ছাত্ৰী*

# তোৰে সমান হ'ব কোন



ভুলিকা চাংমাই

হেই, ছুঃ ছুঃ ; অই মুনুং ক'ত গ'লি? এই ল'ৰাকেইটাৰ পৰা আৰু উপায় নাই। ছোৱালীজনীয়ে ভাত খাইছে অলপ বোলো ৰখি দে চোন ওচৰত ; নাই সিহঁতক খেলিবলৈ পালে আৰু একো নালাগে। ইফালে কাঁহিত আহি মেকুৰিয়ে মুখ দিলেহি। ৰহ আজি ঘৰলৈ আহ।

এইদৰে পদ্মাই জকজকাই উঠি তাইৰ তিনি বছৰীয়া ছোৱালীজনী কোচত তুলি ললে। তাৰপিছত নিজে হোৱাই নোহোৱাই ভাত এগৰাহ ভৰাই ছোৱালীজনীক বোকোচাত বান্ধি হাতত কাঁচি এখন লৈ পথাৰলৈ বুলি ওলাই গ'ল। পকাধানৰ মাজেৰে খৰ-খোজেৰে গৈ তাই নিৰ্দিষ্ট ধাননি পথাৰখন পালেগৈ। খৰকৈ আহিও তাইৰ পাওঁতে যথেষ্ট দেৰিয়েই হ'ল। অৱশ্যে ই কোনো ব্যতিক্ৰম নহয়। তাইৰ সদায়েই দেৰি হয় আৰু মালিকৰ মুখেৰে এষাৰ কথা শুনিব লাগেই। ধান কটাৰ আগতে তাই চাৰিওফালে এপাক চাই ল'লে। এইটো তাইৰ প্ৰতিদিনৰ নিয়ম। ইতিমধ্যে পথাৰত দাৱনীবিলাকে নানান হাঁহি-তামাচা কৰি ধান কটা আৰম্ভ কৰিছেও। তাইও নৰাৰ মাজতে ছোৱালীজনীৰ বাবে এটুকুৰা ছাঁ পৰা ঠাই বিচাৰি (তাই দেখি থকাকৈ) তাতে এখন কাপোৰ পাৰি বহাই দিলে। পকা ধানৰ মিঠা গোন্ধ লৈ তাই এইবাৰ ধান কটাত লাগিল।

"অই পদ্মা আহিলি।" হঠাৎ মালিকনীৰ মাতত তাই উচপ খাই উঠিল।

"হু" - তাই ক'লে। এইদৰে মালিকনীয়ে সদায় আহি তাইক দেখা এটা দি যায়হি আৰু লগতে ৰঙা চাহ, কল বা গুৰ আদি অলপ অচৰপ লৈ আহে। যি হঁওক তাতকৈ তাইতো আৰু একো আশাও কৰিব নোৱাৰে।

"তোৰ গিৰিয়েৰা আছেনে নাই অ' ঘৰত? আজিকালিচোন আমাৰ ফালে নহাই হ'ল।"

কিয়জানো গিৰিয়েকৰ কথা শুনি তাইৰ খংটো আকৌ উক দি উঠিল। যোৱা ৰাতিৰ ঘটনাটোলৈ তাইৰ মনত পৰিল। পদ্মাই এক মুহূৰ্ত মালিকনীৰ ফালে চালে। তাৰপিছত ক'লে "আছে।" এটি চমু উত্তৰ।

"কি হ'ল, কালি আকৌ কিবা..." মালিকনীয়ে কথাষাৰ শেষ নকৰাকৈ বৈ গ'ল।

অজানিতে চেপি ৰখা কান্দোনটোৱে তাইৰ বুকুত খুন্দা মাৰি ধৰিলেহি। বুকু ভাঙি ওলাই অহা কান্দোনটো তাই ধৰি ৰাখিব নোৱাৰিলে। তাইৰ দুচকুৰে দুটোপাল তপত চকুলো বৈ গ'ল।

"অ' কালি ৰাতি সেই গেলাসোপা খাই আহি আকৌ মোক মাৰিছেহি। দিনৰ দিনটো ক'ত থাকে কি কৰে খবৰ নাই, ৰাতি এডোখৰত সোমাই আহি ইটো দে সিটো দে কৰি আমনি কৰিবলৈ আহিব। ইফালে ঘৰত খাবলৈ আছেনে নাই সেইবোৰ চিন্তা নাই। দিনৰ দিনটো আৰ ঘৰত তাৰ ঘৰত হাজিৰা কৰি কৰি চাউল পাত দুটামান গোটাও তাকো সাতটা ল'ৰা ছোৱালীয়ে খাবলৈ নাটে।... বাপেকৰ অত্যাচাৰত ঘৰত গাভৰু জীয়েকজনীও থাকিব নোৱাৰা হৈছে। মামাকৰ ঘৰলৈ পঠালে কয় বোলে মাকে জীয়েকে দেহ বিক্ৰী কৰি উপাৰ্জন কৰিছে। সাতটাকৈ ল'ৰা ছোৱালীক পঢ়াবলৈ শুনাবলৈ, খুৱাবলৈ পিন্ধাবলৈ মই আৰ-তাৰ

ভৰিত ধৰি কিদৰে দুপইচা গোটাও নইহে জানো... গধূলি ঘৰলৈ গৈও শান্তি নাই। মৰি থাকিবও নোৱাৰো। কণা গোঁসায়ে আমাক দেখিও নাপায়। নাজানো কি খাবলৈ ল'ৰা ছোৱালী কেইটাই জন্ম ললে। এতিয়া মোকেই খুলি খুলি খাইছে।"

ইমানখিনি কথা একেলগে কৈ মানুহজনী হঠাৎ চুপ হৈ গ'ল। তাৰ পিছত দীঘল কৈ এটা হুমুনিয়াহ কাঢ়ি হুকহুকাই কান্দিবলৈ ধৰিলে। কথাখিনি যেন তাইৰ মনত এটা বোজাহে হৈ আছিল। কাৰোবাৰ আগত কৈহে তাইৰ মনটো কিছু মুকলি লাগিল। তাইৰ সকলো দুখ চকুপানীহে ওলাই আহিল।

বৰুৱানীয়েও ইমান সময়ে কথাখিনি শুনি আছিল। মানুহজনীৰ অন্তৰত বহুত দুখ থুপ খাই আছে বুলি তেওঁ আগতেই ধাৰণা কৰিছিল। পদ্মাৰ গিৰিয়েক বলোযে এটা ঘোৰ মদপী, এই কথা গাঁৱৰ কোনোৱে কোনোৱে নজনা নহয়। সি সদায়ে মদ খাই আহি ঘৈণীয়েকৰ ওপৰত অমানুবিক অত্যাচাৰ চলায়। তথাপিও পদ্মাই কিন্তু তাৰ বিৰোধীতা কৰাৰ কথা বৰুৱানীৰ মনত নপৰে। তাই যেন এই সকলোবোৰ মুৰ পাতি ল'বলৈহে জীয়াই আছে।

পদ্মাৰ কথাখিনি শুনি বৰুৱানীয়ে কি সমিধান দিব তাক ঠিক কৰিব নোৱাৰিলে।

"নাকান্দিবি... নাকান্দিবি; মই ইয়াক বুজাম ৰহ..." তেওঁ কলে।

"এনেকুৱা মানুহক বুজাইনো কি লাভ? যি মানুহে আপোন মানুহৰ সুখ-দুখ বুজি নাপায়; এইবোৰ থকাতকৈ নথকাই ভাল।" পদ্মাৰ যথেষ্ট খং উঠিছিল। খঙৰ কোবত তাইৰ মুখলৈ যি আহে তাকে বকিবলৈ ধৰিলে।

"হব; হব। এতিয়া আৰু কান্দি থাকিব নালাগে। দুপৰীয়া হলেই। মইও যাঁও, ঘৰত অলপ কাম আছে। তই ধান দা।... অ' তোৰ ছোৱালীজনী দেখোন শুলেই। তাইক ভালকৈ শুৱাই দে। জোকে-পোকে কামুৰিব।... অ' শুন যাওঁতে আমাৰ ঘৰত সোমাই চাউল কেইটামান লৈ যাবি। তই কালি বিচাৰিছিলি নহয়। বাৰু মই এতিয়া যাওঁ।"

বৰুৱানীয়ে কোবা-কোবিকৈ ঘৰলৈ ঢাপলি মেলিলে। পদ্মাইও কথাবোৰ ভাবি ভাবি ধান কটাত লাগিল।

লাহে লাহে আবেলিটো এন্ধাৰৰ মাজত লীন যাবলৈ ধৰিলে। পদ্মাইও ধান কটা সামৰি ছোৱালীজনী কোলাত তুলি ঘৰলৈ বাওনা হ'ল। যাওঁতে বৰুৱানীহঁতৰ ঘৰৰ পৰা চাউল কেইটা লৈ যাবলৈ তাই নাপাহৰিলে।

"পেঁপেঁট ভুঁওও..." ঘৰৰ সন্মুখত হালি থকা গছডালৰ ওপৰত বহি তাইৰ সৰু ল'ৰা দুটাই খেলি থকা পদ্মাৰ দূৰৈৰ পৰাই দৃষ্টি গোচৰ হ'ল। দিনটোৰ কামৰ অন্তত গোটেই দেহতে ভাগৰে ছানি ধৰাৰ বাবে তাই সিহঁতৰ ফালে বিশেষ চকু নিদি ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ল'ৰা দুটাইও মাক অহা দেখি মাকৰ পিছে পিছে দৌৰি গ'ল। ভিতৰত সোমাই পদ্মাই দেখিলে ভাত খাই ল'ৰা কেইটাই অ'ত ত'ত কাহি-বাতিবোৰ সিচঁৰতি কৰি থৈছে। তাই ছোৱালীজনীক কোলাৰপৰা নমাই একাষত থৈ সেইবোৰ সামৰি বাহিৰলৈ উলিয়াই লৈ গ'ল। বাচনখিনি চাফা কৰি নিজেও গা-পা ধুই ললে। ইতিমধ্যে সাজ লগাৰ লগে লগে গোটেইমখা ল'ৰা ঘৰ সোমালেহি। গাটো ধুইহে পদ্মাৰ অলপ পাতল লাগিল। তাই নিজৰ ডাঙৰ ল'ৰাটোক সুধিলে "অই বুবু বাপেৰে কেতিয়া গ'ল?"

"আপুনি ওলাই যোৱাৰ পিছতেই গ'ল।" বাহিলৈ কিবা এটা বস্তু পিটিকি তললৈ মুৰকৰি থকা অৱস্থাতেই সি উত্তৰটো দিলে।

আগদিনা খাই বৈ আহি হাল্লা কৰি শুই থকা মানুহটোৱে ৰাতিপুৱা শুই উঠিয়েই মূৰৰ বিষত উঠিব নোৱাৰা হৈ আছিল। তাই ওলাই যোৱাৰ লগে লগে আৰু যাব পৰা হ'লনে? পদ্মাই ভাবি ওৰ নাপালে। হবওতো পাৰে, সেইসোপা গলত পৰিলে কিজানিবা ভাল লাগেই।

তাই গধূলি সাজৰ বাবে যা-যোগাৰ কৰিলে। ইফালে ল'ৰা ছোৱালীকেইটাই কিবা এটা বস্তুক লৈ চিঞৰ বাখৰ কৰি আছে। দিনটো ভোকে ভাগৰে পাৰ কৰি গধূলি এই হৈ হাল্লা তাইৰ একেবাৰে সহ্য নহ'ল। ৰান্ধনিযৰৰ পৰা খৰি এডালকে হাতত লৈ ওলাই আহি তাই "তহঁতৰ কি হয় ঔ সদায় সদায়" বুলি গোটেই মখাকে একালৰপৰা কোবাবলৈ ধৰিলে। মাকৰ কোবত ল'ৰা ছোৱালীকেইটাই ফৰিং চিটিকা দি ইফালে সিফালে পলাবলৈ ধৰিলে। তাই পুনৰ নিজৰ কামত লাগিলহি।

"অ' বৌ আছেনে?"

বাহিৰৰপৰা অহা মাতটো পদ্মাৰ চিনাকী যেন লাগিল। এয়াতো মতিৰ মাত। দুসপ্তাহ মানৰ আগত পদ্মাই মতিৰপৰা টকা ২০০ ধাৰলৈ আনিছিল এটা মুৰ্গী দিয়াৰ বিনিময়ত। মুৰ্গীটো দিয়া হোৱা নাই বাবে হয়তো আজি মতি নিজে ওলালহি। পদ্মাই বাহিৰলৈ ওলাই আহি মতিক বহিবলৈ দিলে।

"ককাই ঘৰত নাই নেকি অ'?" মতিয়ে সুধিলে।

"আছিলে ক'ৰবালৈ হয়তো ওলাই গৈছে।" তাই কলে।

"মই আকৌ সেই মুৰ্গীটো নিও বুলি আহিলো। ভাৱিলো গধূলি সময়ত গড়ালত সোমাঁওতে ধৰিবলৈও সহজ হব। সেয়েহে..." মতিয়ে সুবিধা বুজি ক'লে।

হঠাৎ পদ্মাৰ তিনি নম্বৰৰ ল'ৰাটো তুনু ভিতৰলৈ সোমাই আহি ক'লে— "সেই কুকুৰাটো নিনিব। ডাঙৰৰ কাকাই বুঁজাবলৈ সেইটো থৈ দিছে।"

'অ' হয় নেকি' বুলি মতিয়ে হাঁহি এটা মাৰিলে যেন সৰু ল'ৰাটোৰ কথাবাৰৰ কোনো গুৰুত্বই নাই।

কথাষাৰে পদ্মাৰ বুকুত শেলে বিন্ধাদি বিন্ধিলে। কুকুৰাটোক বুবুৱে যুঁজাম যুঁজাম বুলি সদায়ে কৈ আছিল। তাই কৰুণভাৱে তুনুলৈ চালে। তাই চকুৰেই যেন বুজাই দিলে, উপায়টো নাই বোপাই। আমি দুখীয়া মানুহ যেতিয়া সকলো আশাকে দলিয়াব লাগিবই।

তাই উঠি আহি গড়ালৰপৰা মুৰ্গীটো ধৰি আনি মতিৰ হাতত দিলে। মতিয়ে গোটেই দাঁতকেইটা উলিয়াই এটা তৃপ্তিৰ হাঁহি মাৰি 'ভাল বাৰু আহো' বুলি কৈ যাবলৈ ওলাল। তুনুৱে কথাটো কি হ'ল একো

যেন তৎ ধৰিবকে নোৱাৰিলে। সি বৈ থকা ঠাইতে থিয় হৈ অঁকৰাৰ দৰে মাত্ৰ চাই থাকিল।

মতি যোৱাৰ পিছত পদ্মাই আৰু চকুৰ বান ধৰি ৰাখিব নোৱাৰিলে। নিজৰ ভাগ্যকে ধিয়াই তাই কান্দিবলৈ ধৰিলে। তাইৰ ল'ৰা ছোৱালীকেইটাও ভয়ে ভয়ে আহি তাইৰ কাষত থিয় দিলেহি।

ল'ৰা ছোৱালীকেইটাক খুৱাই-বুৱাই লোৱাৰ পিছত শুবলৈ দি পদ্মাই বলো অহালৈ বাট চাই দুৱাৰ মুখতে বহি থাকিল। আজি বা সি কি নাটক দেখুৱায়? সততে চৰটো, ভুকুতো খাই খাই আজিকালি তাইৰ একো গাত নলগা হ'ল। অৱশ্যে তাইৰো যে অকণ মান সুখত থাকিবলৈ মন নাযায় এনে নহয়। কোন পত্নীয়েনো নিবিচাৰে নিজৰ স্বামীৰপৰা এবাৰ মৰমৰ মাত পাবলৈ? কিন্তু মৰমৰ মাতটো দুৰৰে কথা তাইক বলোৱে কোনো কামতে অলপ সহানুভূতিও নেদেখুৱায়।

তাইৰ আজিও মনত আছে কিদৰে মাকক বলোৱে বিবিধ ছলাহী কথা কৈ তাইক বিয়া কৰাই আনিছিল। সেই সময়ত বলো আছিল এটা গজগজীয়া ডেকা আৰু তাই পাট গাভৰু। তাইৰ মন পাবলৈ সেই সময়ত বলোৱে তাইক বহুত সপোন দেখুৱাইছিল। তাইও আগ পিছ নাভাৱি তাৰ কথাত ভুল গৈয়েই নিজৰ জীৱনটো ধ্বংস কৰিলে। মাক-দেউতাকে তাইৰ বিয়া অন্য কাৰোবাৰ লগত ঠিক কৰিছিল; কিন্তু এইক্ষেত্ৰত তাই আছিল আকোৰগোজ। অৱশেষত উপায় নাপাই বলোক মতাই আনি মাক-দেউতাকে বলোৰ হাততে তাইক গতাই দিছিল। সেই সময়ত সি কৈছিল নিজে নাখাইও হেনো সি পদ্মাক খুৱাব। কিন্তু তাৰ সেই জবান ক'ত হেৰাল পদ্মাই বুজি নাপায়। তাইৰোতো এতিয়া একো উপায় নাই। নিজলৈ নহলেও আন সাতটা পেটৰ বাবেই তাই জীয়াই থাকিব লাগিব। অন্ততঃ ইহঁত কেইটাই খুটি খাব পৰা হোৱালৈকে।

কথাবোৰ ভাবি ভাবি পদ্মা কেতিয়া ঠাইতে টোপনি গ'ল কবই নোৱাৰিলে। তাই যেতিয়া সাৰ পালে তেতিয়া বেলি পূৱত ধলফাট দিলে। তাইৰ গাটো বৰ দুৰ্বল লাগিছিল। হয়তো আগনিশা একো নাখাই শুই থকাৰ বাবেই। বলোও ৰাতি ঘৰলৈ নাহিল। ক'ত বা থাকিল! এনেয়ে ৰাতি ঘৰৰ বাহিৰত সি খুব কমেইহে থাকে। তাইৰ বাবে আকৌ এটা চিন্তা বাঢ়িল।

তাই উঠি গৈ ঘৰৰ ওচৰে পাজৰে বলো ক'ৰবাত পৰি আছে নেকি চাই নেদেখি নিজৰ দৈনন্দিন কামত লাগিল। হাজিৰা কৰিবলৈয়ো যাব লাগে। নগলে পেট নভৰে। তাই ইটো সিটোকৈ কামত মনোনিবেশ কৰিবলৈ ধৰিলে।

"অ' বৌ, বৌ... শুনচোন; এইফালে আহ। বলোকাইৰ... বলোকাইৰ..." জিতেনে উধাতু খাই দৌৰি আহি পদ্মাক কথাখিনি ক'বলৈ লৈ আধাতে সেপ ধুকি ৰ'ল।

পদ্মাই যেন কিবা এটা বিপদৰ উমান পালে। তাই চোতাল সাৰি থকা ঠাইতে বাঢ়নি কোচা পেলাই থৈ দৌৰি আহিল।

"কি হ'ল, কি হ'ল তেওঁৰ নকৰ কিয়?" তাই যেন উন্মাহ লবলৈয়ো পাহৰি গ'ল। "কালি ৰাতি ... ৰেললাইনত সেয়া, বলোকাইক ... ৰেলে খুন্দিয়াই..." পদ্মাৰ আৰু শুনাৰ ধৈৰ্য্য নহ'ল। তাই আউলি বাউলি হৈ ৰেল লাইনৰ ফালে দৌৰ দিব ধৰিলে। মানুহৰ জুম ভাঙি তাই আগুৱাই গৈ দেখিলে বলোৰ গোটেই দেহটো তেজেৰে লুটুৰি পুতুৰি হৈ পৰি আছে। তাইৰ মূৰত যেন সৰগখনহে ভাগি পৰিল। বলোৰ মৰা দেহটো সাবটি তাই পাগলৰ দৰে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। দুজনীমান মানুহে তাইক আঁতৰাই আনিবলৈ টনা আঁজোৰা কৰি থাকিল। সকলোৱে ইচ্ ইচ্ আচ্ আচ্ কৰিব ধৰিলে। ইতিমধ্যে ল'ৰা ছোৱালীকেইটাও তাত পাইছিলহি। সিহঁতেও দেউতাকৰ অৱস্থা দেখি কান্দিবলৈ আৰম্ভ কৰিলে।

লাহে লাহে মানুহবোৰ গোট খাই মৃতদেহ সৎকাৰ কৰিবলৈ ব্যৱস্থা কৰাত লাগিল। পদ্মাক দুগৰাকীমান মানুহে ধৰি আঁতৰাই আনি সান্ত্বনা দিবলৈ ধৰিলে। মানুহবোৰে নানান বৰ্ণনা দাঙি ধৰি ঘটনাটোৰ বিষয়ে আলোচনা কৰি আছিল।

"ই মৰিলে ভালেই হ'ল দে, অন্ততঃ মানুহজনীয়েতো অলপ শান্তি পাব।" — আচম্বিতে শুনা কথাষাৰে যেন পদ্মাৰ মূৰত জোৱাৰ হে তুলি গ'ল।

"কোনে কলে, কোনে ক'লে এই কথা। কিয় কব মানুহটোৰ বিষয়ে তেনেকৈ? মই সুখত থাকো, দুখত থাকো; শান্তি অশান্তি যিহতেই থাকো আনক কেলেই? মানুহজন জীয়াই থাকোতে কি মোৰ বাবে সুখ শান্তি বোলা একো বস্তু নাছিল? কোনেও সেই সময়ত এবাৰ মাত মাতি মোৰ ঘৰলৈ শান্তি নমাই আনিব নোৱাৰিলে কিয়? ... এতিয়া মানুহ জন মৰাৰ পিছত যিহকে পায় তাকে কব নেকি? কোনো দৰকাৰ নাই কাৰো মোৰ বাবে ভাবিবলৈ। মই জীও, মৰো, মোৰ ল'ৰা ছোৱালীয়ে খাবলৈ পাওক নাপাওক ইয়াৰ বাবে কোনেও মূৰ ঘমাব নালাগে।" হৃদয়ৰ সমগ্ৰ আক্ৰোশ উজাৰি দিয়া পদ্মাৰ এই ৰূপটো দেখি সকলো আচৰিত হৈ পৰিল। তাই কথাখিনি কৈ কাৰো ফালে নাচাই তললৈ মূৰ কৰি কান্দি কান্দি আগবাঢ়ি যাব ধৰিলে। তাইৰ খোজ এতিয়া তাইৰ ভগা জুপুৰিৰ ফালে ধাৱমান।

*গল্পকাৰ, স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী*



# আলোকবিহীন জীৱন

ইন্দ্ৰ কমল বনিয়া

(১)

কোনে জানে মোৰ হৃদয়ত ধুমুহা সৃষ্টি কৰা, অবিৰাম বিদ্ৰোহ কৰি থকা দুখবোৰৰ কথা? কোনে জানে "ফুটপাথ"ৰ ছাল-বাকলি নথকা কুকুৰকেইটাৰ দৰে কিবা এটা পাবলৈ অনিদ্ৰাই, অনাহাৰে ঘূৰি ফুৰা দিন কেইটাৰ কথা? কোনে জানে লক্ষ্যক পাবলৈ কৰা পাপবোৰৰ কথা? কোনে জানে, কোনে?

* * *

মাৰ ইচ্ছা— অবিচ্ছন্নভাৱে বৈ যোৱা এখন সুখৰ নদী থকা সৰু সংসাৰ। মাৰ কল্পনাক মাৰ সপোনবোৰক মই শ্ৰদ্ধা কৰোঁ। ৰুগ্ন মাতৃৰ এই সপোনবোৰ দিঠকত পৰিণত কৰাই মোৰ কৰ্তব্য মোৰ উদ্দেশ্য। আৰু ... মোৰ পংগু ভ্ৰাতৃৰ হাতত তুলি দিব বিচাৰোঁ এখন স-সাগৰা ধৰিত্ৰী কিম্বা এখনি সেউজ পতাকা। কৰ্মহীনতা, আলস্যাই আৱৰি থকা মোৰ ভ্ৰাতৃক উদ্ধাৰ কৰিব বিচাৰোঁ ডাষ্টবিনত পৰি থকা জাবৰবোৰৰ মাজৰ পৰা।... মোৰ ভগ্নীৰ ভগ্ন হৃদয়খন নকৈ গঢ়িব বিচাৰোঁ খনিকৰৰ দৰে। মূৰৰ ওপৰত, বহু ওপৰত দাপি ধৰিব বিচাৰোঁ জোন-বেলি তৰা থকা এখনি নীল আকাশ।... দেউতাৰ হাতৰ বান্ধোন সোলকাই মনৰ মাজত উৎসাহ-অনুপ্ৰেৰণাৰ এখনি নদী বোৱাই দিব বিচাৰোঁ। এয়াই মোৰ জীৱনৰ সপোন, জীৱনৰ উদ্দেশ্য। এই সপোনবোৰক বাস্তৱৰূপ দিবলৈ ওলাই আহিলোঁ মোৰ মৰমৰ ঘৰখনৰ পৰা মোৰ মৰমৰ গাওঁখনৰ পৰা গুৱাহাটীলৈ। লক্ষ্য অৰ্থ উপাৰ্জন আৰু মাষ্টাৰ ডিগ্ৰী সম্পূৰ্ণ কৰা।

(২)

সপোন-দিঠকৰ ছায়ামায়াত লগ পালোঁ এদিন সুধীৰক। অনৰ্গল কথা ক'ব পাৰে। কথা কৈয়ে সকলোকে মুহিবও পাৰে তেওঁ। ধনী ঘৰৰ ল'ৰা। দেউতাক এজন লব্ধ প্ৰতিষ্ঠিত ব্যৱসায়ী, মাক এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী। অজস্ৰ সম্পত্তিৰ মালিক তেওঁ। তেওঁকে সপোনবোৰৰ সফলতাৰ ব্ৰহ্মাস্ত্ৰ হিচাপে ল'লোঁ। তেওঁক মুহিবলৈ নিজকে সলনি কৰিলোঁ। য'তে লগ পাওঁ তাতেই দেহত মাদকতা ঢালি তেওঁৰ চকু দুটালৈ চাবলৈ সাহস গোটাই কথা-বতৰা পাতিবলৈ ধৰিলোঁ। এদিন নিজে মোৰ ৰূপত মুগ্ধ হৈ দীঘলী পুখুৰীৰ পাৰত লগ ধৰিবলৈ প্ৰস্তাৱ দিলে। প্ৰস্তাৱটো প্ৰথমে প্ৰত্যাখ্যান কৰা যেন দেখুৱাই পাছত সাদৰেৰে গ্ৰহণ কৰিলোঁ। এই প্ৰস্তাৱ পাই জাপ মাৰি উঠিল মোৰ হৃদয়খন, উটি-ভাহি ফুৰিবলৈ ধৰিল মোৰ মনতো সেই আনন্দৰ লহৰত। তাৰপিছত আগবাঢ়ি গৈ থাকিল আমাৰ প্ৰেম। তেওঁৰ মাৰ্জিত, সহজ- সৰল কথাত

মোৰ শিল যেন কঠিন হৃদয়খন বৰফৰদৰে গলি গ'ল। ঠুনুকা কাচৰ দৰে ভাগি গৈছিল তেওঁৰ দুখৰ কথাত। তেওঁৰ মাক-দেউতাক সন্তানহীন বাবে তুলি লৈছিল তেওঁক। তেওঁলোকে মৰম দিব নাজানিছিল। টকাৰে সকলো কৰিব বিচাৰিছিল। তথাপি মোৰ স্বাৰ্থ পূৰণত তেওঁৰ সহযোগ উল্লেখনীয়। তেওঁৰ গধুৰ মানিবেগৰ পৰা অহা আৰু টিউচন কৰি পোৱা টকাৰে যথেষ্টখিনি ঘৰলৈ পঠিয়াব পৰা হ'লো।

(৩)

পশ্চিম আকাশত সূৰ্য্যটো নাইকিয়া হব ধৰিছে। স-সাগৰা ধৰিত্ৰীৰ সেউজ দলিচাত পৰি দিছে হেঙুলীয়া কিৰণ। তাৰ পিছত সূৰ্য্যটো হেৰাই গ'ল, আন্ধাৰ নামি আহিল। আন্ধাৰৰ বুকু ভেদি আগবাঢ়ি গৈ আছে আমাৰ পিকনিকৰ গাড়ীখন। চকাবোৰে যাগৰ দিছে হাবিৰ মাজত পৰি থকা ৰাস্তাটোৰ ওপৰেদি। এইদৰে আগবাঢ়ি গৈ আছো আমি গাড়ীৰ ভিতৰত হাঁহি ধেমালি কৰি। কোনোৱে গান গাইছে, কোনোৱে নাচিছে। খিৰিকিখনৰ কাষত বহি ৰিবৰিবকৈ বলিথকা বতাহত চুলিখিনি মেলি আকাশলৈ চাই তৰাৰ হিচাপ কৰি আছো মই। হঠাৎ ডাঙৰ শব্দ শুনা পালো। কিবা এটা অজান ভয়ত চিঞৰি দিলো। গাড়ীখনৰ চকা ফুটিছে। এইহেন নিস্তব্ধ জয়াল নিশাত ঘন হাবিৰ মাজত এই অবাঞ্চিত ঘটনা ঘটাত সকলো আচৰিত হ'লো, ভয়ো লাগিল। কণ্ডাক্টৰ আৰু ড্ৰাইভাৰে কিবা এটা ব্যৱস্থা কৰিব বুলিকৈ আগবাঢ়ি গ'ল আগলৈ।

বহু সময় পাৰ হৈ গ'ল, সিহঁতৰ খা-খবৰে নাই। আমি খোজ কাঢ়ি আগবাঢ়ি যাবলৈ ঠিক কৰিলো। ঘন হাবিখনৰ মাজে মাজে আগবাঢ়ি গৈ আছো লাহে লাহে ভয়ে ভয়ে। সুদূৰত দেখাপালো গছৰ পাতত পৰি থকা পোহৰ অলপ। আগবাঢ়ি গ'লো সেই পোহৰৰ দিশে। গৈ এখন গাঁৱত উপস্থিত হ'লো। নিশাটো কটাবলৈ আমি বেলেগ বেলেগ দিশে আগবাঢ়িলো। সুধীৰ আৰু মই হোটেল এখন বিচাৰি উলিয়ালো। আমাৰ দুজনৰ বাবে ছিংগল বেদ্ থকা ৰুম এটা ভাড়া কৰিলো।

* * *

সুধীৰৰ সুঠাম বুকুৰ ওপৰত দুবাহুৰ মাজত নিজকে এৰি দিলো। বুকুত কাণ দি সুধীৰৰ হৃদয়ৰ কথা শুনি শুনি কেতিয়ানো নিদ্ৰাদেৱীৰ কোলাত শুই পৰিলো গমকে নাপালো। মাজ নিশা বাউসীত ধৰি জগোৱাই দিলে সুধীৰে মোক। অমানিশা সাক্ষীৰূপী ফেঁচাজনী উৰি গৈছিল সুদূৰলৈ। তাইৰ ডেউকাৰ ঢপঢপনিত আসন্ন বিপদৰ আগজাননীত মোৰ হৃদয়খন হাহাকাৰ কৰি উঠিল। জান-নাজানকৈ পৰি থকা ডিম লাইটৰ পোহৰত তেওঁৰ কপালৰ বিন্দু বিন্দু ঘামবোৰ জিলিকি উঠিছে। দুহাতেৰে মোৰ মুখমণ্ডলক সাৱতি ধৰি উপৰ্যুপৰি চুমাৰে উপচাই দিলে সুধীৰে। একো বাধা নিদিলো মই। তাৰপিছত তেওঁৰ উষ্ম ওঁঠ দুখনে আঁকি দিয়ে আৰু এটি চুমা মোৰ ওঁঠ দুটিত। সৰ্বশৰীৰ কঁপি উঠিল মোৰ অজান ভয়ত। তাৰপিচত... মোৰ সৰ্বস্ব উজাৰি নিলে সুধীৰে। হুকহুকাই কান্দি দিছিলো মই। সান্ত্বনা দিছিল সুধীৰে "Trust me Dimpi, trust me".

(৪)

আজি সম্পূৰ্ণ পাঁচমাহ হৈ গ'ল। সুধীৰৰ দেখাদেখিয়েই নাই। কিবা বিশেষ কামত সোনকালে ঘূৰি অহাৰ প্ৰতিশ্ৰুতিৰে সুধীৰে দৌৰ মাৰিছিল আকাশৰ বুকুৰেদি সুদূৰ আমেৰিকালৈ আজিৰ পৰা প্ৰায় চাৰিমাহ মান আগতে। ইতিমধ্যে হোষ্টেলৰ প্ৰায়বোৰ ছোৱালীয়ে মোৰ গৰ্ভত সুধীৰৰ উত্তৰ পুৰুষে থিতাপি লোৱা কথাটো জানিব পাৰিছে।

* * *

সময় বাগৰিল। আকৌ চাৰিমাহ অতীত হৈ গ'ল। মোৰ কল্পনাৰ নীল আকাশখনত কলীয়া ডাৱৰৰ বিজয় ধ্বজা উৰিবলৈ ধৰিছে, সেউজ দলিচাখন ক্ৰমশঃ শাঁত পৰি গৈছে। এদিন মোৰ দুৰ্ভাগ্যকে সৌভাগ্য হিচাপে লৈ প্ৰসৱ কৰিলো এটি কন্যা সন্তান। মোৰ আৰু সন্তানটিৰ ভৱিষ্যতকলৈ মই নীৰৱে চকুলো টুকিলো মাথোন। বান্ধৱীসকলৰ মুখত ভাষা-দৰাচলতে উপায় নাই মোক সান্ত্বনা দিয়াৰ। তেওঁলোকে দান-বৰঙণি উঠাই ভাড়াঘৰ এটা ঠিক কৰি টকা অলপ দি কিছুদিনৰ বাবে থকাৰ সুবিধা কৰি দিলে।

সেই সুবিধাৰ জীৱন কাল ইতিমধ্যে উকলি গৈছে সময়ৰ সোঁতত। মই আৰ্থিকভাৱে জুৰুলা হৈ পৰিলো। মোৰ অৰ্থ উপাৰ্জনৰ সকলো পথ ৰুদ্ধ হৈ পৰিল। জীৱনৰ এই চূড়ান্ত দুৰ্যোগৰ সময়ত অৰ্পণ কৰো সুধীৰৰ ঔৰসজাত সন্তানটিক অনাথ আশ্ৰমত। তাৰপিছত আৰম্ভ কৰো এক নতুন যাত্ৰা, এক নতুন জীৱন। পোহৰক ভয় কৰা হ'লো, আন্ধাৰক মই ভাল পোৱা হ'লো।

(৫)

বাহিৰত কিনকিনিয়া বৰষুণ। সৰু পাণ দোকান খনৰ কাষতে ৰৈ আছো মই গ্ৰাহকৰ অপেক্ষাত। এই ঠাইখনেই মোৰ দৈনিক গ্ৰাহকলৈ অপেক্ষা কৰা ঠাই। ফুটপাথৰ ওপৰেদি কোট-পেন্ট পৰিহিত এগৰাকী ভদ্ৰলোক আগবাঢ়ি আহি আছে মোৰ ফালে। তেওঁৰ চকুকেইটা চঞ্চল। মোৰ অতদিনৰ অভিজ্ঞতাৰ বলত গম পালো যে তেওঁ ৰমণ-বিলাস কৰিবলৈ মোৰ দৰে ৰমণী বিচাৰি আহিছে। তেওঁৰ ওচৰলৈ আগবাঢ়ি গ'লো চকু কেইটালৈ চাই পঠালো তেওঁৰ। চিনাকি চিনাকি লাগিল চকু কেইটা। মনত পেলাবলৈ চেষ্টা কৰিলো চকু কেইটানো কাৰ। হঠাতে 'ডিম্পী' বুলি মতা শুনিলো। চক্ খাই উঠিলো। ভ্ৰম ভ্ৰম যেন লাগিল মোৰ। মোৰ দেহৰ মূল্য দাঙি ধৰিলো মানুহ জনৰ আগত।

"ডিম্পী এয়া কি বলকিছা তুমি?"

"কোন আপুনি, কোন?"

"ডিম্পী মনত পেলোৱা — দহবছৰ আগতে লগ পাইছিলোঁ তোমাক — তাৰপিছত প্ৰেম...

"সু...ধী...ৰ...ৰ..."

"হয়, সুধীৰ মই।"

হাঁহি দিছিলো মই পাগলীৰ দৰে।

"বন্ধ কৰা তোমাৰ বলিয়ালি, বন্ধ কৰা ডিম্পী।" বাউসীত ধৰি জোকাৰি দিলে মোক।

কান্দি দিলো মই হুক হুকাই।

"কেনেকৈনো চিনিব পাৰিম তোমাক? কিমান প্ৰভেদ সেই সুধীৰ আৰু তোমাৰ মাজত এই ফুটপাথৰ লাইটবোৰৰ পোহৰত। মুখত ডাড়িগোফ, শৰীৰ আগতকৈ শকত...।"

"বাৰু বাদ দিয়া এইবোৰ। অ'তদিনে ক'ত আছিলা? তুমি কিয় এনে হৈ পৰিলা? জানা, কেইবছৰ মান পিছত তোমাক বিয়া কৰাবলৈ গুৱাহাটীলৈ আহিছিলো। হোষ্টেলত খবৰ কৰিলো তুমি হেনো মোৰ সন্তানটিৰ সৈতে ভাড়াঘৰ এটাত আছা। ভাড়াঘৰটোলৈ গৈ গম পালো তুমি হেনো তাৰ পৰা ওলাই আহিলা। তাৰ পিছত কিমান বিচাৰিলো তোমাক...?..."

একো নকৈ লৈ আহিলো তেওঁক মোৰ সৰু কোঠাটোলৈ। তাৰ পিচত দুখৰ কথা-বতৰা হ'ল আমাৰ মাজত। আকৌ গলি গ'ল মোৰ হৃদয়খন তেওঁৰ কথাত। মৰহিব ধৰা সপোনবৃক্ষবোৰে আকৌ সাৰ-পানী পাই ঠন ধৰি উঠিল মোৰ মনৰ মাজত। আকৌ ঘুৰাই পোৱা যেন লাগিল সেই মধুময় জীৱন।

তাৰপিছত নিতৌ আহিবলৈ লয় তেওঁ মোৰ ওচৰলৈ। নিতৌ নতুন সপোন দেখুৱাই কৰি যায় মোৰ সৈতে ৰমণ-বিলাস। এদিন বজাৰ কৰি থাকোতে সুধীৰক দেখা পালো এগৰাকী নাৰীৰ সৈতে। তেওঁৰ ওচৰলৈ আগবাঢ়ি গ'লো মই। সুধীৰ আচৰিত হ'ল মোক দেখি। চিনাকি কৰি দিলে নাৰী গৰাকীৰ সৈতে— "এয়া মোৰ মিচেচ ৰীতা। আমেৰিকাতে আমাৰ বিয়া হৈছিল। আৰু ৰীতা, এওঁ মোৰ কলেজীয়া জীৱনৰ সহপাঠী— ডিম্পী"।

নকৈ গঢ়া সৰগখন খহি পৰিল তাচ পাতৰ ঘৰৰ দৰে। অতদিনৰ বিৰতিৰ পিচত নকৈ ঠন ধৰা সপোন বৃক্ষ জোপা হঠাৎ পুৰি ছাই হৈ গ'ল। নকৈ উদয় হোৱা বেলিটোও হঠাৎ নাইকীয়া হৈ গ'ল। তাৰ পিছত সকলো আন্ধাৰ...

আঁতৰি আহিলো তেওঁলোকৰ ওচৰৰপৰা। চকুপানী টুকি টুকি ৰাস্তাটোৰ ওপৰেদি খোজ পেলাই পেলাই দৌৰ মাৰিলো লক্ষ্যহীনভাৱে আন্ধাৰৰ মাজেৰে...।



*গল্পকাৰ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)ৰ ছাত্ৰ*

# ছাঁ

প্ৰাৰ্থনা শইকীয়া

অৱাস্তৱিক, কিছু অপৰিপক্ক বিমুৰ্ত্ত ধাৰণাকে মই মূৰ্ত্ত কৰিব বিচাৰিছো— ভাল লাগে ; অবাস্তৱ, কল্পনাৰ জগতখনকে লিৰিকি-বিদাৰি থাকি ভাল লাগে।... আপুনিও অনুভৱ নকৰেনে আপুনি জীয়াই ৰখা জীৱনটো আৰু আপুনি জীয়াই ৰাখিব বিচৰা জীৱনটোৰ মাজত এক বৃহৎ পাৰ্থক্য আছে? আচলতে কি জানে আমি এটা কাল্পনিক জীৱনক জীয়াই ৰখাৰ আশাতেই এটা বাস্তৱ জীৱন পাৰ কৰোঁ। কিন্তু কল্পনা আৰু বাস্তৱৰ মাজত থাকি যায় বৃহৎ শূন্যতা !!...



সেই ছোৱালীজনীয়ে দেখিছে - তাই আচলতে নদীকাষৰীয়া এই উদ্যানখনত তাইৰ প্ৰেমিকৰ সতে বহি থকা নাই- তাই বহি আছে এখন শূন্যোদনত অকলশৰে। তাইৰ হৃদয়ৰ ছেদহীন শূন্যতাত প্ৰেমৰ অনুভূতিৰ বিন্দুমাত্ৰও নাই। অথচ তাই প্ৰেমালাপত মগ্ন। তাইৰ প্ৰেমিকে হয়তো তাইক কৈছে —

"আমাৰ বিয়াৰ দিনটো কোনো পুৰ্ণিমাত ঠিক কৰিম দিয়া"

"কিয়? জোনাক মোৰ ভাল লাগে, সেয়ে?"

"ওঁ! তোমাৰ ভাললগাবোৰ মোৰো যে ভাল লাগে।"

"মোক ভাল পোৱা"?

"কিবা সন্দেহ আছে"?

"ব-স্থ-ত"

তাই হয়তো হাঁহিছে। তাৰ চকুত বিশ্বাস বিচাৰি আস্থাৰে তালৈ চাইছে। কিন্তু তাই জানে- ভালকৈয়ে জানে তাই বিচৰা বিশ্বাসখিনি তাইৰ আকাংক্ষিত প্ৰতিশ্ৰুতিখিনি তাত নাই।... কিন্তু তাইযে নিৰুপায়!... তাইযে বুজি উঠিছে কল্পনা আৰু বাস্তৱৰ মাজত কিমান তফাৎ আছে!

নাই নাই আপুনি মিছাতে আশংকা কৰিছে। মই প্ৰসংগৰ পৰা অপ্ৰাসংগিক কথালৈ অহা নাই। আছে আছে আমাৰ প্ৰসংগৰ সতে তাইৰ সম্পৰ্ক আছে। আচলতে ক'বলৈ গ'লে তাইৰ পৰাইহে এই প্ৰসংগৰ জন্ম হৈছে। মই প্ৰসংগটো শেষো কৰিব খোজো তাইতেহে। আপুনি ভাবিব পাৰে তাইৰ এনে কি অসাধাৰণত্ব আছে যাৰ বাবে তাইক মই মোৰ প্ৰসংগৰ কেন্দ্ৰ বিন্দু কৰিছো! কিন্তু কি জানে... তাই যে একেবাৰেই এজনী সাধাৰণ ছোৱালী... তাতেই তাইৰ অসাধাৰণত্বটো লুকাই আছে। চাওঁকচোন তাই কিমান সহজ-সৰল আৰু সাধাৰণ - তাই পৰম্পৰাগত পোছাক পিন্ধি ভাল পায়। তাইৰ প্ৰেমিকৰ ইচ্ছাত চুলি দীঘলকৈ ৰাখে আৰু আটাইতকৈ ডাঙৰ কথা কি জানে, সি বেয়া পায় বুলি তাইৰ শৰীৰৰ প্ৰতিডোখৰ এলেকাত তাৰ স্পৰ্শৰ স্বাধীনতা তাক দি দিছে। কিন্তু প্ৰেম কৰাৰ আগতে বিবাহপূৰ্ব সম্পৰ্কক তাই সহজভাৱে ল'ব পৰা নাছিল।... এতিয়া আপুনিয়েই কওঁকচোন আজিৰ সময়ত তাইৰ সাধাৰণত্ব ভয়ংকৰভাৱে অসাধাৰণ নহয়নে?

... আপুনি চাগৈ আচৰিত হৈছে মই তাইৰ বিষয়ে ইমানখিনি কেনেকৈ জানো! আচলতে... এস্ থাকক দিয়ক! আমাৰ প্ৰসংগলৈ আহো।

এই ছোৱালীজনীৰ পৰাই যদি আমাৰ প্ৰসংগৰ আলোচনা আগবঢ়াও, তেন্তে আমাৰ আলোচনা সাৰ্থক হ'ব যেন লাগে। মই প্ৰতিপন্ন কৰিব বিচৰা কথাবাৰ তাইৰ জীৱনত ইতিমধ্যেই প্ৰমাণিত হৈয়ে আছে...। আহক আমি সৌ গছজোপাৰ ছাঁত বহি লওঁ। সেইখিনিৰ পৰা নদীখন ভালদৰে দেখি। চাওঁক! সৌ তুলুঙা নাওখন বেলিটোত কেনেদৰে ডুব যাব লাগিছে!...

তাই মাক দেউতাকৰ একমাত্ৰ সন্তান। তাইৰ এটা ভাল বংশত আৰু এজন উপযুক্ত পিতৃৰ কন্যা হিচাপেই জন্ম হৈছে। মাক-দেউতাকৰ নিশ্চিদ্ৰ মৰমৰ মাজেৰে তাই পৃথিৱীখনক চিনি পাবলৈ শিকিলে।

তাৰপিছত তাইৰ জন্ম... কণমানিজনীৰ মানসিক বিস্ফোৰণত তাইৰ জন্ম ... এটা জটিল আৰু দীঘল পৰিক্ৰমা।...

আপোচবিহীন এক সময়ত তাইৰ জন্ম হ'লেও সুন্দৰ সন্ধানী তাইৰ জন্মগত দৃষ্টিয়ে এই আকাশ আৰু চিৰসেউজ পৃথিৱীৰ সতে আপোচ কৰিবলৈ দ্বিধাহীন... সেয়ে তাই তাত বন্দী হৈ গ'ল... তাই থকা ঘৰটোৰ সন্মুখৰ পথাৰদৰাত শাওন নামোতে এই ল'ৰাজনক তাই লগ পাইছিল... তাৰ ওঁঠৰ শ্যামল কবিতাত বৰবিছিল সপোনৰ বৰষুণ... টোপালবোৰত লিখা আছিল তাৰ হৃদয়ৰ ঠিকনা... আৰু সেউজীয়া পলসত ডুবি থকা তাইজনী ... আখৰৰ জৰায়ুত জন্ম হোৱা তাইজনী ফ'চি গ'ল... তাই আবৃত্তি কৰিলে প্ৰেমৰ... ভালপোৱাৰ প্ৰথম প্ৰতিশ্ৰুতি।... দিনবোৰ বাগৰোতে তাইৰ হাইকু কবিতাৰ দৰে জীৱনটোকে যাপন কৰা যেন লাগিল। জোনাকৰ চিয়াহিৰে অৰণ্যৰ বুকুত তাই খোদিত কৰিলে প্ৰথম প্ৰেমৰ ভাস্কৰ্য... নদী তাইৰ আজন্ম সহচৰ... নীৰৱ সৰ্পিল গতিপথত তাই নদীখনক লগ ধৰি ফুচফুচালে ভালপোৱাৰ পদ্য !... তাই বেয়াকৈ ফ'চি গ'ল...।

... আপুনি জানেনে প্ৰেমৰ সংজ্ঞা কেনেকুৱা... তাইৰ বাবে প্ৰেমৰ সংজ্ঞা আছিল তাইৰ নিজৰ বাবেই হানিকাৰক। ঠিক আমাৰ প্ৰসংগটোৰ দৰে তাইৰ বাবে প্ৰেম আছিল বাস্তৱৰ ৰুক্ষতাৰ অন্তৰত থকা এটা অৰ্থবহ, ছন্দময় হাইকু কবিতা... তাই বাৰে বাৰে উপলব্ধি কৰিছিল বাস্তৱক নেওচি অন্য এক সুন্দৰ জীৱন।... এই যে ল'ৰাজন, তেওঁ এজন মেকানিকেল ইঞ্জিনীয়াৰ। তাইক তেওঁৰ ভাল লাগিল... প্ৰেমৰ প্ৰস্তাৱ দিলে... তাই "yes" ক'লে। "yes" কোৱাৰ পিছত এখন ৰুটিন মানি চলি তেওঁ তাইক phone কৰি থাকিল। তিনিদিনৰ পিছত তাইক লগ পাবলৈ বিচাৰিলে আৰু এনেদৰে এটা গতানুগতিক ৰীতিত হাইকু কবিতাৰ দৰে জীৱন এটা পাৰ কৰিব বিচৰা তাইৰ প্ৰেম চলি থাকিল। ল'ৰাজনৰ সৈতে তাইৰ সম্বন্ধ যিমানেই ডাঙৰ হ'ল পৃথিৱীখনৰ পৰিসৰ বাঢ়িবলৈ ধৰিলে, তাইৰ বুকুত পৃথিৱীখনৰ প্ৰতি এক অটল বিশ্বাসে কঁপনি তুলিলে। সেউজীয়া পৃথিৱীখনৰ দৰেই তাইৰ বিশ্বাসবোৰো ক্ৰমাত ঘন সেউজীয়া হ'বলৈ ধৰিলে। মানুহক ভাল পাবলৈ শিকিলে আৰু শিকিলে বাস্তৱৰ ৰুক্ষ-বাহ্যিক ৰূপটো। অসত্য, এই বাহ্যিকতাৰ অন্তৰত লুকাই থাকে হাইকু কবিতাৰ দৰে অৰ্থবহ এক সুন্দৰ ছন্দময় জীৱন।... সৌ গছপাতদুটাৰ মাজত মকৰা জালখন হেঙুলী বেলিৰ পোহৰত কেনেকৈ জিলিকিছে চাওঁক! মকৰাটো ধুনীয়া- গাটোত দুটা ৰঙ আছে- সেউজীয়া আৰু মুগা।... তাইৰ চেলোৱাৰজোৰৰ ৰঙৰ সতে মকৰাটোৰ মিশ্ৰিত ৰঙটোৰ মিল আছে।... কিন্তু মকৰাটোৰ সৈতে তাইৰ বিৰাট বৈসাদৃশ্য- তাই জাল গুঠিব নোৱাৰে।... জালখনত লাগি ধৰা সৌ পোকটোৰ দৰে তাই জালত লাগি ধৰিবহে পাৰে।... অ' কি কৈ আছিলো... অ... এক সুন্দৰ ছন্দময় জীৱন... কিন্তু জানে... এইখিনিতে তাই বেয়াকৈ ফ'চি গ'ল — সেই পোকটোৰ দৰে।... পোকটোৱে ধৰফৰাই আছে। অলপ সময়ৰ পিছতে সি হাৰ মানিব। জালখনত ওলমি পৰিব তাৰ জীৱনৰ অন্তিম সাক্ষ্যটো- তাৰ দেহটো! .... পোকটোৰ সতে এইখিনিতে তাইৰ অমিল... পোকটোৰ ধৰফৰণীৰ অন্ত আছে... কিন্তু তাই। তাই ধৰফৰাই আছে... মৃত্যুৱেও তাইৰ এই অসন্তুলন অৱস্থাৰ যেন এক সঠিক সমিধান দিব নোৱাৰিব!... তাই ফ'চি গ'ল। এখোজ-দুখোজকৈ তাই জীৱনৰ জখলা বগাওঁতে মাজডোখৰতে তাই ফ'চি গ'ল। মাক দেউতাকৰ কণমানিজনী হোৱাহেতেঁন কথাই নাছিল। জখলাডালৰ মাজডোখৰত সেই কণমানিজনীৰ পৰা তাইৰ জন্ম হ'ল। তাই তাই হ'ল। তাই ফ'চি গ'ল।

তাই আচলতে বহুত সংমিশ্ৰনৰ ফল। সেই কণমানি ছোৱালীজনীৰ দেউতাকৰ চখ আছিল কিতাপ পঢ়াৰ। সোঁচৰা ৰোগৰ দৰে কণমানিজনীলৈও এই ৰোগ বিয়পিল। কিতাপৰ আখৰৰ শাৰীৰে বগুৱা বাই বাই কণমানিজনীয়ে জুমি চালে আকাশ, অনুভৱ কৰিলে বতাহক আৰু শেৱালীফুলৰ সুঘ্ৰাণৰ পৰশত কণমানিৰ মৃত্যু হ'ল। কণমানিজনী ফিনিক্স পক্ষী এটা হ'ল আৰু কথা পাতোতে, ৰেষ্টোৰা বা উদ্যানৰ বেঞ্চত গাত গা লগাই বহোতে প্ৰথমে তাই অসহজ অনুভৱ কৰিছিল। পিছলৈ সকলো ঠিক হৈ গ'ল।... ভিতৰি ভিতৰি অস্পষ্ট হৈ আহিল তাইৰ হাইকু কবিতাৰ ছন্দ।... তাৰ সতে কটোৱা সময়বোৰত তাই অনুভৱ কৰিলে তাইৰ প্ৰেমৰ ধাৰণাৰ আকুল আহ্বান। কোনো জোনাক ৰাতি বনৰীয়া জুৰিটিৰ পাৰত লগ পোৱাৰ কথা আছিল তাইৰ প্ৰেমক... কোনো নদীৰ পাৰত বহি মৌনতাৰ শব্দেৰে সজোৱাৰ কথা আছিল তাইৰ প্ৰেমক... আদিম ভাস্কৰ্য্যৰ দৰে স্পৰ্শৰ কলাৰে অনুভৱ কৰাৰ কথা আছিল প্ৰেমৰ ... আৰু কথা আছিল শূন্যতাৰ ওজনেৰে জুখি চাব তাইৰ প্ৰেমৰ ওজন!... কিন্তু Esteem-VX ৰ সন্মুখৰ ছিটত বহি মহানগৰীৰ কোনো ৰেষ্টোৰাত তাই যেতিয়া কাটা চামুচেৰে কুটি খায় চিকেন... সি তাইক যেতিয়া আশ্বাস দিয়ে 'বহুত' ভাল পোৱাৰ আৰু স্পৰ্শৰ অচিনাকী ভাষাৰে যেতিয়া গঢ়ি তোলে নতুন ভাস্কৰ্য... তেতিয়া তাই বুজি উঠে বাস্তৱত প্ৰেম কি!... তাই একো কৰিব নোৱাৰে... মাথো হেঙুল আবেলি অকলশৰে বহি থাকে একোখন শূন্যোদ্যানত।... তাই বুজি উঠে জীয়াই থাকিব বিচৰা জীৱন আৰু যাপন কৰা জীৱনটোৰ মাজৰ পাৰ্থক্য।...

... সন্ধিয়া ভাগিবৰে হ'ল।... আপোনাক আৰু আমনি নকৰো।... এই যে আপোনাৰ স'তে অকণমান সময় কটালো - এই সময়খিনিও তাইৰ হাইকু কবিতাময় জীৱনটোৰ দৰেই বাস্তৱত অস্তিত্বশূন্য। ... কি ক'লে... আপোনাৰ জৰুৰী কাম আছে! যাওঁক যাওঁক... দেৰিয়েই হ'ল... কিন্তু কামটোত লাগি থাকোতে এবাৰ ভাবি চাবচোন - আপুনি যাপন কৰা জীৱনটোৰ আৰু আপুনি যাপন কৰিব বিচৰা জীৱনটোৰ মাজত বাৰু পাৰ্থক্য...

*গল্পকাৰ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।*

# বলুকাত বিয়লি বেলা

বিপুল কুমাৰ দাস

বৰ্তমান গোলাপৰ প্ৰতি মোৰ কোনো মোহ নাই। সেইবুলি গোলাপ যে মই ভাল নাপাওঁ এনে নহয়। আজি কেইবা দিনো হ'ল, গোলাপ জোপাৰ ওচৰত মই অকলশৰে কিছুসময় বহিছো মই চিন্তা কৰিছো তাত বহি। কিন্তু এনেকুৱা নহয় যে মই গোলাপজোপা পহৰা দিছো। তাত ফুলি থকা ফুলবোৰ কোনোবাই ছিঙি নিলেও মোৰ আপত্তি কৰিবলগীয়া একো নাই। মই মাথো তাত বহি চিন্তাহে কৰিছো আৰু তাৰ বাবে গোলাপ ফুল জোপা, কেচেমা-কেচেম নানা গোন্ধেৰে সংমিশ্ৰিত বতাহজাক, নিৰস শিলবোৰ, উত্তপ্ত পাহাৰ, ফুটপাথৰ ভিক্ষাৰীবোৰ, নিদ্ৰাহীন কুকুৰবোৰ, গলিৰ বেশ্যাবোৰ, দীখল-দীঘল ৰেল গাড়ীবোৰ, লটাৰীৰ দোকানত ভাগ্যৰ বাবে মানুহৰ ঠেলা হেঁচাবোৰ, হাইদৰ আলীয়ে উত্তম কলিতাৰ ডিঙি মাটিত বগৰাই দিওঁতে ওলোৱা তেজবোৰ, মহামাৰীৰ তাণ্ডব তথা চৰকাৰৰ প্ৰতিশ্ৰুতিবোৰ আৰু মোৰ প্ৰেয়সীৰ কথা যেনিবা নকওৱেই ইত্যাদি কথাবোৰ মোৰ চিন্তাৰ অব্যয়হে মাথোন।



সুন্দৰ বতাহ এজাক আহিছিল। অইন দিনৰ দৰে এই বতাহজাকত কোনো দুৰ্গন্ধ ভাহি অহা নাছিল। বুটাম কেইটা খুলি চোলাটো ক'ষবালৈ দলিয়াই দিলো। নিঃসংগ মুহূৰ্তত নীলা কামিজটোৱে মোক কিমান আকৰ্ষণীয় কৰিছিল মই নাজানো কিন্তু সেই বতাহজাকে মোক বেছ তৃপ্তি দিছিল। চুৰী এখন থকা হলে হয়তো বুকুৰ ছালখনো সোলোকাই থলোহেঁতেন। অস্বস্তিত মই উত্তপ্ত হৈছিলো। আজি ইমান দিনে মই এটা সিদ্ধান্তত উপনীত হব পৰা নাই। আজি ইমান দিনে মই তালৈ গৈছো, বহিছো, চিন্তা কৰিছো। কোনো দিনে কোনো অৱস্থাৰ সলনি ঘটা নাই কিন্তু হঠাৎ এই বতাহজাক ক'ৰ পৰা আহিছে? ইমানবোৰ চোকা পহৰা সৰকি কেনেকৈ আহিল এই বতাহজাক? ইয়াৰ উৎস ক'ত? মোৰ মগজুত আৰু এটা নতুন চিন্তাৰ উদ্ৰেক।

সময় কিমান হৈছিল মই ঠিক ক'ব পৰা নাই। কলেজীয়া ল'ৰাবোৰৰ দৰে মোৰ হাতত ঘড়ীটো সদায় নাথাকে। মোৰ বাবে সময়ৰ মূল্য ঠিক মুখ্যমন্ত্ৰীৰ পি. এ. জনৰ দৰেও নহয়। জোনটোৱে থেকেচা খুন্দা খাই বহুত ভিৰৰ মাজেৰে ওলাই আহি বেজাৰ মনেৰে পাহাৰ খনৰ ওপৰেৰে খোজ লৈছে। অনুমান কৰিলো ৰাতি কিছু হৈছে। শিয়াল বোৰ নথকা হ'লে আজি ইয়াতেই শুই থাকিলোহেঁতেন কিন্তু! নাই, নাই ইয়াত শুব নোৱাৰি। ইয়াত শুই থাকিলে সিহঁতে মোৰ মগজুটো খুলি লৈ যাব আৰু মই তেতিয়া একো চিন্তা কৰিব নোৱাৰা হ'ম। গতিকে মই যাব লাগিব। চোলাটো কত?

তৃপ্তিহীন দেহটোৰ ষাজহাড়ত পৰুৱাটোৱে কামুৰি ধৰাত চোলাটোৰ কথা মনত পৰিল। চহৰৰ মাজেৰে যাব লাগিব। তাত ভদ্ৰ মানুহবোৰ থাকে। গতিকে চোলাটো গাত দি যোৱাটো বাঞ্চনীয়।

চোলাটো গাৰ পৰা খুলি দলিয়াই দিওঁতে মই ভবা নাছিলো সেইটো কৰবাত হেৰাই থাকিব বুলি অথচ সেই চোলাটো মোৰ খুবেই প্ৰিয়। আজি ইমান বছৰে মই চোলাটো মোৰ গাত সোমাইছো কিমান বাৰ খুলিছো, কিমান ৰ'দ সহ্য কৰিছে এই চোলাটোৱে, কিমান বৰষুণ; তথাপি নীলা ৰংটোৱে আজিও সেই আৱৰণৰ অস্তিত্ব বজাই ৰাখিছে। আৰু সেই ঠাইখিনিত চোলাটো যে হেৰাই নাযায় মই নিঃসন্দেহ আছিলো কাৰণ! তাত মাথো তিনি জোপাই গছ আছিল। মোৰ সম্মুখত এজোপা মদাৰ, বাওঁফালে এজোপা শিশু কৃষ্ণচূড়া, সোঁফালে আছে কাঁইটীয়া গোলাপ জোপা আৰু মোৰ পিছফালে আছে এটা প্ৰকাণ্ড গছৰ মূঢ়া। উঁই হাফলুৰে আবৃত সেই গছজোপাৰ তলত হয়তো এদিন দস্যু বাল্মীকিয়ে ম-ৰা-আ-ম-ম-ৰা আ-ম বুলি তপস্যা কৰিছিল।

সময় বহুত হ'ল তথাপি কোনো এটা সিদ্ধান্ত নহ'ল। চন্দ্রৰ ৰশ্মিবোৰ লম্ব হৈ নামি আহিছে। চোলাটোৰ বাবে চকু ফুৰালো।

অ, সৌটো দেখোন?

গোলাপৰ ফাঁচীকাঠত ওলমি আছে। জোনৰ পোঁহৰত তাৰ নীলা আৱৰণটো ক'লা হৈ পৰিছে।

দীঘলীয়া উকি এটা মাৰি ৰেলগাড়ী এখন চহৰৰ মজিয়াৰে পাৰ হৈ গ'ল। বহু যত্নেৰে গোলাপৰ কাঁইটৰ পৰা মোৰ কামিজটো উলিয়াই আনিবলৈ চেষ্টা কৰিছো হঠাৎ চকু পৰিল উইঁ হাফলুৰে আবৃত গছৰ মূঢ়াটোত আউজি কোনোবা পৰি আছে।

কোন সেইজন?

নাই কোনো উত্তৰ নাই।

এবাৰ ভাবিলো এইয়া হয়তো মোৰ ভ্ৰমো হব পাৰে।

জোনৰ পোহৰত বিৰিণা জোপাকো পিশাচ যেন লাগে। অলপ ওচৰলৈ গ'লো। কোন আপুনি?

নাই, কোনো উত্তৰ নাই! যেন এটি নৰ কংকাল। জোনৰ পোহৰত মুখৰ হনু স্পষ্ট হৈ ওলাই পৰিছে। চকু মুখ গহ্বৰত সোমাইছে। মাথো কংকাল আৰু বুকুখন এখন পাতল কাপোৰেৰে মেৰিয়াই থোৱা আছে।

কোন আপুনি? আৰু কিয় ইয়াত এনেদৰে পৰি আছে? এইবাৰ মানুহ জনীয়ে মূৰটো সামান্য লৰালে। মই বুজিলো তেওঁ জীয়াই আছে। বাওঁহাত খনেৰে তেওঁ কাপোৰৰ টোপোলা এটা জোৰেৰে খামুচি ধৰি আছে। এনেকুৱা লাগিছে যেন জীৱনৰ সমস্ত শক্তি এই টোপোলাটো দাঙি দাঙিয়েই শেষ কৰিছে। সোঁ হাতখন এবাৰ তেওঁ বহু কষ্ট কৰি মোৰ ফালে আগুৱাই দিলে। তেওঁ যেন কিবা এটা ক'ব খুজিছে। হাতখনত ধৰি মই তেওঁক উঠাই দিবলৈ চেষ্টা কৰিলো।

বাপৰে, মোৰ সেই অস্বস্তিৰ উত্তাপতকৈ তেওঁৰ হাতখন দেখোন বেছি উত্তপ্ত। লাহে লাহে তেওঁৰ হাতখন শিথিল হৈ পৰিল। এইবাৰ মানুহজনীয়ে সতৃষ্ণ নয়নেৰে মোৰ ফালে চাইছে। বাওঁহাতৰ মুঠিটো কিন্তু সেই একে অৱস্থাতে আছে। এই নিৰ্জন মুহূৰ্তত মই কি কৰো কি নকৰো একো ভাবিব পৰা নাই। ঝক ঝক শব্দ কৰি আৰু এখন ৰেলগাড়ী চহৰৰ মজিয়া গছকি গ'ল।

মানুহজনী মৰিল। মোৰ হাতত আজি এগৰাকী মানুহৰ মৃত্যু ঘটিল। আজি মই নিজ চকুৰে দেখিলো আত্মাৰ প্ৰত্যাবৰ্তন। কিন্তু! কোন আছিল তেওঁ? কিয় আহিছিল তেওঁ এই ঠাইলৈ। মৃত্যুৰ আগমুহূৰ্তত তেওঁ হাতখন কিয় মেলি দিছিল মোৰ ফালে এনেদৰে? লহ লহকৈ চকু দুটা মেলি দি কিয় চাইছিল মোৰ ফালে? ইত্যাদি অগণন প্ৰশ্নই মোক আগুৰি ধৰিলে।

মোৰ খুব বেয়া লাগিল। মৃত্যুৰ আগমুহূৰ্তত মানুহজনীয়ে হয়তো বহু কথা ক'ব বিচাৰিছিল! হাতখন হয়তো সহায়ৰ বাবেই মোৰ পিনে আগবঢ়াই দিছিল আৰু মই একো এটা কৰিব নোৱাৰিলো; অৱশ্যে মই কিবা কৰাৰ বাবে প্ৰস্তুত হৈছিলো যদিও মানুহজনীয়ে তাৰ অবকাশ নিদিলে।

হয়তো আন আন বহুতৰ দৰেই তেওঁ আছিল এগৰাকী অসহায় বৃদ্ধা। জীৱন যুদ্ধত যুঁজি যুঁজি বহু ঠাইত তেওঁ এনেদৰে প্ৰাণ হেৰুৱাইছে! মই এনেদৰে ভাবি ললো যদিও মনত যেন কিবা এটা বৈ গ'ল। এই মৃত্যুত যেন কিবা এটা গভীৰ ৰহস্য লুকাই আছে। সেইখিনি সময়ত মোৰ মগজুত হয়তো চিন্তা শক্তিৰ প্ৰাবল্য ক্ষীণ হৈ পৰিছিল। বৰ ভাগৰ অনুভব কৰিছো। পেটৰ ভিতৰতো হাঁহাকাৰ লাগিছে। কি কৰো এতিয়া? এই মৰাশটো এনেদৰে ইয়াত এৰি থৈ যাম জানো? আৰু লৈয়েই বা ক'লৈ যাম?

অহাকালি প্ৰধান মন্ত্ৰী আহিব দেশবাসীৰ উদ্দেশ্যে ভাষণ দিবলৈ। পুলিচবোৰ তাতেই ব্যস্ত হৈ আছে আৰু সেইখিনি সময়তে হয়তো কিমান বৃদ্ধাৰ কিমান ঠাইত মৃত্যু ঘটিছে পুলিচেনো কাৰ কোন ফালে খবৰ কৰিব?

কিন্তু! টোপোলাটো?

মৰাশটোৱে এতিয়াও সেই টোপোলাটো ইমান জোৰেৰে খামুচি ধৰি আছে কিয়? কি আছে তাত?

হয়তো চহৰৰ ভদ্ৰ মানুহবোৰৰ পৰিত্যক্ত আবৰ্জনা অথবা দুখন কুকুৰাৰ ঠেং, অলপমান পচা ভাত, নহলে কেইখনমান ভেঁকুৰা ৰুটী।

কিছু শক্তি লাগিল হাতৰ মুঠিৰ পৰা টোপোলাটো উলিয়াওঁতে। ইমানবোৰ গাঁঠি? প্ৰতিটো গাঁঠিয়ে মোৰ উৎসুক্য বঢ়াই তুলিছে। কি আছে টোপোলাটোত? ইমানবোৰ গাঁঠি দি তাত কি ৰখা হৈছে?

মই পাহৰি গৈছিলো তেতিয়া দিন নে ৰাতি! মই মাথো খুলি আছো গাঁঠি। অন্তিম গাঁঠিটো খোলাৰ পিছত এনেকুৱা লাগিল যেন বহুদিন আগতে জাপ দিছিলো সাগৰৰ বুকুত সিপাৰৰ মণি মুক্তাৰ দেশলৈ বুলি আৰু এই মাত্ৰ ঢুকি পাইছো সেই দেশ। কিন্তু! মই আগতে ভবাৰ দৰে টোপোলাটোত একো নাছিল। বহুতো ফটা-ছিঙা কাপোৰৰ মাজত এখন এপ্লিকেশ্যন ফৰ্ম। হয়তো অ'ত থেকেচা ত'ত খুন্দা খাইয়ে তাৰ অৱস্থা নোহোৱা হৈছে। জোনাকৰ পোহৰত তাৰ অস্তিত্ব বিচৰাত মোৰ অৱশ্যে কিছু অসুবিধা হৈছিল।

আৰু; টোপোলাটোৰ তলত, একেবাৰে তলত এটুকুৰা কাপোৰেৰে মেৰিয়াই থোৱা দুটা বন্দুকৰ গুলী। পুৰণি। বহু পুৰণি।

জোনৰ ৰশ্মি হেলনীয়া হৈ পৰিছিল। শেষ নিশাৰ সংকেত দি আৰু এখন ৰেল গাড়ী চহৰৰ মজিয়াৰে পাৰ হৈ গল।

*গল্পকাৰ, স্নাতকোত্তৰ অসমীয়া বিভাগৰ ছাত্ৰ*



# সূৰ্য্যাস্ত

কুলদীপ বৰ্মণ

"ছেঃ বতৰটো এতিয়াহে বেয়া হবলৈ পালে।" দিগন্ত শৰ্মাই মুখতে ভোৰভৰালে। ইতিমধ্যে বৰষুণ আহিলেই। অফিচৰ পৰা আহি জীয়েক নয়নাই নিবলৈ দিয়া বস্তুকেইপদ কিনিবলৈ বুলি ফাচীবজাৰত সোমাল। "এই সাধাৰণ বৰষুণ জাকতেই গোটেইখন বানপানীৰ দৰে হৈ পৰিল।" শৰ্মাৰ মুখত বিৰক্তিৰ ভাৱ স্পষ্ট হৈ পৰিল। গুৱাহাটীৰ এই ৰূপটো আজি কালি নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে। চাকৰিৰ বদলিসূত্ৰে গুৱাহাটীলৈ অহা শৰ্মাৰ আজি প্ৰায় ছবছৰ মানেই হ'ল। তথাপি তেওঁ গুৱাহাটীৰ পৰিবেশত অভ্যস্ত হ'ব পৰা নাই। ছাতিটো লৈ শৰ্মাই খৰখেদাকৈ ৰাস্তাটো পাৰ হবলৈ চেষ্টা কৰিছিলহে মাত্ৰ, তেনেতে এখন মাৰুতি ভেনে শৰ্মাৰ গাত বোকা পানী ছটিয়াই থৈ গুচি গ'ল। "অসভ্যহঁত, বাপেৰহঁতে এই বিলাকহে শিকাইছে নেকি।" শৰ্মাৰ খং চুলিৰ আগ পালেগৈ। শৰ্মাৰ গাল মুখ সকলোতে বোকা পানী লাগিল। তেওঁ ৰুমালখন উলিয়াই সেইবোৰ মচিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ এই অৱস্থাৰ প্ৰতি যেন সহানুভূতি জনাবলৈ কাৰো সময় নাই। এনেতে ৰাস্তাৰ সিপাৰৰ পৰা এজন মানুহে পানী লৈ শৰ্মাৰ কাষত উপস্থিত হ'ল "দাদা পানী লওঁক।" মানুহজনৰ সাজ পোছাকৰ পৰা গম পোৱা যায় যে মানুহজন নিশ্চয় ৰিক্সাচালক বা ঠেলাচালকেই হব। "কি কৰিব দাদা, সিহঁতবোৰ আজিকালিৰ ধনী মানুহ। সিহঁতে মানুহ চিনি নাপায়, টকাহে চিনি পায়। মানুহৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিব লাগে তাকো নাজানে।" পানী ঢালি দি থাকোতেই মানুহজনে কৈ গ'ল। মানুহজনৰ কথাত এনে লাগিল যে মানুহজনও গুৱাহাটীৰ পৰিবেশৰ ভুক্তভোগী। অৱশ্যে শৰ্মাইও গুৱাহাটীৰ অট্টালিকাত থাকি বিলাস বহুল জীৱন কটোৱা সকলক ভালকৈয়ে চিনি পাইছে। সিহঁতবোৰ মহাস্বাৰ্থপৰ আৰু সিহঁতৰ দৰে লোভী কোনো নাই। টকাৰ বাবে সিহঁতে নিজৰ আপোন জনকো ঘাটকৰ হাতত তুলি দিবলৈ আপোচ নকৰে। মানুহ জনৰ লগত দুই এটা কথা পাতি শৰ্মাই ঘৰলৈ বুলি চিটিবাছত উঠিল। ভাগ্য ভাল আছিল বাবে তেওঁ বাছত বহিবলৈ পালে নহলেতো গুৱাহাটীৰ বাছত বহাৰ দূৰৰ কথা ওলমিহে যাব লাগে। বাছত বহুসময় দিগন্ত শৰ্মাই সহজ হব পৰা নাই। বাৰে বাৰে তেওঁৰ মনলৈ মানুহজনৰ কথা আহি থাকিল। এনেকুৱা মানুহ আজি গুৱাহাটীত প্ৰথমবাৰৰ বাবে লগ পাইছে। "হায় ক'ত গ'ল গুৱাহাটীৰ সেই ঐতিহ্য।" শৰ্মাই এটি দীঘল হুমুনিয়াহ কাঢ়িলে। আজি যান্ত্ৰিকতাৰ ঢৌৱে গুৱাহাটীক এনেভাৱে চুই গৈছে যে ইয়াত মানবপ্ৰেম এক অৰ্থহীন সাথৰ হৈ পৰিছে। হঠাৎ শৰ্মাৰ মন উৰা মাৰিলে তেওঁৰ সেই মৰমৰ গাওঁখনলৈ। কিযে মধুৰ দিন আছিল তেওঁৰ সেই গাঁওত থকা দিনকেইটা। গাওঁৰ কথা মনত পৰোতে তেওঁৰ চকুত দেউতাকৰ ছবি ভাহি উঠিল। বৃত্তিত

শিক্ষকতা কৰা দেউতাক ৰঘুৰাম শৰ্মা গাঁওখনৰ প্ৰতিতো কামৰবাবে গুৰুৰ দৰে আছিল। কিযে সুন্দৰ আছিল গাওঁৰ মাজেৰে বৈ যোৱা নদীখন, তাৰ পাৰৰ গছবোৰ, সেউজীয়া ধাননি পথাৰবোৰ আৰু তাতকৈও সুন্দৰ আছিল মানুহবোৰ মাজত থকা সম্প্ৰীতিৰ বান্ধোন। "কি যে অনাবিল আনন্দৰ দিন আছিল!" শৰ্মা আবেগিক হৈ পৰিল। গাৱঁৰ কথাভাবি থাকোতে কেতিয়া আহি চান্দমাৰী পালে তেওঁ গমকে নাপালে। খৰখৰকৈ বাছৰ পৰা নামি তেওঁ ৰিক্সা এখন লৈ ঘৰলৈ ৰাওনা হ'ল। যাওঁতে শৰ্মাই ভাবিলে তেওঁ বাৰু যান্ত্ৰিকতাৰ উৰ্দ্ধতনে? মানুহজনে ইমান সহায় কৰাৰ পিছতো তেওঁ মানুহজনৰ নামটোকে নুসুধিলে। ক'ত থাকে বাৰু তেওঁ? তেওঁৰ ঘৰত বা কোন কোন আছে? ইত্যাদি প্ৰশ্নই শৰ্মাক ব্যতিব্যস্ত কৰি তুলিলে। শৰ্মাই ঘৰ পাঁওতে প্ৰায় সন্ধ্যা লাগো লাগো অৱস্থা হৈছে।

ষ্টেট বেংকত চাকৰি কৰা দিগন্ত শৰ্মাই নিজৰ উপাৰ্জনেৰে বামুনি মৈদামতে এটি অসম আৰ্হিৰ ঘৰ সাজি লৈছে। ঘৈনীয়েকে ফ্লেট কিনিব লাগে বুলি আকোৰগোজ মাৰি ধৰি আছিল যদিও শৰ্মা নিজৰ স্থিতিত অটল আছিল। তেওঁৰ যুক্তি হ'ল, যদি জীৱনত শান্তিয়ে নাথাকে অট্টালিকাত থাকি কিবা লাভ আছে জানো? তাতে আকৌ শৰ্মা মুঠেই অভ্যস্ত নহয়। তেওঁৰ সপোন আছিল এখন সুখী সংসাৰ গঢ়াৰ য'ত থাকিব তেওঁৰ ঘৈণীয়েক তৰু আৰু জীয়েক। নয়নাক তেওঁ তেওঁৰ আদৰ্শৰে গঢ়ি তুলিব বিচাৰিছিল। কিন্তু গুৱাহাটীৰ দূষিত বতাহে তাইকো লাহে লাহে চঞ্চল কৰি তুলিছে। এই ক্ষেত্ৰত তেওঁৰ ঘৈণীয়েকৰ অৱদানো কম নহয়।

গাটো ধুই দিগন্ত শৰ্মাই নিজকে সতেজ অনুভৱ কৰিলে। ঘৈণীয়েকে আনি দিয়া চাহকাপ খাই আজিৰ বাতৰি কাকতখনত চকু ফুৰালে। "বাতৰি কাকতবোৰেও আজিকালি বাতৰি বিচাৰি নোপোৱা হৈছে। কেৱল ৰাজনীতিৰ কথা।" শৰ্মাই বাতৰি কাকতৰ ওপৰত খং উজাৰিলে। মাক-জীয়েক আহি শৰ্মাৰ কাষত বহিল। তেওঁ অফিচৰ পৰা অহাৰ পিছত সকলোৱে একেলগে বহি দিনটোৰ কথাবোৰ আলোচনা কৰে। শৰ্মাই নিজেই এই আলোচনাৰ গুৰি ধৰে। আজিও তাৰ ব্যতিক্ৰম নহ'ল। তেওঁ মানুহজনৰ সহানুভূতিৰ কথা বৰ্ণনা কৰি কলে "ফাচী বজাৰৰ নিচিনা বজাৰ এখন য'ত মানুহৰ সহানুভূতিক বিক্ৰীকৰা হয়, তাত যে এনেকুৱা মানুহ এজন লগ পাম সেয়া মই ভাবিবই পৰা নাছিলো।" কথাখিনি কওঁতে শৰ্মা যথেষ্ট আবেগিক হ'ল। "হ'ব হ'ব সেই সাধাৰণ ৰিক্সাৱালাজনৰ প্ৰতি সহানুভূতি দেখুৱাই আমাৰ ষ্টেনডাৰ্দ তললৈ নিব নালাগে। আমাৰ লগত সিহঁতৰ কোনো তুলনা নহয়। আমাৰ বাবে সিহঁত ভিক্ষাৰী। বাৰু যি হ'ল হ'ল। তুমি পিছে তাক দহটকীয়া নোট এখন দি আহিছাতো?" নয়নাৰ কথা শুনি শৰ্মা শিল পৰা কপৌৰ দৰে থৰ লাগিল। কি হৈ গ'ল তেওঁৰ সপোন!



*গল্পকাৰ, স্নাতক তৃতীয় বৰ্ষ, গণিত বিভাগৰ ছাত্ৰ*



# সংশয়

পলাশ কুমাৰ খাউণ্ড

মুখৰ পৰা বগা কাপোৰখন আঁতৰাই সি অপলক দৃষ্টিৰে নিঠৰ দেহটোৰ পিনে চাই ৰ'ল। যদিও শৱটো বৰফৰ মাজত সংৰক্ষিত কৰা হৈছিল তথাপি লাহে লাহে তাৰপৰা গোন্ধ ওলাবলৈ আৰম্ভ কৰিছিল। গাঁৱৰ ৰাইজে খৰি, কাঠ কাটি কেতিয়াবাই অন্তিম সংস্কাৰৰ বাবে সাজু হৈ আছিল। সকলোৰে চকু যেন কেৱল তাৰ ওপৰত। এজাক শূন্যতাৰ ধুমুহাই বুকুভেদি গ'ল মহানন্দৰ। একোটো তেজমঙহৰ সম্বন্ধ নাছিল তাৰ এই মানুহজনীৰ সৈতে অথচ সুকান্তাই আছিল যেন তাৰ ভৰিৰ তলৰ মাটি। তাক মানুহ হিচাপে গঢ় দিবলৈ কৰা অক্লান্ত পৰিশ্ৰম যেন সুকান্তাৰ অকাল মৃত্যুৰ কাৰণ হ'ল। তীব্ৰ অপৰাধ বোধে আক্ৰান্ত কৰি পেলালে মহানন্দক।

বোপাধন, দুখ নকৰিবি। জন্ম, মৃত্যু, বিবাহ ঈশ্বৰৰ ইচ্ছাৰ অধীন। তোক কষ্টত নপৰিবলৈ কি কৰা নাছিল বেচেৰীজনীয়ে। কিন্তু কি কৰিবি বোপাই তাইৰ কপালত একলা সুখো নিলিখিলে বিধাতাই- হুক্ হুকাই কান্দি পেলালে গুণীন্দ্ৰই। ব'ল, ব'ল, বোপাই, এতিয়া আৰু পলম কৰি থকাটো উচিত নহব। মায়েৰাৰ আত্মাই কষ্ট পাইছে।

দদায়েক গুণীন্দ্ৰৰ পৰামৰ্শমতে আনুষ্ঠানিক ক্ৰিয়া কৰ্মবোৰ সম্পন্ন কৰি সমন্ধীয়া ভায়েক হৰেণৰ সৈতে শৱটো কান্ধত লৈ লাহে লাহে বাৰীৰ পিছফালে ৰাইজে প্ৰস্তুত কৰি থোৱা জেগা ডোখৰলৈ অগ্ৰসৰ হ'ল। চকুৰ পানী আৰু অলেখ ভাৱনাৰ বিবাদত সি ইমানেই দগ্ধ হৈ আছিল যে মুখাগ্নি সম্পন্ন কৰি কেতিয়া দেউতাকৰ শ্মশানৰ ঢাপটোত বহি পৰিল গমকেইই নাপালে। এৰা, মৃত্যুৰ সংজ্ঞা বুজি নাপাওতেই সি নিজৰ মাকক হেৰুৱাইছিল। তেতিয়া খুব সম্ভৱতঃ তাৰ বয়স আঠ বছৰ। মাকৰ সোঁৱৰণি বুলিলে তাৰ মনত ভাহে কৰ্কট ৰোগত মৃত্যুৰ ক্ষণ গণি থকা শেতাপৰা মুখ, পৰ দিবলৈ অহা মানুহৰ অস্পষ্ট মুখ, গিয়াটালি ভোজনৰ দিনা গোঁসাইয়ে ৰান্ধিবলৈ ঠিক কৰা ডাঙৰ বৰালি মাছটোৰ মুখখন- হয়, হয়, ইয়াতকৈ তাৰ একো বিশেষ মনত নপৰে দেখোন। কাজৰ পিছত চূড়ান্ত নিসংগতাৰ চিকাৰ হোৱা দেউতাকক সি ঘনাই ঘনাই মাকৰ কথাকৈ আচলতে শোকৰ চিতাত ঘিঁউহে ঢালিছিল— আজি অনুভৱ কৰে সি।

মহানন্দৰ ভৱিষ্যতকলৈ দিশহাৰা হৈ পৰিছিল ধৰ্মকান্ত। আত্মীয় স্বজন আৰু শুভাকাঙ্খীৰ তাগিদাত পৰি তীব্ৰ অনিচ্ছা সত্বেও মথুৰাপুৰৰ সোমেশ্বৰ ফুকনৰ বিধবা জীয়েক সুকান্তাক দ্বিতীয় পত্নী হিচাপে চাবলৈ গ'ল ধৰ্মকান্ত। আচলতে বিয়াৰ এমাহৰ পিচতেই স্বামীহাৰা হৈছিল সুকান্তা। বৃদ্ধমাক দেউতাক আৰু তিনিটা ভায়েকে পুনৰ নিজৰ ঘৰলৈ উভতাই

আনিছিল সুকান্তাক। তাইক সুখী কৰি ৰাখিবলৈ সিহঁতে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। ধৰ্মকান্তই সুকান্তাক উদ্দেশি মাথোন এযাৰ কথাহে কৈছিল, যদিহে তাই মহানন্দক মানুহ হিচাপে গঢ় দিয়াৰ দায়িত্ব লবলৈ ইচ্ছুক তেন্তে বিয়াত সন্মতি দিব পাৰে। সুকান্তাই ভাবি চিন্তি বিয়াত বহাৰ সন্মতি দিছিল আৰু তেতিয়াৰ পৰা মৃত্যু পৰ্য্যন্ত পেটৰ একমাত্ৰ পোৱালি বুলি পাখি মেলি ছাঁ দি গ'ল মহানন্দক। মহানন্দক সমাজৰ প্ৰতিষ্ঠিত মানুহ হিচাপে গঢ় দিবলৈকে সমস্ত জীৱন পাত কৰিলে তাই।

দেউতাক ধৰ্মকান্তৰ সপোন আছিল মহানন্দক এজন আদৰ্শবান শিক্ষক নাইবা দক্ষ প্ৰশাসনিক বিষয়া হিচাপে গঢ় দিয়াৰ। বগা চুৰিয়া, পাঞ্জাবীৰে চাইকেল মাৰি ঘূৰি ফুৰা মানুহজনক দিখৌমুখৰ মানুহে যথেষ্ট সন্মান কৰে। এজন আদৰ্শ শিক্ষক হিচাপে নাম আছে ধৰ্মকান্তৰ। বানপানী গ্ৰস্ত অঞ্চলটোৰ দুখীয়া খেতিয়কবোৰৰ স্বাৰ্থত সদায়েই প্ৰথমে মাত মাতিছিল ধৰ্মকান্তই। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ খেলা — দিশপুৰলৈ মিনিষ্টাৰক লগ কৰিবলৈ আহোতে বুঢ়া পাহাৰৰ ওচৰত নৈশ বাছৰ দুৰ্ঘটনাত ঢুকাল ধৰ্মকান্ত। আন্ধাৰ নামি আহিল সুকান্তাৰ জীৱনলৈ, আন্ধাৰ নামি আহিল দিখৌমুখলৈ।

দ্বিতীয়বাৰ বৈধব্যৰ সাজ পিন্ধিও ভাগি নপৰিল সুকান্তা। তেতিয়া মহানন্দ কটন মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল। সি ইমানতেই পঢ়া-শুনা সমাপ্ত কৰি ঘৰলৈ একেবাৰে উভতি অহাৰ কথা ভাবিছিল। কিন্তু সুকান্তাৰ দৃঢ় স্থিতিয়ে তাক পুনৰ মনপুতি পঢ়িবলৈ বাধ্য কৰিলে। ঘৰখনৰ সমস্ত দায়িত্ব, খেতি-খোলা, গৰু-গাই অকলেই চম্ভালিছিল সুকান্তাই। আচলতে সুকান্তাৰ সাহসতে সি গৱেষণাৰ বৃত্তি লৈ জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ত পি. এইচ. ডি সম্পন্ন কৰিলে আৰু চিভিল চাৰ্ভিচৰ পৰীক্ষাত সুখ্যাতিৰে পাছ কৰিলে। যোৱা শনিবাৰে তাক মিচৌৰীৰ প্ৰশাসনিক সেৱা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা মাকৰ সাধাৰণ অসুখ বুলি মাতি অনা হ'ল। অৱশ্যে গুৰুতৰ কিবা এটা যে হৈ গৈছিল, সি ভালদৰেই বুজি পাইছিল। শনিবাৰে ৰাতি শোৱা পাটিতেই প্ৰেছাৰ ষ্ট্ৰোক হৈ ঢুকাই আছিল সুকান্তা। পিছ দিনাহে পলমকৈ দুৱাৰ ভাঙি উদ্ধাৰ কৰিছিল সুকান্তাৰ মৃতদেহটো।

ধুপ্-ধুপ্-ধুপ্ - চিতাৰ হিলৈৰ শব্দত তৎ ঘূৰাই পালে মহানন্দই। পুৰি শেষ হবলৈ আৰু ছত্ৰিশ মিনিট মান সময়ৰ প্ৰয়োজন হ'ব। বহাৰ পৰা উঠি সি আগ্ৰহেৰে লক্ষ্য কৰিলে দেউতাকৰ হাড়ভঙা শ্ৰমত ভাল ভাঙি ফুলি থকা লাগনি গছবোৰলৈ, সুকান্তাৰ চেনেহত লহপহকৈ বাঢ়ি থকা বাৰীৰ শাকনি বাৰীডৰালৈ, গোহালিত হাগি-মূতি খন্তকি থকা গৰু কেইটালৈ, গৰালত তেত্-তেত্ কৰি থকা হাঁহ কেইটালৈ। সিঠিক কৰিলে, সি আৰু মৌচুৰীলৈ নাযায়, সি দেউতাকৰ নিচিনাকৈ এজন সৰু শিক্ষক হ'ব, লৰা-ছোৱালীক ভাঙৰ মানুহ কৰাৰ সপোন দেখিব, মাক সুকান্তাৰ সপোনৰ ঘৰখন উৰলি যাবলৈ কেতিয়াও এৰি দিব নোৱাৰে-যাৰ বুকুত ভেজা দি সুকান্তাই তাক সাফল্যৰ উচ্চ শিখৰত আৰোহন কৰালে। সি জ্বলি থকা জুইকুৰালৈ চাই সংকল্প ললে । কিন্তু সঁচাকৈ জানো পাৰিব মহানন্দই সংকল্পৰ বাটত খোজ বুলাব... ? সংশয়ৰ আবেষ্টনিত সোমাই পৰিল সি।



*গল্পকাৰ, স্নাতকোত্তৰ চূড়ান্তবৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰ*

# পুৰাতন

ধৰণী লাহন

পুলকেশ বৰুৱাই আৰু একো ভাবিবই নোৱাৰিলে। তেওঁৰ গাটো ক্ৰমাত দুৰ্বল হৈ আহিল। সমগ্ৰ পৃথিৱীখনেই তেওঁ অন্ধকাৰ দেখিলে। তেওঁৰ মুখ মণ্ডলতো বিৰাজ কৰিলে এক অদ্ভুত অস্পষ্ট ছাপ। তেওঁ এতিয়া নিজৰ কোঠাটোৰ ভিতৰত বহি বহিয়েই শুনিবলৈ পালে চাৰিওফালৰ মানুহৰ মৃত্যু কাতৰ কৰুণ আৰ্তনাদবোৰ। দুচকুত ঘনে ঘনে ভাহি উঠিল বৰ্তমান উশৃংখল জন সমাজৰ এখন বিভৎস ছবি। যি ছবিৰ দৃশ্যবোৰ দেখি এতিয়া গছ বনে পাহৰি গৈছে সিহঁতৰ আদিম সুবাস ; নৈখন নতুবা চিনাকি পশু-পক্ষীবোৰেও হেৰুৱাই পেলাইছে সিহঁতৰ সুললিত সুৰৰ গতি... । সিহঁতেও যেন এতিয়া কেৱল মৃত্যুহে কামনা কৰে। কাৰণ দেশখনৰ গাঁৱে-ভুয়েঁ, চহৰে-নগৰে এতিয়া বিয়পি পৰিছে সেই একেই দুঃসংবাদ, একেই বিষবাষ্প, হত্যা, লুণ্ঠন, ধৰ্ষণ, ডকাইতি, সংঘৰ্ষ, মানৱতাৰ অপমৃত্যু... ।

আচলতে কথাবিলাক স্মৰণ কৰি পুলকেশ বৰুৱাৰ অকণো ভাল নালাগে। কিন্তু সময়ে নামানে। সেয়ে তেওঁ এই গতিশীল সময়ৰ পাকচক্ৰত পৰি কেতিয়াবা অতীষ্ঠ হৈ পৰিবলগা হয়। দিনে দিনে গণতান্ত্ৰিক সমাজবাদৰ প্ৰহসন ঘটা দেশখনত বাৰু হত্যা, লুণ্ঠন, ধৰ্ষণ আদি অমানবীয় কৰ্মবোৰ কিয় হ'ব লাগিছে? কিয় মানুহবোৰে নৈতিকতাৰ স্খলন ঘটাই বাট এৰি অবাটে যাব লগা হৈছে? মানুহবোৰে কিয় নুবুজে... কিয় ? কিয় ??

প্ৰশ্নবোৰ মনত উদয় হলেও পুলকেশ বৰুৱাই কিন্তু কাকো সোধাৰ প্ৰয়োজনবোধ নকৰে। কোনে উত্তৰ দিব এইবোৰ প্ৰশ্নৰ। আজিকালি পৃথিৱীৰ প্ৰতিজন মানুহেই সাংঘাতিক স্বাৰ্থপৰ। একমাত্ৰ নিজৰ স্বাৰ্থৰ বাবেই পৃথিৱীত বহু নোহোৱা নোপোজা ঘটনা কিছুমান অনবৰতে ঘটি থাকিব লাগিছে। সেয়ে পুলকেশ বৰুৱাৰ মনত কেতিয়াবা এটা ভাবৰ উদয় হয়— এইখন পৃথিৱীত এটা ডাঙৰ ভূমিকম্প হওক, চাৰিওফালে হুলস্থূল লাগক, মানুহ মৰক, নিঃশেষ হৈ যাওক এটা মানব জাতি... ।

"দেউতা, বাতৰি কাকতখন লওঁক।"

— হঠাৎ পিছফালৰ পৰা অহা মাতটোত পুলকেশ বৰুৱা উচপ খাই উঠিল। পাছলৈ ঘূৰি চাই তেওঁ দেখিলে — তেওঁৰ নিচেই কাষতে ঠিয় হৈ আছে একমাত্ৰ পুত্ৰ অনুপ। তাৰ হাতত এখন বাতৰি কাকত। কাকতখন নিশ্চয় যোৱা সংখ্যাৰ 'সাপ্তাহিক গণদুত' খন। সেইখন পুলকেশ বৰুৱাৰ আটাইতকৈ প্ৰিয় বাতৰি কাকত। কাকতখনৰ তেওঁ আজি প্ৰায় দহ বছৰ কাল একেৰাহে নিয়মীয়া পঢুৱৈ হৈ আছে। অৱশ্যে তেওঁ এতিয়া কাকতখনৰ প্ৰতি থকা পূৰ্বৰ সহৃদয়তা ক্ৰমান্বয়ে আঁতৰাই আনিবলৈ বাধ্য হৈছে। কাকতখনে আজি কিছুদিনৰ পৰা যিবোৰ বাতৰি কঢ়িয়াই আনে, সেইবোৰ আচলতে বাতৰি নহয়— মানৱ সভ্যতাৰ ধ্বংসৰ জাননী দিয়া কিছু দুঃসংবাদৰ পূৰ্বাভাসহে!

পুলকেশ বৰুৱাই কাকতখন সংগ্ৰহ কৰিবলৈও বহু কষ্ট স্বীকাৰ কৰিবলগা হয়। তেওঁ এই বাতৰি কাকতখন প্ৰকাশ হোৱাৰ দুইদিন তিনি পিছতহে সংগ্ৰহ কৰিব পাৰে। চহৰৰ পৰা যথেষ্ট নিলগত থকা পাহাৰীয়া কাষৰ এই অঞ্চলটো যোগাযোগৰ ক্ষেত্ৰত প্ৰকৃততেই বহু দুৰ্গম। গতিকে কাকতখন প্ৰকাশ হোৱাৰ পিছদিনাই তেওঁ অনুপক চহৰলৈ পঠাই দিয়ে আৰু অনুপে গৈ কাকতখন কিনি আনে। অনুপে কাকতখন আনি পুলকেশৰ হাতত দিয়াৰ লগে লগে তেওঁৰ শৰীৰৰ মাজেদি কিবা এক অদ্ভুত শিহৰণ সৰকি যায়।

আজিও পুলকেশ বৰুৱাই অনুপৰ হাতৰ পৰা কাকতখন লওঁতে মনটো কিবা এটা অজান আশংকাত শিহৰি উঠিল। লাহে লাহে কাকতখনৰ পৃষ্ঠাবোৰ লুটিয়াই যাওতে তেওঁ প্ৰায়ে অধৈৰ্য্য হৈ পৰে। কাকতখনৰ পাতে পাতে কেৱল সেই একেই দুঃসংবাদ। কোনো এখিলা পাততেই এটা সুখৰ বাতৰি নাই। সকলোতে কেৱল তেজৰ চেকা পৰা কিছুমান অভাৱনীয় বাতৰি— "শিৱসাগৰত নাবালিকা ধৰ্ষণ... গৌৰীপুৰত সেনা বাহিনীৰ অত্যাচাৰ... চৰাইদলনীত ভাতৃঘাটী সংঘৰ্ষ... শ'শ' লোক গৃহহীন, পাঁচখন গাওঁ ভস্মীভূত।

বাতৰি কাকতখনৰ শেষৰ শিৰোনামটো দেখি পুলকেশ বৰুৱা একেবাৰেই স্তব্ধ হৈ গ'ল। হাতৰ কাগজখন হাততেই বন্দী হৈ থাকিল। তেওঁ আৰু সেইখন পুনৰ বাৰ বঢ়াৰ ইচ্ছা অনুভৱ নকৰিলে। লাহেকৈ চকুদুটা মুদি মাত্ৰ ভাবিলৈ ধৰিলে— বাতৰি কাকতখনত থকা ভাতৃঘাটী সংঘৰ্ষটো যদি "চৰাইদলনী" অঞ্চলৰ নহৈ এই "জোকতলী" অঞ্চলৰ হ'লহেতেন— তেতিয়া বাৰু কি হ'লহেতেন? কাৰণ পাহাৰৰ কাষত অৱস্থিত এই পিছপৰা অঞ্চলটোতটো বিভিন্ন সম্প্ৰদায়ৰ মানুহে ঠাহ খাই আছে। তেওঁলোকে প্ৰত্যেকেই এনে ধৰণৰ ভাতৃঘাটী সংঘৰ্ষ

কৰিবলৈ যদি আগবাঢ়ি আহে, তেতিয়া বাৰু কি হ'ব? অঞ্চলটো একেবাৰেই নিঃশেষ হৈ নাযাবনে?

এতিয়ালৈকে এই অঞ্চলটোত কোনো দিনেই মিছিং বড়ো বুলি মানুহৰ মাজত প্ৰভেদ অহা নাই। ইয়াত এতিয়া সকলো এক। তেওঁলোকে সকলো লোকেই একেলগ হৈ বিহুৰ দিনত বিহু পাতে; নাচ গান কৰে, ভোজ-ভাত খায় আৰু প্ৰত্যেকেই প্ৰত্যেকৰ বাবে জীৱন দান দিবলৈ সাজু হৈ থাকে। তেনেস্থলত ইয়াত জানো সংঘৰ্ষ হোৱাটো সম্ভৱ হয়। কিন্তু আজি কালি দেশৰ প্ৰতিজন মানুহেই খুব স্বাৰ্থপৰ হৈ পৰিছে। সমগ্ৰ অসমৰ চুকে কোণে বিয়পি পৰিছে জনজাতীয় লোক সকলৰ মাজত পৃথক স্বায়ত্ব শাসনৰ দাবী। ইতিমধ্যে দুই এটা জনগোষ্ঠীয়ে তেওঁলোকৰ দাবীবোৰ পূৰণ কৰিব পাৰিছেই। ফলত এই দাবী বিলাকৰ পৰা পাৰ্শ্ব প্ৰভাৱবোৰ যদি আমাৰ অঞ্চলটোতো বিৰাজ কৰে তেতিয়া জানো সিহঁতক বুজাব পৰা সাহস কাৰোবাৰ ওলাব? তেওঁলোকেটো প্ৰত্যেকেই নিজৰ স্বাৰ্থৰ বাবে যুক্তিৰে প্ৰতিপন্ন কৰি অঞ্চলটো বড়োলেণ্ড উদয়াচল আদি হিচাপে ঘোষণা কৰিবলৈ উদ্যত হ'ব...। যাৰ ফলত দুয়ো কৈদৰ লগতে অন্যান্য সম্প্ৰদায়ৰ মানুহৰ মাজত সৃষ্টি হ'ব এখন বিৰাট ডাঙৰ হত্যা-যজ্ঞ। কোনোদিনেই সংঘৰ্ষৰ সৈতে মুখামুখি নোহোৱা মানুহবোৰ এটা সময়ত বেছ অভিজ্ঞ হৈ তুমুল সংঘৰ্ষৰ বাবে আগবাঢ়ি যাব। ফলত বাতৰি কাকতৰ শিৰোনামা দখল নকৰা এই অঞ্চলটো বাহিৰৰ জনসাধাৰণৰ চকুত হৈ পৰিব তেজেৰে তুমুৰলি হোৱা এটা ছয়াময়া ভগ্নাৱশেষৰ ছবি। যি ছবিত অবুজিত হ'ব ককাই-ভাইৰ মাজত যুদ্ধ হোৱা তাহানিৰ কুৰুক্ষেত্ৰ ৰণৰ বাস্তৱ অস্তিত্ব। মানুহৰ মুখে মুখেও তেতিয়া বিয়পি পৰিব জোকতলী অঞ্চলত হোৱা ভাতৃঘাটী সংঘৰ্ষৰ কথা, মানুহৰ মৃত্যুৰ কথা, শ শ লোক গৃহহীন হোৱাৰ কথা...।

... নাই ... নাই তেওঁ সেইবোৰ কেতিয়াও হ'বলৈ নিদিয়ে। অন্ততঃ পুলকেশ বৰুৱা জীয়াই থকালৈকে। কাৰণ তেওঁৰ চকুৰে সেইবোৰ চাব নিবিচাৰে। তেওঁ মাত্ৰ চাব বিচাৰে মানুহৰ মাজত থকা সমিলমিল ভাববোৰ। সেয়ে তেওঁ মানুহবোৰক এতিয়াৰ পৰাই বুজোৱাৰ প্ৰয়াস কৰিব। সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহবোৰো পৰিবৰ্তন হৈ যাব। ফলত বাহিৰৰ দুস্কৃতিকাৰী সকলে এই অঞ্চলটোত প্ৰবেশ কৰি মানুহবোৰক একেবাৰে বিবাক্ত কৰি তুলিব। তেওঁৰ বুজনিও নিশ্চয় এই অঞ্চলৰ মানুহবোৰে মানি লব। কাৰণ তেওঁকটো অঞ্চলটোৰ প্ৰতিজন মানুহেই সমীহ কৰি চলে। অঞ্চলটোত কিবা এটা অনুষ্ঠান পাতিবলৈ হলে সকলোৱে তেওঁৰ পৰাহে পৰামৰ্শ লয়। জনজাতীয় লোকসকলৰ উৎসৱ পাৰ্বন সমূহতো পুলকেশ বৰুৱাৰ সদায় উচ্চ স্থান আছে। তেওঁলোকে কিবা এটা তাৎক্ষণিক সিদ্ধান্ত ল'ব লগা হলেই পুলকেশ বৰুৱাৰ ওচৰলৈ দৌৰি আহে। তেনেস্থলত তেওঁ কোৱা কথাবোৰ ৰাইজে মানি নলব নে? তেওঁলোকক যদি এতিয়াৰ পৰাই ভাতৃঘাটী সংঘৰ্ষৰ প্ৰতি বেয়া মনোভাব সৃষ্টি কৰিব পৰা হয়, তেতিয়া নিশ্চয় জোকতলী অঞ্চলটো পূৰ্বৰ শান্ত সৌম্য "জোকতলী" হৈয়ে হৈ থাকিব।

ঃ হেৰি অৰ্থনিৰেপৰা কোঠাটোত সোমাই কি ভাবি আছে? ভাত-পানী খাই মিটিঙলৈ নাযায় কিয়? হঠাৎ পুলকেশৰ পত্নী সুপ্ৰভাৰ উপস্থিতিত তেওঁৰ চিন্তাত যতি পৰিল। টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে থতমত খাই সুপ্ৰভাৰ পিনে চাই সুধিলে—

ঃ মিটিং - ! ক'ত - ?

ঃ মিলনপুৰৰ নামঘৰত।

ঃ কিয়?

ঃ মই সেইবোৰ একো নাজানো।

ঃ তেনেহ'লে তুমি কেনেকৈ ক'লা?

ঃ কালি সন্ধিয়া পবত বকুলপুৰৰ পৰা দুজন ল'ৰা আহি আপোনাক এই মিটিংখনলৈ বিশেষ ভাবে জৰুৰীভাৱে মাতি থৈ গৈছে। সিহঁতক বোলে কোনোবা বড়োলোকে পাঁচদিনৰ ভিতৰতে এই ঠাইডোখৰ এৰি যাবলৈ নিৰ্দেশ দিছে। নহ'লে...

ঃ নহ'লে... সিহঁতক কোনো কি কৰিব? সুপ্ৰভাই কথাষাৰ শেষ কৰিবলৈ নৌ পাওঁতেই পুলকেশ বৰুৱাই প্ৰায় চিঞৰি উঠিল।

ঃ বড়োসকলে মিলিজুলি সিহঁতৰ ঘৰবিলাক জ্বলাই দিব। কাৰণ এইবিলাক মাটি হেনো সিহঁতৰ।

কথাষাৰ শুনি পুলকেশ বৰুৱাৰ ভৰিৰ তলৰ পৰা পৃথিৱীখন আতৰি যোৱা যেন অনুভৱ হ'ল। তেওঁ এইবোৰ কি শুনিবলৈ পাইছে? এইবোৰ শুনিবলৈকে তেওঁ জীয়াই আছে নেকি?? দিনে দিনে মৃত্যু শয্যালৈ আগবঢ়া পুলকেশ বৰুৱাৰ জীৱনৰ অন্তিম মুহূৰ্তবোৰৰ কিয় ইমান বিবাক্ত হৈ পৰিছে?? তেওঁলোকৰ এই অঞ্চলটোত বড়োসকলে সংঘৰ্ষ কৰিবলৈ আগবাঢ়ি আহিলে কোনো মানুহেইটো জীয়াই থকা সম্ভৱ নহ'ব। মিছিং, নেপালী, আহোম আদিকে ধৰি সকলোৱেই তেজৰ নদীত গা ধুবলৈ বাধ্য হ'ব। ক'ৰ মানুহ ক'লৈ যাব লগা হ'ব তাৰ কোনো ঠিকনা নাই...!!

তেওঁ ৰৈ নাথাকিল। তৎক্ষণাত হাতত লাখুটিডাল লৈ মিলনপুৰ নামঘৰ অভিমুখে ৰাওনা হ'ল। আজিৰ ভিতৰতে তেওঁ মানুহখিনিক বুজাব লাগিব। এইবোৰ কৰা বেয়া কাম। আমি এক অসমীয়া। ইয়াত কোনো ভেদা-ভেদ নাই। আমি ভাই-ভাইৰ মাজত কাজিয়া কৰাটো খুউব ঘৃণনীয় বিষয়। তেওঁ এতিয়াই গৈ মানুহখিনিক চিঞৰি চিঞৰি ক'ব তোমালোকে এইবোৰ কিয় বিচাৰিছা? তোমালোক দৃঢ় হোৱা। তোমালোক এক হোৱা। বাহিৰৰ অপকৰ্মৰ দূষিত বায়ুত বিলীন হৈ যাবলৈ চেষ্টা নকৰিবা।

পুলকেশ বৰুৱা খৰ খোজেৰে নামঘৰৰ অভিমুখে যিমানেই আগবাঢ়ি গৈছে তেওঁৰ মনত সিমানেই প্ৰশ্নই দোলা দি ধৰিছে। তেওঁৰ চকুৰ আগত ভাঁহি উঠিছে তাহানিৰ সেই জোকতলী অঞ্চলৰ শান্তিপূৰ্ণ মুহূৰ্তবোৰৰ ছবি। য'ত তেওঁ কেৱল হাঁহি আৰু আনন্দৰ ৰেখাহে দেখিবলৈ পাইছিল। তেওঁ যিদিনাখন পমুৱা হিচাপে আহি এই ঠাইডোখৰত থিতাপি লৈছিল, তেতিয়া 'জোকতলী' অঞ্চলটোত আছিল মাত্ৰ কেইখনমান মুষ্টিমেয় গাওঁ। গাঁওকেইখনৰ ভিতৰত তেওঁৱেই আছিল অধিক শিক্ষিত।

সেয়ে এখন গাঁৱৰ কিবা এটা সমস্যা হ'লেই চিধাই দৌৰি আহিছিল পুলকেশ বৰুৱাৰ ওচৰলৈ সমিধান বিচাৰি। পুলকেশ বৰুৱায়ো কোনো আত্মগৌৰৱত লিপ্ত নহৈ সকলোৰে প্ৰতি সহায়ৰ হাত আগবঢ়াইছিল। তেওঁৰ চেষ্টাতেই সমগ্ৰ অঞ্চলটোৰ মানুহখিনিয়ে একত্ৰ নৈ নামঘৰটো স্থাপন কৰিছিল। যিটো নামঘৰ আজি সেই একেখিনি মানুহৰ হাততেই ধ্বংস হ'ব আৰু জনজাতীয় লোকসকলৰ মাজত থকা সমন্বয়ৰ এনাজৰীডাল নিঃশেষ হৈ পৰিব।

তেওঁৰ মনটো ক্ৰমাত গধুৰ হৈ আহিল। মনত নানা প্ৰশ্নৰ উদয় হ'ল। এই ভিতৰুৱা অঞ্চলটোত বাৰু সংঘৰ্ষৰ প্ৰভাব কেনেদৰে বিয়পি পৰিছে? তাৰমানে ইয়াতো দুষ্কৃতিকাৰীৰ চকু পৰিলহি! সিহঁতে তাৰমানে দুষ্কৃতিৰ অক্টোপাছৰ বাহুবোৰ ইয়ালৈকে প্ৰসাৰিত কৰিলে। সময়ৰ পৰিবৰ্তনত লগে লগে সিহঁতে নিশ্চয় সকলো ঠাইতে এই বিববাষ্পবোৰ বিয়পাই পেলাব!

কথাবিলাক ভাবি ভাবি কেতিয়ানো পুলকেশ বৰুৱা নামঘৰৰ পুদুলিমুখ পালেগৈ ধৰিবই নোৱাৰিলে। হঠাৎ 'কৰা' 'কৰা' বুলি মতা শব্দকেইটাত তেওঁৰ সম্বিত ঘূৰি আহিল। তেওঁ লগে লগে নিজকে সংযত কৰি নামঘৰৰ ভিতৰলৈ সোমাই গল। কেইজমান ডেকা ল'ৰাই তেওঁক প্ৰায় আদৰি নিয়া দিয়েই ভিতৰলৈ সুমুৱাই নিলে। সিহঁতৰ প্ৰত্যেকৰে মুখত অসহায়ৰ ছাপ। পুলকেশৰো পৰিবেশটো কিবা আচহুৱা আচহুৱা লাগিল। প্ৰায়বিলাক মানুহেই নামঘৰৰ চাৰিওফালে জুম বান্ধি বান্ধি কিবা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰাত ব্যস্ত হৈ আছে। পুলকেশ বৰুৱাৰ আগমনে আজি তেওঁলোকক কোনো আগ্ৰহান্বিত কৰিব পৰা নাই। সকলো এতিয়া নিজক লৈয়ে ব্যস্ত।

যথা সময়ত সভাৰ কাম আৰম্ভ হ'ল। মিচিং, বড়ো, নেপালী আদিৰে পৰিপূৰ্ণ হৈ থকা অঞ্চলটোৰ মুঠ ১৫ খন গাৱঁৰ তিনিশমান মানুহে সভাত অংশগ্ৰহণ কৰিলে। উপস্থিত সকলোৰে মাজত এটা গোমা পৰিবেশ। সিহঁত যেন এতিয়া চিনাকি হৈয়ো বহু অচিনাকি, বহু পুৰণি...।

পুলকেশ বৰুৱাই হ'ল আজি এই সভাত সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত হোৱা সভাপতি। তেওঁ সভাপতিৰ আসন গ্ৰহণ কৰিয়েই আহ্বায়ক অনন্ত গগৈক সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিবলৈ নিৰ্দেশ দিলে। অনন্তই সভাপতিৰ নিৰ্দেশ পাই সভাৰ উদ্দেশ্য ব্যাখ্যাৰ পাতনি মেলোতেই সভাত এটা হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হ'ল। কেইজনমান বড়ো যুৱকে স্পষ্ট ভাষাত বুজাই দিলে যে এই অঞ্চলটো আচলতে সিহঁতৰ। সেয়ে বাকী মানুহবোৰ ইয়াৰ পৰা অতি সোনকালে আঁতৰি যাব লাগে।

কথাষাৰ শুনি উপস্থিত বাকী সম্প্ৰদায়ৰ মানুহবিলাক প্ৰায়েই উত্তেজিত হৈ পৰিল। পুলকেশ বৰুৱাই সিহঁতক কোনোপধ্যেই বুজাব নোৱাৰিলে। প্ৰত্যেকেই নিজৰ নিজৰ যুক্তি প্ৰতিপন্ন কৰি ঠাইডোখৰৰ মালিকীস্বত্ব প্ৰমাণ কৰিবলৈ উদ্যত হ'ল। ফলত মানুহবোৰৰ মাজত এটা চেপা উত্তেজনাই গা কৰি উঠিল। প্ৰথম অৱস্থাত তৰ্কা-তৰ্কিৰে আৰম্ভ হোৱা হুলস্থূলীয়া পৰিবেশটো এটা সময়ত বেছ উশৃংখল হৈ পৰিল। কোনোবা এজন বড়ো যুৱকে আহ্বায়ক অনন্ত গগৈক পিছফালৰ পৰা আক্ৰমণ কৰি মাটিত বগৰাই দিলে। পুলকেশ বৰুৱাই একো ধৰিবই নোৱাৰিলে। লগে লগে নামঘৰৰ ভিতৰত চিঞৰ-বাখৰেৰে পৰিপূৰ্ণ এটা বিৰাট অপ্ৰীতিকৰ অৱস্থাৰ সৃষ্টি হ'ল। স্থানীয় বড়ো সকলৰ বহু মানুহেই খেদি আহি নামঘৰৰ ভিতৰতে মানুহবোৰৰ ওপৰত আক্ৰমণ চলাবলৈ ধৰিলে। ফলত অন্যান্য সম্প্ৰদায়ৰ মানুহবোৰো বৈ নাথাকিল। সকলোৰে হাতে হাতে মাৰণাস্ত্ৰ লৈ পৰিস্থিতিটো জটিলৰ পৰা অধিক জটিলতৰ কৰি তুলিলে। চৌদিশে এক বিৰাট সংঘৰ্ষ অনুষ্ঠিত হৈ গ'ল। পুলকেশ বৰুৱায়ো এই সংঘৰ্ষত কিছু আঘাত পালে। মানুহৰ চিঞৰ-বাখৰ, আঘাতপ্ৰাপ্ত সকলৰ কৰুণ আৰ্তনাদ আদিয়ে পলকতে অঞ্চলটোত এটা অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰিলে। অঞ্চলটোৰ প্ৰায়বিলাক মানুহেই সন্ত্ৰস্ত হৈ উঠিল। সকলোৱে নিজৰ নিজৰ পৰিয়ালটোৰ সুৰক্ষা দিবৰ বাবে হাতত অস্ত্ৰ তুলি লৈ সংঘৰ্ষৰ ভয়াবহ পৰিস্থিতিৰ কথা ভাবি ৰ'ল...।

... পশ্চিম আকাশত বেলিটো তেতিয়া ডুব গৈছিল। পুলকেশ বৰুৱাই ঠিক তেনে এটা সময়তেই অসংযত শৰীৰেৰে ঘৰৰ ভিতৰলৈ সোমাই গ'ল। তেওঁ ভিতৰলৈ সোমাই যাওঁতেই শুনিবলৈ পালে কৰবাত বিৰাট চিঞৰৰ বাখৰ হৈছে লগে লগে তেওঁ বাহিৰলৈ ওলাই আহিল। হয়, তেওঁলোকৰ গাঁৱখনতেই সেই চিঞৰ-বাখৰ উৱা! সৌৱা দেখোন জুই! কোনোবাই সিহঁতৰ গাঁওখনৰ ঘৰবিলাকত জুই লগাই দিছে আৰু উশৃংখল মানুহ বোৰে চিঞৰ-বাখৰ কৰি যেনি তেনি পলাবলৈ ধৰিছে। হঠাৎ এই ৰাতিখন গাওঁখনত হুলস্থুল লাগি গ'ল। কোনোৱে কালৈকো নোচোৱাকৈ মানুহবোৰ যেনি তেনি দৌৰিবলৈ ধৰিছে। সৰু ল'ৰাৰ পৰা আশী বছৰীয়া বৃদ্ধলৈকে ঘৰৰ ভিতৰত সোমাই থাকিবলৈ সাহস কৰা নাই। প্ৰত্যেকৰে ঘৰ বিলাক ক্ৰমান্বয়ে জুইয়ে গ্ৰাস কৰি আনিছে। জুইৰ প্ৰচণ্ড লেলিহান শিখাই গোটেই গাওঁখনকেই নহয়, সমগ্ৰ অঞ্চলটোকে ছানি ধৰিলে। প্ৰায়বিলাক ঠায়ে অগ্নিৰ বুকুত জাহ গ'ল— জোকতলী অঞ্চলটিৰ।

পুলকেশ বৰুৱাই আৰু এই দৃশ্য চাই থাকিব নোৱাৰিলে। তেওঁৰ সহ্য নহ'ল। এটা প্ৰকাণ্ড চিঞৰ মাৰি বৈ থকা ঠাইডোখৰতে বাগৰি পৰিল। খন্তেক পাছতে জুইয়ে আহি পুলকেশৰ নিথৰ দেহটো আৰু ঘৰটো ছানি ধৰিলে। লগে লগে ভিতৰত আৰু দুটা মানুহৰ মৃত্যু কাতৰ কৰুণ আৰ্তনাদ শুনা গল। সেয়া নিশ্চয় পুলকেশ বৰুৱাৰ পত্নী সুপ্ৰভা আৰু পুত্ৰ অনুপৰে চিঞৰ হ'ব...।

... পাছদিনাৰ দৈনিক বাতৰি এখনত এটা চমু অৰ্থাৎ সাধাৰণ বাতৰি প্ৰকাশ হ'ল— "জোকতলী" অঞ্চলত ভাতৃঘাতী সংঘৰ্ষঃ বহুলোকৰ প্ৰাণ হানি, শ শ মানুহ গৃহহীন... বাতৰিটোৰ লগতে কোনোবা পুৰাতন সভ্যতাৰ স্থাপত্য চিহ্নৰ দৰে এটা জুইয়ে পোৱা জুপুৰী ঘৰৰ ফটোও ছপা হৈ আহিল...।

***গল্পকাৰ, স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰ***

# বজ্ৰপাত

বিপুল কুমাৰ দাস

বাহিৰত এতিয়াও আন্ধাৰ হৈয়ে আছে। সাৰ পাইছো যদিও উঠা নাই। ইচ্ছা যোৱা নাই। শুই শুয়েই চাকৰি জীৱনটোৰ কথা ভাবিলো। কলেজত সোমোৱাৰ আজি বহুদিন হ'ল। আঠাইশ বছৰ বয়সত কলেজৰ চাকৰিত সোমাই জীৱনৰ অৰ্ধেক সময় এই কলেজতে কটাই দিলো। ছাত্ৰ-ছাত্ৰীৰ মোহত পৰি সময় কিদৰে পাৰ হৈ গ'ল ক'বই নোৱাৰিলো। চুলিবোৰ পকিবলৈ ধৰিছে। বুঢ়া চুলি ঢেকা কৰিবলৈ কলপ লগাইছো। কিন্তু বয়সে লাজ দিছে। বয়সৰ আচোৰ দেহত স্পষ্ট হৈ পৰিছে। শৰীৰত কোনো অৱশ ভাব অহা নাই যদিও মাজে মাজে বিষাদে আমনি নকৰা নহয়। এই বিষাদ ভাব হয়তো মোৰ আজন্ম লগৰী। হয়তো প্ৰত্যেক মানুহৰেই মনত বিষাদ থাকে।



দীৰ্ঘদিনীয়া চাকৰি কাল অন্ত হ'বলৈ আৰু মাথো পাঁচ বছৰ আছে। আজি হিচাপ কৰি চালো। পাঁচ বছৰ পিছত মই আঁতৰি যাম কলেজৰ পৰা। মই বঞ্চিত হ'ম ছাত্ৰ-ছাত্ৰীৰ সংস্পৰ্শৰ পৰা। আৰু এদিন কলেজখনৰ বাবে অচিনাকি হৈ পৰিম। এইবোৰ ভাবিয়েই আজি মন বেয়া। গাটোও অৱশ্যে বেয়া। চৰ্দি লাগিছে। সেইবাবেই। অৱশেষত বিচনাৰ পৰা উঠিলো।

আজি ন বজাৰ পৰা মোৰ এটা ক্লাছ আছে। কলেজৰ অইন বিভাগ বোৰৰ মুৰব্বীসকলে ক্লাছ নলয় যদিও মই প্ৰতিদিনেই এটাকৈ ক্লাছ লওঁ। বিভাগত অধ্যাপক-অধ্যাপিকাৰ অভাৱ নাই যদিও মই ক্লাছ লওঁ একমাত্ৰ ছাত্ৰ-ছাত্ৰীৰ সান্নিধ্যৰ বাবে।

পুৱা চাৰি বজাতে উঠি ৰুটিনখন চালো। আজিৰ ক্লাছটো পি. জি. ফাইনেল ইয়েৰৰ, মই গল্প পঢ়াওঁ ইহঁতক। আজি পি. জি. ক্লাছত কি বুজাম ভাবিলো। মই নিজে লিখা কিতাপখন উলিয়ালো। মেজলৈ আহিলো। কিন্তু পঢ়িবলৈ ইচ্ছা নগ'ল। কিতাপখন কলেজলৈ নিয়া বেগটোতে সুমাই ল'লো। আজি প্ৰশ্নকে কৰিম। ভাবিলো মনতে।

ইহঁতহাল উঠাইনাই। ছয় বজাৰ আগত ইহঁত নুঠে। পাঁচ বজাত এখেত উঠিব। বন কৰা ছোৱালীজনীয়ে ইতিমধ্যেই উঠি চাহৰ যোগান কৰাত লাগিল। মই গা ধুলো। পাগ ঘৰলৈ গৈ ভাত ৰন্ধাৰ ব্যৱস্থা কৰিলো। বন কৰা ছোৱালীক মই ভাত ৰান্ধিবলৈ নিদিও। তাইক পাচলিখিনি কুটিবলৈ ক'লো। তাই লাগি গ'ল। আঞ্জা বনাবলৈ মন যোৱা নাই। ৰাতিৰে ভাঙোন মাছৰ আঞ্জা আছিল। তাৰেই হৈ যাব। অৱশ্যে ন বজাত ক্লাছ থাকিলে আঞ্জা ৰান্ধিবলৈ সময়ো নহয়। পাচলিখিনি বহাই কাকত আহিছে নেকি চাবলৈ গ'লো। দেখিলো এখেতে চাহ আৰু কাকত দুয়োবিধেই খাই আছে। এখেতৰ বাবেই মই পুৱা কাকত পঢ়িবলৈ সময় নাপাওঁ। কাকত খাই পেলোৱা অভ্যাসটো এখেতৰ পুৰণি। আবেলি আহিহে মই কাকত পঢ়ো। ইহঁতো উঠি পঢ়াত লাগিল। ভাত-ভাজি হোৱা কৰি মই কাপোৰ পিন্ধিলোগৈ। ইহঁতো গা-পা ধুই ওলাল। দুয়োকে মই মোৰ গাড়ীতে লৈ যাব লাগিব। জোন্টিৰ ক্লাছো আজি ন বজাতে। ভাত খালো। এখেতে খোৱা নাই। কাকতকেইখন পঢ়ি উঠি দহমান বজাত খাব। এখেত অফিচলৈ এঘাৰ-বাৰ বজাতহে যাব। ষ্টেট

গভৰ্ণমেণ্টৰ অফিচতো! সকলোৱে সেই সময়তেই যাব। এখেতক মাত দি মই গাড়ী উলিয়ালো। চানমাৰি হৈ যাব লাগিব। চিনুক শিলপুখুৰীত স্কুলত নমাই থৈ যাব লাগিব। এইকলেৰে কলেজলৈ গ'লে আঠ বজাতে ঘৰৰ পৰা ওলাব লাগে। খুব ট্ৰেফিক জাম হয় এইখিনি সময়ত।

চিনুক স্কুলত নমাই থৈ ন বজাৰ আগে আগে কোনোমতে কলেজ গালো। মোৰ কেবিনত বহি এখেতলৈ ফোন এটা কৰিলো। নাই। এখেতৰ কাকত পঢ়াই হোৱা নাই। পি. জি. ফাইনেল ইয়েৰৰ ৰেজিষ্টাৰ বহীখন হাতত ললো। এনেয়ে এটেন্‌ডেঞ্চবোৰ চালো। দুজনমানে ক্লাছ একেবাৰেই নকৰে। মই এই ক্ষেত্ৰত অলপ কঠোৰ। ক্লাছনকৰিলে ডিচ্‌কলেজিয়েট কৰো। এবাৰ ডিচ্‌কলেজিয়েটৰ লিষ্টত নাম সোমালে আৰু ৰক্ষা নাই। ছাত্ৰ-ছাত্ৰীক উদ্ধাৰৰ বাবে সম্পাদক আৰু তেনেজাতীয় দুজনমান লাগি পৰে। মই সেইবোৰ পৰোৱাই নকৰো। উপস্থিতি একেবাৰে বেয়া বাবে এইবাৰো পি.জি. ফাইনেলৰ তিনিজনক ডিচ্‌কলেজিয়েট কৰা হৈছে। ৰেজিষ্টাৰ বহীত থকা লিষ্টখন চালো। চম্পক, কৰবী, আৰু নিলয়। উপস্থিতি একেবাৰেই বেয়া ইহঁতৰ। কৰবী? কৰবীতো ভাল ছোৱালী আছিল। হায়াৰ চেকেণ্ডাৰীৰ পৰাই আমাৰ কলেজত পঢ়া। চিৰিয়াছো আছিল তাই। তায়ো লিষ্টত সোমাইছে। লিষ্টখন জুনিয়েৰ কেইজনে বনায়। মই চহীহে কৰি দিওঁ। কৰবীৰ কথাটো নিশ্চিত হ'বলৈ মই ৰেজিষ্টাৰ বহীখন চালো। হয়। তাই কেবানাহো অনুপস্থিত। সম্ভৱ চাৰিমাহ মান হ'ব। ঘড়ীটোলৈ চালো। ৯-৩০। ক্লাছলৈ ওলালো। প্ৰশ্ন এটাৰ উত্তৰ লিখিবলৈ দিলো। কৰবীক অৱশ্যে মই কেবা দিনো দেখা নাই। কিন্তু কথাটো মন কৰা নাছিলো। বিভাগ আৰু কলেজৰ ইমান কামৰ মাজত কথাটো মই মন কৰা নাছিলো। ডিগ্ৰীতো কৰবীৰ ভাল ৰিজাল্টেই হৈছিল। ইউনিভাৰ্চিটীত সহজেই চিট পালেহেঁতেন যদিও ময়ে তাইক আমাৰ কলেজতে থাকিবলৈ গৈছিলো। তাই থাকিল। তাইৰ ঘৰ বাইহাটা চাৰিআলিৰ পিনে। ঘৰৰ অৱস্থা সিমান ভাল নহয়। ইয়াতে কলেজ হোষ্টেলতে থাকি পঢ়ে। দুজনমানৰ উত্তৰ লিখা হৈ গ'ল। মোক দেখুৱালে। প্ৰথমটো বহী চাই থাকোতেই বেল পৰিল। বহীটো চাই মই উঠিলো। ক্লাচৰ পৰা বিভাগলৈ আহি থাকোতে ঠিক কৰিলো— আজি ৰাতিলৈ হোষ্টেলৰ চুপাৰক ফোন কৰি তাইৰ খবৰ এটা ল'ব লাগিব। ইতিমধ্যে ফৰ্ম ফিল আপৰ তাৰিখো উকলি গৈছে। ফৰ্মবিলাক অৱশ্যে এতিয়াও ইউনিভাৰচিটিলৈ পঠোৱা হোৱা নাই। পৰহিলৈহে পঠোৱা হ'ব। মোৰ কেবিনত সোমালো। ৰেজিষ্টাৰ বহীখন তৎক্ষণে লৈ গ'ল। হাজৰিকাৰ পি. জি. ফাইনেলত ক্লাছ আছে। অক্টোবৰ মাহ। গৰম আছে। ফেনখন চলাই দিলো। ঘেৰ ঘেৰ শব্দ কৰি ফেনখন চলিবলৈ ধৰিলে। তৎক্ষণক চাহ বনাবলৈ ক'লো। চিত্ৰলেখা সোমাই আহিল। বিভাগৰ পৰা উলিয়াব লগা কিতাপখনৰ বিষয়ে আলোচনা কৰিবলৈ। চিত্ৰলেখা মোৰ সহকৰ্মী। কথাৰ মাজতে বাহিৰলৈ চকু গ'লত দেখিলো বাহিৰত কৰবী ৰৈ আছে। পিন্ধনত মেখেলা চাদৰ। কাষত এটা ডাঙৰ বেগো আছে। ঘৰৰ পৰা আহিছে বুলি অনুমান কৰিলো। কৰবীক অকণমান ৰ'বলৈ ইংগিত দি চিত্ৰলেখাক থুলমুলকৈ দুটামান দিহা দিলো। মোৰ খৰখেদা দেখি চিত্ৰলেখা উঠিল।

কৰবীক সোমাই আহিবলৈ ক'লো। অলপ খং কৰিয়েই ক'লো, "তোমাক মই চিৰিয়াছ বুলি ভাবিছিলো। কিন্তু তুমিয়েই ক্লাছ নকৰি আজি মোৰ ওচৰলৈ আহিছা। মই ডিচ্‌কলেজিয়েট ক্লিয়েৰ কৰি দিব লাগে? সেইবাবেই আহিছা? নহয়নে?" তাই কিবা এটা কবলৈ মুখ মেলিছিল যদিও মই আকৌ ক'লো, " তোমালোকে আমাক কি বুলি ভাবা? সময়ত ক্লাছনকৰিবা আৰু এতিয়া আহি ভৰিত দীঘল দি পৰিবা। নাই, নাই,। নহ'ব। মই ক্ষমা কৰিব নোৱাৰো। তোমাক ক্ষমা কৰিলে আন দুজনকো কৰিব লাগিব। এই কাম মোৰ দ্বাৰা নহ'ব। ক্লাছ নকৰা ছোৱালীৰ বাবে কোনো প্ৰশ্নৰ জবাবদিহি মই হ'ব নোৱাৰো। তুমি যাব পাৰা। তাতে আকৌ পৰহিয়েই ফৰ্ম ফিলাপৰ তাৰিখো উকলি গৈছে। তুমি যোৱাগৈ।" খঙৰ কোবত একে উশাহে কথাখিনি কৈ কৰবীৰ ফালে চালো। তাই কান্দিব ধৰিছে। ভালকৈ লক্ষ্য কৰিলো তাই কিছু খীণাইছে, অলপ ক'লা পৰিছে আৰু তাই কিচকিচিয়া ক'লা চুলিখিনিও ৰঙা হৈছে। মই তাইৰ ফালে চাই থাকিলো। কান্দি কান্দিয়েই তাই ক'বলৈ ধৰিলে, "বাইদেউ, মোৰ বিয়া হৈ গ'ল।" মই আকৌ খঙেৰে ক'লো, "তাতে কি হ'ল? কিমান ছোৱালীয়ে বিয়াৰ পিছতো পঢ়ি আছে!" তাই আকৌ কান্দিবলৈ ধৰিলে। মই তাইৰ ফালে ভালকৈ চালো। তাইৰ কপালখন উকা। পিন্ধনত বগা মেখেলা চাদৰ। মোৰ মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। কি উত্তৰ দিম মই ভাবি নাপালো। লাজত মই তলমূৰ কৰিলো।

*গল্পকাৰ, স্নাতক তৃতীয় বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰ*

উপন্যাসিকা

# জীৱনৰ সেউজীয়া বসন্তৰ গান

মিছ জয়শ্ৰী চহৰীয়া

(১)

পখীয়ে অলসভাৱে বিছনাতে শুই আছিল। তাইৰ ছাঁদত বহি আবেলিটো কটাবলৈ মন গ'ল। সেইমতেই মুখ-হাত ধুই কাপোৰযোৰ সলাই লৈ ফ্ৰেছ হৈ তাই ওপৰলৈ গ'ল। অইনদিনাৰ দৰে তাই সেই নিৰ্দিষ্ট চকীখনতে বহি সকলোফালে দৃষ্টি নিক্ষেপ কৰিলে। সঁচাকৈয়ে সিহঁতৰ ক'লনীটোৰ চাৰিওকাষৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোৰম। ক'লনীটোৰ মাজভাগতেই পখীহঁতৰ দুমহলীয়া ফ্লেটটো। বুজা হোৱাৰে পৰা পখীয়ে অকুণ্ঠচিত্তে প্ৰকৃতিকেই মনে প্ৰাণে ভাল পাই আহিছে। পখীৰ বৰ্তমানলৈ দুটাই নিচা— এটা হৈছে জগত চেতনা পাহৰি কিতাপৰ মাজত ডুব গৈ থকা আৰু অকলে অকলে নিস্তব্ধ পৰিবেশত প্ৰকৃতিৰ লগত একাত্ম হৈ পৰা। কিন্তু এতিয়া তাইক পৰিস্থিতিয়ে বাধ্য কৰাইছে কংক্ৰীটৰ আবেষ্টনীত জীয়াই থাকিবলৈ, মহানগৰীৰ ফ্লেট সংস্কৃতিৰ দৰে দুঃসহ পৰিবেশত বাস কৰিবলৈ...।

এই সুবিশাল ফ্লেটটোৰ এটা পাৰ্টৰ দুটা কোঠা লৈ পখীয়ে ভাৰাতীয়া হিচাপে থকা পাঁচবছৰ মানেই হ'ল। তাইৰ লগত থাকে মাক, কাম কৰা ছোৱালী ৰাধা। গোৱালপাৰাৰ এখন ভিতৰুৱা গাঁৱৰ পৰা তাইক লৈ আহিছিল তাইৰে সহকৰ্মী স্বপ্নীলে। স্বপ্নীল আৰু পখী অভিন্ন হৃদয়ৰ বন্ধু। পখীয়ে তাইৰ নিজৰ সকলোবোৰ কাম নিজেই কৰে যদিও জীৱনৰ প্ৰায়বোৰ ক্ষেত্ৰতে স্বপ্নীলৰ পৰা তাই বহুতো সহায় পাইছে। শিশু শ্ৰমিক হিচাপে ৰাধাক ৰখাত পখীয়ে প্ৰায়েই অপৰাধবোধত ভোগে যদিও কাম কৰা ছোৱালী এজনী নহ'লে তাইৰ নচলে বাবেই ৰাধাক লগত ৰাখিছে। অৱশ্যে তাই সময় পালেই ৰাধাক কিবাকিবি অলপ লিখা-পঢ়া শিকায়। নিজৰ ঘৰত থাকোতে স্কুললৈ গৈ নোপোৱা ৰাধাই এতিয়া ভালদৰেই অসমীয়া আখৰ লিখিবলৈ আৰু জোঁটাই জোঁটাই পঢ়িব পাৰে। পাঁচটা ল'ৰা ছোৱালী আৰু দিন হাজিৰা কৰি চলা মাক-বাপেকৰ অভাৱগ্ৰস্ত পৰিয়ালটোৰ পৰা ডাঙৰ ছোৱালী ৰাধা আহি পখীৰ লগত থকাত পৰিয়ালটোৱে অৱশ্যে কিছু সকাহ পাইছে। ... হঠাতে তাইৰ মনত পৰিল আজি সন্ধ্যা স্বপ্নীল তাইৰ ওচৰলৈ অহাৰ কথা। তেতিয়াহে তাই গম পালে আন্ধাৰ কেতিয়াবাই হ'ল।

স্বপ্নীল তাৰমানে নাহিল, কিন্তু অহাটোতো চিঅ'ৰ আছিল। ইচ ৰাধায়ো তাইক ইমানপৰে মতা নাই। অৱশ্যে পখীয়ে এনেদৰে ভাবুক হৈ বহি থাকিলে তাই ডিষ্টাৰ্ব পাব বুলিয়েই নেকি তাইৰ কাষলৈ নাহে। ছাঁদৰ পৰা নামি অহাৰ লগে লগে ৰাধা আহি ক'লে যে পখীৰ ফোন আহিছে। পখীয়ে ৰিচিভাৰটো ডাঙি লোৱাৰ লগে লগে সিফালৰ পৰা ভাঁহি আহিল স্বপ্নীলৰ মাত— 'হেল্ল' মই স্বপ্নীলে কৈছো... পখী, আজি তোৰ তাত মই যাব নোৱাৰিম, যাব ওলাওতেই মোৰ কলিগ এজন আহি পালে। সেয়ে আজি তাৰ লগত ব্যস্ত থাকিবলগীয়া হ'ল। তই আকৌ বেয়া নাপাবি। অহাকালিওতো অফিচ বন্ধ। অহাকালি মোৰ কলিগজনক তোৰ তালৈ লৈ গৈ আছো, হ'ব?

ঠিক আছে?

অ'কে ... গুড নাইট।

তাইক আৰু একো কোৱাৰ চান্স নিদি স্বপ্নীলে ফোন থৈ দিলে।

পখীৰ বেয়া নালাগিল। তাইৰ আজি মুড একেবাৰে 'অফ্' হৈ আছিল। স্বপ্নীল আহিলেও সি জোৰ কৰিহে তাইৰ মুখৰ মাত উলিয়াব লগা হ'লহেঁতেন।

অলপ পিছতে ভাত-পানী খাই অ' হেনৰীৰ কিতাপ এখন লৈ বিচনাত উঠিল যদিও তাইৰ ভাল নলগাত চি. ডি. প্লেয়াৰটোৰ কাষ পালেগৈ। স্বপ্নীলে নতুনকৈ অনা চি. ডি.



কেন্দ্ৰে এখন তাইক চাবলৈ দিছিল যদিও তাইৰহে চোৱা হোৱা নাছিল। গতিকে আজি সেইখনকে চাব বুলি দৃঢ় প্ৰতিজ্ঞ হৈ ভিভানখনতে আৰামকৈ বহি ল'লে তাই।

(২)

পিছদিনা আবেলি। বতৰটো ভাৰৰীয়া হৈ আছিল। এনেকুৱা বতৰত পখীৰ মনটো বৰ উৰুঙা উৰুঙা লাগে। অতীতলৈ উভতি যাবলৈ মন যায়, নষ্টালজিয়াই অগা-দেৱা কৰিবলৈ ধৰে মনৰ কেনভাছত। কিন্তু তাই জোৰকৈ অতীতক মনত নেপেলাবৰ বাবেই কিতাপ এখন মেলি ল'লে। তেনেতে কলিংবেলটো বাজি উঠিল, ইফালে তাইৰ কোনো কাণসাৰেই নাই, গতিকে ৰাধায়েই দুৱাৰ খুলি দিলে। ৰাধাই পখীক ক'লেহি- বাইদেউ স্বপ্নীলদাদা আৰু কোনোবা এজন আহিছে, মই ড্ৰয়িং ৰুমতে বহুৱাই থৈ আহিছে।

পখী ল'ৰালৰিকৈ ৰুমটোলৈ সোমাই আহিল। কিন্তু... তাইৰ বাবে যেন এটা 'চাৰপ্ৰাইজ' অপেক্ষা কৰি আছিল। মেগাজিনৰ পাত লুটিয়াই থকা, নিয়মীয়া ওখ, ৰঙা চুলিৰ ল'ৰাজনক দেখি তাইৰ মুখৰ পৰা ওলাই আহিল ... ... ঋষভ! ... তুমি!! মেগাজিনৰ পাতৰ পৰা মূৰ তুলি ঋষভে সেই অতি পৰিচিত মোহনীয়া হাঁহিটো মাৰি ক'লে— চিনি পাইছা তেনেহ'লে! ... মই আক' চিনাকি দিব লাগিব বুলি মনে-মনে প্ৰস্তুত হৈ আহিছিলো।

পখীয়ে কৃত্ৰিম খঙেৰে স্বপ্নীলৰ ফালে চালে, লগে লগে সি কৈ উঠিল — 'এ গ্ৰেট চাৰপাইজ টু ইউ।' ঋষভে এইবাৰ পোনপটীয়াকৈ তাইৰ ফালে চাই ক'লে— ভালে আছে?

কথাৰ মাজতে পখীয়ে মন কৰি থাকিল— ঋষভ আগতকৈও বেছি ধুনীয়া হৈছে, গহীন হৈছে। অৱশ্যে সি যেন আগৰদৰে মুকলিভাৱে হাঁহিব পৰা নাই, হাঁহিছে কিন্তু সেই হাঁহিৰ মাজতো 'গভীৰতা' আছে। ইতিমধ্যে সিহঁত তিনিওৰে চাহ খাই উঠিল।

প্ৰায় আঠমান বজাত স্বপ্নীলে ক'লে— আমি এতিয়া উঠো নেকি ঋষভ!

পখীয়ে আচৰিত হৈ ক'লে— কি কৈছা নীল? আজি ইয়াতে ভাত খাই যাবাগৈ। বেছি সময় নাই, ভাত হ'বই এতিয়া মই বাঢ়োগৈ।

স্বপ্নীলে জোকাবলৈ নাপাহৰিলে ঃ বাঃ মই ভাত বাঢ়োগৈ! ঋষভক আজি নিজে বনাই খুৱাব নোৱাৰিলি, বনালে কোনোবাই আৰু এতিয়া ক'ব আহিছে—

পখীয়ে হাঁহি ক'লে সচাঁকৈ, তুমি আজি বৰ বেছি কৰিছা কিন্তু।

অলপ পিছতে পখীয়ে দুয়োকে ডাইনিং টেবুললৈ মাতি লৈ গ'ল। নানা ধৰণৰ ব্যঞ্জনেৰে ডাইনিং টেবুলখন ঠাঁহ খাই পৰিছিল। এক অপূৰ্ব গোন্ধে আমোলমোলাইছিল কোঠাটো — স্বপ্নীলে নোকোৱাকৈ থাকিব নোৱাৰিলে বাহ! পখী, আজি পিঠিত ভুকুৱাই থাকিলেও নুঠিম কিন্তু। পিছে হজমোলা আনি থৈছ নে নাই?

পখীয়ে কৃত্ৰিম খঙেৰে তালৈ চালে মাথোন। ভাত খাই থাকোতে বিশেষ কথা নাপাতিলে পখী আৰু ঋষভে। স্বপ্নীলেই কিবাকিবি কৈ থাকিল। ভাত খোৱাৰ পিছত কিছু ৰেষ্ট লৈ ঋষভহঁত যাবলৈ ওলাল।

স্বপ্নীলে বাথৰুমলৈ যাওঁ বুলি সিহঁতক কথা পতাৰ সুবিধাটো কৰি দিলে। বহু পৰ দুয়ো নীৰৱে ৰ'ল। শেষত ঋষভেই মুখ খুলিলে—

ঃ পখী, তোমাৰ এই সাহসী জীৱনক মই সন্মান জনাইছো। তথাপি, তথাপি তুমি সদায় এনেকৈয়ে থাকিবানে?

ঃ সেইবাবেই মই এসময়ত তোমাক এই প্ৰশ্নটো কৰিছিলো। কিন্তু তুমি তেতিয়া মোৰ অনুভূতিক, মোৰ প্ৰয়োজনীয়তাক একেবাৰে অগ্ৰাহ্য কৰিলা।...

ঃ আহ্,! পখী, তেনেকৈ নক'বা, মোৰ কোনো উপায় নাছিল তেতিয়া।

ঃ সেইবোৰ মোক এতিয়া নুশুনাবা ঋষভ।



ঃ পখী, মই এটাই কথা কওঁ— মোৰ এতিয়া পদে পদে মৃত্যু ভয়। মোৰ কথা বাদ দিয়া। তুমি তোমাৰ বিয়াৰ কথা ভাবা... যদি পাৰা স্বপ্নীলৰ সতে...

ঃ চাট্ আপ, ঋষভ।

খঙত তাইৰ সৰ্বশৰীৰ কপি উঠিল।

ঃ তোমাৰ কথাৰ মূল্য নাথাকিব পাৰে, কিন্তু মোৰ আছে। মোৰ এটাই কথা— ঋষভ বৰুৱাৰ বাহিৰে অইন কাৰোবাৰ কথা মই ভাবিব নোৱাৰো। প্লীজ, মোক এনেকৈয়ে থাকিব দিয়া ঋষভ...।

পখীৰ চকুলো বৈ আহিল। ঋষভ আগুৱাই আহি তাইৰ চকুপানী মচি দিলে। পখীয়ে এইবাৰ সশব্দে উচুপি উঠিল।

ঃ প্লীজ পখী, নাকান্দিবা। মই তোমাৰ চকুপানী চাব নোখোজো। অহাকালিতো তোমাৰ অফিচ আছে! অফিচৰ পৰা বাহিৰে বাহিৰে নীলৰ তাত যাবা। তাত মই তোমাক লগ কৰিম। মোৰ শেষ সিদ্ধান্ত তাতে জনাম। হ'ব?

এনেতে দুৱাৰ মুখত স্বপ্নীলৰ অনাৱশ্যক গলখেকাৰিৰ শব্দ শুনি সিহঁত দুয়ো সংযত হৈ উঠিল।

ঃ তহঁতৰ আলোচনা হ'লনে ঋষভ? ব'ল এতিয়া।

পখীক 'শুভৰাত্ৰি' জনাই দুয়ো বন্ধু গ'লগৈ। পখীয়ে সেই ঠাইতে নিশ্চল হৈ বহি থাকিল। কিছু পৰৰ পিছত ৰাধাই মাতিলেগৈ — নোশোৱে বাইদেউ? মই শোগৈনে?

পখীয়ে ক'লে অপ্ৰকৃতিস্থভাৱে— অ' এতিয়া শুব লাগে। তই শোগৈ যা।

ৰাধা শুলেগৈ। পখী কিন্তু শুবলৈ নগ'ল। তাই চাদলৈ উঠি গ'ল। তাইৰ মনটো বৰ কেনেবা কেনেবা লাগিল। পখীৰ চকু সন্মুখৰ ফ্লেটটোলৈ গ'ল। খোলা খিৰিকী এখনৰ সন্মুখত বহি এজনী ছোৱালীয়ে পঢ়ি আছে। কেইটা বাজিল বাৰু এতিয়া? এবাৰ??... পখীৰ মনত পৰিল আগতে তায়ো এনেদৰে বহুৰাতিলৈ পঢ়ি আছিল।

দেউতাকেতো কেতিয়াবা উঠি আহি লাইট অফ্ কৰি দি জোৰকৈ শুৱাই দিছিল তাইক। তাইৰ ক্ষেত্ৰত কিমান যে সচেতন আছিল তাইৰ দেউতাক। পখীৰ মাক নাই। দেউতাক, ভায়েক মানস আৰু পখী — সেইয়াই আছিল পখীহঁতৰ সৰু পৰিয়াল। পখীৰ সাত বছৰ বয়সতে মাক ঢুকাইছিল, দেউতাকে পিছত সিহঁতৰ কষ্ট হ'ব বুলিয়েই দ্বিতীয় বিবাহ নকৰিলে। দেউতাকৰ মৰমৰ মাজতে পখী আৰু মানসে বিচাৰি পাইছিল মাকৰ মৰম। সেই দেউতাকেই পিছত...।

পখীৰ চকু পুনৰ সেই পঢ়ি থকা ছোৱালীজনীৰ ওপৰত নিবদ্ধ হ'ল। এনেদৰে ... বহুনিশালৈ অফলশৰে ... এজনী ছোৱালীয়ে খোলা খিৰিকিৰ কাষত পঢ়ি আছে। তাইৰ মনটো অজানিতে ভাল লাগিল। ওচৰৰ প্ৰায়বোৰ ঘৰতে লাইট অফ্, মানে শুইছে। হওক তেওঁ, অকল তায়েই নোশোৱাকৈ থকা নাই। সেই ছোৱালীজনীও আছে।

(৩)



পখীৰ দেউতাকলৈ মনত পৰিল খুব। যিজন মানুহৰ অন্তৰত ইমান মৰম, আদৰ, স্নেহ, অথচ সেইজন মানুহৰ এটা মাত্ৰ কথাত কি অদ্ভুত খং! পখীৰ জীৱনৰ সমস্ত ইচ্ছা, আগ্ৰহ, সিদ্ধান্ত তেওঁ খুব মৰমেৰেই পূৰণ কৰিছিল, মানি লৈছিল। পখীয়েও সকলোবোৰ পৰীক্ষাতে ভাল ৰিজাল্ট কৰি দেউতাকক সুখী কৰিছিল। কিন্তু পখীৰ জীৱনৰ আটাইতকৈ চূড়ান্ত সিদ্ধান্তটোতেই দেউতাকে ভীষণ প্ৰতিবাদ কৰিছিল আৰু কি খং দেউতাকৰ... যেন একুৰা জুই ...!

আৰু পখী, ... তাই নিজেওতো কম নহয়; যিজন মানুহৰ মৰমত, যিজন মানুহৰ ছত্ৰছায়াত থাকিয়ে তাই ডাঙৰ হ'ল আৰু আত্মপ্ৰতিষ্ঠা লাভ কৰিলে, এটা মাত্ৰ কথাতেই মতবিৰোধ হৈ তাই ওলাই আহিল সেইখন ঘৰৰ পৰা, দেউতাকৰ ঘৰৰ পৰা ... সিখন ঘৰৰ বাবেই তাই 'পখী দুৱৰা' হ বলৈ পালে! ... এতিয়া তাই প্ৰায়েই প্ৰচণ্ড অপৰাধবোধত ভূগে ... কিন্তু তাই সম্পূৰ্ণ 'ডিলেমা' অৱস্থাত আছে ... কি বুলি যাব তাই, কি ক'ব দেউতাকক... নিজৰ মতটোৱেই বা কেনেকৈ এৰি দিব তাই? পাৰিবনে, পাৰিবনে তাই ঋষভক ত্যাগ কৰিবলৈ?? .. আঃ ঋষভৰ কথা মনলৈ আহিলেই

কি এক নির্মল আনন্দই তাইৰ হৃদয়খন স্পৰ্শ কৰি যায়। সেই ঋষভক তাই কোনোমতেই ত্যাগ কৰিব নোৱাৰে, পাহৰিব নোৱাৰে, নোৱাৰে তাক এৰি আন এজনক আপোন কৰি ল'বলৈ, দৰকাৰ হ'লে চিৰজীৱন এনেদৰেই কটাই দিব তাই...।

(৪)

পখীয়ে হায়াৰ চেকেণ্ডাৰীত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত এড্‌মিশ্যন লৈছিল। স্বপ্নীল আৰু তাই আগৰ পৰাই বন্ধু। সিহঁত দুয়োয়ে একেলগে ক্লাছ কৰে। টিউশ্যন কৰে। ফুৰিবলৈ যায় আৰু মাজে সময়ে ডিষ্ট্ৰিক্ট লাইব্ৰেৰীলৈ গৈ দুয়ো সন্মুখা-সন্মুখিকৈ বহি লৈ দুখন কিতাপৰ মাজত ডুব গৈ আছিল। এনেতে কোনোবা এজন আহি স্বপ্নীলৰ লগত কিবা কথা পাতি থকা তাই গম পাইছিল যদিও তাই সেইফালে চোৱা নাছিল। স্বপ্নীলে তাইক ল'ৰাটোৰ লগত চিনাকি কৰাই দিছিল ঋষভ বৰুৱা, স্বপ্নীলহঁতৰ ঘৰৰ ওচৰৰ, তাৰ বাল্যবন্ধু আৰু সৰুতে একেলগে পঢ়া বন্ধু। সিহঁত তিনিওৰে গৈ ওচৰৰ সৰু ৰেষ্টুৰেন্ট এখনত চাহ খাইছিল একেলগে। পখীৰ ভাল লাগিছিল ল'ৰাজনক। অমায়িক, শান্ত, নিৰ্জু, অতিশয় ভদ্ৰ ল'ৰা ঋষভ! তাইৰ লগত কথা পাতোতে প্ৰতিটো কথাই জুখি মাখি কৈছিল সি। অৱশ্যে সি নীলৰ দৰে সাজ পোছাক আদিৰ প্ৰতি সচেতন নহয় যেন লাগিছিল। ৰঙা ছুলিবোৰ জপৰা - জপৰি, পিন্ধনত এটা বগা ৰঙৰ টি চাৰ্ট, আৰু কলা পেন্ট— সেই সাধাৰণ বেশতে এক অভিনৱ ব্যক্তিত্ব ফুটি উঠিছিল। ঋষভক এজন অন্তৰ্মুখী ব্যক্তিত্বৰ ল'ৰা বুলি পখীয়ে অনুমান কৰিছিল আৰু পিছত তাইৰ অনুমানেই সঁচা বুলি গম পাইছিল। কটন কলেজত ইংৰাজীত 'মেজৰ' লৈ পঢ়ি থকা ঋষভক পখীয়ে মনে মনে 'বন্ধু' হিচাপে গ্ৰহণ কৰিছিল প্ৰথম দিনৰ চিনাকিতে। লাহে লাহে সিহঁতৰ বন্ধুত্বই প্ৰগাঢ় ৰূপত পৰিণত হৈছিল। তাৰপিছত প্ৰায়েই পখীয়ে তাক লগ পাইছিল— কেতিয়াবা লাইব্ৰেৰীত আৰু বেছিভাগ নীলৰ লগত। লাহে লাহে নীল নহ'লেও সিহঁত দুয়ো লগ হৈ ফুৰিছিল। কেতিয়াবা লাইব্ৰেৰী, কেতিয়াবা উমানন্দ, কেতিয়াবা কলাক্ষেত্ৰ... ইত্যাদি বিভিন্ন ঠাইলৈ ঋষভ আৰু পখী একেলগে ফুৰিবলৈ গৈছিল। লাহে লাহে 'বন্ধুত্ব'ৰ উপৰিও সিহঁতৰ মনত পৰস্পৰৰ প্ৰতি কিছুমান অইন অনুভূতিৰ সৃষ্টি হৈছিল। আচলতে দুয়োৰে জীৱনৰ আদৰ্শ, ধ্যান-ধাৰণা আদিৰ অদ্ভুত সামঞ্জস্য বিচাৰি পোৱাৰ বাবেই সিহঁত দুয়োয়ে পৰস্পৰৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। সঁচাকৈয়ে সিহঁতৰ পৰস্পৰৰ প্ৰতি আকৰ্ষণ, প্ৰেম, শ্ৰদ্ধা অটাইবোৰ আছিল। অৱশ্যে একে মতাদৰ্শত বিশ্বাসী হ'লেও দুয়োৰে মাজত শীতল তৰ্কযুদ্ধও নলগা নহয়। প্ৰতিদিনেই একোখন শীতল তৰ্কযুদ্ধত লিপ্ত হৈ, এজনেও পৰাজয় স্বীকাৰ নকৰিলে, শেষত আকৌ সহমিলিত হৈ পৰাটোও আছিল সিহঁত দুয়োৰে বাবে এক আমোদ'ৰ খেল। অৱশ্যে তাই জানিছিল— ঋষভৰ বহেমিয়ান লাইফষ্টাইলৰ বাবে তাৰ মনত অজানিত ভাবেই এক অহংবোধে থিতাপি লৈছিল, যাৰ বাবে তাই মাজে মাজে হতাশাত নোভোগাকৈ থকা নাছিল। তথাপি গভীৰ জীৱনবোধ সম্পৰ্কে থকা তাৰ অনুভূতিশীল মনটোত তাই কোনোধৰণৰ আঘাত দিয়া নাছিল। ঋষভে পখীক কৈছিল— সি সদায় জীৱনত বাস্তৱৰহে গান গাই যাব, কল্পনাৰ নহয়। সেউজীয়া ৰং ভালপোৱা সিহঁত দুয়োৰে জীৱনৰ আদৰ্শও আছিল সেউজীয়া... একোজন ভাল মানুহ হোৱা,... পৰিপূৰ্ণভাৱে জীয়াই থাকিবলৈ শিকা...।

কিন্তু ... বাস্তৱত জানো প্ৰকৃততে সেয়া হ'বলৈ পালে? পখীয়ে গভীৰ দুখত ভোগে ... সাংঘাতিক ব্ৰিলিয়েন্ট ল'ৰা ঋষভৰ পি. জি. ত 'নৰ্মছ' ৰাখিও ক'তো এটা সংস্থাপন নহ'ল...। ইউনিভাৰছিটিৰ সেই অমূল্য দিনবোৰত ঋষভে তাৰ লগবোৰৰ দৰে নোৱাৰিলে জীৱনৰ বিভিন্ন দিশত ব্যক্তিত্ব বিকাশ কৰিবলৈ, তাৰ পৰিৱৰ্তে সি কেৱল অধ্যয়নতে আটাইবোৰ মূল্য জাপি দিলে, নোৱাৰিলে সি ৰাজনীতিৰ মেৰপাকত নিজকে অন্তৰ্ভুক্ত কৰিবলৈ। অৱশ্যে সাহিত্যৰ কথা সুকীয়া, অইন নহ'লেও সি কেতিয়াবা দিনৰ দিনটো ৰুমটোতে সোমাই কিবাকিবি লিখিছিল।



তাৰ প্ৰতিটো লিখনিৰ, প্ৰতিটো পাণ্ডুলিপিৰ প্ৰথম পঢ়ুৱৈ আছিল পখী, আনহতে পখীৰো পাণ্ডুলিপিৰ প্ৰথম পঢ়ুৱৈ আৰু সমালোচক আছিল ঋষভেই।... ক্ৰমান্বয়ে যেন ঋষভ আগতকৈও বেছি অন্তৰ্মুখী হৈ পৰিছিল, ক্ৰমান্বয়ে ঋষভ জটিলৰ পৰা জটিলতাৰ পৰ্য্যায়লৈ নিৰ্বাসিত হৈছিল তেতিয়া, যেতিয়া পখী আৰু স্বপ্নীলে সহজেই 'অসম ইনষ্টিটিউট অব্‌ মেনেজমেন্ট এণ্ড একাউনটেন্সি'ৰ পৰা পাছ কৰি চান্দমাৰীস্থ একাউনটেন্সি ইনষ্টিটিউটত চাকৰি পাইছিল...। পখী আৰু স্বপ্নীলে প্ৰায়েই সহায় কৰিছিল ঋষভক সেই সময়ত... ঘৰত তাৰ বিধৱা মাক, একমাত্ৰ ভায়েকে কঠোৰ সংগ্ৰাম কৰি কৰি তাক পঢ়ুৱাওঁতে সৰ্বস্ব হেৰুৱাই নিঃস্ব হৈ পৰিছিল। এসময়ত সি বলীয়াৰ দৰে হৈ পৰিছিল ঘৰখনৰ নিঃস্ব অৱস্থা দেখি। পখী আৰু স্বপ্নীলে তাক কেৱল বুজাইছিল ভাগি নপৰিবৰ বাবে। বাৰে বাৰে কৈছিল তাক চেষ্টা কৰি চাবৰ বাবে, সিহঁতে যিমান পাৰে সহায় কৰি দিব...। কিন্তু পৰিবেশত, পখীহঁত হাৰি গৈছিল। যুক্তিবাদী ল'ৰাজনে শেষত যুক্তিৰ বাহিৰত সিদ্ধান্ত লৈ পেলাইছিল। মাক আৰু ভায়েকক ভাগ্যৰ লগত, বাস্তৱৰ লগত যুঁজ কৰিবলৈ এৰি দি নিষিদ্ধ সংগঠন এটাত ভৰ্ত্তি হৈছিলগৈ ঋষভ, ... পখীয়ে চাৰিওফালে ধুৱলি কুঁৱলী দেখিছিল... সেইসময়ত তাইৰ কাষত সহযাত্ৰী হিচাপে ঠিয় হৈছিলগৈ মায়ো নীল ... নীলে বুজাইছিল তাইক হতাশ নহ'বলৈ, ... এদিন নহয় এদিন ঋষভ পুনৰ ঘূৰি আহিব তাইৰ কাষলৈ...। ইফালে পখীৰ দেউতাকে ঘৰত বিয়াৰ আয়োজন চলাইছিল ... পখীয়ে ঋষভক সিহঁতৰ ঘৰলৈ নি দেউতাকৰ লগত চিনাকি কৰাই দিছিলগৈ। দেউতাকে পিছত তাইক কৈছিল তাইৰ পছন্দমতেই তেওঁ সিহঁত দুয়োৰে বিয়াখন পাতি দিব। ঋষভক আচলতে ভালেই পাইছিল দেউতাকে হ্যাগৈ', কিন্তু দেউতাকে সিদ্ধান্ত লোৱাৰ পিছত সেই সিদ্ধান্তৰ কথা পখীয়ে ঋষভক জনাবলৈ নাপাওঁতেই ঋষভে সংগঠনত যোগ দিছিলগৈ। পখীয়ে ভাবি পাৰ পোৱা নাছিল... তাইৰ চাকৰিটোৱে ঋষভক কিয় সন্তুষ্ট কৰিব নোৱাৰিলে...। দুয়োৱে স্বচ্ছলতাৰেতো চলিব পাৰিলেহেঁতেন কিন্তু বোধহয় তাৰ আত্মসন্মানত আঘাত পৰে বুলি সেই নতুবা স্বাধীন হ'ব বিচৰাৰ বাবেই সি গুচি গ'ল তেনেদৰে। মাজতে নীলৰ হাতত এখন চিঠিও পঠাইছিল সি তাইলৈ— লিখিছিল তাত— পখী অইনৰ লগত বিয়া হৈ যাব লাগে! তাত 'অইন'ৰ নামটো 'স্বপ্নীল' বুলি লিখিছিল। পখীয়ে হতবম্ব হৈ ক্ষোভ আৰু দুখত চিঠিখন ফালি পেলাইছিল... তাই ৰুমটোত সোমাই বস্তুবোৰ লণ্ড-ভণ্ড কৰি শেষত কেৱল কান্দিছিল আৰু কান্দিছিল। বাস্তৱতাৰ গান গাই যাব খোজা ল'ৰাজনে শেষত কিয় বাস্তৱৰপৰা, জীৱনৰ পৰা পলায়ন কৰিলে?... কিয়?? এক ডাঙৰ প্ৰশ্নবোধক ৰৈ গৈছিল তাইৰ সন্মুখত। দেউতাকে পখীৰ অৱস্থা দেখি ঋষভৰ প্ৰতি বিৰূপ হৈ পৰিছিল আৰু অইন ল'ৰা এজনৰ লগত বিয়াৰ ঠিক কৰিছিল... কিন্তু পখীয়ে, তাই নিজস্ব সিদ্ধান্ত গ্ৰহণ কৰিলে। তাই ঋষভক বুজাই দিব তাই তাৰ দৰে ভীৰু নহয়, জীৱনৰ বাস্তৱতাৰ পৰা অন্ততঃ তাই পলায়ন নকৰে, তাই যুঁজিব, তাই বাস্তৱৰ কঠোৰ হাতোৰাত নিজকে সাহসেৰে সমৰ্পন কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল। অৱশ্যে সেই সিদ্ধান্ত লোৱাত তাইক সহায় কৰিলে স্বপ্নীলে।... অতি মৰমৰ ঘৰখন, দেউতাকক, আৰু মৰমৰ ভায়েকক এৰি তাই গুচি আহিল ইয়ালৈ, এক প্ৰত্যাহ্বান জনাই...। তাইৰ পিছত, তাইৰ সাহসত দেউতাকে তলমূৰ কৰি ৰ'ল। 'জীৱনটো কেৱল দুখৰ কেটালগ, নোপোৱাৰ 'এনচাইক্ল পেডিয়া' বুলিয়েই গ্ৰহণ কৰি তাই সাজু হৈছিল এক কঠোৰ জীৱন কটাবৰ বাবে...।



মাজতে এদিন পখীয়ে গম পালে — ঋষভে চৰকাৰৰ ওচৰত আত্মসমৰ্পন কৰিলে— কিবা কাৰণত সিহঁতৰ সংগঠনটো ভাঙি গৈছিল...। খবৰটো দিবলৈ স্বপ্নীল তাইৰ ওচৰলৈ আহোতে সি হয়তো ভাবিছিল কিছুপৰিমানে সেই দিনটো সিহঁতে আনন্দেৰে উপভোগ কৰিব, কিন্তু পখীক বাকৰুদ্ধ দেখি স্বপ্নীলৰো মুখৰ মাত নাইকিয়া হৈ গ'ল...।

(৫)

... আৰু আজি! তাই প্ৰথমে অপ্ৰস্তুত হৈ পৰিছিল ঋষভক দেখি। যদিও তাই জানিছিলেই ঋষভে যিকোনো এদিন তাইক লগ কৰিবলৈ আহিবই। তথাপি তাইৰ চকুলৈ পানী আহো আহো

কৰিছিল ; তাই জোৰকৈ নিজকে সহজ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল তাৰ সন্মুখত। আচলতে তাই তাক বুজাই দিব খুজিছিল— "চোৱা তোমাৰ অবৰ্তমানতো মই ভালদৰেই চলি আছো, মোক কোনো সংগীৰ প্ৰয়োজন নাই, মই অন্ততঃ তোমাৰ দৰে ভীৰু নহয়, তোমাৰ অবৰ্তমানতেই মই কিদৰে সহজভাৱে জীয়াই থাকিবলৈ শিকিছো...। "কিন্তু শেষ মূহূৰ্তত পুনৰ তাই আবেগিক হৈ তাক আশ্ৰয় কৰি তাৰ সন্মুখতে তাই কান্দি দিলে। তাই ভাবি নাপায়, কিয় ইমান সাংঘাতিকভাৱে ইম' ছনেল তাই, অইন বহু ক্ষেত্ৰত বহু ছোৱালীতকৈ বেছ কিছু সাহসী হৈও এইটো ক্ষেত্ৰত প্ৰায়েই তাই হতাশাতভোগে।... তাই মানে তাই আজিও সেই একেই গভীৰতাৰে, নিঃস্বাৰ্থভাৱে ঋষভকে ভাল পাই নেকি? তাইৰ বিবেকে লগে লগেই সমিধান দিলে— ঠিকেই, তাই মাথো ঋষভকেই ভাল পায় আজিও, সেই আগৰ দৰেই... অকনো কৃত্ৰিমতা নাই তাইৰ এই পৱিত্ৰ ভালপোৱাত! কাইলৈ ঋষভে তাইক আক' যা কি সিদ্ধান্ত জনায়? বিয়েই নহওক, তাইতো আগতেই সিদ্ধান্ত লৈ লৈছে। ... বৰ্তমানলৈ পখী উভতি আহিল। চকুযুৰিয়ে বৰকৈ ডিষ্টাৰ্ব কৰিছে। এৰা, তাই— বহুসময় ধৰি কান্দিয়েই আছে, ওখহি উঠিছে চকুযোৰ। পঢ়ি থকা ছোৱালীজনীৰ খিৰিকীখনলৈ চকু গ'ল— নাই বন্ধ কৰিছে, শুলে ছাগে কেতিয়াবাই। ৰাতিপুৱা হ'বলৈ মাথো দুই- তিনি ঘন্টামানহে বাকী আছে চাগে'। এইবাৰ নিশ্চয় তাইৰ টোপনি আহিব। পখী নামি আহিল চাদৰ পৰা শুবলৈ। ....

(৬)

পুৱা শুই উঠোতে দেৰি হ'ল পখীৰ। ততাতৈয়াকৈ অফিচলৈ গ'ল তাই আৰু অফিচৰ পৰা বাহিৰে বাহিৰে নীলৰ ঘৰ পালেকৈ। তাত গৈ দেখিলে ঋষভ - নীল দুয়ো কিচেনৰুমত, বৰ উৎসাহেৰে কিবাকিবি ৰান্ধি আছে নীলে। পখীক দেখিয়েই সি চিঞৰি উঠিল।— 'ৱেলকাম টু পখী দুৱৰা'। পখীয়ে একো নকৈ হাঁহিলে মাথোন। ঋষভক তাতে এৰি থৈ নীলে পখীক ড্ৰয়িং ৰুমলৈ প্ৰায় টানি অনাৰ দৰে লৈ আহিল- আৰু বাৰে বাৰে 'কংগ্ৰেচুলেচন' দিবলৈ ধৰিলে। পখীয়ে আচৰিত হৈ সুধিলে আৰে, কি হ'ল তোমাৰ? কিহৰ বাবে কংগ্ৰেচুলেচন?

স্বপ্নীলে তাইক ধমকি দিয়াৰ সুৰত ক'লে চুপ! মোৰ আগত আঁজলী হৈ নেদেখুৱাবি।

অলপ পিছতে কিচেনৰ কাম সমাধা কৰি ঋষভো পখীৰ ওচৰলৈ আহিল এযোৰ নতুন কুৰ্ত্তা পায়জামা পৰিধান কৰি। পখী আচৰিত হৈ গ'ল ... কি হৈছে এইবিলাক! নীলে ক'লে উঠ্ উঠ্ — এনেকৈ হাঁ কৈ মুখ মেলি বহি থাকিলে নহ'ব আজি খানা এটা খাম, ঋষভে খুৱাব ইতিমধ্যে সেইবোৰ বন্ধা হ'লেই, এতিয়া মাথো ঠাইখন চিলেকচন কৰি গাড়ীত বস্তুবোৰ লৈ গৈ খোৱাহে কথা...। জনসমাগমৰ পৰা সম্পূৰ্ণ আঁতৰত, আমি তিনিও আজি গোটেই দিনটো উপভোগ কৰিম এটি সুন্দৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ পৰিবেশত।

পখীয়ে কিছু খঙেৰেই ক'লে — তোমাৰ এই কবিতা কবিতা লগা কথাবোৰ সামৰা, আগতে কোৱা মোক বাৰু কিয় এই বিষয়ে অলপো নজনালা?

নীলে বেঁকাকৈ হাঁহি মাৰি ক'লে— আস! মইতো কওঁৱেই.. পিছে এই প্ৰভুৰ কৃপাতেহে ব'ত বি...।

তাৰ পিছতেই সিহঁত তিনিওৱে লৰি ঢাপৰি বস্তুবোৰ নীলৰ গাড়ীখনত উঠালে আৰু সোনকালেই সিহঁতৰ গাড়ীখন এখন নিৰ্দিষ্ট ঠাইলৈ আগবাঢ়িল। নীলে ড্ৰাইভ কৰিলে, পখী আৰু ঋষভ প্ৰায় মনে মনেই বহি গ'ল। পখীৰ বাবে কিন্তু তেতিয়াও এক 'বিস্ময়' সেই ঠাইখনত ৰৈ আছিল। তাত ঋষভে পখীক স্বপ্নীলৰ সন্মুখত, তাকে সাক্ষী কৰি সেউজীয়া প্ৰকৃতিৰ মাজত বিয়া কৰালে, আহোতে ঋষভে ফুলৰ মালা দুডাল আৰু সেন্দুৰৰ টেমা এটাও লৈ আহিছিল ... পখী যথেষ্ট আবেগিক হৈ পৰিছিল ঋষভৰ সেইজীয়া মনটোৰ কথা তাই সেই মূহুৰ্তত প্ৰৱলভাৱে অনুভৱ কৰিছিল ঠিকেই, তাৰ হৃদয়খন আজি সেই একেদৰে সেউজীয়া হৈ আছে, তাক নালাগে অযথা হৈ চৈ। সামাজিকভাৱে অথবা কৰ্ট বা কোনো মন্দিৰত বিয়া নহৈ এই সেউজ প্ৰকৃতিৰ মাজত বিয়া হ'বলৈ আহিছে। সিহঁতৰ জীৱনৰ আটাইতকৈ চিৰস্মৰণীয়, সুন্দৰ দিনটোৰ সাক্ষী হৈ



ৰ'ল নীলৰ বাহিৰেও চাৰিওফালৰ গছ-গছনি, ধীৰ প্ৰৱাহিত জুৰিটো, তাৰ ওপৰত থকা শিলবোৰ, আৰু চৰাই চিৰিকতিবোৰ...। পখীৰ হৃদয়ৰ কোনোবা এঠাইত টনটনাই উঠিল— তাই জীৱনত কি যে এক অমূল্য ৰত্ন পাই গৈছে, এই ৰত্নক আৰু তাই কোনোদিন, কেতিয়াও হেৰাই যাবলৈ নিদিয়ে। নীলৰ কেমেৰাৰ স্নেপত আবদ্ধ হৈ হ'ল সিহঁত দুয়োৰে জীৱনৰ পৱিত্ৰ দিনটোৰ স্মৃতি...।

(৭)

সেই বিশেষ পৰ্বটো হৈ যোৱাৰ পিছত ঋৰভে পখীক ওচৰতে বহুৱাই লৈ বহুত কথা কৈছিল, বহুত বুজাইছিল, এই কথাও বুজাইছিল, যে আত্মসমৰ্পন কৰাৰ আখেজত তাৰ পূৰ্বৰ সংগঠনৰ কোনো কলিগে তাক হয়তো কেতিয়াবা হত্য কৰিবও পাৰে...। পখীয়ে চিৎকাৰ কৰি উঠিছিল সেই কথা শুনি... ঋৰভে তাইক বুজাইছিল ... সিহঁতৰ যিহেতু এতিয়া মিলন হ'লেই, মৃত্যুয়েও আৰু সিহঁতক বিছিন্ন কৰিব নোৱাৰে এটাক আনটোৰ পৰা...। সিহঁতৰ প্ৰেম অমৰ হ'ব, সিহঁত দুয়োয়ে এতিয়াৰ পৰা গাব একেলগে জীৱনৰ সেউজীয়া বসন্তৰ গান...।

তাৰ পিছত সিহঁত তিনিওৱে খাই বৈ, কিছু কুৰি, স্নেপ কেইটামান লৈ ঘৰমুখী হ'ল। পখীয়ে মনে মনে ভাবি গৈছিল দেউতাকৰ কথা, তাই দেউতাকৰ আশীৰ্বাদ লৈ আহিব, দিবনে দেউতাকে আশীৰ্বাদ? ... দিব, কিয় নিদিব?... কিন্তু জীৱনৰ আটাইতকৈ সুন্দৰ দিনটোতেই পখীৰ বাবে আৰু বিস্ময়ৰ উপৰি বিস্ময় আৰু ট্ৰেজেদিয়ে অপেক্ষা কৰি লৈছিল। মহানগৰীৰ বুকুলৈ আন্ধাৰ নামি আহিছিল... ঠিক জালুকবাৰীৰ টাৰ্ণিংটোত গাড়ীখনে গতি ল'ব খোজোতেই সিহঁতৰ গাড়ীখন ট্ৰেফিক্ জামৰ ভিতৰত সোমাই পৰিল... আৰু, আৰু হঠাতেই ছাইৰেনৰ শব্দকো পিছ পেলাই কেইবাজাই গুলীৰ শব্দই চাৰিওফালে হুৱা-দুৱা লগাই দিলে। ... পখীহঁতে চিৎকাৰ কৰি ইফালে সিফালে চাই সেই মৰ্মস্পৰ্শী দৃশ্য নিজৰ গাড়ীতেই দেখিলে, গুলীৰে থকা সৰকা হৈ এসোপামান তেজৰ মাজত লুতুৰি পুতুৰি হৈ পৰি আছে ঋৰভ! ঋৰভ আৰু তেজ, তেজ আৰু ঋষভ... পখীয়ে বহি থকা ঠাইতেই অজ্ঞান হৈ পৰিল...।

... তাৰ দুদিন পাছতে পখীয়ে জ্ঞান ঘুৰাই পালে। নিজকে ঠাই আৱিষ্কাৰ কৰিলে হস্পিটালৰ বেডত...। তাইৰ ওচৰত বহি থকা চিন্তাক্লিষ্ট মুখখনলৈ কিছু পানী আহিল... পখীয়ে সুধিলে তাক ঋৰভৰ কথা...। স্বপ্নীলে প্ৰথমে ক'বলৈ থেৰোগেৰো কৰিছিল যদিও পখীয়ে জোৰ কৰাত বাধ্য হৈ একালৰ পৰা সকলোবোৰ কৈ গ'ল তাইক...। তিনিজাই গুলীৰ আঘাতত লগে লগে নিথৰ হৈ পৰা ঋষভৰ মৃতদেহ আগদিনা শেষ সৎকাৰ কৰাৰ কথা..., সি সেইদিনা থানালৈ যাব লগা হোৱা কথা, আগদিনা দেউতাক আৰু ভায়েক মানসে তাইক চাবলৈ আহি কান্দি কান্দি গুচি যোৱা কথা,... কথাবোৰ কৈ কৈ এটাসময়ত সি নিজেও চকুপানীক বাধা দিব নোৱাৰিলে, পখীৰ ওচৰৰ পৰা গুচি গ'ল সি, হয়তো এনেই দুৰ্বল হৈ থকা পখীক আৰু দুৰ্বল কৰি নুতুলিবৰ বাবে...।

(৮)

পখীৰ হৃদয়খন ভাগি-ছিগি চূৰমাৰ হৈ গ'ল। তাইৰ জীৱনৰ আশা, আকাংক্ষা, কল্পনা, সপোনবোৰ তাচপাতৰ দৰে খহি পৰিল। এতিয়া কি কৰিব তাই? কি লৈ জীয়াই থাকিব? ইমানদিনে অকলশৰীয়াকৈ থকাৰ পাছত, দীৰ্ঘদিনীয়া বিচ্ছেদৰ পাছত, ঋষভ পুনৰ তাইৰ জীৱনলৈ আহি মৰহি যোৱা সপোনবোৰ নতুনকৈ ফুলাই তুলিছিল, এতিয়া সিয়েই হেৰাই গ'ল।... তাইৰ ঋৰভলৈ খুব মনত পৰিল। ঋৰভৰ মৃত্যুয়ে তাইক গোটেই জীৱন হন্ট কৰি থাকিব। মূল পথলৈ ঘূৰি অহাৰ পিছতো তাক কিয় হত্যা কৰা হ'ল? তাইনো ইমানেই দুৰ্ভগীয়ানে? কেৱল তাইৰ ক্ষেত্ৰতহে এনে ঘটনা হ'বলৈ পায়নে? ইমানবোৰ দুখ এতিয়া তাই কেনেকৈ বহন কৰিব?? বিয়াৰ দিনটোতে ঋৰভে তাইক এইদৰে অকলশৰীয়া কৰি থৈ যাব পাৰিলেনে???... ঋষভতো আৰু কোনোদিন তাইৰ ওচৰলৈ নাহে, কেতিয়াও তাইৰ লগত কথা নাপাতে, নাহাঁহে, কবিতা আবৃত্তি নকৰে, জীৱনৰ বাস্তৱতাৰ গান গোৱাৰ কথা নকয়, তাইৰ সতে জীৱনৰ সেউজীয়া বসন্তৰ গান গাব নাহে,...। তাৰমানে তাই এতিয়াৰ পৰা এনেকৈয়ে, আগৰ দৰে, অকলশৰে থাকিব লাগিব... তাইতো ঋৰভৰ



কোনো স্বাক্ষৰো ৰাখি লব নোৱাৰিলে। জীৱনৰ বাস্তৱতাৰ গান গোৱাৰ কথা কোৱা পখীৰ বাস্তৱৰ পৰা পলায়ন কৰিবলৈ মন গ'ল।... গাৰুত মুখ গুজি পখীয়ে কান্দিবলৈ ধৰিলে।...

কান্দি কান্দিয়েই পখী টোপনি গৈছিল। সোনকালেই সাৰ পালে তাই। হস্পিটালৰ বেডত তাই অকলে, গোটেই ৰুমটোতে চাই এতিয়া অকলে আছে। স্বপ্নীল সেই যে ওলাই গ'ল, এতিয়ালৈকে দেখাদেখি নাই।

তাই ঘুৰি স্বপ্নীলে বহি যোৱা চকীখনলৈ চালে, দেখিলে এটা ডাঙৰ বেগ, বেগটো আনি চাই তাই দেখিলে ভিতৰত কিছু ফল-মূল, গ্লুক'ন-ডিৰ পেকেট, কিবাকিবি কাগজ-পত্ৰ আৰু এখন ডায়েৰী। ডায়েৰীখন মেলি চাবলৈ তাইৰ প্ৰবল কৌতুহল হ'ল, অথচ অপৰাধবোধতো ভুগিল তাই আনৰ ব্যক্তিগত ডায়েৰী পঢ়ি চাব খোজাৰ বাবে। তাইৰ প্ৰতিটো সুখ-দুখৰ শ্বেয়াৰ কৰা, অথচ নিজৰ দুখ কষ্টৰ ভাগ অইন কাকো দিব নিবিচৰা, নীলৰ ব্যক্তিগত ডায়েৰীখন পঢ়ি চাবলৈ তাইৰ বৰ মন গ'ল। সি চাগে এতিয়ামানে হস্পিতালৰ বাহিৰত অকলে অকলে বহি আছে,... সিহঁতৰ বিয়াৰ দিনটোতে ঋষভৰ মৃত্যু, তাইৰ বৈধব্য... ইমানবোৰ দুখ-কষ্ট সি বহন কৰিছে... অথচ নিজৰ প্ৰতি তাৰ আচৰিত উদাসীনতা... কেৱল ঋষভ, পখীক সহায় কৰা, সুখী কৰা, পখীক কষ্ট নিদিয়াকৈ ৰখাটোৱেই যেন তাৰ কৰ্তব্য! ... তাইৰ ভাবি বেয়া লাগিল নীললৈ... 'অহ! নীল, তোমাক আমি কেৱল কষ্টৰ উপৰি কষ্টহে দিছো, স্বাৰ্থপৰৰ বাবে কেৱল আমাৰ নিজৰ সুখ সুবিধাখিনি আদায় কৰি লৈছো, তোমাৰ কৃতজ্ঞতাৰ ধাৰ শূজাটো সম্ভৱ হ'বনে মোৰ পক্ষে? এতিয়াৰ পৰাতো তুমি আকৌ মোক সহায় কৰি থাকিব লাগিব। তাতকৈ মই যদি একেবাৰে গুচি যাওঁ... !

মনৰ দোধোৰ-মোধোৰ অৱস্থাতে তাই নীলৰ ডায়েৰীখনৰ পাত লুটিয়াই গ'ল... পঢ়ি যোৱাৰ লগে লগে পখী বিস্ময়ত থৰ লাগিল, এয়া আকৌ তাইৰ বাবে কেনেকুৱা 'চাৰপ্ৰাইজ'?... এইবোৰ কি লিখা আছে ইয়াত? পঢ়ি উঠি ডায়েৰীখন জপাই তাই কিছুসময় সুস্থ (?) মগজুৰে চিন্তা কৰিবলৈ ধৰিলে...। ওহো, সম্ভৱেই নহয় মনৰ এই অৱস্থাত চিন্তা কৰাটো... কিন্তু ... এইযে লিখা আছে ডায়েৰীখনত... এইবোৰ সঁচা জানো? আজি ইমান দিনে তাইতো ইয়াৰ কিঞ্চিত মানো আভাস পোৱা নাই, নীলেই তাইক আভাস নিদিয়াকৈ আছে, পখীৰ বাবে নীলৰ ইমানেই ত্যাগনে? নীলৰ প্ৰতি পখীৰ সহানুভূতি জাগি উঠিল— কি আচৰিত এই নীলটো! কলেজত পঢ়াৰ পৰাই সি ভালপায় পখীক, কিন্তু সি পখীক সেই কথা ক'বলৈ নাপাওঁতেই ঋষভে এদিন কৈ পেলালে তাক— সিহে ভাল পায় পখীক। নীলে পাইয়ো হেৰুৱালে তাইক, সি আঁতৰি গ'ল পখীৰ জীৱনৰ পৰা, কিন্তু সি ঋষভ-পখী দুয়োৰে ভাল বন্ধু হৈ থাকিল। পখীক, ঋষভক সামান্য আভাসো নিদিলে তাৰ মনৰ কথা, ... অথচ সি পখীৰ বাহিৰে অইন কাৰোবাৰ কথা ভাবিবই নোৱাৰে, পখী বিনে সি অকলে জীয়াই থকাটো অসম্ভৱ যদিও সি তাইক পোৱাটো সম্ভৱ নহয় কাৰণেই অকলশৰে জীৱনটো কটাই দিবলৈ দৃঢ়প্ৰস্তুত...। কিন্তু হঠাতে ঋষভৰ মৃত্যু, পখীৰ বৈধব্য...। এইবোৰ দুৰ্ঘটনাই তাক পাগল কৰি তুলিছে... সি কোনোমতেই সহ্য কৰিব পৰা নাই পখীৰ ইমান কষ্ট হোৱাটো, পখীৰ দুখত সি চাটি-ফুটি থকা বেদনাহত মনটোৰ কথাও সবিস্তাৰে লিখিছে ডায়েৰীখনত... তাইৰ চকুলো বৈ আহিল, ... গোটেই জীৱনৰ কাৰণে নীলক তাই দুখ দিয়েই আছে আৰু হয়তো দিবও...।

এনেতে হুৰমূৰকৈ স্বপ্নীল সোমাই আহিল... তাই ল'ৰালৰিকৈ ডায়েৰীখন গাৰুৰ তলত লুকাই ৰাখিলে... সি ক'লে— 'তোৰ ঔষধ খোৱাৰ সময় হৈছে...' পখীয়ে তলফালে চাই থাকিল ঃ কি চাইচ, মুখখন মেলি দে। তাৰ মাতটো কঁপি উঠিল। অহাকাইলৈ তোক ৰিলিজ দিব বুলি কৈ সি আক' ওলাই গ'ল।



পিছদিনা পখীক ৰিলিজ দিয়াৰ পাছত নীলে তাইক ঘৰলৈ লৈ আহিল। পখীয়ে ঘৰ পায়েই প্ৰথমে বগা সাজ এযোৰ পৰিধান কৰি তাইৰ ৰুমত যন্ধাই থোৱা ঋষভৰ ফটোখনত ধূপ জলাই দি সেৱা কৰিলে। দুগালে দুধাৰি চকুলো বৈ আহিল তাইৰ। নীল তাইৰ ওচৰলৈ আহি

নিঃসংকোচে হাতখন তাইৰ মুখত হাত থৈ ক'লে— আৰু নাকান্দিবি পখী, তোৰ চকুপানী আৰু মোক নেদেখুৱাবি। মই সহ্য কৰিব নোৱাৰা হৈছো।

মনৰ সকলো জড়তা ভাঙি পখীয়ে তাক ক'লে— নীল, আৰু কোনো কথাই মোৰ পৰা নুলুকাবা, মই তোমাৰ সকলো কথাই গম পাই গৈছো। এয়া, ঋষভৰ সন্মুখত সঁচা কথা কোৱা...।

স্বপ্নীলৰ মুখখন প্ৰথমে কিছু উজ্বলি উঠিল, কিন্তু তাৰ পিছতে আক' ম্লান হৈ পৰিল,... 'তই যদি সকলো গম পাইছই আৰু লুকাবলৈ একো নাই পখী... তই মোৰ এটা অনুৰোধ ৰাখিবিনে? পখীয়ে মূৰ দুপিয়ালে। 'প্লীজ পখী, তই এই পোছাক নিপিন্ধিবি, তোৰ উকা কপাল, বগা সাজ এইবোৰে মোক খুব কষ্ট দিছে। আৰু কিমান কষ্ট দিবি মোক? ... মোক স্বাৰ্থপৰ বুলি নাভাবিবি, তই যদি সম্মতি দিয়, মই তোক গ্ৰহণ কৰিবলৈ সাজু আছো, মই তোৰ কষ্ট সহ্য কৰিব নোৱাৰো, মই তোক বিচাৰো পখী,... তই যিদিনাই মোক জনাবি তোৰ সিদ্ধান্ত, সিদিনাই মই তোক লৈ যামহি, তোৰ দেউতাৰ ওচৰলৈকে প্ৰথমে যাম আমি। কিন্তু তাৰ আগতে তই নিজকে প্ৰস্তুত কৰিব লাগিব... তোক মই ঋষভৰ স্মৃতি পাহৰি যাবলৈ নকওঁ কেতিয়াও, ... কিন্তু তাৰ স্মৃতি মনত ৰাখিও মোক তই যিদিনাই দ্বিধাহীনভাৱে গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব পাৰ বুলি মোক জনাবি, মই সিদিনাই আহিম তোৰ ওচৰলৈ, কিন্তু তোক মই জোৰো নকৰো, আচলতে তই এনেদৰে অকলশৰে থকাটো মই নিবিচাৰো, মোৰ চিন্তা হয় তোলৈ... তই চিন্তা নকৰিবি পখী, মই তোক দিম সেই 'বিশ্বাস', যি 'বিশ্বাস' তই ঋষভৰ পৰা পাইছিলি, ঋষভৰ স্মৃতি মনত ৰাখি, ঋষভৰ আদৰ্শ আগত ৰাখিয়েই আমি আগুৱাই যাম, জীৱনৰ সেউজীয়া বসন্তৰ গান গাবলৈ, জীৱনৰ বাস্তৱতাৰ গান গাবলৈ আমি দুয়ো দৃঢ় প্ৰতিজ্ঞ হ'ম।

(৯)

... তাৰপিছৰ পৰা পখীয়ে কেৱল ভাবিছে আৰু ভাবিছে। তাই ভালদৰে কোনো এটা সিদ্ধান্ততেই উপনীত হ'ব পৰা নাই। একোবাৰ ঋষভৰ স্মৃতিকেই লৈ সমগ্ৰ জীৱনটো কটাই দিয়াৰ সিদ্ধান্ত লয়, পিছমূহুৰ্ততে আক' স্বপ্নীলৰ কথা ভাবিলে তাইৰ মনটো কোমল হৈ আহে, তাইৰ বাবেই কিমান পাই আহিছে সি!... তাই কি কৰিব কি নকৰিব... দোধোৰ-মোধোৰ হৈ পৰিছে। এইকেইদিন ৰুমৰ ভিতৰতে সোমাই আছে তাই। স্বপ্নীল অহাও নাই, কোনো ফোন চোন কৰাও নাই, তাইৰ সিদ্ধান্ত জনাৰ পাছততহে সি আহিব বুলি কৈছে।... ঋষভৰ স্মৃতিয়ে বৰকৈ আমনি কৰা হৈছে...। নীলটো ওচৰত থাকিলেও তাইৰ দুখৰ বোজাটো পাতল হৈ গ'লহেঁতেন! সঁচাকৈয়ে তাইৰ অনুভৱ হৈছে এজনৰ সান্নিধ্যই আন এজনৰ স্মৃতিৰ ভিৰ পাতল কৰি দিয়ে।... জীৱনৰ প্ৰতিটো জটিলতাৰ সময়তে তাইৰ কাযত থাকি সহায় কৰি অহা স্বপ্নীলৰ উপস্থিতিৰ অভাৱ অনুভৱ কৰিলে পখীয়ে।... সিদিনা সি কৈ যোৱা কথাবোৰ মনত পেলালে তাই... ঠিকেই সি একো এটা কথাই যুক্তিৰ বাহিৰত কোৱা নাই। তাইক বৰ্তমান লাগে এটা আশ্ৰয়, নিৰাপত্তা-স্বপ্নীলে তাইক সেই নিৰাপত্তা দিব পাৰিব, তাৰোপৰি তাইক সি 'বিশ্বাস' দিব পাৰিব বুলি কৈছে — যিটোৰ বাবে তাই প্ৰায়েই হাবাথুৰি খায়। তদুপৰি স্বপ্নীলে তাইক ভাল পায়, ঋষভক লগ পোৱাৰ আগৰেপৰাই ভাল পায় তাইক। সিহঁত দুয়ো মিলি, 'ঋষভ'ৰ স্মৃতি মনত ৰাখি আগুৱাই যাব পাৰিবনে? নিশ্চয় পাৰিব, স্বপ্নীলেই তাইক সহায় কৰিব। ঋষভৰ আদৰ্শত, ঋষভৰ মানসিকতাত আঘাত হনা হ'ব নেকি বাৰু? নহয়, নহয়, সিও নিশ্চয় আশীৰ্বাদ দিব।... পখীয়ে সিদ্ধান্ত ল'লে। বহুদিনৰ মূৰত তাই স্বস্তিৰ নিশ্বাস পেলালে।



... এতিয়া তাইৰ কাম হ'ব প্ৰথমে স্বপ্নীলৰ ওচৰলৈ যোৱাটো। তাক কৈ দিব নীল, মই সিদ্ধান্ত ল'লো। তাৰ পিছত সিহঁত দুয়ো তাইৰ দেউতাকৰ ওচৰলৈ যাব। দেউতাকে নিশ্চয় তাইক আদৰি ল'বই। তাইৰ মনটো ভাল লাগিল। বেছ উৎসাহেৰেই তাই ঋষভৰ ফটোখনৰ ওচৰলৈ গ'ল আশীৰ্বাদ বিচাৰি, স্বপ্নীলৰ ওচৰলৈ যাবলৈ সাজু হ'ল।

*লেখিকা, স্নাতক দ্বিতীয় বৰ্ষ ইংৰাজী বিভাগৰ ছাত্ৰী*

# শব্দশিল্প





## মানুহ

ভগৱান গোস্বামী
মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ

জানত উটি আহে নিজান গান
দূৰণিৰ হাবিয়ে হাঁহে

তালে তালে লাহে লাহে সুৰ ভাঁহে,
যতিহীন লয়

যতিহীন সময়
যতিহীন সময়ৰ গতি ছন্দময় —

কাণত তাল মাৰে
জানত উটি অহা নিজান গানৰ শব্দময় তানে।

## চিকাৰ

হীৰা মান্না দাস
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

গছৰ ডালত গান গোৱা চৰাই
চিকাৰীয়ে কাঁড় টোঁৱায়

ধুপচকৈ সৰে চৰাই
দুটি পাত পৰে কৰ্ফালি খাই

আস্
পাতৰ দেহত বিষ
ঘাঁহৰ দেহত বিষ
গুৰিত তেজৰ সাৰ

বৰষুণে ধুই নিয়ে
তেজৰ কংকাল

সজীৱতাৰ ছন্দত নাচি উঠে
ঘাঁহ বন আৰু গছ ডাল

এনেকৈয়ে দিন আহে দিন যায়
ৰ'দত শুকালে আকৌ বৰষুণে তিয়ায়

চিকাৰী পুনৰ আহে আৰু যায়
ক্ৰমশঃ গান গোৱা চৰাইবোৰো হেৰায়।



# বিষয় ঃ জীৱন

মুকুন্দ মাধৱ নাথ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (বিজ্ঞান)

কৈশোৰ ঃ বুকুত মোৰ এতিয়াও আছে
চৰাই খেদা সেই উতনুৱা আবোণ

অটগ্ৰাফ ঃ সময় সোঁৱৰণীৰ এইখিলা সেউজীয়া পাত
হাতত যে নাই হেভ্ভুল হাইতালৰ ফাপ
ৰঙীণ কৰিবলে' ইয়াক

বিপ্লৱ ঃ স্বাধীনতা অহাৰ বহু আগতেই
আমি হয়তো হ'ব পাৰো মৃত্যুৰ স্তৱক
তথাপি ভয়কিহৰ কমৰেড
ৰিঙ্ঘৰ ঢোলৰ কোবাল ছেৱতে যে আছে
আমাৰ হেপাহৰ বিপ্লৱ

প্ৰেম ঃ প্ৰেম এক দুখৰ বৰণ
সপোন ভঙাৰ বৰণ
মোৰ বুকুত

তুমি ঃ মই বালিয়া হৈ গৈছিলো তোমাৰ প্ৰেমত
তোমাৰ চুলিৰ আহিন আহিন গোন্ধত

জীৱন ঃ জীৱন এটা পুৰণি কবিতা
কেতিয়াবাই সি হেৰুৱাইছে
ছন্দৰ শলিতা



# সমাধি

উপাসনা দেৱী
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

শত সমাধিৰ কাষত বহি আছো,
নিশ্চুপ,
অনুগ্ৰহ কৰি হাহাকাৰ নকৰিবা,
সিহঁতে সাৰ পাব,
তুমিটো জানাই,
সিহঁতে সাৰ পালে মোৰ কলিজাৰ
তেজখোৰ চেপি চেপি শুহি শুহি
মঙহৰ সৈতে তাৰ আস্বাদ লব
মই চটফটাম, চিঞৰিম,
কলিজাৰ পাছত গোটেই শৰীৰত তাৰ বিস্তৃতি
সিহঁতৰ অৱস্থিতিয়ে মোক পৰিণত কৰিব
এক অনুভূতি বিহীন জীৱন্ত কংকালত,
দৃশ্যতাৰ আঁৰ লৈ মই জীয়াই থাকিম,
সৰি পৰিব মোৰ এডাল এডাল হাঁড়,
সমাধিৰ কাষত মই হ'ম,
এক জীৱন্ত সমাধি
অনুগ্ৰহ কৰা, অনুগ্ৰহ কৰা,
হাহাকাৰ নকৰিবা,
সিহঁতে সাৰ পাব
মোৰ ভয় লাগিছে
মোৰ ভয় লাগিছে...

# আপোনাৰ দৰে কোনোবা এজনলৈ

অনিৰ্বাণ বৰা
স্নাতক তৃতীয় বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ



আপোনাৰ বাৰু নিজাকৈ এটি ঠিকনা আছেনে
এই বিবাদ নগৰীৰ কোনোবা এটা চুবুৰীত
আছেনে বাৰু আপোনাৰ আপোন কোনোবা
যাৰ চকুত চকু, হাতত হাত ৰাখি
আপুনি ক্ষণিকৰ বাবে হলেও পাহৰি থাকিব পাৰে
কংক্ৰিট্ জীৱনৰ এটা এটা নিৰ্মম আঘাত
ছাইৰঙী বাস্তৱে কঢ়িয়াই অনা আবেগহীন অৱসাদ

আছেনে আপোনাৰ কোনোবা
যাৰ মৰমী কোলাত মূৰ থৈ
আপুনি আওৰাব পাৰে সপোনৰঙী এটি কবিতা
মগ্ন হ'ব পাৰে আকাশৰ তৰা লেখি
অথবা ডাৱৰ আৰু জোনৰ লুকাভাকু চাই

আপোনাৰ কাণৰ কাষত বাৰু
অনবৰতে গুণগুণাই থাকেনে
আশ্বাসৰ মৌ-মাখি এটাই
—"মই আছো নহয়"

আপোনালৈ যদি মোৰ ঈৰ্ষা হয়
দোষতো মোৰ নহয়, নে কি কয়
মইযে আপোনাৰে সপোন দেখি থাকো
আপোনাৰ দৰে হোৱাৰ
মই আপুনি হৈ যোৱাৰ।।



# এজাক বৰষুণৰ পাছত

প্ৰণৱজ্যোতি শইকীয়া
স্নাতক ৩য় বৰ্ষ
ইংৰাজী বিভাগ

কোনোবা বসন্তৰ গোপন সন্ধ্যা
মৰুদ্যানৰ
মৰীচিকা মোহাৰি
বাস্তৱৰ সপোনেৰে ...

গাভৰু নিশাৰ
ফেব্ৰুৱাৰী বতাহৰ মাজেৰে
ব্যৰ্থতাৰ শেতেলীত
কুচি মুচি সাৱটি...

এয়া মেলি দিছো মই
কলিজাৰ কজলা চোলাটো
আৰু
বৰষুণত তিতি যোৱা
হৃদয় খন

# আকাশ

চন্দন শৰ্মা
স্নাতক ১ম বৰ্ষ (কলা)

আকাশে সিদিনা উচুপি উচুপি কান্দিছিল
মোৰ কাষত বহি
মেলি দিছিল তাৰ বুকুত ওলমি থকা
ভাবৰবোৰৰ প্ৰতি পৃষ্ঠা ইতিহাস।
আৰু তাৰ চকুপানীবোৰ .....
নিয়ৰ আৰু বৰষুণ হৈ সৰি পৰিছিল
সেউজী ধৰণীৰ বুকুত।
কবিয়ে বোলে সেইখিনিকে লৈ
কবিতা লিখে (!) প্ৰেমৰ কবিতা!
সিহঁতৰ বাবে বৰষুণো এক ৰোমান্স।
হায়! দুখবোৰো হৈ পৰে কেতিয়াবা
কাৰোবাৰ খেলাৰ সামগ্ৰী।

আৰু আকাশক
কোনেও নুবুজিলে
মাথো কৰি থ'লে
স্মৰণীয় যৌৱনৰ ইতিহাস।
এৰা, কেতিয়াবা বিশাল হোৱাটোও হৈ পৰে
জীৱনৰ অভিশাপ।

# অনুভৱৰ তিনিটা স্তৱক

অচ্যুত কুমাৰ বড়া
চতুৰ্থ ষান্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

(এক)

আকাশ।
এআকাশ নীৰৱতাৰ মাজত বৈ থাকে তেওঁ
ইকেবানাৰ সাজোনেৰে গুজি লয় জোন
তৰা আৰু ফুলৰ সুবাস।
শূন্যতাৰ একোণত গোপনে সাঁচি থয়
ভাবৰ অথবা অৰ্বাচীন বিষাদ।

(দুই)

বৰষুণ।
ভাবৰ গলা বৰষুণজাকত আশৈশব
সৰলতাৰে তিতিব পাৰি
সমস্ত প্ৰসাধন উটুৱাই চুই চাব পাৰি
নিজৰ মুখ
এবুকু শূন্যতা তিয়াই বৰষুণে গজায় সিক্ত আৱেগ।
সেউজীয়া তেওঁ... বৰষুণৰ দৰেই।

(তিনি)

জোনাক।
কাণে কাণে বহু কথাই কয়
জোনাকে প্ৰতিটো উমাল অনুভূতিৰ ৰসাস্বাদনত
মাতাল হোৱাৰ প্ৰস্তাৱ দিয়ে
দুচকুত জোনাক সানি বৈ থাকে তেওঁ
দুবৰিত কেতিয়াবা জিলিকে নিয়ৰ
কেতিয়াবা জকমক পূৰ্ণিমাৰ জোন।

# মোক ভালপোৱা লুধিয়ানাৰ সেই ছোৱালীজনী

মানসজ্যোতি শৰ্মা
স্নাতক প্ৰথম বৰ্ষ
ইংৰাজী বিভাগ

মোক ভালপোৱা লুধিয়ানাৰ সেই ছোৱালীজনী
বহুদিন লগ পোৱা নাই তোমাক ; কেনে আছা ?
তোমাৰ কথাই বৰকৈ আমনি কৰে আজিকালি
বেয়া নাপাবা, যাম বুলিও নোৱাৰিলো যাব তোমাৰ তালৈ
কত দিন দেখা নাই ...
সপোনেৰে কিজানি ভৰি আছে দুচকু
হেঁপাহবোৰ চাগে গধুৰ হৈছে
ৰাতিবোৰে যে তোমাৰ চুলিত বাহ বন্ধাৰ কথা আছিল
কথা আছিল নহয় তুমি এজোৰ সেউজীয়া পাটকাপোৰ লোৱাৰ
তাতোকৈ —
'তুমি সেউজীয়া হৈ মোৰ বুকুৰ পথাৰলৈকে আহা
অ' মোৰ লক্ষ্মী আই, আহা মোৰ উঁৰাল ভৰাই তোলা'
নকৰিবাচোন খঙ, ধেমালিও নুবুজা পাই !
দুখৰ নদীত যেন উটি গৈছে সৰ্বস্ব — ধন, জন, মন
মইতো পোৱাই নাই একো, হেৰুৱাম কি
আচলতে মই মোকে হেৰুৱাইছো কিজানি তোমাৰ প্ৰেমত
তোমাৰ শিৰৰ ৰঙতে য'ত অঁকা আছিল মোৰ আঙুলিৰ জোন
মৰমৰ, এইবাৰ তোমাৰ কথা কোৱা
বুকুত ভৰাই লৈ যাম ঘৰলৈ
কথা মানে আৰু কি, এইধৰা তুমি কেনেকৈ আছা
কি কৰিছা এতিয়া
ৰাতি কেইবজাত শোৱা, কেতিয়া উঠা
কি কি কিতাপ নতুনকৈ পঢ়িলা
হয়তো প্ৰেম সম্পৰ্কে তোমাৰ নব্য সংজ্ঞা
পাহৰিব নোৱাৰা সোঁৱৰণীৰ দুই এটা দফা
কৈ যোৱা তোমাৰ কিবা-কিবি বহুত কথা

মোক ভালপোৱা লুধিয়ানাৰ সেই ছোৱালীজনী
আছেনে মনত শিৱমন্দিৰৰ সেই চুমাটোৰ কথা।

# ক্ৰমশঃ

মুনমী বৰা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ
বিজ্ঞান শাখা

ক্ৰমশঃ বাঢ়ি আহিছে শীতৰ প্ৰকোপ
ম্লান পৰি আহিছে সেউজীয়া অৰণ্যবোৰ,
শিপালৈ চিঠি নিলিখাকৈয়ে,
সেউজীয়াক বিদায় জনাই
এটি দুটিকৈ সৰি পৰিছে গছৰ পাতবোৰ।
লঠঙা হৈ পৰিছে গছৰ ডালবোৰ,
আৰু দূৰলৈ উৰি গুচি গৈছে
গানগোৱা চৰাইবোৰ,
গছৰ শুকান ডালবোৰত ওলমি ৰৈছে মাথোঁ
সিহঁতৰ প্ৰাণহীন, মাতহীন নিজান বাহবোৰ
ক্ৰমশঃ ম্লান পৰি আহিছে
মানুহৰ বোধৰ অৰণ্যবোৰ,
এটি দুটিকৈ সৰি পৰিছে
মানৱতাৰ সেউজীয়া পাতবোৰ।

# জীৱন

সংগীতা দেৱী
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

(১)
জীৱন নদীৰ টুলুঙা নাৱত
অসহায় দুই ভৰি,
লক্ষ্যস্থান বহুদূৰ
অগম্য, অদৃশ্য,
অথচ আশাবোৰ দেখোন কেতিয়াবা
সোণাৰুৰ দৰে ফুলে
আধাফুলা ৰঙা গোলাপৰ
কলিটিৰ দৰে হালে-জালে

(২)
জীৱন মানে
সৌৰ বৰ্ণালীৰ প্ৰখৰতা
নে
চন্দ্ৰমাৰ শেতা শীতলতা
জীৱন মানে
এটা শূন্য গিলাচ
নে
চকুলোৰ মদিৰাৰে চপ্‌চপীয়া
এটা পৰিপূৰ্ণ পিয়লা



# শান্তি

শৈলেন কলিতা
স্নাতক ২য় বৰ্ষ
সংস্কৃত বিভাগ

তাইৰ দেহাবয়ব শূন্য
বতাহত হাউলি নপৰে
ৰবকুণতো নিতিতে
ৰ'দতো নুশুকায়
তেনেকৈয়েই
দুৱাৰখন খুলি দিলেই তাই আলহী হয়
তাইক বন্দুকৰ গুলীৰেও
হত্যা কৰিব পৰা নাযায়
চুৰিৰে খুচি খুচিও আঘাত কৰিব নোৱাৰি
বেশ্যালয়তো তাইক বিক্ৰী কৰিব নোৱাৰি
সত্বা কাঢ়িব নোৱাৰি
দুহাতেৰে খেপিয়াই ফুৰো
তথাপিও তাইক ধৰিব নোৱাৰি —
কাৰণ তাইৰ দেহাবয়ব শূন্য
তাই অৰ্ণ্যত নাথাকে, নদী অথবা সাগৰতো
তাই গোলাপৰ দৰে
শেৱালীৰ দৰে সুবাসিত
অথচ তাই ধৰা নিদিয়ে
কাৰণ তাইৰেই শান্তিময় শূন্যতা।

## আঘোণৰ পথাৰত মোৰ আই

তৰুণ গোপাল গগৈ
স্নাতকোত্তৰ ১ম ষাণ্মাসিক
ইংৰাজী বিভাগ

আঘোণৰ পথাৰত মোৰ আই
সোণ গুটিবোৰ যুঁটলি ফুৰে
বুলাই দহো আঙুলি
আলফুলে খামুচি ধৰি
কাচিখনি হাতত।

মইনাকণে লেচেৰি বোটলে
দ পথাৰৰ চুকত,
মেটমৰা সোণগুটিৰ ভাৰ
তাতে পাইছে হ'ব পায় এইবাৰ।

মোৰ আজিও মনত পৰে
আইৰ সতে সৌ সিদিনা
চাবলৈ যোৱা সোণগুটি লখিমীৰে
পথাৰ গৰ্ভৱতী হোৱা।

আইয়ে কৈছিল — এইফালে টোৱা
এই ড'ৰা কুৰ্ণ-কুনি জহা আৰু
সৌ ড'ৰা এঠাহি ক'লা বৰা।
আহিছে নহয় বিহুটো
পাৰিলে এপাক মাৰিবা দেই সোণটো,
তিল পিঠা, তৰা পিঠা, ঘিলা পিঠা
আৰু কিমান যে পিঠা
দিম চিৰা বাতি ভৰাই
এঠা দৈৰে ... তুমি খাবা।

আইৰ মাতেত আশাত
আঘোণৰ পকা গোন্ধ।



## দিগ্‌বলয়

গায়ত্ৰী দাস
স্নাতক ৩য় বৰ্ষ
গণিত বিভাগ

পোহৰ আৰু নাই
জীৱন বৃত্তৰ সেউজ পৰিধিত
আবেগৰ দিগ্‌বলয় —
পৰিশ্ৰান্ত হৃদয়;
ভাৱনাৰ দিগন্তত
জীৱনৰ প্ৰহেলিকা,
আদি নাই, অন্ত নাই
সৃষ্টিৰ পাতনিত
অথচ শব্দৰো পোহৰ নাই আজি

অনুভৱৰ পৰিবৃত্তত
হৃদয় সেউজ কেন্দ্ৰ,
যাৰ গৰ্ভত দোদুল্যমান
ছাঁ পোহৰৰ অদৃশ্য নৃত্য,
আৰু
আবেগ গোট মাৰি
শিল হোৱাৰ
নিৰ্ঘাত সত্য।

পোহৰ আৰু নাই
সৃষ্টিৰ পাতনিত
এতিয়া
মৌন সময়, মৌন হৃদয়।

# ভগৱান শ্ৰীকৃষ্ণ

হোমেন ৰাজবংশী
স্নাতক ৩য় বৰ্ষ
ৰাজনীতি বিভাগ

শাওন মাহৰ এটা নিশা বাৰ বাজি ত্ৰিশ মিনিট পাৰ হওঁতে
অভিজাত কোনো অট্টালিকাত হোটেলত চিকিৎসালয়ত বেশ্যা কুঠৰীত
ক'ৰবাত ভগৱান কৃষ্ণৰ জন্ম হ'ল। আৰু ঠিক তাৰ তিনি ঘন্টাৰ পিছতেই
তেওঁক নিৰ্বাসন দিয়া হ'ল চহৰৰ এটা ডাষ্টবিনলৈ।
কলকলনিত কান্দোনত তেওঁৰ মেলখালে বেশ্যা জীতাৰ নঙলা ...
লগে লগে আৰম্ভ হ'ল এটা ঈশ্বৰ বৰণীয়া জীৱনৰ সুদীৰ্ঘ পৰিক্ৰমা।

বেশ্যা জীতাৰ চোতালতে ভগৱান কৃষ্ণই আৰম্ভিলে শিশু লীলা
কেতিয়াবা দীতি কেতিয়াবা চৰিতাৰ স্তনত কামোৰ ...
এইদৰে শিশু কালতে তেওঁ লভিলে ভিন্ন নাৰীৰ সান্নিধ্য
আৰু ক্ৰমান্বয়ে বাঢ়ি আহিল কামনাৰ আসক্তি ...।।
ভগৱান কৃষ্ণই ৰখীয়া কৰিবলৈ ল'লে গ্ৰাহকৰ, লগতে দেহৰ দালালী
তেওঁৰ সুহুৰিৰ চিম্ফনীত ভিৰ কৰে গ্ৰাহক
কাষ্টমাৰ অনা আৰু তেওঁৰ খুচিৰ হিচাপত খাবলৈ ল'লে কমিচন
মদ ভাং চিগাৰেট তেওঁ চুৰ কৰি খাবলৈ শিকিলে
কংসৰ কাৰাগাৰৰ পৰাও বহুবাৰ ভ্ৰমি আহিল তেওঁ
কেতিয়াবা চুৰিত পুলিচৰ ৰেইড্‌ত নহলে উদ্ধাৰ হ'লে অচিনাক্ত মৃতদেহ।

লাহে লাহে ভগৱান কৃষ্ণই মানুহ মাৰিবলৈ আৰম্ভিলে
লগতে দাদাগিৰি ড্ৰাগচৰ ব্যৱসায় অস্ত্ৰৰ চোৰাং কাৰবাৰ
নাৰীৰ এক্সপৰ্ট ই'মপৰ্ট ....
দক্ষতা যোগ্যতা বুদ্ধিমতা আৰু তেওঁৰ অলৌকিকতাৰ গুণত
পৃথিৱীয়ে বহু সোনকালে বুজি উঠিল তেওঁ অৱতাৰী পুৰুষ ....
তেওঁৰ সুদাম হ'ল ক'লা ব্যৱসায়ী চোৰ ডকাইত
উদ্ধৱ হ'ল আৰক্ষী আদালত চৰকাৰ
দেশৰ সংবিধানখনেই হ'ল তেওঁৰ হলধৰ .... !
বেহু ক্ষীপ্ৰতাৰে বিয়পি পৰিল ভগৱান কৃষ্ণৰ লীলা ...
তেওঁ কোটি পতি হ'ল আৰু কংসবধৰ ভাওনাৰ্থে ঢাপলি মেলিলে
ৰাজধানীলৈ ....

তেওঁৰ উদাৰতাত তেত্ৰিশ কোটি দেৱতাও হতভম্ভ ...
তেওঁ মন্দিৰ বনালে নামঘৰ বনালে মচজিদ গীৰ্জা
শ্ৰমিকৰ বাবে গঠন কৰিলে সংগঠন
ৰাজ্য বন্ধ দিলে দেশ
তেওঁ বান সাহায্য তুলিলে সুৰ বাহিনী কৰি পাতিলে চিকিৎসা শিবিৰ
তেওঁ ৰাস্তা বনালে সংঘ সাজিলে জিৰণী চৰা
এটা নৈশ যাপনৰ বিনিময়ত তেওঁ চাকৰিও দিলে বহু যুৱতীক ...
কৰ্মই ধৰ্ম তেওঁৰ বাণী — সেইকাৰণেই তেওঁ ঈশ্বৰ।

ভগবান কৃষ্ণক সাহিত্য সভাই যাচিলে আজীৱন সভ্যৰ পদ
মিডিয়াই তেওঁক যুৱ সমাজৰ হিৰ কৰিলে
তেওঁ তিনিগৰাকী বক্তিতাৰো গৰাকী হ'ল
আৰু ভঙা-পতা কৰিব পৰা হ'ল চৰকাৰ ....।
এদিন তেওঁ বিধান সভাৰ সদস্যৰূপে শপত ল'লে
আৰু মন্ত্ৰী হ'ল - শিক্ষা তথা মানৱ সম্পদ উন্নয়ন বিভাগৰ।

এইদৰে জীৱনৰ কুৰুক্ষেত্ৰত ভগৱান কৃষ্ণই ৰচনা কৰিলে গীতা
উত্তৰ আধুনিক ঈশ্বৰৰ বায়'ডাটা
জাৱজ ঈশ্বৰৰ কালজয়ী ইতিহাস ...

সৌ সিদিনা তেওঁৰ অসুখৰ সময়ত
দেশজুৰি আয়োজন কৰা হ'ল সৰ্বধৰ্ম প্ৰাৰ্থনা
এটা বৰ্ণিল জীৱনৰ আৰোগ্য কামনাৰে .....।



## বন্ধু, তোমালৈ একাঁজলি প্ৰাণৰ ভাষা

**অনুশ্ৰী অধিকাৰী**
স্নাতক ১ম বৰ্ষ
অসমীয়া বিভাগ

নিয়তি আৰু মানৱৰ স্বাৰ্থান্বেষী পৰশত
যুগে যুগে প্ৰতাৰণাৰ বলী হৈ
নিস্তেজ হৈ গৈছে মোৰ প্ৰাণ
আৰু স্তব্ধ হৈ গৈছো মই।
জীৱন সমুদ্ৰৰ কোবাল সোঁতত
আলফুলে সঁজা সপোনৰ বালিঘৰ মোৰ
ভাঙি থানবান হৈ গৈছে।
আগৰ দৰে কল্পনাৰ জক্‌মকীয়া কাৰেং সজাৰ চখ্
এতিয়া আৰু মোৰ নাই।
মোৰ ভগ্ন হিয়াৰ উচুপনি
আৰু মোৰ অতৃপ্ত আত্মাৰ কৰুণ বিননিৰে
উপচি পৰা মোৰ প্ৰাণত
আশাৰ এধানিমান ৰেঙণিও
এতিয়া আৰু উদয় নহয়।
এন্ধাৰে ছানি ধৰা নিষ্প্ৰাণ হিয়া মোৰ
সূৰুযৰ সাতৰঙী কিৰণেও
আৰু নোৱাৰে পোহৰাব।
মই কিন্তু সপোনতো নাছিলো ভবা
দুৰ্নীতিৰ পৃথিৱীত বাস কৰা
আমিবোৰৰ মাজতো যে আছে
তোমাৰ দৰে এখনি নিষ্পাপ হিয়া।
মোক দাপোণৰ ৰূপত পাব বিচৰা কথাযাৰে
আজিও হিয়াত তোলে এক অনামী সুৰ।
মৰমী বন্ধু মোৰ,
দুদিনীয়া হ'লেও তোমাৰ-মোৰ সান্নিধ্যৰ
সেই স্বপ্নীল ক্ষণবোৰৰ স্মৃতি
হিয়াত মোৰ সযতনে ৰাখিছো সাঁচি
আৰু ৰাখিম তেনেদৰেই যুগ-যুগান্তৰলৈ।।

## কটন কলেজ

**অংশুমালা পাটগিৰি**
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

মোৰ শৈশৱৰ বালিঘৰত
পঢ়াশালিৰ ফলিত
যৌৱনৰ পানীচেত
কোনে বাৰু আঁকিছিল তোমাক

আই বোপাইৰ কোলাত মুৰ থৈ
শুনিছিলো নেকি তোমাৰ গান

শতবৰ্ষ গৰকা পাছতো
কিয় জানো মোৰ ইমান লাজ

তোমাৰ বুকুত ওখ দেৱদাৰু দেখি
সৌৱা আকৌ আহিছে হেন্‌ৰি কটন

মোৰ সপোনৰ কটন কলেজ!

# তুমি

হৰ্ষজিৎ চৌধুৰী
স্নাতক ৩য় বৰ্ষ
অৰ্থনীতি বিভাগ

কোনে কয় তুমি সূৰ্যৰ সমান উজ্জ্বল নহয় ?
কোনে কয়, তোমাৰ চাৱনিত সাগৰৰ গভীৰতা নাই ?
জীৱন সাগৰৰ প্ৰতিটো স্তৰত কোনে তোমাক অনুভৱ কৰা নাই ?
নিজৰাৰ কুলু কুলু শব্দৰ মাজত কোনে তোমাক লৈ
সপোন দেখা নাই ?
তোমাক পাবলৈ হাজাৰ জনে জানো প্ৰাণ দিয়া নাই ?
তোমাৰ ৰূপত বলিয়াহৈ হাজাৰজন জানো বলিয়া হোৱা নাই ?

হৃদয় সাগৰৰ ৰাতিৰ কাহিনী মোৰ সম্পূৰ্ণ ওলোটা
হৃদয় পথাৰত আছে হালোৱা এটা
তোমাক ভাবিলেই মোৰ বুকুত নাঙল মাৰে
ওৰেনিশা উজাগৰে
আৰু মোৰ বুকু ? তেজত ৰঙা পৰে, চৌদিশে তেজ চিটিকে
মোৰ গালে মুখে।
অৱশ্যে তোমাৰ ফটোত মই কাহানিও তেজ পৰিব দিয়া নাই।
কিয়নো মই যে বাচি আছো তোমাকেই চাই
মই ভাবি পোৱা নাই, 'কিয় হালোৱাজন নমৰে' ?
মোৰ বুকু কিয় খান্দে ?
অৱশ্যে আজি কালি মই বেছি দুখ নাপাও
বহুতে কৈছে মোৰ হৃদয় বোলে এতিয়া এখন শিলৰ পথাৰ
চৌদিশে ধুসৰ পাহাৰ, নাই কোনো ৰাজহাড়
কিম্বা কামিহাড়।

আজি কালি ৰাতি মই নিজকে সুৰাৰ মাজত বিলীন কৰি দিওঁ
মোৰ ভাৱ — নালাগে যিখিনি আছিল নসাৎ হৈ যাওক
অৱশ্যে ক'বলৈ গ'লে নষ্ট হ'বলৈ মোৰ একো নাই
ব্যতিক্ৰম একমাত্ৰ তোমাৰ ফটোখন
তোমাৰ ফটোখন মই আজিকালি নিয়মেৰে ধুও
কেতিয়াও কাকো চাব নিদিও।

যোৱাকালি যে মই মৰিছিলো, আজিহে উঠিছো
হাত ভৰিবোৰ বিবাৰেই আছে
ৰ'দত অৱশ্যে অলপমান টঙাইছো
তোমালৈ পুনৰ মনত পৰিছে
আকৌ কান্দিছো, ফটোখন চাইছো
আন্ধাৰত মুখ লুকুৱাইছো, নিজকে প্ৰশ্ন সুধিছো

তৃতীয় বিশ্বযুদ্ধৰ আজি অন্তিম তথা পঞ্চম দিন
হিটলাৰ পুনৰ বাচি উঠিছে
অসংখ্য পুৰুষ নাৰীক হত্যা কৰিছে
মোৰ ফালে আগুৱাইছে
মোৰ হৃদয় গচকিছে, জ্বলাই দিছে, চাইবোৰ চটিয়াইছে
নাই, নাই, তোমাৰ ফটোখন চুব পৰা নাই
তুমি শান্তিৰে থাকিব পাৰিবা
বিশ্বযুদ্ধলৈ ভয় নকৰিবা
শান্তিৰে টোপনি যোৱা, শান্তিৰে।।

**অতিথি কবিৰ কলম ঃ**

# কটন কলেজ

প্ৰণয়শংকৰ নাথ

সকলো সেউজীয়াৰ বোজা কঢ়িয়াই য'ত ভৰি পৰেহি অসংখ্য জ্ঞানান্বেষীৰ
বন্দিত সপোনৰ ৰেলগাড়ী

কটন কলেজ

পানবজাৰৰ আবেলি উজানবজাৰৰ আড্ডা - দীঘলীপুখুৰী পাৰৰ সন্ধিয়া
আশোকা-কল্পনা-মহামায়া-পিকাডেলী-নাককটা পুখুৰীৰ পাৰ প্ৰাণময় কৰা
শত সহস্ৰজন কটনিয়ানৰ যৌৱনৰ প্ৰিয়তম জংচন

কটন কলেজ

নদীৰ দৰেই যি গতিময় - আকাশৰ দৰে যি উদাৰ
য'ত বৈ আছে অবিৰাম
শত সহস্ৰ জেউতি নিজৰাৰ ধাৰ

মহামিলনৰ মহাসাধনাৰ এই সোঁতত মিলিত হবলে'
কটনলৈ অহা প্ৰতিটো প্ৰজন্ম
বুকুৰ দিগন্তত যাৰ ভৰি থাকে অলেখ প্ৰতিশ্ৰুতি মানুহ হোৱাৰ

ৰক্ষণশীলতাৰ কঠিন বেষ্টনি ভাঙি মুক্ত বিহঙ্গ হৈ
সভ্ৰমৰ পোচাক পিন্ধি কটনলৈ অহা তৰুণ তৰুণীসকল ...

এতিয়াও সজীৱ হৈ আছে তোমালোকৰ বাবে

শ্ৰেণী কক্ষবোৰত-ছাত্ৰাবাসৰ কোঠাবোৰত-গ্ৰন্থাগাৰত-দেৱালৰ সাহিত্যত
কলেজৰ উৎসৱবোৰত
সপোনৰ মানুহৰ কথা-জীৱনৰ অন্তৰংগ আলাপ
য'ত ভৰি আছে প্ৰাণৰ অমোঘ মমতা ...

প্ৰেমৰ দৰেই যি মহিমাময় যশস্যাৰে যি ছন্দময়
প্ৰাণময় ব্যস্ততাৰ তীৰ্থভূমি

কটন কলেজ

প্ৰতিটো প্ৰজন্মৰ অন্তহীন হাবিয়াসৰ অমৃত কুম্ভ
যৌৱনৰ মধুবন

কটন কলেজ

হিয়া উবুৰিয়াই বাকি দিয়া তোমাৰ প্ৰেম
কৃতিৰ অমৰ সাধনা

প্ৰতিটো প্ৰজন্মৰ বাবে

প্ৰভাতে প্ৰভাতে বাজি থাকক শংখধ্বনি
দিন প্ৰতিদিন

নতুন দিনৰ দীপ্তিমান দুচকুৰে বাগৰি যাওঁক
জীয়া সপোনৰ ঢল

কটন কলেজ - কটন কলেজ
যৌৱনৰ এক অনামী মিঠা শিহৰণ



# কবিতা

সৃষ্টিভৰষা দাস

শব্দবোৰ ওপঙি ফুৰিছে কলমৰ আগত
কবিতাৰ অপেক্ষাত ...
বগা সাজযোৰত চিয়াঁহীৰ বনকৰা ভাষা
বৰ্তমানো অপেক্ষাৰত কিছু ইংগিত প্ৰকৃতিৰ।
পাখি লগা শব্দ এই যেন ধৰা দিব
অথচ ধৰিব পৰা নাই
উকা কাগজত আবেগৰ ঢল হৈ
নামি অহা নাই, বিষণ্ণ দুহাতৰ
চিয়াঁহী বিহীন কলম মোৰ
কাৰ অপেক্ষাত, সাৰ পাই উঠিব
বৰ্ণিল সপোনৰ কেনভাচ্
যেন শুই আছে এতিয়া
কোনো স্বপ্নৰ প্ৰদেশত
আৰু সাৰ পোৱাৰ অপেক্ষাত
ইমূৰত মই।।

## লিমাৰিক

বনেন বৰুৱা
স্নাতক ২য় বৰ্ষ
নৃতত্ত্ব বিভাগ

১

ছোৱালী হ'ব বিচাৰে আজি কালিৰ কিছুমান ল'ৰা।
দেখিলেই সিহঁতক হ'ব লাগে হাঁহি আধা মৰা।।
পিঠিলৈকে পেলাই চুলি,
পিন্ধি কাণত ফুলি,
সেইবোৰ কৰি সিহঁতে নিজকে ভাবে যেন আকাশৰ ধ্ৰুৱ তৰা।

২

ভৈশ বছৰ বয়সত কলেজীয়া ডেকা আমি চেঙেলীয়া।
চেঙেলীয়া ল'ৰাৰ মনবোৰ হয় হেঙুলীয়া।।
হোষ্টেলত থাকি,
কলেজত পঢ়িবলৈ আহি,
হোষ্টেলৰ আগেৰে যোৱা ছোৱালীলৈ চাই গাও
অব তেৰে বিনা নেহি।।

## লিমাৰিক

গুণীন শইকীয়া
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

১

বিসম্বাদীয়ে পাতে ৰাইজ মেল
আকৌ খেলিব ভঙাপতাৰ খেল
ৰাজভঁৰালো তেনেই উদং
ধেমাজিৰ ৰাস্তা ঘটং মটং
যোগাযোগৰ বাবে দিব হোনো কলৰ ভেল।

২

আস্থাৰ বাবে মাহৰ মূৰত যুটীয়া অধিৱেশন বহে
বাজেটত বস্তুৰ উচ্চদাম দেখি দৈনিক যজাৰ দহে
মাহেকৰ মূৰত নাপায় দৰমহা
মন্ত্ৰীৰ লগতো নাই উঠা বহা
ঘৰত কেনেকৈ মুখৰা ঘৈণীৰ কটাহি কথা সহে।

## লিমাৰিক

পবিত্ৰ ধৰণী মেধি
স্নাতক ৩য় বৰ্ষ
নৃতত্ত্ব বিভাগ

১

টকা খৰচ কৰি পঢ়া শুনা কৰা জঞ্জাল
মাটি বাৰী নাই খাবলৈ, বাবলৈ গৰুহাল
দেশত লাগিছে গণ্ডগোল
জ্ঞানীৰ নুবুজে মোল
ঘোচ ঘাচ দি চাকৰি কৰাই মহা ভাল।

২

মানুহৰ পেটত এতিয়া কিহৰ লাগিছে ভোক
ভুত দেখিও কোনেও নিগিলে দেখোন ঢোক্
যি পায় সকলো খায়
গেলা-পচা চাবৰ নাই
কলিৰ যুগত মানুহৰ জীৱন হৈছে সোলোক-ঢোলোক।

৩

গুৱাহাটীৰ গেলা গৰমত উঠে সকলোৰে জ্বৰ
এজাক বৰষুণত নচলে বাছ ক'ত মৰ মৰ
বিজি টিটিৰ বিজি কথা
কথাই কথাই লাগে লেথা
কিনিছে তথাপি খৰচ কৰি ঘৰৰ ওপৰত ঘৰ।

# ভিন্নশিল্প



# নৈ বৈ যায়
# আৰু বৈ যায় বিষন্নতা

বন্দনা তালুকদাৰ

**এক/বিষন্নতা মোৰ চিৰন্তন দুৰ্বলতা ঃ**

নৈ বৈ যায়, আৰু বৈ যায় বিষন্নতা — বৈ যায় নৈ পৰীয়া উদাস উদাস আধৰুৱা সপোন এটা। এই যে বৈ যোৱা বৈ যোৱাৰ ৰুটীন মাফিক জীৱন — ইয়াৰ গুৰিতনো থাকে কোন— বিষন্নতা? হ'ব পাৰে ই মোৰ বহু পুৰণি ৰোগযোৰৰ এটা — হ'ব পাৰে মোৰ দৰে আন কাৰোবাৰো ই ৰোগ ... মুঠতে ৰোগে পোৱা এই আশাৰ চাংঘৰ নিত্যান্তই এক বিড়ম্বনা। নৈ বৈ যায় আৰু বৈ যায় বিষন্নতা — মোৰ চিৰন্তন দুৰ্বলতা —।

**দুই / যি বুজি আছোঁ অতদিনে ঃ**

কিবা এটা বুজো। প্ৰেম। দেওলগা সময়ৰ সিটো পাৰত যাক বিচাৰি ফুৰোঁতে বুকুৰ ভিতৰখন জপটিয়াই ধৰিছিল এটা অচিনাকী দুখে উকা চকু ছানি ধৰিছিল নীলা -কলা অজস্ৰ বিষে — যাৰ আঁচোৰত ডায়েৰীত ভিৰ পাতিছিল — এক, দুই, তিনি — কতখিলা নিদ্ৰাবিহীন ৰাতিৰ পৃষ্ঠাবোৰে - এই সপোন, মই সপোন কি যে বকুলফুলীয়া সপোন — হায় হায় যাৰ ৰোগত অসুখীয়া হৈ ৰ'ল আপদীয়া এটাইমখা সপোন — যাক আপোন কৰাৰ পৰিণতিত থুপাই থোৱা বসন্ত ফালি এতিয়া ওলাই আহে হুমুনিয়াহ— তাকেইতো বুজি আছোঁ অতদিনে।

**তিনি / সসাগৰা এই দুখৰ পৃথিৱী ঃ**

মোৰ জীৱন পদূলিৰ জপনাখন খুলি আপোনাক আমন্ত্ৰণ জনাইছিলো মই মোৰ সাঁচতীয়া পৃথিৱীখনলৈ — একাজলি সহৃদয়তাৰে, একুকি প্ৰাণভৰা ভালপোৱাৰে, এআকাশ শ্ৰদ্ধাবোধেৰে ; কাৰণ ঃ মই মোৰ নিভৃততম সত্তাটোক আপোনাৰ হাতত নিঃসংকোচে তুলি দিয়াৰ তীব্ৰ হাবিয়াস কৰিছিলো ; সপোন দেখিছিলো মোৰ আড়ম্বৰশূন্য জীৱনটোৰ আপোনাক গৰাকী পতাৰ — সেয়াও কলুষতা শূন্য হৈ, একান্ত আন্তৰিকতাৰে, এবুকু নিঃস্বাৰ্থ মনোকামনাৰে ... কতা ভুলতো হোৱা নাছিল ছাগে মোৰ — কিয় জানো আপুনি নুবুজিলে — নে বুজিও নুবুজাৰ ভাওঁ জুৰিলে? আচলতে হয়তো মোৰ অসুখী জীৱনটোৰ কেঁচা মজিয়াত আপোনাক আসন পাতি বহুৱাবলৈ ইচ্ছা এটা কৰিছিলো আৰু ইয়াতেই হৈ গ'ল ভুলটো — কোনখিনিত জানো আবেগিক হৈ উঠিলো মই, কোনখিনিত জানো ছিগা সপোনৰ সুৰেৰে এটা সুখৰ সেউজীয়া গান গাবলৈ লোৱাৰ ভুল কৰিছিলো মই — পৃথিৱীৰ আটাইতকৈ বিবৰ্ণ প্ৰান্তৰটোত ঠিয় হৈ কি উলাহেৰে ন-জীৱন চোৱাৰ মিছা হাবাথুৰি খালোঁ মই — আৰু কি নিৰুত্তাপেৰে জীয়াই থাকিল আপুনি! কি আশ্চৰ্য্যকৰ ইচ্ছাকৃত স্ব-সলিল সমাধি আপোনাৰ— নিৰ্বাক নিস্পন্দ মই — সসাগৰা এই দুখৰ পৃথিৱী—।

**চাৰি / যাক মই প্ৰকৃততে ভাল নাপাওঁ ঃ**

যাক মই প্ৰকৃততে ভাল নাপাওঁ, তেওঁৰ লগতে খেলি থাকোঁ ভালপোৱাৰ খেলখন — ভালপোৱাও যে কি বস্তু ভাই, সুৰুঙা এটা পালেই ন-পানী বঢ়াদি বাঢ়ি গৈ থাকে লাওপাত-কচুপাত খবৰৰ দম — প্ৰেম প্ৰেম গোন্ধাবলৈ লয় চৌপাশ — ফুচ-ফাচ্ গুণ গুণ ভোমোৰা — হে প্ৰেম ভোমোৰা নেকি? মুঠৰ ওপৰত খবৰৰ ওপৰত খবৰ — গৰম খবৰত উত্তাল হৈ পৰে খবৰ লওতাৰ বেঈমান পৃথিৱী — ছেঃ কটা, প্ৰেম জানো এনেকুৱা! প্ৰেমে জানো বৈ থাকে একো একোটা সুৰুঙালৈ, নে সুৰুঙাই বিচাৰি ফুৰে প্ৰেম! সবেই পণ্ড হৈ যায় নিমিষতে— কি যে আপদ — হায়ৰে ভালপোৱাৰ ৰাগী! অংক কৰোঁ সেয়ে মই — ভালপোৱাৰে খেলোঁ মই এখন খেল — তেওঁৰ লগত যাক মই প্ৰকৃততে ভাল নাপাওঁ — ।

**পাঁচ / আছে নেকি আপোনাৰ ওচৰত মোক সুখী কৰিব পৰা কোনো সৰল পন্থা ঃ**

বস্তুতেই মোক সুখী কৰোঁ বুলি আগবাঢ়ি আহে — মোৰ গোপন পৃথিৱীৰ খবৰ বিচাৰে — অথচ যিবোৰ উপসৰ্গক লৈ মই সুখী হোৱাৰ সপোন দেখো — সেই আটাইবোৰেই প্ৰমাণিত হয় মৰিচীকা — ভুল নাই কাৰো — প্ৰাচীন পৃথিৱীৰ নিৰুদ্দিষ্ট কিছু অৱয়বৰ, যিবোৰত কিছু পৰিমাণে হ'লেও খোদিত হৈ থাকে নিষ্পাপ সৰলতা — তাৰে সন্ধানতে পাৰ হৈ যায় মোৰ সময়বোৰ — হায় কিমান যে পংকিল হৈ পৰিল ধাতুৰ পৃথিৱী — তৌবা তৌবা — নাম ল'বও নোৱাৰি নহয় কোনোবা এজন ঈশ্বৰৰ, আনজনে বেয়া পোৱাৰ ভয়! আৰু ভয়ৰ ভৰতে বা দো খাই পৰিম মই কিয় — যাওঁক জহন্নামে মুনি চুনি অনিশ্চয়তা সুখী হ'ব নোৱাৰিলো যেনিবা, দুৰ্ভাগ্য — অসুখীয়া পৃথিৱীৰ হ'লো স্থায়ী বাসিন্দা — কি হ'ল — পুতৌ উপজিল নেকি বাৰু আপোনাৰো? ভাবিছে নেকি মোক সুখী কৰাৰ কথা আপুনিও? আছে নেকি আপোনাৰ ওচৰত মোক সুখী কৰিব পৰা এনে কোনো মৰম পন্থা—।

**ছয় / অপ্ৰেমৰ সাগৰত ডুব যায় অকবিতা ঃ**

তেওঁ মোৰ বাবে আকাশ সমান সদিচ্ছা বুকুত কঢ়িয়াই লৈ ফুৰে — লৈ ফুৰে ভালপোৱা — হুব্ হুবাঁকৈ নামি থাকে শুভকামনাৰ দবালপিটা বৰষুণ — এজাক নহয় বহুজাক — আৰু মই তিতিও নিতিতাকৈ থাকিব লগাত পৰোঁ। তেওঁ মোক বিশ্বাসো কৰে সিমানেই — ঢালি-বাকি দিয়ে মৰম আলফুল আলসুৱা — বিশ্বাস আৰু ভালপোৱাৰে তেওঁ মোৰ বাবে এডাৰি সপোন মালা গাঁঠি — অথচ মালাইহে মোক পিন্ধে, মই মালা নিপিন্ধো — অৰণ্যৰ বুকুত যদিও তেওঁ চলাথ নকৰে কবিতা, এক আৰণ্যক অনুভৱেৰে তেওঁ মোক ওপচাই ৰাখে — আৰু মই সকলো পাইও হাহাকাৰ কৰি থাকোঁ — কবিতা নাই, কবিতা নাই — হে মোৰ আপোন পৃথিৱী — ক'লৈই জানো হয় কেৱল ভালপোৱাৰ কথা — এনে ভালপোৱা যে একোটা অকবিতা — অপ্ৰেমৰ সাগৰত ডুব যায় অকবিতা —।

**কিছু আত্মজ আলাপ ঃ**

এনেকৈয়ে, এনেকৈয়ে একোটা সবাক অনুভূতিক ধৰি ৰখাৰ নিৰ্বাক প্ৰক্ৰিয়াত আৱৰ্তমান হৈ থাকোঁ মই — লাহে লাহে এটা বৃত্তলৈ পৰিণত হওঁ — কেন্দ্ৰবিন্দুত স্থায়ী অৱস্থান থাকে কোনোবাৰ — ক্ৰমশঃ এটা ঘূৰ্ণীয়মান বৃত্তলৈ পৰিবৰ্তিত হওঁ — কক্ষপথটো জীৱন হয়— ঘূৰি থাকোঁ, ঘূৰিয়েই থাকোঁ — প্ৰক্ৰিয়া চলি থাকে আৰু চলি থাকে— আচম্বিতে কেতিয়াবা কক্ষচ্যুত হওঁ — কি হ'ল বুলি এপলক গমি চাবলৈ লগতেই পাওঁ কেন্দ্ৰবিন্দুৰ জলক-তবক অৱস্থাৰ খবৰ — ধূসৰ জীৱন-যাতনা আৰু বাস্তৱ — বিষণ্ণতা মোৰ বিষণ্ণতা! — আৰু পৰিশেষত বৃত্তৰ স্থিতি এডাল সৰলৰেখা, স্মৃতিৰ সৰলৰেখা হয়—।



*লেখিকা, স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক ইংৰাজী বিভাগ*



# নিঃসংগতা

গীতালি বৰা

নিঃসংগতা— মই তোমাক ভাল পাওঁ। অঁতো, মই নিঃসংগতাৰ প্ৰেমত পৰিছো। যোৱা তিনি বছৰে মোৰ বুকুৰ অভ্যন্তৰখন যি ৰঘুমলাৰ দৰে চানি ধৰিছে চাৰিওদিশে, সি হৈছে নিঃসংগতা। লাহে লাহে নিঃসংগতাই গ্ৰাস কৰি পেলাইছে মোৰ ভিতৰৰ সমগ্ৰ মানুহজনীক। গাৱঁৰ পৰা আহি প্ৰথম এই মহানগৰীখনত ভৰি দিয়াৰ দিনাৰে পৰা নিঃসংগতা যেন মোৰ আটাইতকৈ বিশ্বাসী লগৰী। অ' মোৰ মৰমৰ নিঃসংগতা, তুমি থাকিলে যে মোক একোৱে নালাগে — কি বেলিভিউৰ সূৰ্যাস্ত, অৰণ্যৰ সেউজীয়া আৰু পূৰ্ণিমাৰ ৰাতি জোনাক বিচাৰি যোৱাৰ আমেজ।

নি-সংগতা তুমি মোৰ ডায়েৰিৰ প্ৰতিটো পাতৰ স্বীকাৰোক্তিৰ সাক্ষী। তুমি মোৰ অন্তৰৰ প্ৰতিটো গোপন অনুভৱৰ সাক্ষী। তুমি যে মোৰ প্ৰথম প্ৰেম। নিঃসংগতা কটন কলেজৰ যোৱা তিনি বছৰৰ প্ৰতিটো অফ্‌পিৰিয়দৰ তুমি মোৰ লগৰীয়া। পাঁচ হাজাৰ কটনিয়ানৰ মাজত দৌৰি ফুৰোঁতেও তুমি যেন মোৰ কাষে কাষে লাগি ফুৰা ছাঁটোৰ দৰে। তুমি যে এতিয়া মোৰ আজন্ম প্ৰেমিক।

প্ৰত্যেক জন মানুহেই হয়তো কেতিয়াবা নিঃসংগতাৰ প্ৰেমত পৰে। মই যেনিবা নিঃসংগতাৰ প্ৰেমত ডিঙিলৈকে ডুবিলো ... তাতে কি হ'ল। মোৰ আত্মীয় সকলোৱে কলেও যে মই নিঃসংগতাৰ সংগ এৰিব নোৱাৰো। নিঃসংগতাক তুমি ইমান ভালপোৱানে বুলি মৃদুস্মিতাই সোধোতে সেয়ে সেইদিনা ডলফিনভিউ পইণ্টত উঠি মোৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল — অ' নিঃসংগতাক, মই বহুত ভালপাওঁ। কাৰণ তাক মই য'ত যেতিয়াই বিচাৰো তেতিয়াই পাওঁ এই কংক্ৰিটৰ মহানগৰীখনত। আপোন মানুহবোৰৰ স্বাৰ্থপৰতাতকৈ নিঃসংগতাৰ সংগই মোৰ বাবে বহুত মৰমৰ। নিঃসংগতা তোমাৰ বাইকৰ পাছফালে উঠি ঘূৰিবাবা বিজ্ঞাপনৰ কণমানীটোৰ দৰে আইচক্ৰীম খাই মুখ মুচিব খোজো মই তোমাৰ ছাই বৰণীয়া চাৰ্টৰ পিঠিত। নিঃসংগতা তুমি মোক এৰি নাযাবা কেতিয়াও। তুমি গুচি গ'লে মই কাৰ সতে পাৰ কৰিম সপ্তাহৰ প্ৰতিটো বন্ধৰ বাৰ আৰু হোষ্টেলৰ সেমেকা সেমেকা সন্ধিয়াবোৰ। নিঃসংগতা সকলোৰে মাজত থাকিও মই যে বৰ অকলশৰীয়া।

মই অকলশৰীয়া হোৱাৰ বাবে তুমিয়েই দায়ী নিঃসংগতা, কাৰণ — জীৱনত যদি কিবা অত্যন্ত নিজাকৈ থাকে সেয়া হৈছে নিঃসংগতা মাথো নিঃসংগতা। মই নিঃসংগতাক সংগী কৰি পূৰ কৰিব বিচাৰো মোৰ ভিতৰৰ মইজনীক আৱিষ্কাৰ কৰাৰ প্ৰতিটো ইচ্ছা।



*লেখিকা, স্নাতক দ্বিতীয় বৰ্ষ নৃতত্ত্ব বিভাগৰ ছাত্ৰী*

# অনুভূতিৰ জলঙাইদি প্ৰেম আৰু বন্ধুত্বলৈ এভুমুকি

জয়শ্ৰী চহৰীয়া

**প্ৰস্তাৱনা ঃ**

পাণ-দোকানখনৰ ওচৰ পাই নীলাঞ্জন আপোনা-আপুনি ৰৈ গ'ল ... অভ্যাসবসতঃ ছিগাৰেট এপেকেট কিনি ল'লে ... হঠাতে সি যেন সৰগ পৰা মানুহৰ দৰে স্তব্ধ হৈ থমকি ৰ'ল ... । তাৰ মনটো তৎমুহূৰ্ততে উৰি গ'ল অসমলৈ ... তাৰ জন্মস্থানলৈ ... এক আশ্চৰ্য্য কোমল অনুভূতিয়ে আলোড়িত কৰিলে তাৰ সত্বা ... কিছুদূৰত তাৰ ৰুমমেট সপ্তৰ্ষিক দেখি আগুৱাই গ'ল আৰু এটাও শব্দ উচ্চাৰণ নকৰাকৈ ছিগাৰেটৰ পেকেটটো সপ্তৰ্ষিৰ হাতত দি সি খৰধৰকৈ গুচি গ'ল। দিনত এপেকেটকৈ চিগাৰেটৰ শ্ৰাদ্ধ কৰা নীলাঞ্জনৰ আজি এই ৰূপ দেখি সপ্তৰ্ষিৰ মেলা মুখ মেলাতে থাকিল।

এনেকৈয়ে ... ঠিক এনেকৈয়ে ... হৃদয়ৰ কোনোবা চুকত থকা সেউজ কঠীয়াতলীতে লহপহকৈ গজি উঠে সেউজ অনুভৱৰ, সেউজ প্ৰেমৰ বীজ। ক্ৰমশঃ ...



**পট-পৰিৱৰ্তন ঃ**

জৱাহৰলাল নেহৰু ইউনিভাৰ্ছিটি ... চমুকৈ JNU নামটোতে যেন কিবা এক যাদু লাগি আছে। ইয়াতেই অসমৰ পৰা পঢ়িবলৈ আহিছে নীলাঞ্জন, ধ্ৰুৱাৰ্ক, সপ্তৰ্ষি, ৰাজনীশ, হেমাংগ, নয়ন, বৰষা, বনি, আকাংক্ষা, শিৱাংগীহঁতৰ দৰে বহুতো ...। ভাৰতৰ আটাইতকৈ Prestigious আৰু No-1 ইউনিভাৰ্ছিটিখনত পঢ়িবলৈ আহি মনত সহস্ৰ স্বপ্নৰে টগবগাই থকা এজাক প্ৰাণোচ্ছল যুৱক-যুৱতীৰে পৰিবেষ্টিত হৈ আছে আৰাৱলী পাহাৰত থকা JNU কেম্পাছ।

নিৰ্জনতাপ্ৰেমী নীলাঞ্জন পাহাৰৰ শিলত বহি আত্মবিস্মৃত হৈ থাকোতেই তাৰ কাষত বহিলহি তাৰ ঘনিষ্ঠ বান্ধৱী বৰষা। বৰষাৰ সান্নিধ্যত ক'ব নোৱাৰাটোয়ে তাৰ মুখৰ পৰা ওলাই পৰিল অকপট স্বীকাৰোক্তি ... তাৰ হৃদয়ৰ স্বৰলিপি ... ।

**ফ্লেছবেক ঃ**

নীলাঞ্জনে JNU-ত Seat(চিট) পোৱাৰ খবৰটো পোৱাৰ পিছত আনন্দত অধীৰ হৈ পৰিছে তাৰ মাক-দেউতাক, বন্ধু-বান্ধৱ, শুভাকাংক্ষীসকলো আৰু সি হৈ পৰিছে এক্সাইটেড। দিল্লীলৈ যোৱাৰ আগতে আনবোৰৰ লগতে তাৰ বান্ধৱী নীহাৰিকাৰ ওচৰলৈকো বিদায় ল'ব গ'ল। স্বাভাৱিক প্ৰগলভতাৰেই নীহাৰিকাই তাক ৰেলষ্টেচনত See off কৰাই দিলে। দুচকুত হেজাৰ সপোনৰ কেনভাছ আঁকি গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ কৃষ্ণচূড়া ঘাটতে ৰৈ গ'ল নীহাৰিকা...।

চিঠি, ফোন, মেইলৰ জৰিয়তে অক্ষুন্ন থাকে সিহঁতৰ নিয়মিত যোগাযোগ। চেমিষ্টাৰ ব্ৰেকত নীলাঞ্জন আহে ... নীহাৰিকাক লগ ধৰে ... বেছ স্বাভাৱিকতাৰেই দুয়ো ফুৰে, আড্ডা দিয়ে ... আৰু কিছু অস্বাভাৱিকতাৰে দুয়োৰে হৃদয়ত সংগোপনে বাঢ়ি আহে অপন্যমান। সেউজ, কোমল অনুভূতিৰ বীজ ...। তৰপে তৰপে ঠাহ খায় দুয়োৰে দুয়োকে ক'বলগীয়া অথচ ক'ব খুজিও ক'ব নোৱাৰা অনুভৱৰ টোপোলা ...। এবুকু আশা মনত লৈ অহা নীলাঞ্জন প্ৰত্যেকবাৰেই হতাশ হৈ ঘূৰি যায়গৈ আৰু ইফালে প্ৰচণ্ড প্ৰত্যয়েৰে নীলাঞ্জনৰ পৰা কিবাকিবি শুনাৰ অপেক্ষাত ৰৈ থকা নীহাৰিকাৰ প্ৰত্যয় ক্ৰমান্বয়ে নোহোৱা হয়গৈ। এইদৰেই, বন্ধুত্ব হেৰুওৱাৰ ভয়তে নাইবা পৰস্পৰে পৰস্পৰক বুজি উঠিব নোৱাৰাৰ বাবেই এক নিৰ্দিষ্ট দূৰত্বত সীমাবদ্ধ হৈ ৰয় নীলাঞ্জন-নীহাৰিকাৰ সম্বন্ধ।

**নীলাঞ্জনৰ কথা ঃ**

নীহাৰিকা তাৰ বন্ধবী ... খুব ভাল বন্ধবী ... কটন কলেজত একেলগে তিনিটা বছৰৰ পঢ়ি অহা ঘনিষ্ঠতাৰ বান্ধোনেৰে বান্ধ খাই আছে সিহঁতৰ বন্ধুত্ব। তাৰ ইমানবোৰ বন্ধুৰ মাজতো নীহাৰিকা যেন কিছু ব্যতিক্ৰম। কোনো কাৰণ নোহোৱাকৈ, ব্যাখ্যাহীনবাৱে তাৰ জীৱনৰ সেউজ উপত্যকাত নীহাৰিকাৰ উপস্থিতি কামনা কৰে সি। অথচ নীহাৰিকা সম্পৰ্কে সি সম্পূৰ্ণ কনফাৰ্ম নহয়। নীহাৰিকা তাৰ বাবে এটা সুন্দৰ সপোন, নীহাৰিকাক সি ভালপায়, প্ৰচণ্ড ভালপায়, অথচ সি একো কৰিব পৰা নাই। তাইক মুখ খুলি ক'ব পৰা নাই একো। এনেকৈয়ে

দিনৰ পিচত দিন বাগৰি যায় ... আৰু তাৰপিছত বছৰ।

মাজতে এবাৰ দুয়োৰে মাজত ভুল বুজাবুজি হওঁতে সি ছিগাৰেট খাবলৈ ল'লে। সেয়াই আৰম্ভ ... তাৰ পিছত দিনে এপেকেটকৈ চিগাৰেট তাৰ একান্ত সংগী হ'ল— নীহাৰিকাই কথাটো গম পাবলৈহে পালে, তাই ইমানেই চিৰিয়াছ হৈ তাক নাখাবলৈ অনুৰোধ কৰিলে যে সি তাইৰ কথা পেলাব নোৱাৰিলে ...। কেলেই জানো নীহাৰিকাৰ কথা সি নৰখাকৈ থাকিব নোৱাৰে! নীহাৰিকাই বেয়া পোৱা কোনো কামেই দেখোন কৰিবলৈ মনে নাযায় তাৰ!! জানো, কেলেই হয় এনেকুৱা?? এয়া কেৱল বন্ধুত্বইনে আন কিবা ...???

তাৰ চেকেণ্ড Sem.ৰ পৰীক্ষাৰ সময়ত প্ৰচণ্ড গা অসুখ ... ইফালে নীহাৰিকাৰো পৰীক্ষা ... তাতে কি হ'ল ... ! সি যিটো সময়ত তাইৰ ফোন এটালৈ আগ্ৰহেৰে অপেক্ষা কৰিছিল, তাতকৈ কিয় কেইদিনমান পিছতহে তাইৰ সময় ওলাল? ধেমালি নে কি ...? তাৰ পিছত কি প্ৰচণ্ড অভিমান তাৰ নীহাৰিকাৰ ওপৰত! তাৰ পৰা কেইদিনমান ভাৰত্যাবে গালি খায়েই থাকিল নীহাৰিকাই। কি কৰিব সি, নীহাৰিকা যে তাৰ স্বপ্নৰ গৰাকী!

"... মোৰ সকলো স্বপ্ন আৰু স্বপ্নভংগৰ
চাবি কাঠি এতিয়া তোমাৰ,
তোমাৰ যাতায়ত আৰু সান্ধ্যভ্ৰমণৰ কাৰণে
মুকলি মোৰ বুকুৰ পদূলি।" — (অতনু ভট্টাচাৰ্য্য)

**নীহাৰিকাৰ কথা ঃ**

তাই সব কথাতে চিৰিয়াচ ... সৰু ডাঙৰ বুলি কোনো কথা নাই... তাতে নীলাঞ্জনৰ ক্ষেত্ৰততো ক'বই নালাগে। কিবা ক'বলগীয়া থাকিলে নীলাঞ্জন, প্ৰব্লেম হ'লে সমাধান কৰিব লগা হ'লে নীলাঞ্জন, ... মুঠতে যিকোনো কথা স্বেয়াৰ কৰিব লগা হ'লেই প্ৰয়োজন নীলাঞ্জনৰ। তাৰ মাজতে প্ৰকাশ কৰিব নোৱাৰাকৈ থাকি যায় তাৰ বাবে তাইৰ হৃদয়ত থুপ খোৱা ইংগিত আশা-আকাংক্ষাৰ হিচাপ-নিকাচবোৰ।

ছটফটীয়া নীহাৰিকা ক্ৰমান্বয়ে হৈ পৰে উদাসীন ... বিষাদৰ ডাৱৰে ঢাকি পেলায় তাইৰ সত্ত্বা ... বিষাদৰ বৰষুণে ধুৱাই পেলায় তাইৰ হৃদয় মন সকলো ...।

"কেতিয়াবা যে বিষাদ
জীৱনৰ ইমান কাষ চাপি আহে
বন্ধুৰ দৰে ;
ম্লান হাতত তাৰ অন্য পাণ্ডুলিপি।" —(হীৰুদা)

সি আহিলে বহুত আশাৰে লগ ধৰে তাই ... অথচ লগ পোৱাৰ পিছত প্ৰত্যেকবাৰেই ঠিক কৰে তাক আৰু কেতিয়াও লগ নকৰে বুলি। তাক লগ পোৱাৰ পিছত সময়খিনি খুবেই কষ্টকৰ হয় তাইৰ বাবে ... এয়া তাই কাকো বুজাব নোৱাৰে, আনকি নীলাঞ্জনকো।

"নহয় হ'লেই হয়তো ভাল আছিল সেই দিনটো,
কাৰণ সেই দিনটো পাৰ হৈ যোৱাৰ পিছৰে পৰা
মই অনুভৱ কৰিছো গভীৰ বিষাদ
আৰু শূন্যতা - বাহিৰে বিতৰে।" —(অনুপমা বসুমতাৰী)

মাজে মাজে তাইৰ খুব খং উঠে তাৰ ওপৰত। চিঠি আৰু ফোনত লগ পায় তাইৰ চিৰপৰিচিত নীলাঞ্জনক আৰু যেতিয়া বাস্তৱত লগ পায় সেয়া অন্য এক নীলাঞ্জন ...। কিয় সি এনে কৰে ভাবি নাপায় তাই ... কিয় দুয়োজনেই লগ হৈ এজনৰ ৰূপত ধৰা নিদিয়ে? কিয় তাইৰ ওচৰত ধৰা দিব নোখোজে সি? কেতিয়াবা তাৰে তায়েই খোলাখোলিকৈ কৈ দিব নেকি সকলোবোৰ! কিন্তু সি যদি ধেমালি বুলি উৰাই দিয়ে! বন্ধুত্বৰ নামত প্ৰৱঞ্চনা কৰা বুলি কয়!!... ভিতৰি ভিতৰি এক অস্থিৰ মানসিকতাৰে পাৰ হয় নীহাৰিকাৰ জীৱনৰ দিন আৰু ৰাতি। এক নামবিহীন অস্থিৰতা, উদাসীনতা, বিষণ্ণতা আৰু নিঃসংগতাবোধে আজুৰি পেলাব খোজে নীহাৰিকাৰ সত্ত্বা।

**এমুঠি নষ্টালজিয়া আৰু কিছু অনুভৱ ঃ**

কটন কটন সুবাসে চুই যোৱা দিনবোৰতে নীহাৰিকাই লগ পাইছিল এক ব্যতিক্ৰম সত্ত্বা, এক মিৰাবল, নীলাঞ্জনক। জীৱন গঢ়াৰ কমাৰশালত একেলগে দুয়োয়ে থিয় দিওঁতেই প্ৰগাঢ় বন্ধুত্বৰে বান্ধ খাইছিল সিহঁত দুটা। এতিয়া সেই দিনবোৰৰ মধুৰ নষ্টালজিয়াই বিধৌত কৰি পেলায় তাইৰ হৃদয়...। অনুভৱৰ মোহনাই জীপাল কৰি তোলে তাইৰ ডায়েৰীৰ পাতে পাতে সিঁচৰতি হৈ থকা ৰহঘুণ, জোনাক, দুখ, প্ৰেম আৰু যন্ত্ৰণাৰ ঠিকনা...।

কৃষ্ণচূড়া আৰু সোণাৰুৰ ৰঙেৰে ৰঙা হালধীয়া হৈ পৰা দিনবোৰতো জালুকবাৰীত নীলাঞ্জনৰ অস্তিত্বৰ অনুভৱেৰে অনুভৱী হৈ পৰে নীহাৰিকা। এক অনামী দুখ আৰু নিঃসংগতাবোধে তাইৰ হৃদয় - মন আলোড়িত কৰি থাকে প্ৰতিনিয়ত।

"মই দুখৰ সতে খেলো,
হাৰোৱেই বা জিকো,
অবিচলিত মোৰ আনন্দ! — (হীৰুদা)

সেই একেই অস্থিৰতাৰে, উদাসীনভাৱে নীলাঞ্জনে দিন কটাই দিয়ে আৰাৱলী পাহাৰত থকা JNU কেম্পাছত নীহাৰিকা যে তাৰ বাবে অযুত আশাৰ এনচাইক্লপেডিয়া, এক অনিতাভ স্বপ্ন...।

"দুখৰ অৰণ্য নাথাকিলে
ক'ত আহি জিৰাবাহি সুখৰ চৰাই!!

**যৱনিকাৰ আগে আগে ঃ**

পল্টনবজাৰ ৰেলষ্টেনত এয়া নীহাৰিকা ... আৰু মাত্ৰ দহমিনিট পিছতেই যাত্ৰা কৰিব নীলাঞ্জন যাবলগীয়া ৰাজধানী এক্সপ্ৰেছে। এক নিখুঁত অভিনয়েৰে 'বাই, টেককেয়াৰ' জাতীয় কথাৰে দুয়ো দুয়োৰে পৰা বিদায় ল'লে। বিষাদেৰে ভাৰাক্ৰান্ত হৈ গুচি গ'লগৈ নীলাঞ্জন ... আৰু প্লেটফৰ্মত এক অনন্য অস্থিৰতাৰে কপি থাকিল নীহাৰিকাৰ হাত...।

**উপসংহাৰ ঃ**

নহ'লগৈ আৰু ... কোনোপধ্যেই কোৱা নহ'লগৈ নীলাঞ্জন-নীহাৰিকাৰ মনৰ কথা পৰস্পৰক। 'বিশেষ কিবা' পাব বিচাৰিবলৈ গৈ বন্ধুত্ব হেৰুৱাব লগা হোৱাৰ ভয়তে স্বাৰ্থপৰ হ'ব নুখুজিলে সিহঁতে। মনৰ গোপন কুঠৰীৰ দুৱাৰ চিৰদিনলৈ বন্ধ কৰি আজীৱন ভাল বন্ধু হোৱাৰ অভিনয় কৰি গ'ল নীলাঞ্জন আৰু নীহাৰিকাই। কোনো মূল্যৰ বিনিময়তো যে হেৰুৱাব নোৱাৰা সম্পৰ্ক এই বন্ধুত্ব ....!!

(নীলাঞ্জনৰ হাতত — ক্ষমা প্ৰাৰ্থনাৰে ...)

*লেখিকা, স্নাতক ২য় বৰ্ষ ইংৰাজী বিভাগৰ ছাত্ৰী*

# মানৱতাৰ অৱমাননাৰ বিৰুদ্ধে সংস্কৃতিবান মনৰ স্বতঃস্ফূৰ্ত প্ৰতিবাদ ঃ 'কল্লোলিনী'

গুণীন শইকীয়া

লয়াৰ্ছ বুকষ্টলৰ দ্বাৰা প্ৰকাশিত আৰধনা গোস্বামীৰ উপন্যাস 'কল্লোলিনী'ৰ নায়িকা জয়িতাৰ বাস্তৱ সত্য সামাজিক পৰিস্থিতিত ব্যক্তিত্ব আৰু মানৱতাৰ অৱমাননাৰ বিৰুদ্ধে সংস্কৃতিবান মনৰ স্বাভাবিক আৰু স্বতঃস্ফূৰ্ত প্ৰতিবাদ।

পূৰ্ণবয়স্কা এগৰাকী নাৰীয়ে জীৱনত পোৱা ঘাত-প্ৰতিঘাতৰ আধাৰত জগত সম্পৰ্কে চেতনাৰ উদয় আৰু বিকাশৰ কাহিনীয়েই কল্লোলিনী উপন্যাসৰ মূল বিষয়বস্তু। উপন্যাসখনত নায়িকা জয়িতাই নাৰী এগৰাকীৰ অভিজ্ঞতাক সচেতনভাৱে নিৰীক্ষণ কৰিবলৈ পাঠকক বাধ্য কৰিছে।

কাহিনী অনুসৰি পৰিস্থিতিৰ তাগিদাত মাকৰ আকস্মিক মৃত্যু আৰু প্ৰবাসী দেউতাকৰ কৰ্মজীৱনত কোনোপধ্যেই হেঙাৰ নহ'বলৈকে জয়িতাই স্নাতক পৰীক্ষা দিয়াৰ আগতে স্ব-ইচ্ছাৰে বিয়াত বহিছে। বিয়াৰ পিছত সাধাৰণতে এজনী ছোৱালীয়ে মাক-দেউতাকৰ আশ্ৰয় আৰু নিৰাপত্তাৰপৰা আঁতৰি আহি প্ৰকৃত জীৱন আৰম্ভ কৰে। সমাজৰ অন্তৰ্নিহিত দ্বন্দ্ববোৰৰ মুখামুখি হয় আৰু সংসাৰত নিজৰ ভূমিকা নিজে নিৰূপণ কৰাৰ সুযোগ পায়। জয়িতা আবেগিকভাৱে সংকুচিত সংবেদনশীল ছোৱালী। আত্মমগ্নতা আৰু আত্মগৰিমা তাইৰ আত্মপ্ৰেমৰ প্ৰকাশ। নিজৰ ঘৰৰ বাহিৰ ওলাই বিভিন্ন সময়ত বহুজনৰ দুখ-কষ্টৰ লগত, বিশেষকৈ নাৰীৰ বন্দীত্ব আৰু অৱদমনৰ লগত তাইৰ পৰিচয় ঘটিছে। ব্যক্তিগত সত্বাৰ বন্ধনমুক্তিৰ লগে লগে জয়িতাই উপলব্ধি কৰিছে তাই যেন সমগ্ৰ নাৰীসত্বাৰে প্ৰতিনিধি।

সিদ্ধাৰ্থ আৰু জয়িতাই দুয়োজনে সিজনক আকুলভাৱে ভালপাব খুজিও ভালপাব পৰা নাই। — *"সেইজনী জয়িতাক সি কিমান আতিশয্যৰে ভাল পাইছিল। আজি জয়া তাৰ পত্নী। তাৰ সংসাৰৰ গৃহিনী। অথচ কিমান দূৰত্বভাৱে সিহঁত অনাত্মীয়। ভালপাব খুজিও সিহঁতে ভালপাব নোৱাৰে। সি অসহায় অক্ষম।"* — (পৃঃ ১০৪)।

অনুৰূপ উপলব্ধি জয়িতাৰো — *'সিদ্ধাৰ্থক কিমান উদাসভাৱে তাই ভাল পাইছিল ... অথচ আজি সিদ্ধাৰ্থৰ হেজাৰ স্পৰ্শয়ে তাইৰ ভিতৰৰ মানুহজনীক জগাই নোতোলে। প্ৰতিনিশাই যন্ত্ৰবৎ তাই সোমাই পৰে সিদ্ধাৰ্থৰ বাহুবন্ধনত। ক'ত হেৰাই গ'ল সেই আবেগ, অনুভূতি, আনন্দ?"* (পৃঃ ৭০)। সিদ্ধাৰ্থ আৰু জয়িতা উভয়ে এক নিৰ্দিষ্ট সমাজ ব্যৱস্থাই জাপি দিয়া যান্ত্ৰিক জীৱনৰ চিকাৰ মাথোন।

লেখিকাই উপন্যাসৰ ঘটনাপ্ৰবাহক সময়ৰ বাওৰে বান্ধি ৰাখি অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক জীৱনৰ অধ্যায় এটাক মূৰ্ত কৰিছে। যোৱা তিনিটামান দশকৰ অসমত ঘটনাপ্ৰবাহৰ লগত কোনো সংবেদনশীল ব্যক্তি নিৰুদ্বেগ হৈ থকাৰ উপায় নাই। উপন্যাসৰ নায়িকা জয়িতাৰ দৰে এই ঘটনা প্ৰবাহৰ লগত নিবিড়ভাৱে পৰিচিত শিক্ষিত নাৰী এগৰাকীক সামাজিক ঘটনাপ্ৰবাহেই চিন্তিত কৰি ৰাখিবৰ বাবে যথেষ্ট। স্বামীৰ অবহেলা আৰু জয়িতাৰ কেৱল জান্তব যৌন ক্ষুধা নিবৃত্তিৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ প্ৰৱণতাই বিশ্ববিদ্যালয়ৰ অধ্যাপকসৰ পণ্ডিতালিৰ সাৰশূন্যতা প্ৰকাশ কৰাৰ লগতে জয়িতাৰ পাৰিবাৰিক পৰিস্থিতিক কৰুণ কৰি তুলিছে।

সিদ্ধাৰ্থক আৰম্ভণিৰ পৰা উপন্যাসখনত অধ্যয়নশীল উদ্যোগী শিক্ষকৰূপে অঁকা হৈছে। নিজ সন্তানৰ মৃত্যুৰ পিছত সিদ্ধাৰ্থই ঘৰৰ নিৰ্জন নিৰুৎসাহী পৰিবেশতকৈ জনাকীৰ্ণ মঞ্চখনলৈ অধিক আকৰ্ষিত হৈছে। জয়িতাই প্ৰথমতে ইয়াক 'সন্তানহাৰা পিতৃৰ একান্তই সাময়িক অৱস্থা বুলি প্ৰশ্ৰয় দিছিল' (পৃঃ ১০১)। কিন্তু সিদ্ধাৰ্থৰ সম্ভাৱনা আৰু সামৰ্থ্যৰ অপচয় দেখি তাইৰ আক্ষেপ হৈছে।

কল্লোলিনীৰ শেষৰ অধ্যায়ত সিদ্ধাৰ্থই জয়িতাক কৈছে যে তেওঁ যেন মিটিং কৰাটো বাদ দিছে। সিদ্ধাৰ্থই পত্নী জয়িতাক তাইৰ 'আত্মকথা'খন প্ৰকাশ কৰিবলৈ উদগণি দিছে।

কল্লোলিনীক পৰম্পৰাগত উপন্যাস হিচাপে বিচাৰ কৰিলে ইয়াৰ সামৰণিটো বিশ্বাসযোগ্য নালাগিবও পাৰে। কিয়নো প্ৰেম আৰু বিশ্বাসৰ ভিত্তিত জয়িতা-সিদ্ধাৰ্থৰ মিলনৰ ইংগিত দেখুৱালেও তেওঁলোকৰ সুস্থিৰ সনাতনী দাম্পত্য জীৱনৰ প্ৰতিশ্ৰুতি ইয়াত নাই। এক কথাত কবলৈ গ'লে উপন্যাসিকে জয়িতা আৰু সিদ্ধাৰ্থৰ জৰিয়তে গতানুগতিক জীৱনৰ এটা কোণত ভুমুকি মাৰিছে।

**কিতাপৰ নাম ঃ 'কল্লোলিনী', লেখিকা ঃ আৰাধনা গোস্বামী**

*লেখক, স্নাতক তৃতীয় বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰ*

# অগ্নিৰ ডেউকা
# ড° এ পি জে আব্দুল কালাম

*(সহযোগী লেখক ঃ অৰুণ তেৱাৰী, অনুবাদ ঃ সুৰেশ শৰ্মা)*

পাৰ্থ কমল কাকতি

বিগত ২০০২ বৰ্ষত ভাৰতবৰ্ষৰ সৰ্বজন পঠ্য গ্ৰন্থৰ সমীক্ষাত নিঃসন্দেহে এতিয়ালৈকে কেইবাটাও ভাৰতীয় ভাষাকে (১১ টা) আদি কৰি পৃথিবীৰ অন্যান্য কেইবাটাও ভাষাত সংস্কৰণ ওলোৱা গ্ৰন্থখন হ'ল 'WINGS OF FIRE' অসমীয়াত 'অগ্নিৰ ডেউকা' যাৰ প্ৰতিপাদ্য বিষয় হ'ল ভাৰতীয় ৰকেট বিজ্ঞানৰ অন্যতম সফল পুৰোধা তথা বৰ্তমান দেশৰ সৰ্বোচ্চ পদাধিকাৰী ৰাষ্ট্ৰপতি ড° আবুল পকিৰ জয়নাল আবেদীন আবুল কালামৰ বৰ্ণাঢ্য আত্মকথা।



অৱশ্যেই পঠনীয় এই গ্ৰন্থখন এজন প্ৰথিতযশা ব্যক্তিৰ গতানুগতিক আত্মজীৱনী নহয়, বৰঞ্চ এজন কৰ্মযোগী পুৰুষ আৰু অসাধাৰণ বিজ্ঞানীৰ কৰ্মপঞ্জীৰ ৰূপান্তৰ। 'মিছাইল মানব' জনৰ বাল্যকাল, ছাত্ৰ-জীৱন, কৰ্মজীৱন - উপগ্ৰহ উৎক্ষেপনত তেখেতৰ আত্মনিয়োগৰ কাহিনী আদি সন্নিবিষ্ট হৈছে। ব্যাসদেৱে কৈ যোৱা মহাভাৰতখন গণেশে লেখাৰ দৰে তেওঁৰেই সহকৰ্মী অৰুণ তেৱাৰীৰ সহযোগত ৰচিত এই জীৱন চৰিত ১৯৯৯ চনত প্ৰথম প্ৰকাশ পায়। এগৰাকী নিৰহঙ্কাৰ কবি, জীৱনৰ বিলাস-বৈভৱ আৰু বিষয় বাসনাৰ প্ৰতি বীতস্পৃহ কোবিদ বিজ্ঞানীগৰাকীৰ জ্ঞানৰ পৰিধি, অবুত স্বপ্ন, আত্মোপলব্ধিৰ কাহিনী গ্ৰন্থখনৰ কোঁহে কোঁহে জাজ্বল্যমান। কিতাপখনৰ নামকৰণত WINGS OF FIRE দিয়াৰ অন্তৰালত কালামে কৈছে— 'আমি প্ৰত্যেকেই নিজৰ ভিতৰত একোকুৰা স্বৰ্গীয় জুই লৈ জন্মিছো। এতিয়া সেই জুইকুৰাক ডেউকা একোখন দিয়াৰ বাবে নিৰন্তৰ প্ৰয়াস কৰিব লাগে।' তামিলনাডুৰ ৰামেশ্বৰম নামৰ দ্বীপনগৰীত জন্ম গ্ৰহণ কৰা কালামৰ শৈশৱ তথা শিক্ষাজীৱন স্বচ্ছল নাছিল। 'অগ্নিৰ ডেউকা' কণমানি ল'ৰা এজনৰ ব্যক্তিগত দুখ দুৰ্দশা, উত্থান-পতনৰ কাহিনী যাৰ অধিনায়কত্বত আজি এখন দেশে বিশ্বৰ দৰবাৰ কঁপোৱাৰ সপোন দেখিছে। স্কুলৰ মাচুল নিদিয়াৰ বাবে যন্ত্ৰণা, কলেজত পঢ়ি থাকোঁতে আৰ্থিক দুৰৱস্থাৰ বাবে তেওঁ কেনেকৈ নিৰামিষভোজী হ'ল এইবোৰ কথা আধুনিক ভাৰতৰ যন্ত্ৰণাবোধৰ প্ৰতিচ্ছবি। বায়ুসেনা বিভাগৰ পাইলট হোৱাৰ অসফল চেষ্টা, কালেক্টৰ নহৈ ৰকেট ইঞ্জিনীয়াৰ হোৱাৰ কাহিনী যুজাৰু মনৰ পৰিচায়ক। সাধাৰণ পাঠক-পাঠিকাৰ এই সফল পৰিক্ৰমাৰ সাক্ষী হোৱাৰ বাবে, কি হৃদয়ৰ বলত, কি অদম্য মনোশক্তিৰে সফলতাৰ উচ্চ শৃঙ্গত অধিষ্ঠিত হ'ল তাক বুজিবৰ বাবে গ্ৰন্থখনৰ প্ৰতিটি বাক্যৰ মাজত সোমাই পৰিব লাগিব।

এই গ্ৰন্থখনিৰ জৰিয়তে নিজৰ পিতৃ-মাতৃ, পৰিয়াল আৰু জীৱনৰ বিভিন্ন সময়ত সংস্পৰ্শলৈ অহা শিক্ষাগুৰু তৰুণ সহকৰ্মী সকল আৰু নামজ্বলা বিজ্ঞানী বিক্ৰম সাৰাভাই, সতীৰ্থ ধাৱান আৰু ব্ৰহ্মপ্ৰকাশৰ ওচৰত শ্ৰদ্ধাৰ্ঘ যাচিছে। নিশ্চয় কিতাপখনৰ মাজত হতাশাত ভোগাসকলে অনুপ্ৰেৰণা লাভ কৰিব, ভাৰতীয় সমৰ বিজ্ঞান, ক্ষেপনাস্ত্ৰৰ বিষয়ে ইয়াত মাধ্যমিক জ্ঞান লভিব পাৰে। নতুন প্ৰজন্মক উদ্দেশ্যি তেওঁ লিখিছে

*'অগ্নিৰ ডেউকা' কণমানি ল'ৰা এজনৰ ব্যক্তিগত দুখ দুৰ্দশা, উত্থান-পতনৰ কাহিনী যাৰ অধিনায়কত্বত আজি এখন দেশে বিশ্বৰ দৰবাৰ কঁপোৱাৰ সপোন দেখিছে। স্কুলৰ মাছুল নিদিয়াৰ বাবে যন্ত্ৰণা, কলেজত পঢ়ি থাকোঁতে আৰ্থিক দুৰৱস্থাৰ বাবে তেওঁ কেনেকৈ নিৰামিষভোজী হ'ল এইবোৰ কথা আধুনিক ভাৰতৰ যন্ত্ৰণাবোধৰ প্ৰতিচ্ছবি।*

'হে ভাৰতীয় যুৱক ।...
ক'ৰবাত নহয় ক'ৰবাত
বন্তি জ্বলাই ৰাখিম
যাৰ আলোকেৰে মোৰ দেশ মহান হ'ব।'
(২০০২ চনৰ ২২ মাৰ্চ)

বিজ্ঞানৰ অন্বেষণ হ'ল হৰ্ষোল্লাস আৰু নৈৰাশ্যৰ সংযোজনা যাক পোৱা যায় ইয়াৰ প্ৰতিটো পাততেই। ভাৰতীয় সংগঠন বিলাকত আমি দাম্ভিকতাই দুৰ্বিষহ কৰিছে সিও ইয়াৰ মাজেদি প্ৰতিফলিত হৈছে। গোটেই কিতাপখন বিজ্ঞানভিত্তিক হ'লেও ইলিয়টৰ হ'লমেনৰ পৰা আৰম্ভ কৰি টাউৱীজলৈকে সাহিত্যৰ মৌ কোঁহ বিৰাজমান। নব নিযুক্ত ডি আৰ ডি এলৰ বিজ্ঞানীসকলক দেখি তেওঁৰ স্মৃতি পটত ভাস্বৰ হৈ উঠে কলেৰিজৰ কবিতাটি 'যেন শিল্পৰে চিত্ৰ পটত অঁকা মহাসমূদ্ৰত নিশ্চল জাহাজৰ ছবি।' অগ্নিৰ সফল উৎক্ষেপনত ডায়েৰীত লিখিলে 'এই অগ্নি এজন ভাৰতীয়ৰ অন্তৰত/প্ৰজ্বলিত অগ্নি।' (১৪৬ পৃষ্ঠা)

নিবন্ধৰ উদাৰমনা পিতৃৰ পৰা (জয়নাল আবেদীন) পায় এক ধৰ্মীয় সংকীৰ্ণতাৰ পৰা মুক্ত মন। ঘনিষ্ঠ বন্ধু পূজাৰী লক্ষ্মনাশাস্ত্ৰীদেৱে সৈতে তেওঁ পৰম্পৰাগত পোছাক পিন্ধি আলোচনাত মগ্ন হৈ থাকে। কালামেও দূৰ-দূৰণিৰ পৰা মন্দিৰ প্ৰদক্ষিণ কৰি '... কিবা এক অদ্ভুত শক্তিৰ ধাৰা' উপলব্ধি কৰে। সহকৰ্মী বিজ্ঞানীসকলৰ ঘটনাৰো তেওঁ ভুক্তভোগী। তেনে মুহূৰ্ততো তেওঁ ধৰ্মগ্ৰন্থ অথবা বীণা বজাইহে প্ৰশান্তি লভে। আব্দুল কালামৰ জীৱন কাহিনী নিজ ভাতৃৰ কামত হাত ধৰি দিয়াৰ বাবে খবৰ কাগজ বিক্ৰী কৰা এজন ল'ৰাৰ কাহিনী। এম. জি. কে. মেনন মহোদয়ে চিনাক্ত কৰা আৰু অধ্যাপক সাৰাভাইয়ে নিজ হাতে গঢ় দিয়া এজন ইঞ্জিনিয়াৰৰ কাহিনী। অসফলতা আৰু বিপৰ্যয়ৰ মাজত পৰীক্ষিত এজন বিজ্ঞানীৰ কাহিনী। তেওঁ স্বীকাৰ কৰিছে "আনৰ বাবে মই নিজকে আদৰ্শ হিচাপে প্ৰক্ষেপ কৰিব নোখোজোঁ। কিন্তু মই বিশ্বাস কৰোঁ কিছুমান আত্মাই তাৰ পৰা অনুপ্ৰেৰণা লাভ কৰিব পাৰে।"

কিতাপখনৰ অসমীয়া অনুবাদত (সুৰেশ শৰ্মা) তেওঁৰ বৰ্ণনা জটিলতা, প্ৰচ্ছন্নতা, নিগূঢ় ৰূপক, উপ-কাহিনীৰ সমাহাৰ হ'লেও সেইবোৰ অনায়াসে খোল খাই গৈ এক অবিৰত আলাপত পৰিণত হয় যাৰ জৰিয়তে তেওঁৰ সঙ্গ লাভ কৰাৰ উপৰিও আধ্যাত্মিক সখ্যতা অনুভব কৰিব পাৰি। সুদূৰ অতীজৰে পৰা মানুহৰ মাজত বিভিন্ন কাৰণত সংঘাত চলি আহিছে। এই গ্ৰন্থখন কেৱল এজন ব্যক্তিৰ বিজয় বা দুখৰ কাহিনীয়েই নহয়। বৰং প্ৰযুক্তিবিদ্যাৰ অগ্ৰণী স্থান লাভৰ বাবে আধুনিক ভাৰতৰ সফলতা-বিফলতাৰ চিত্ৰৰূপ। ৰাষ্ট্ৰীয় আশা-আকাংক্ষা আৰু যৌথ প্ৰচেষ্টাৰ চিত্ৰণ। জটিল চিন্তাক অতি প্ৰাঞ্জল ভাষাত সৰলীকৰণ কৰা 'অগ্নিৰ ডেউকা'ৰ জুইকুৰাক ডেউকা একোখন দিয়াৰ বাবে আমি নিৰন্তৰ প্ৰয়াস কৰিব লাগে যাতে সেই অগ্নিৰ আলোকত সমগ্ৰ পৃথিৱী উদ্ভাসিত হৈ উঠে।

*লেখক, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ বিজ্ঞানৰ ছাত্ৰ*

গ্ৰন্থ সমালোচনা ঃ

# সৃষ্টি প্ৰতিভাৰ সোণালী স্বাক্ষৰ ঃ
# *এজন অসামাজিক কবিৰ বায়'গ্ৰাফী*

মহান বৰা

"এজন অসমাজিক কবিৰ বায়'গ্ৰাফী" নামৰ গল্প সংকলনটি প্ৰকাশ কৰি উলিয়াইছেপ্ৰকাশক ইলা শৰ্মাই। গল্প সংকলনটিৰ লেখিকা অনুৰাধা শৰ্মা পূজাৰী। অনুৰাধা শৰ্মা পূজাৰীয়ে ইতিমধ্যে অসমীয়া সাহিত্য জগতত এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। নিজৰ সৃষ্টিশীল প্ৰতিভাৰে অসমীয়া সাহিত্য সমাজত সুকীয়া মৰ্য্যদা লাভ কৰিছে। এই গল্প সংকলনটিত অনুৰাধা শৰ্মা পূজাৰীয়ে দহটা গল্প সন্নিবিষ্ট কৰিছে। ইয়াৰ গল্পসমূহত গল্প লেখিকাৰ সৃষ্টিশীল প্ৰতিভাৰ এক ৰেঙণি প্ৰতিভাত হৈছে।

"এজন অসামাজিক কবিৰ বায়'গ্ৰাফী" গল্প সংকলনটিৰ প্ৰথম গল্পটিয়েই হ'ল — "এজন অসামাজিক কবিৰ বায়'গ্ৰাফী"। এই গল্পটিৰ আধাৰতে সংকলনটিৰ নামকৰণ কৰা হৈছে। গল্পটিৰ নামকৰণ আৰু বিষয়বস্তুৱে পাঠকক উৎকণ্ঠিত আৰু পঢ়িবলৈ উৎসাহিত কৰিব। গল্পটিৰ বিষয়বস্তু যথেষ্ট সংবেদশীল আৰু মনশীল। যথেষ্ট সতৰ্কতাৰে লেখিকাই গল্পটো আৰম্ভণিৰ পৰা শেষলৈকে উপস্থাপন কৰিছে।

"এজন অসামাজিক কবিৰ বায়'গ্ৰাফী" নামৰ এই গল্পটিত লেখিকাই "কৌশিক বৰুৱা" নামৰ চৰিত্ৰ এটাক কেন্দ্ৰীয় চৰিত্ৰ হিচাপে লৈ গল্পটো উপস্থাপন কৰিছে। পৰিবেশৰ তাড়নাত কেনেদৰে কৌশিক বৰুৱাৰ দৰে মেধাবী মানুহজনৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আহিছিল সেয়া যথেষ্ট সংবেদনশীলতা আৰু মননশীলতাৰ মাজেৰে প্ৰকাশ কৰিছে। গল্পটিৰ মতে — কৌশিক বৰুৱাই ডেকা অৱস্থাত লেখিকাৰ ঘৰুৱা শিক্ষক আছিল। ইংৰাজী সাহিত্যত পৰিপক্ক জ্ঞান থকা এই মানুহজনৰ আদৰ্শই লেখিকাক আকৰ্ষণ কৰিছিল। কালক্ৰমত কৌশিক বৰুৱাৰ গীতা নামৰ ছোৱালী এজনীৰ লগত বিয়া হৈ যায়। ঘটনাৰ পাকচক্ৰত পৰি লেখিকাই বহু বছৰ বিৰতিৰ পিছত পুনৰ এদিন টেলিফোনত কৌশিক বৰুৱাৰ লগত বাৰ্তালাপ কৰিবলগীয়া হয়। টেলিফোনৰ যোগেদি লেখিকাই এজন অন্য চৰিত্ৰৰ কৌশিক বৰুৱাক আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। তিনি কি চাৰি বছৰ বয়সতে লগ পোৱা কৌশিক বৰুৱাক লেখিকাই জানিবলৈ সক্ষম হয় — কৌশিক বৰুৱা আৰু গীতা মামীৰ সাংসাৰিক জীৱনৰ কথা, বিপৰ্য্যয়ৰ ধুমুহা তেওঁলোকৰ জীৱনলৈ বোৱাই অনা মিলি নামৰ নাৰীগৰাকীৰ কথা, পুত্ৰ ঐশানুৱতৰ অভিনয় প্ৰতিভাৰ কথা ইত্যাদি।

গল্পটিৰ শেষত লেখিকাই আত্মোপলব্ধি কৰিবলৈ চেষ্টা কৰিছে কৌশিক বৰুৱাৰ ক্ষোভ, খং, উন্মাদনা আৰু সাধুতা। কৌশিক বৰুৱাই "সত্যক" যেনেদৰে প্ৰকাশ কৰিব পাৰিছে সেয়া নিতান্তই প্ৰশংসনীয় বুলি অনুভৱ কৰিছে। সেইকাৰণে লেখিকাই গল্পটিৰ শেষত কৌশিক বৰুৱাক সমাজৰ ইতিকিঙৰ পৰা বচাবলৈ এক সবল ব্যক্তি হিচাপে থিয় কৰাই দিছে। এক কাৰুণ্যই গল্পটিৰ মাজেৰে ভুমুকি মাৰিছে আৰু এই পৰিবেশৰ বাবে দায়ী কোন এনে এক প্ৰশ্নও উত্থাপিত হৈছে। গল্পটিত এক বিশেষ চিত্ৰ আৰু প্ৰতীক ফুটি উঠিছে। সামৰণি অতি সুন্দৰ আৰু তাৎপৰ্য্যপূৰ্ণ হৈছে।

"এক চেকেণ্ড মৌনতা", "এটা আমেৰিকান অনুভৱ", "কথা কোৱা পুতলা" আদি গল্পৰ মাজেৰে লেখিকাই সাহিত্য প্ৰতিভাৰ প্ৰকাশ পৰিস্ফুট হৈছে। "উপহাৰ" গল্পটো যথেষ্ট সুন্দৰ হৈছে। য'ত এজন পুৰুষৰ যৌৱন কালত সংঘটিত হোৱা প্ৰেমক এক স্বৰ্গীয় মৰ্যদা দিয়া হৈছে। গল্পটিৰ আৰম্ভণিতে অশোক ভাৰ্গৱৰ লগত লেখিকাই সুসম্পৰ্ক থকাৰ কথা উল্লেখ কৰিছে। অশোক ভাৰ্গৱৰ ঘৰলৈ যোৱা আৰু তেওঁৰ ছোৱালীৰ বিয়াৰ পাৰ্টিৰ কথাও সন্নিবিষ্ট কৰা হৈছে। পাৰ্টিত উপস্থিত থকা নীনা নামৰ ছোৱালীজনী আৰু তাইক দেখি ভাৰ্গৱে কৰা আচৰণক সেইদিনা লেখিকাই, সহজভাৱে ল'ব পৰা নাছিল। কিন্তু পিচদিনা ফোনত ভাৰ্গৱে ইয়াৰ গূঢ়াৰ্থ ভাঙি দিছিল। নীনাই পিন্ধা টপটোৰ বুকুৰ মাজত মাৰি অহা ব্ৰুচপিনটোৰ প্ৰকৃত জন্মদাতা যে তেওঁয়ে আৰু তাই ব্ৰুচপিনটো তেওঁ তেওঁৰ প্ৰেয়সী নৈষ্ঠিক গোড়া ব্ৰাহ্মণ পৰিয়ালৰ ছোৱালী সুজাতাৰ বাবে বনাইছিল বুলি ফোনত লেখিকাক জানিবলৈ দিয়ে। নীনাৰ বুকুত ব্ৰুচপিনটো দেখি সেয়েহে তেওঁ উন্মাদ হৈ পৰিছিল। শেষত তেওঁ নীনাৰ পৰা জানিব পাৰে যে তাইৰ মাকৰ নাম সুজাতা আৰু দুবছৰ আগত তেওঁৰ মৃত্যু হৈছে। এনে মৰ্মান্তিক খবৰে অশোক ভাৰ্গৱক

গল্পটিৰ শেষত লেখিকাই আত্মোপলব্ধি কৰিবলৈ চেষ্টা কৰিছে কৌশিক বৰুৱাৰ ক্ষোভ, খং, উন্মাদনা আৰু সাধুতা। কৌশিক বৰুৱাই "সত্যক' যেনেদৰে প্ৰকাশ কৰিব পাৰিছে সেয়া নিতান্তই প্ৰশংসনীয় বুলি অনুভৱ কৰিছে। সেইকাৰণে লেখিকাই গল্পটিৰ শেষত কৌশিক বৰুৱাক সমাজৰ ইতিকিঙৰ পৰা বচাবলৈ এক সবল ব্যক্তি হিচাপে থিয় কৰাই দিছে। এক কাৰুণ্যই গল্পটিৰ মাজেৰে ভুমুকি মাৰিছে আৰু এই পৰিৱেশৰ বাবে দায়ী কোন এনে এক প্ৰশ্নও উত্থাপিত হৈছে। গল্পটিত এক বিশেষ চিত্ৰ আৰু প্ৰতীক ফুটি উঠিছে। সামৰণি অতি সুন্দৰ আৰু তাৎপৰ্য্যপূৰ্ণ হৈছে।

বিচলিত কৰিছিল। এই গল্পটোতো এক কাৰুণ্যৰ আৰু মানবীয় প্ৰমূল্যৰ অৱতাৰণা কৰা হৈছে। ইয়াৰ দ্বাৰা লেখিকাই প্ৰেমৰ গভীৰতাক আৰু প্ৰেমৰ প্ৰতি থকা সন্মানবোধ আৰু মৰ্য্যদাক সুদক্ষভাৱে উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে।

"একান্ত ব্যক্তিগত সংলাপৰ সৈতে এনিশা", "এটা হালধীয়া গল্প", "ভানুৰ পৃথিৱী", "সন্ধিক্ষণৰ অংক" আদি গল্পটো জীৱনৰ ৰূপ আৰু সত্যৰ সন্ধান কৰা হৈছে। একেবাৰে শেষৰ গল্পটো হ'ল "দাগ" য'ত এক বিশেষ বক্তব্য পৰিস্ফুট হৈছে। "দাগ" গল্পটোৰ দ্বাৰা লেখিকাই জয়ন্ত গোহাঁই, অজিত দত্ত আৰু লীনাৰ সম্পৰ্কক গভীৰভাৱে সামাজিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছে। "এজন অসামাজিক কবিৰ বায়'গ্ৰাফী"ত বিভিন্ন গল্পৰ মাজেৰে লেখিকাই সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় ঘটাৰ লগে লগে মানুহৰ অস্তিত্বৰ ন-ন দিশ উদ্ঘাটন কৰাৰো এক প্ৰয়াস দেখা যায়। এক অন্যান্য আৰু উল্লেখনীয় বৰ্ণনাৰীতিৰে গল্পবোৰ উপস্থাপন কৰা হৈছে। মাজে মাজে নাটকীয় দৃষ্টিভংগীকো উপস্থাপন কৰা দেখা গৈছে। বিষয়বস্তু, চৰিত্ৰ আৰু সংলাপ আদি আংগিকৰ দিশত অনুৰাধা শৰ্মা পূজাৰীয়ে এক নিজস্ব দৃষ্টিভংগী আৰু শৈলী তৈয়াৰ কৰিবলৈ সক্ষম হৈছে।

গল্পৰ নামাকৰণে ইয়াৰ বিষয়বস্তুৰ প্ৰতি পাঠকক আকৰ্ষিত কৰিব। মানুহৰ চেতন আৰু অৱচেতন মনৰ আভাস দিবলৈ যাওঁতে লেখিকাই যথেষ্ট সতৰ্কতা অৱলম্বন কৰা দেখা যায়। (দাগ গল্পটোৰ ক্ষেত্ৰত এই কথা বিশ্লেষণ কৰিব পাৰি।) ভাষা সহজ সৰল কিন্তু বিষয় বস্তুৰ বা কাহিনীৰ গভীৰতা তাৎপৰ্য্যপূৰ্ণ। "এজন অসামাজিক কবিৰ বায়'গ্ৰাফী" গল্পটো হৃদয়ঙ্গম কৰিবলৈ হ'লে চিন্তাৰ কচৰৎ কৰাটো খুবেই প্ৰয়োজনীয়। ই নিশ্চয় পাঠকক গল্প সংকলনটিৰ প্ৰতি আকৰ্ষিত কৰি তুলিব। কোনো কোনো বাক্যৰীতি সুন্দৰ আৰু মনোগ্ৰাহী হৈছে, যিবোৰ গল্পৰ বিশেষ বক্তব্য তথা সৌন্দৰ্য্যৰূপে পৰিচিত হৈছে। যেনে —

"কৌশিক বৰুৱাৰ পুৰণি আৰু এতিয়াৰ দুয়োখন প্ৰতিচ্ছবি মনৰ মাজত একেলগ কৰি এটাই মাথোঁ তেওঁৰ সপক্ষে যুক্তি বিচাৰি পালো, সেয়া হৈছে তেওঁৰ 'সাধুতা'। ভালেই কৰক বা বেয়াই কৰক, তেওঁ স্ত্ৰী-পুত্ৰ-কন্যা সকলোৰে আগত সত্যক দাঙি ধৰিছে। বহু সামাজিক মানুহৰ দৰে তেওঁ নিজকে চতুৰালিৰে গোপন কৰা হ'লে হয়তো কৌশিক বৰুৱাই এজন সুখী স্বামী-পিতৃ হৈ সামাজিক জীৱন অতিবাহিত কৰিব পাৰিলেহেঁতেন। তেওঁক সামাজিক ইতিকিঙৰ পৰা বচাবলৈ ইয়াতকৈ বেলেগ যুক্তি বিচাৰি মই পোৱা নাই। তথাপিও কৌশিক বৰুৱাই মোক সোধাৰ দৰে ময়ো মনে মনে তেওঁৰ প্ৰশ্নটোৰ উত্তৰ বিচাৰি আছোঁ — তেওঁৰ প্ৰকৃততে দোষ ক'ত হৈছিল?

"এজন অসামাজিক কবিৰ বায়'গ্ৰাফী" গল্পসংকলনটিৰ সকলো গল্পই সমানে শ্ৰেষ্ঠত্ব দাবী কৰিব নোৱাৰিলেও প্ৰায়বোৰ গল্পতে লেখিকাই এক অভিনৱ আংগিকৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে আৰু বহুদূৰ সফলো হৈছে। অসমীয়া গল্প সাহিত্যলৈ অনুৰাধা শৰ্মা পূজাৰীৰ এই গল্প সংকলনটি সৃষ্টি প্ৰতিভাৰ এক সোণালী স্বাক্ষৰ বুলি অভিহিত কৰিব পাৰি।

**"এজন অসামাজিক কবিৰ বায়'গ্ৰাফী"**
লেকিকা ঃ অনুৰাধা শৰ্মা পূজাৰী
প্ৰকাশক ঃ শ্ৰী ইলা শৰ্মা
জ্যোতি প্ৰকাশন
পাণবজাৰ, গুৱাহাটী - ১
মূল্য ঃ ৪০.০০ টকা

*লেখক, স্নাতক ৩য় বৰ্ষ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ*

# হোষ্টেলীয়া

# সাহিত্য - সুবাসৰ আঁত ধৰি...

'ভাষাবৃক্ষৰ সাহিত্য সৌৰভময় পুষ্পস্বৰূপ'। অসমীয়া সাহিত্যজগতৰ কাণ্ডাৰী পুৰুষ ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে লিখা এই সুশ্ৰাব্য বাক্যটি সৰুতেই আমি কিতাপৰ পাতত পঢ়িছিলো। অথচ বাক্যশাৰীৰ অন্তৰ্নিহিত ভিন্নতাই সকলো সময়তে আমাক এক অনিৰ্বচনীয় অনুভৱৰ সোৱাদ যোগাই থাকে। সাহিত্যৰ এই সৌৰভময়িতাৰ বাবেই আমি প্ৰায়ে ইয়াৰ সুগন্ধত বিভোৰ হৈ পৰো। কিতাপৰ ভাজে ভাজে নিজকে বিলীন কৰি দি আমি অনুভৱ কৰো এক গভীৰ প্ৰশস্তি।

অসমীয়া সাহিত্য(জগত)ৰ বহুতো পুৰোধা ব্যক্তিৰ সাহিত্য-সাধনাৰ কঠীয়াতলীস্বৰূপ আছিল আমাৰ কটন কলেজ। বহুতৰ আকৌ ওলাও ওলাও হৈ থকা গজালিয়ে ইয়াতে সাৰ-পানী পাই এদিন ফলে-ফুলে জাতিষ্কাৰ হৈ উঠিছিল।

কটনৰ হোষ্টেলীয়া জীৱন আমাৰ দৰে বহুতৰ বাবে ৰোমাঞ্চকৰ, ব্যক্তিত্ব বিকাশক আৰু দিক-নিৰ্ণায়ক, এই ৰোমাঞ্চকতাৰে সহবাস কৰা বহুতো সাহিত্য প্ৰেমী ব্যক্তিত্ব এতিয়া অসমীয়া সাহিত্যৰ পথাৰখনত একো একোজন তেজোদ্দীপ্ত আৰু ওজস্বী খেতিয়ক। এওঁলোকৰ পথকে অনুসৰণ কৰি বিভিন্ন ঠাইৰ পৰা আহি সংঘবদ্ধ হোৱা অবাসীসকলে সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত নিজৰ আন্তৰিক প্ৰচেষ্টা আজিও অটুট ৰাখিছে। কটন কলেজৰ প্ৰতিটো ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ প্ৰাচীৰ পত্ৰিকাসমূহ এই প্ৰচেষ্টাৰে সাৰ্থক প্ৰকাশ। এই প্ৰাচীৰ পত্ৰিকাসমূহ সুবিধানুযায়ী প্ৰকাশ কৰা হয় আৰু ইয়াত সকলোৰে বাবে পৰ্যাপ্ত সুবিধা থাকে।

কটন কলেজত সাহিত্য সৃষ্টিৰ পৰিৱেশ অটুট ৰখাৰ ক্ষেত্ৰত এই প্ৰাচীৰ পত্ৰিকাসমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আৰু অৱদান অনস্বীকাৰ্য্য। ইয়াৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই প্ৰাচীৰ পত্ৰিকাসমূহৰ শেহতীয়া সংখ্যাসমূহৰ ওপৰত এক আলোকপাতৰ প্ৰয়াসেৰে এই চমু প্ৰচেষ্টা হাতত লোৱা হৈছে।

**(ক) সৌৰভ ঃ** সৃষ্টিৰ সৌৰভেৰে বৈশিষ্ট্যপূৰ্ণ স্থান অধিকাৰ কৰি অহা শ্বহীদ মোজাম্মিল হক্ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকাৰ নাম 'সৌৰভ'। সৌৰভৰ সেহতীয়া সংখ্যাটিৰ সম্পাদনা কৰিছে প্ৰাগজ্যোতিষ ভুঞাই। বেটুপাত আৰু অলংকৰণ হৰ্ষজিৎ চৌধুৰীৰ। চৌধুৰী প্ৰাচীৰ পত্ৰিকাখনিৰ একমাত্ৰ গল্পলেখকো। কবিতাৰ শিতানত ফুলেন কুমাৰ নাথ, মৃগাংক শইকীয়া, অসীম চক্ৰবৰ্তী আৰু হৰ্ষজিৎ চৌধুৰীয়ে সম্ভাৱনাৰ স্বাক্ষৰ বহন কৰিছে। গৌতম ৰয়ৰ প্ৰবন্ধ সময়োপযোগী। ঠিক সেইদৰে প্ৰাচীৰ পত্ৰিকাখনিৰ সম্পাদকীয় প্ৰাসংগিকতাপূৰ্ণ।

**(খ) দেৱালৰ স্বৰ ঃ** স্বকীয় সুৰৰ লালিত্যৰে গুণগুণাই থকা শতবৰ্ষ গৰকা কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ' ইয়াৰ শেহতীয়া সংখ্যাটিৰ সম্পাদনাৰ দায়িত্বত আছে লক্ষ্যধৰ তালুকদাৰ আৰু অৰূপনামা দাস (যথাক্ৰমে অসমীয়া আৰু ইংৰাজী বিভাগ)। অশোক ৰামৰ মনোগ্ৰাহী বেটুপাতে প্ৰাচীৰ পত্ৰিকাখনি দৰ্শনীয় কৰিছে। বিপুল কুমাৰ দাস, নিতুল বৰুৱা আৰু সীমান্ত বৰ্মনে প্ৰাচীৰ পত্ৰিকাখনি উচ্চ মানদণ্ডসম্পন্ন কৰিছে। ধৰণী লাহন আৰু সূৰুয ফুকনৰ প্ৰবন্ধইও প্ৰাচীৰ পত্ৰিকাখনিৰ সৌষ্ঠৱ বৃদ্ধিত অৰিহনা যোগাইছে।

**(গ) প্ৰাচীৰৰ ৰেঙণি ঃ** ২০০৫ চনত ৫০ বছৰত ভৰি দিবলগীয়া ঐতিহ্যমণ্ডিত মহেন্দ্ৰনাথ ডেকাফুকন ছাত্ৰাবাসৰ আবাসীসকলৰ উৰ্বৰ সাহিত্যিক প্ৰতিভাৰ ৰেঙণি অনুভূত হয় তেওঁলোকৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰাচীৰৰ ৰেঙণি'ত। প্ৰাচীৰ পত্ৰিকাখনিৰ শেহতীয়া সংখ্যাটি যুটীয়াভাৱে সম্পাদনা কৰিছে শৈলেন কলিতা আৰু ইন্দ্ৰজিত ডেকাই। শৈলেন কলিতাৰ দ্বাৰা অংকিত বেটুপাত আকৰ্ষণীয়। কমল কিশোৰ হাজৰিকা, কিশোৰ কুমাৰ কলিতা, হেৰম্ব কুমাৰ দাসৰ প্ৰবন্ধ, অনুপল বৰাৰ গ্ৰন্থ সমালোচনা, লুইত প্ৰতীম শইকীয়াৰ গল্পই প্ৰাচীৰ পত্ৰিকাখনিক নতুন মাত্ৰা দিছে। আনহাতে হিমাংশু হাজৰিকা, পংকজ কুমাৰ দাস আৰু কৃষ্ণনাৰায়ণ দাসে কবিতাৰ ক্ষেত্ৰত প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে।

**(ঘ) ৰ'দ-কাঁচলি ঃ** ৰ'দ-কাঁচলিৰ উমেৰে উমাল হৈ থাকিব বিচৰা শ্বহীদ ৰঞ্জিত বৰপুজাৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকাৰ নাম 'ৰ'দ কাঁচলি'। ৰ'দ কাঁচলিৰ শেহতীয়া সংখ্যাৰ সম্পাদনা সমিতিৰ সভাপতি

ৰক্তিম ঠাকুৰীয়া। সম্পাদক মিফটাউৰ ৰহমান আৰু সহঃ সম্পাদক ভাস্কৰনীল হাজৰিকা। বেটুপাত মিফটাউৰ ৰহমানৰ। মিফটাউৰ ৰহমানৰ লগতে কবিতাৰ কৰণি সজাইছে ছহেইন মঃ ছাহজাহান আৰু জ্ঞানদীপ মেছে। প্ৰবন্ধৰ শিতান শুৱাইছে ৰক্তিম ঠাকুৰীয়া আৰু ভাস্কৰনীল হাজৰিকাই। প্ৰাচীৰ পত্ৰিকাখনিৰ অলংকৰণ সুন্দৰ।

**(ঙ) প্ৰতিধ্বনি ঃ** আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ আবাসীসকলৰ হৃদয়ৰ সৃষ্টি-তাড়নাৰ সাৰ্থক প্ৰতিধ্বনি শুনা যায় তেওঁলোকৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতিধ্বনি'ত। প্ৰতিধ্বনিৰ শেহতীয়া সংখ্যাৰ সম্পাদনা কৰিছে ৰাজীব লেখাৰুৱে। 'মানব'ৰ দ্বাৰা অংকিত বেটুপাত সুন্দৰ। হীৰাজ্যোতি শৰ্মা আৰু কুলদ্বীপ দাসৰ গল্প, শম্ভু ভট্ট, জয়ন্দ নাজাৰী, জ্যোতিব দাস আৰু ৰূপম তালুকদাৰৰ কবিতা, সুব্ৰত দাসৰ লিমাৰিকেৰে সমৃদ্ধ প্ৰাচীৰ পত্ৰিকাখনিয়ে পূৰ্বৰ মৰ্য্যদা অটুট ৰাখিছে।

**(চ) ৰ'দালি ঃ** ৰ'দাঘাই শব্দ আৰু সাহিত্যৰ ৰ'দালি পথাৰ 'ৰ'দালি' সীতানাথ ব্ৰহ্ম চৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকাৰ শিৰোনামা। এই প্ৰাচীৰ পত্ৰিকাখনিৰ শেহতীয়া সংখ্যাৰ সম্পাদক দেৱব্ৰত ৰাজখোৱা। বেটুপাত বিভূতিভূষণ ডেকাৰ। কুলদীপ বৰ্মনৰ গল্পত স্বকীয়তা বিদ্যমান। প্ৰাচীৰ পত্ৰিকাখনিৰ কবিতাৰ শিতান শুৱনি কৰিছে। অৰিন্দম লাহন, মনোজ কুমাৰ দাস আৰু হেমন্ত কুমাৰ হালৈয়ে। সেইদৰে প্ৰবাল জ্যোতি ফুকন আৰু নীলাভ্ৰ প্ৰতীম বৰাই শুৱাইছে প্ৰবন্ধৰ শিতান। প্ৰাচীৰ পত্ৰিকাখনিৰ অলংকৰণ সম্পাদকৰ নিজা। উল্লেখ্য যে প্ৰাচীৰ পত্ৰিকাখনিৰ এই শেহতীয়া সংখ্যাটি যোৱা স্বাধীনতা দিৱসত নিহত ১৩টি নিষ্পাপ শিশুৰ সোঁৱৰণত উৎসৰ্গা কৰা হৈছে।

**(ছ) সাৰ্বজনীন ঃ** ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকাৰ শিৰোনামাই আক্ষৰিক অৰ্থতে এক শিল্পময় বিশালতাৰ অনুভৱ আনি দিয়ে। সাৰ্বজনীনৰ শেহতীয়া সংখ্যাৰ সম্পাদকৰ দায়িত্বত আছে পংকজ কুমাৰ বৰুৱা, প্ৰণৱজ্যোতি শইকীয়া আছে সহঃ সম্পাদক ৰূপে। বেটুপাত অম্লান কুমাৰ দেৱ। মানসজ্যোতি শৰ্মা, প্ৰণৱজ্যোতি শইকীয়া, গৌতম শৰ্মা আৰু আবুটানি দলেৰ প্ৰবন্ধ সম্ভাৰে প্ৰাচীৰ পত্ৰিকাখনি উচ্চ মানদণ্ডসম্পন্ন হোৱাত সহায় কৰিছে। সেইদৰে মানসজ্যোতি শৰ্মা আৰু প্ৰণৱজ্যোতি শইকীয়াৰ কবিতা আৰু অভিজিৎ বৰাৰ লিমাৰিকে 'সাৰ্বজনীন'ক সুকাব্যিকতাৰ পৰশ দিছে।

**(জ) উত্তৰণ ঃ** উৎকৰ্ষতা আৰু নতুনত্বৰ বাবে নিজৰ উত্তৰণ ঘটাব খোজা শ্বহীদ কনকলতা ছাত্ৰীনিবাসৰ প্ৰাচীৰ পত্ৰিকাৰ নাম 'উত্তৰণ'। এই বছৰৰ নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকাখনিৰ শেহতীয়া সংখ্যাটিৰ সম্পাদিকা বন্দনা দেৱী। বেটুপাত অদিতি বৰুৱাৰ। প্ৰাচীৰ পত্ৰিকাখনিত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাই সমমৰ্য্যাদা পাইছে। প্ৰান্তিকা শৰ্মাৰ গল্প, সংগীতা শিখা মহন্ত, গীতাঞ্জলি বকলিয়াল, মন্দাকিনী চেতিয়াৰ প্ৰবন্ধ, ডেইজী ৰাণী গগৈৰ লিমাৰিক আৰু মণি চৌধুৰী, পাপৰী বৰা, শংখা সংহিতাৰ কবিতাৰে প্ৰাচীৰ প্ৰত্ৰিকাখন বৈশিষ্ট্যপূৰ্ণ হৈছে। অলংকৰণ সুন্দৰ।

**(ঝ) শাশ্বত ঃ** শাশ্বত শব্দটিয়ে মনলৈ যিদৰে এক মহানুভৱতা আনি দিয়ে শ্বহীদ নলিনীবালা দেৱী ছাত্ৰীনিবাসৰ প্ৰাচীৰ পত্ৰিকা 'শাশ্বত'ৰ আহ্বানো তাৰ সমগোত্ৰীয়। সমীক্ষাকালীন প্ৰাচীৰ পত্ৰিকাখনিৰ সম্পাদিকা ৰূপত আছে বিচিত্ৰা দত্ত। বেটুপাত আঁকিছে সীমামণি লিখকে। চয়নিকা ঠাকুৰীয়াৰ গল্প, নন্দিতা খাখলাৰী, মুনমী বৰাৰ কবিতা, হিমাক্ষী বৰাৰ লিমাৰিকে প্ৰাচীৰ পত্ৰিকাখনি আকৰ্ষনীয় কৰিছে। গ্ৰন্থ সমালোচনা আগবঢ়াইছে নিবেদিতা কলিতাই। প্ৰবন্ধৰ শিতানত সুগভীৰ আলোচনা কৰিছে নন্দিতা খাখলাৰী, য়েলেনা কাকতি আৰু ডেইজী দলেই। প্ৰতিবাৰৰ দৰে শাশ্বতৰ অলংকৰণত নতুনত্ব বিদ্যমান।

ওপৰত বিভিন্ন ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ প্ৰাচীৰ পত্ৰিকাসমূহৰ এটা থুলমূল আবাস দিয়াৰ চেষ্টা কৰা হ'ল। প্ৰাচীৰ পত্ৰিকাসমূহৰ মাজত গুণগত পাৰ্থক্য নিশ্চয় আছে। আবাসীসকলৰ আন্তৰিক সহযোগিতা আৰু অন্তঃকৰণীয় প্ৰচেষ্টাই প্ৰাচীৰ পত্ৰিকাসমূহৰ মান অধিক উন্নত কৰাৰ লগতে কটন কলেজৰ সাহিত্যিক পৰিৱেশৰ বিকাশ আৰু বৰ্ধনত যোগাত্মক প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি।

যুগুতালে ঃ সম্পাদনা সমিতিয়ে

ৰস ৰচনা ঃ



# শুৱনি আমাৰ বিহুখনি অতি

অৱন্তিকা পৰাশৰ

"শ্ৰদ্ধাৰ বিহুৱলীয়া ৰাইজ। ইতিমধ্যে আমাৰ মাজত আমাৰ আটায়েৰে শ্ৰদ্ধাৰ, আটায়েৰে মৰমৰ নিমন্ত্ৰিত অতিথিসকল উপস্থিত হৈছেহি। আৰু কিছুদেৰিৰ পাছতেই তেওঁলোকে তেওঁলোকৰ অনুষ্ঠান পৰিৱেশন কৰিব। গতিকে সদাশয় ৰাইজলৈ আমাৰ বিনম্ৰ অনুৰোধ, তেওঁলোকে যেন আৰু কিছু সময় অপেক্ষা কৰে।" ঘোষকজনৰ ঘোষণাটো শেষ হোৱাৰ লগে লগে বিনন্দ গোঁহায়ে দীঘলকৈ হামি এটা মাৰি হাতৰ ঘড়ীটোলৈ চালে, নিশা বাৰ বাজিছে। "এতিয়াও আৰু অপেক্ষা কৰিবলৈ বাকী আছেই।" তেওঁ মনতে ভোৰভোৰালে।

তেনেতেই পিছফালৰ পৰা কোনোবাই পিঠিতে খোচ মাৰি দিয়া যেন পাই ঘূৰি চাই দেখিলে, ঘৈণীয়েক। মূৰটো তেওঁৰ ফালে হাওলাই দিয়াত ঘৈণীয়েকে কাণতে ফুচফুচাই কলে, "হেৰী, আৰু এবাৰ যাওকচোন। এতিয়া দেখোন কাৰো প্ৰগ্ৰেম দিয়া নাই। মাজনীৰটো কিজানি এইবাৰ হয়েই।"

এনেয়েই গোঁহাইদেউৰ খঙটো টিকনিৰ আগতে আছিল। এতিয়া ঘৈণীয়েকৰ কথাকেইটাই যেন কটা ঘাত চেঙাতেলহে ঢালিলে। তেওঁ ঘৈণীয়েকলৈ ঘূৰি চাই টান মাতেৰে ক'লে" হেৰা, হোৱাই নোহোৱাই কিনো খেচখেচাই থাকাহে। এতিয়ালৈ এই দহবাৰ হ'ল কমিটিক কোৱা। মান সন্মান বুলিওতো বস্তু এটা আছে। আৰু মই যাব নোৱাৰোঁ। ইমানেই যদি জীয়েৰাক গান গোৱাবৰ ইচ্ছা, তেন্তে নিজে গৈ কমিটিক কোৱা। মোক যাবলৈ নকবা।

টানকৈ ক'লে যদিও তেওঁৰ মনটো হ'লে বেয়া লাগিল। জীয়েকৰ গান শুনিম বুলি বৰ হেঁপাহেৰে আহিছিল মানুহজনী। গোঁহায়ে কেৰাহিকৈ জীয়েকৰ ফালে চালে। চকীখনত কুচি মুচি বহিয়েই তাই টোপনি গৈছে। গোঁহাইৰ বৰ বেয়া লাগিল জীয়েকলৈ। বেছেৰীয়ে বৰ আশা কৰি আহিছিল গান গাব বুলি।

"সচাঁকৈয়েই বৰ খং আৰু দুখ লগা কথা এইবোৰ। সৰুৱেই হওক বা ডাঙৰেই হওক, তাই শিল্পীটো। শিল্পীক অকণমান হ'লেও সন্মান কৰিব নেজানে ইহঁতে।"

এইখন গুৱাহাটীৰ এখন বিখ্যাত বিহুতলী। খুব ভাল বিহু হয় বুলি এইখন বিহুতলীৰ সুনাম আছে। বহুত মানুহৰ সমাগম হয় এইখন বিহুত। এই কথা জানিয়েই গোঁহায়ে সন্মতি দিছিল, যেতিয়া ইয়াৰ বিহু কমিটিৰ দুজনমান মানুহে আহি তেওঁক কৈছিল, তেওঁৰ জীয়েকে এই বিহুতলীত গান গাব লাগে।

বিনন্দ গোঁহাই মানুহটো কলা-সংস্কৃতিপ্ৰেমী। পেচাত অভিযন্তা হ'লেও ; জীৱন ধাৰণৰ বাবে ইটা-বালি চিমেণ্ট নানাবিধ কঠোৰ তঠা ধাতৱ যান্ত্ৰিক সা-সজুলিৰ লগত গোটেই দিনটো পাৰ কৰিলেও তেওঁৰ মনটো কিন্তু বৰ কোমল। হাৰমণিয়াম-তবলাৰ মাত শুনিলে, কৰবাত ভাওনা বা নাটকৰ বচন শুনিলে, মানুহটো একেবাৰে ৰ'ব নোৱাৰা হয়।

গোহাঁয়ে তেওঁৰ একমাত্ৰ ছোৱালীজনীকো তেওঁৰ দৰেই গঢ়ি তুলিবলৈ বিচাৰে। আৰু এইক্ষেত্ৰত তেওঁ বহুখিনি সফলো হৈছে। অন্ততঃ জীয়েকক লৈ গৰ্ব কৰিব পৰাৰ সুবিধাখিনি তেওঁক জীয়েকে দিছে বুলি গোঁহায়ে বিশ্বাস কৰে। বাৰ বছৰীয়া হ'লেও তাইৰ মাতটো মিঠা। ভাল গান গায় তাই। শাস্ত্ৰীয় সংগীতৰ পৰীক্ষাতো তাই বালদৰেই উত্তীৰ্ণ হৈছে। দুই এখন ঠাইত তাই বিহুৰ প্ৰগ্ৰেমো নকৰা নহয়। কিন্তু গোঁহাইৰ এটাই দুক এই আটাইবোৰ ঠায়েই গুৱাহাটীৰ বাহিৰত। মানে তাই এতিয়ালৈকে গুৱাহাটীৰ এখনো বিহুতলীত গান গাই পোৱা নাই।

সেয়েহে যেতিয়া মানুহকেইজনে আহি তেওঁক কৈছিল মিতালি অৰ্থাৎ জীয়েকে এই বিহুতলীত গান গাব লাগে, তেতিয়া তেওঁ হাতেৰে সৰগ ঢুকি পোৱাদি পালে। ঘৈণীয়েকেও কথাটোত বৰ উৎসাহ দিলে।" ভালহে এনেকুৱা এখন বিহুত গান গালেহে তাইক মানুহে জানিব পাৰিব। আপুনি আকৌ মানুহকেইটাক না বুলি নকৰ। ঘৈণীয়েকৰ ভাষ্য এয়া।

গতিকে পিছদিনাৰ পৰাই গোঁহায়ে জীয়েকৰ অনুশীলন আৰম্ভ কৰি দিলে। প্ৰগ্ৰেমৰ দিনা তাইৰ লগত বজাবলৈ "হেণ্ডচ'ৰো ব্যৱস্থা কৰিলে। জীয়েক স্কুলৰ পৰা আৰু তেওঁ অফিচৰ পৰা অহাৰ পাছত প্ৰতিদিনে তেওঁলোকৰ ঘৰত সংগীতৰ বৈঠক বহিবলৈ ধৰিলে। গানৰ নিচাত বলিয়াৰ দৰে হোৱা গোঁহায়ে এইকেইদিন পৰাপক্ষত অফিচৰ পৰা সোনকালে আহি আছে। জীয়েকে এনে এখন বিহুতলীত গান গাব কম কথা নেকি।

অৱশেষত সেই দিনটো আহি পালে। গোঁহায়ে সেই দিনাৰ বাবে গাড়ী এখন ভাৰালৈ ল'লে। গোটেই দিন ধৰি তেওঁৰ ঘৰত জোৰদাৰ অনুশীলন চলিল। গানৰ শ্ৰোতা হ'বলৈ কাবৰ দুজনমান জনা-শুনা মানুহকো মাতি আনিলে। কিবা ভুল দোষ থাকিলে শুধৰাই দিবলৈ। তেওঁ তাইক গোৱাটোকেই পুনৰ গাবলৈ দিলে, কৰাটোকেই কৰিবলৈ দিলে সকলোফালৰেপৰাই গীতকেইটাক নিখুত কৰি তুলিবলৈ। এনে এখন বিহুতলীত কিবা ভুল হ'লে গোটেই নাক কাণ কটা যাব।

শ্ৰীমতি গোঁহাইৰো গাতো সিদিনা আহৰি নাই। বাদ্যযন্ত্ৰী, ঘৰৰ মানুহ, নিমন্ত্ৰিত অতিথিসকলক ধৰি মানুহ প্ৰায় পোন্ধৰজনমানেই হ'ব। এই সকলোৰে বাবে সিদিনা ঘৰত ভাতৰ ব্যৱস্থা কৰা হৈছে। কাৰো সহায় নোহোৱাকৈ ইমানবোৰ মানুহৰ বাবেই অকলেই ভাত-মাছ-মাংস ৰন্ধা কি সহজ কথা। তথাপিও তেওঁ সকলোবোৰ কাম হাঁহিমুখেই কৰি গৈছে, একমাত্ৰ জীয়েকৰ স্বাৰ্থত। জীয়েকে ইমান ডাঙৰ বিহুতলী এখনত গান গাব। ভাবিয়েই তেওঁৰ গা-মন ভাল লাগি গ'ল। কি থিক কিজানি এইখনে তাইৰ জীৱনৰ পাকচক্ৰকেই ঘূৰাই দিয়ে। যদি তাই কোনোবা ভাল সংগীত পৰিচালকৰ চকুত পৰে। তেতিয়াতো কথাই নাই। তেওঁ কানৰ মাজতে জীয়েক মিতালিক অৰ্চনা মহন্ত, জুবিন গাৰ্গৰ দৰে ডাঙৰ ডাঙৰ বিহুতলীত গান গাই থকা অৱস্থাত কল্পনা কৰি চালে, ভাল লাগিল।

অৱশেষত সাতমান বজাত সকলোৱে বিহুতলীত উপস্থিত হ'লগৈ। তাত গৈ পোৱাৰ পিছতহে গোঁহায়ে গম পালে, মিতালিৰ প্ৰগ্ৰেমটো হেনো ছয় বজাতেই দিয়া হৈছিল। "কিন্তু চিন্তা কৰিবলগীয়া কোনো কথা নাই। আপোনালোকৰ প্ৰগ্ৰেমটো নটা বজালে পিছুৱাই দিয়া হৈছে।" লিডাৰ যেন লগা ল'ৰা এটাই তেওঁলোকক বুজাই ক'লে।

গতিকে ন বজালৈ অপেক্ষা কৰি আটায়ে বহি থাকিল। উপায়োতো নাই। দেৰি কৰিলে যেতিয়া ভুগিবই লাগিব।

লাহে লাহে ন বাজিল দহ বাজিল, আৰু শেষত ঘড়ীৰ কটাই বাৰ বজাৰ সংকেত দিলে। গোঁহায়ে ব্যক্তিগতভাৱে কমিটিৰ প্ৰত্যেককে লগ ধৰি কৈও চালে, "সৰু ছোৱালী। সোনকালে দি দিয়কহে প্ৰগ্ৰেমটো লাগিলে এটা গান গায়েই গুছি আহিব।" কিন্তু সকলোৰে এটাই উত্তৰ আৰু "অলপ সময় অপেক্ষা কৰক। এই দিছোৱেই আৰু আমি।"

লাহে লহে আৰু ষাঠি মিনিট পাৰ হৈ গ'ল। কিন্তু মিতালিৰ পাল হ'লে নপৰিল।

অনবৰত চলি থকা ঘোষণা, মিতালিয়ে টোপনি মাৰি থকা দৃশ্য, চৌদিশৰ কোলাহল, ঘৈণীয়েকৰ ভোৰভোৰণি - এই আটাইবোৰৰ মাজতে তেওঁৰ জানো কি হ'ল। জীয়েকক টোপনিৰ পৰা জগাই দি আটাইৰে কাণে চাই তেওঁ ক'লে — "উঠাহক, নকৰো আৰু আমি ইয়াত প্ৰগ্ৰেম।"

বাটত আহি থাকোঁতে গোঁহায়ে হিচাপ এটা কৰি চালে। খৰচৰ হিচাপ। 'হেণ্ডচ্'ক দিব লাগিব আঢ়ৈ হাজাৰ, গাড়ীক পাঁচশ, দুপৰীয়াৰ ভাত, চাহ-মিঠাই এইবোৰৰ বাবে প্ৰায় এহাজাৰ— প্ৰায় চাৰিহাজাৰেই খৰচ হ'ল তেওঁৰ এইখন বিহুৰ নামত। আৰু গোটেইখিনি পইচাই ধাৰৰ ঘৰত। ঘৰ বন্ধাৰ লোন, এল. আই. ছি. এইবোৰৰ নামত কাটোতে কাটোতে দৰমহাৰ বিকেইটা ৰয়গৈ তাৰে মাহটোৱেই ভালকৈ নাটে। এতিয়া এই তিনিহাজাৰ টকাৰ হিচাপটো মিলাই ক'ত।

ইয়াৰে দুদিনমানৰ পিছত গোঁহায়ে কিবা এটা কামত সেই ঠাইডোখৰলৈ গৈছিল। যাওতে তেওঁ লগ পালে বিহু কমিটিৰ চিনাকি মানুহ এজনক। মানুহজনে কথাই কথাই কলে, "হেৰি নহয় গোঁহাই, আপোনালোক সিদিনা তেনেকৈ গুছি যাব নেলাগিছিল। আপোনালোক অহাৰ অলপ সময় পিছতেই ছোৱালীজনীৰ নামটো বৰকৈ ঘোষণা কৰি আছিলো।"

"কেইমান বজাতনো?" গোঁহায়ে সুধিলে

"বেছি দেৰি নহয়, পুৱা চাৰি বাজিলহে মাত্ৰ।" মানুহজনে ক'লে।

সেইদিনা ঘৰলৈ ওভটোতে গোঁহায়ে সেই বিহু তথা বিহু কমিটিক দীঘলকৈ প্ৰণাম এটা জনালে।



অনুদিত প্ৰবন্ধ ঃ

# ও. হেনৰী

মূল হিন্দী ঃ হৰিশংকৰ পৰসাই
অসমীয়া অনুবাদ ঃ ড° ভূষণ চন্দ্ৰ পাঠক

আমেৰিকাৰ চিকাগো চহৰৰ বেংক এটাত মানুহ এজনে কাম কৰিছিল। বেংকৰ হিচাপ-নিকাচৰ খেলি-মেলিত মানুহজন এদিন জেললৈ যাব লগাত পৰিল। জেলত সময় পাৰ কৰিবলৈ মানুহজনে গল্প লেখিবলৈ আৰম্ভ কৰিলে। তাত তেখেতে নিজৰ নাম ৰাখিলে ও. হেনৰী। সময়ৰ গতিত সেই মানুহজনেই হৈ পৰিল বিশ্ববৰেণ্য সাহিত্যিক।

বিশ্বৰ শ্ৰেষ্ঠ গল্পকাৰসকলৰ ভিতৰত ও. হেনৰীৰ এখন সুকীয়া স্থান আছে। ব্যংগ্যাত্মকতা তেখেতৰ গল্পৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। মানৱীয় সূক্ষ্ম অনুভূতিৰ ব্যাখ্যা এইজন গল্পকাৰৰ প্ৰায়বোৰ গল্পতেই পোৱা যায়। ভাষাৰ গতিময়তা আৰু জতুৱা ঠাঁচৰ সুন্দৰ প্ৰয়োগেও তেখেতৰ গল্পক কৰি ৰাখিছে জীৱন্ত।

ও. হেনৰীয়ে লিখা এটা উল্লেখনীয় গল্প হ'ল 'জীৱনৰ চাকনৈয়া'। গল্পটো মৰ্মস্পৰ্শী। গাঁও এখনত খেতিয়ক দম্পত্তি এহাল থাকে। মাজে-সময়ে দুয়োৰে মাজত কাজিয়া লাগে। এদিনাখন সিহঁতে বিবাহ-বিচ্ছেদ কৰাৰ কথাও ভাবিলে। লগত পাঁচ ডলাৰ লৈ যথাসময়ত দুয়ো ওচৰৰ চৰকাৰী ৰেজিষ্টাৰ অফিচত গৈ ওলাল। দুয়ো বিচ্ছেদৰ পত্ৰত চহী কৰিলে। ৰেজিষ্টাৰ অফিচৰ অফিচাৰে দুয়োকে বিবাহ বিচ্ছেদৰ বৈধ্যতাৰ প্ৰমাণ পত্ৰও দিলে। বিচ্ছেদৰ পিচত দুয়ো অফিচৰ বাৰান্দালৈ ওলাই আহিল। ভালেখিনি সময় মৌন হৈ বাৰান্দাত থিয় দি ৰ'ল। ইমান বছৰে একেলগে থকাৰ পিচত একধৰণৰ জীৱন পাৰ কৰাটো একপ্ৰকাৰৰ অভ্যাসত পৰিণত হৈছিল। এতিয়া বিচ্ছেদৰ এই নতুন পৰিস্থিতিটো দুয়োৰে বাবে আচহুৱা আচহুৱা যেন লাগিল। শেষত ইজনে আনজনক কোৱা-কুই কৰিলে —

পতি ঃ 'এতিয়া তুমি ক'লৈ যাবা?'

পত্নী ঃ 'মই য'লৈকে নাযাও, তোমাক লাগিছে কিয়? এতিয়াতো আমাৰ মাজত একো সম্বন্ধই নাথাকিল।'

পতি ঃ 'তথাপিও কোৱাতনো কি আপত্তি থাকিব পাৰে।'

পত্নী ঃ 'এইখন পাহাৰৰ সিটো পাৰে থকা মামাৰ ঘৰলৈ যাম।'

পতি ঃ 'ব'লা, ঘোঁৰা-গাড়ীত যাওঁ, মই তোমাক তাত থৈ আহোঁ।'

পত্নী ঃ 'কিন্তু, তোমাৰ আৰু মোৰ মাজত যিহেতু একো সম্বন্ধই নাথাকিল, তেনেস্থলত তুমি মোক থব কিয় যাবা? আমি এতিয়া ইজনে-আনজনৰ বাবে অপৰিচিত। আৰু শুনা, গাইটোক কিন্তু সময়মতে ঘাঁহ দিবা।'

পতি ঃ 'তুমি আৰু এতিয়া গাইৰ চিন্তা কিয় কৰিছা?'

পত্নী ঃ 'ৰাতিপুৱাৰে বৈ যোৱা সব্জি আৰু ৰুটিখিনি মই ভালকৈ ঢাকি থৈ আহিছোঁ। ৰাতি গৈ সেইখিনিয়ে খাবা।'

পতি ঃ 'কিন্তু, এইবোৰৰ লগত তোমাৰ কি সম্বন্ধ? এতিয়াতো আমাৰ মাজত একো সম্বন্ধ নাই।'

আমেৰিকাৰ চিকাগো চহৰৰ বেংক এটাত মানুহ এজনে কাম কৰিছিল। বেংকৰ হিচাপ-নিকাচৰ খেলি-মেলিত মানুহজন এদিন জেললৈ যাব লগাত পৰিল। জেলত সময় পাৰ কৰিবলৈ মানুহজনে গল্প লেখিবলৈ আৰম্ভ কৰিলে। তাত তেখেতে নিজৰ নাম ৰাখিলে ও. হেনৰী। সময়ৰ গতিত সেই মানুহজনেই হৈ পৰিল বিশ্ববৰেণ্য সাহিত্যিক।

পত্নী ঃ 'তুমি প্ৰায়েই আলমাৰীটো বন্ধ কৰিবলৈ পাহৰি যোৱা আৰু সেয়ে আলমাৰীৰ ভিতৰত নিগনি সোমায়। ভৱিষ্যতে সেইবোৰলৈ ধ্যান দিবা।'

এনেদৰে দুয়ো বহু সময় ধৰি কথা-পাতি ৰ'ল। শেষত থিৰাং কৰিলে যে সিহঁত দুয়ো ইজনে আনজনক এৰি চলিব নোৱাৰে। সিহঁতে নতুনকৈ আকৌ বিয়া পতাৰ কথা ভাবিলে। কিন্তু, পত্নীয়ে ক'লে, 'বিয়া পাতিবলৈ দেখোন পাঁচ ডলাৰ লাগিব; সেইখিনিতো এতিয়া লগত নাই। পত্নীৰ কথা শুনি পুৰুষজনে ক'লে, 'ডলাৰৰ কথা তুমি চিন্তা নকৰিবা। মই ব্যৱস্থা কৰিম।' চৰকাৰী ৰেজিষ্টাৰ অফিচৰ বিয়া-বাৰুৰ কাম কৰা অফিচাৰজন ঘৰমুৱা হ'ল। এন্ধাৰো নামিল। ঠাইডোখৰ জয়াল। খেতিয়কজনে তেওঁৰ পিচ ল'লে; আৰু অকলশৰীয়া অৱস্থাত পাই তেওঁক হেঁচা মাৰি ধৰি তেওঁৰ পৰা পাঁচ ডলাৰৰ নোট লৈ পলাল। দ্বিতীয় দিনাখন মানুহজনে বিবাহৰ আবেদন পত্ৰ আৰু সেই চৰকাৰী অফিচাৰজনৰ হাতত দিলে। খেতিয়কজনে পাঁচ ডলাৰ নোটখিনিও দিলে। সেই মোহোৰা-মোহোৰ নোটখিনি দেখি অফিচাৰজনে বুজি উঠিলে যে তেওঁৰ পৰা কাঢ়ি নিয়া নোটখিনিয়েই সেইখিনি। তেওঁ অৰ্থপূৰ্ণ দৃষ্টিৰে খেতিয়কজনলৈ চালে।

চৌবিছ ঘণ্টাৰ ভিতৰতে বিচ্ছেদ আৰু বিবাহ দুয়োটাই হৈ গ'ল। খেতিয়ক আৰু তেওঁৰ পত্নী, দুয়ো একেলগে গাড়ীত উঠি ঘৰমুৱা হ'ল। এই গল্পটোত মানৱীয় সম্বন্ধৰ এটি সুন্দৰ অভিব্যক্তি ফুটি উঠিছে।

